C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

■ ৫২ বছৰৰ অপেক্ষাৰ অন্ত পৰিল ঃ ইন্দোৰৰ পৰিয়ালে লাভ কৰিলে কন্যা সন্তান

■ মহাকাশ বিজ্ঞানত অসমৰ ঐতিহাসিক খোজ!

**দিগ্‌দৰ্শন**



সৰ্বশেষত শত্ৰুৰে কি কৈছিল, সেয়া আমাৰ মনত নাথাকিব; কিন্তু বন্ধুবৰ্গৰ নীৰৱতাৰ কথা মনত সজীৱ হৈ থাকিব।

মাৰ্টিন লুথাৰ কিং জুনিয়ৰ
*মাৰ্কিন মানৱ অধিকাৰ কৰ্মী*

৭ বাণিজ্য যুদ্ধ ঃ আমেৰিকাৰ সামগ্ৰীত ২০ বিলিয়ন ডলাৰৰ শুল্ক আৰোপ কানাডাৰ

৪ কাজিৰঙাৰ সংবেদনশীল অঞ্চলৰ পৰিসীমা আগৰ দৰেই থাকক

১৩ দুবছৰৰ পাছত শীৰ্ষস্থান হেৰুৱালে বুমৰাহে

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৯ তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৯ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৭ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 27 August 2026 মূল্য ঃ ৯.০০ টকা

## অসমীয়া কোন?


■ শৈলেন ভৰালী

'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব আজিৰ অসমীয়াই নিজক নিচিনিলে অসমতে ভগনীয়া হ'ব।'



কেইবাটাও দশকৰ পূৰ্বেই প্ৰখ্যাত কণ্ঠশিল্পী আৰু গীতিকাৰ ভূপেন হাজৰিকাই এই গীতটোৰে অসমীয়াক সজাগ কৰিবলৈ চেষ্টা কৰিছিল। ভূপেন হাজৰিকাৰ এই সকীয়নি ক্ৰমে ক্ৰমে বাস্তৱত পৰিণত হোৱাৰ দিশে আগবাঢ়িছে। বিগত চাৰি-পাঁচটা দশকজোৰা *১০ পৃষ্ঠাত চাওক*

■ মানস সৰোবৰ যাত্ৰালৈ গৈ ভাৰতীয় মহাবিপদত ■ সদগুৰুৰ শিষ্যও আছিল ৭৭ জন
■ নিৰুদিষ্টসকলৰ ১১১ বিদেশী লোক কোন দেশৰ নাগৰিক এতিয়াও নিশ্চিত হোৱা নাই



## নেপালৰ সংহাৰী বানত সন্ধানহীন ১৪২ ভাৰতীয়, অসমৰো থকা বুলি সন্দেহ

■ নেপাল সীমান্ত পাৰ হোৱাৰ পূৰ্বেই সন্মুখীন বিপৰ্যয়ৰ ■ নিশা পৰ্যন্ত ২০৭ বিদেশী পৰ্যটকৰ পৰিচয় উদ্ধাৰ

■ নিউজ ব্যুৰ'
**কাঠমাণ্ডু, ২৬ আগষ্ট ঃ** আজি পুৱা নেপালৰ সংহাৰী বানত কমেও ১৪২ ভাৰতীয়সহ কে'বাশ দেশী-বিদেশী পৰ্যটকো সন্ধানহীন হয়। তিব্বতৰ পৰা বৈ অহা ভোটেকোশী নদীয়ে আকস্মিকভাৱে সৃষ্টি কৰা এই ভয়াৱহ বানত সন্ধানহীন হোৱা শতাধিক ভাৰতীয় নাগৰিকৰ ৩৭ জন প্ৰৱাসী ভাৰতীয়। বাকী ১০৫ জনে কৈলাশ মানস সৰোবৰ যাত্ৰাত অংশগ্ৰহণৰ উদ্দেশ্যে নেপালত উপস্থিত হৈছিল। এইসকলৰ ৭৭ জন সদগুৰুৰ ঈশা ফাউণ্ডেছনৰ আৰু ৩২ জন কলকাতাৰ আছিল বুলি *১০ পৃষ্ঠাত চাওক*



■ নেপালৰ প্ৰধানমন্ত্ৰীৰে বাৰ্তালাপ নৰেন্দ্ৰ মোদীৰ

## বিহাৰসহ তিনি ৰাজ্যত সতৰ্কতা জাৰি

চি-১৭-চি-১৩০ জে-চি-২৯৫ শ্ৰেণীৰ বিমান প্ৰেৰণ ভাৰতীয় বায়ুসেনাৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৬ আগষ্ট ঃ** চুবুৰীয়া ক্ষুদ্ৰ ৰাষ্ট্ৰ নেপালৰ বান দুৰ্গতসকলৰ বাবে ভাৰতে ততাতৈয়াকৈ সাহায্য সামগ্ৰী আৰু উদ্ধাৰকাৰী বাহিনী প্ৰেৰণ কৰিছে। আকস্মিক বান দুৰ্যোগৰ কৱলত পৰা দেশখনৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহলৈ ফোন কৰিও পৰিস্থিতিৰ বুজ লৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। *১০ পৃষ্ঠাত চাওক*

■ ২০১৫ৰ ভূমিকম্পৰ পাছত সৰ্ববৃহৎ দুৰ্যোগ ■ প্ৰলয়ংকৰী বানে চূৰমাৰ কৰিলে চাৰিখনকৈ জিলা
■ তিব্বতৰ পৰা ওলাই অহা নৈৰ আকস্মিক তাণ্ডৱ ■ ছয় মিটাৰ পৰ্যন্ত উচ্চতালৈ উঠিছিল ঢৌ

# নেপালত জলপ্ৰলয়, সহস্ৰাধিকৰ মৃত্যুৰ শংকা

বান দুৰ্গতক উদ্ধাৰৰ বাবে সেনা নিয়োগ

## চীনে আগতীয়া সতৰ্কবাণী নিদিয়াৰ বাবে নেপালত জলপ্ৰলয়!

■ নিউজ ব্যুৰ'
**বেইজিং, ২৬ আগষ্ট ঃ** নেপালৰ সংহাৰী বান দুৰ্গতসকলক উদ্ধাৰৰ বাবে ভাৰতৰ সমানে আগবাঢ়ি আহিল চীনো। আজি চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে নেপালৰ *১০ পৃষ্ঠাত চাওক*



■ মুহূৰ্ততে উটুৱাই নিলে অসংখ্য দলং-ঘৰ-দুৱাৰ-যানবাহন, বোকা মাটিয়ে পুতিলে বৃহৎ অঞ্চল ■ তিব্বততো বিস্তৰ ক্ষয়-ক্ষতি ■ ৰুদ্ধশ্বাসে পলায়নৰ চেষ্টা চলায়ো ব্যৰ্থ বহুজন


■ নিউজ ব্যুৰ'
**কাঠমাণ্ডু, ২৬ আগষ্ট ঃ** প্ৰায় এক দশকৰ পাছত পুনৰ প্ৰকৃতিৰ ৰোষত পৰিল নেপাল। প্ৰকৃতিৰ তাণ্ডৱত হিমালয়ৰ কোলাৰ শান্ত-নিৰিবিলি পৰিৱেশত অৱস্থিত দেশখনত পুনৰ উঠিল মৃত্যুৰ কিৰিলি। আজি পুৱা ন বজাত এক আকস্মিক জলপ্ৰলয়ে দেশখনৰ উত্তৰাঞ্চলক ধ্বংসস্তূপত পৰিণত কৰে। তিব্বতৰ পৰা বৈ অহা ভোটেকোশী নৈত আজি প্ৰবল আকস্মিক বানৰ সৃষ্টি হয়। এই বানে প্ৰথমে তিব্বতৰ নিকটৱৰ্তী ৰাসুয়া জিলাত ধ্বংসলীলা চলায়। কে'বা মিটাৰ উচ্চতালৈ উঠা প্ৰচণ্ড সোঁতযুক্ত পানীয়ে মুহূৰ্ততে এফালৰ পৰা



মানুহ, ঘৰ-দুৱাৰ, বজাৰ, যানবাহন আদি উটুৱাই নিয়ে। আনকি বহু গছো বানে উভালি উটুৱাই নিয়ে। পানীৰ সোঁত ইমানে প্ৰবল আছিল যে একাংশ পকী দলঙো ছিঙি উটি যায়। একাধিক ঘাইপথৰো বিস্তৰ ক্ষতিসাধন হয়। তদুপৰি এই সংহাৰী বানত ৰাসুয়া জিলাৰ এটা জলবিদ্যুৎ প্ৰকল্পৰো বিস্তৰ ক্ষতিসাধন হয়। দেশখনৰ ৰাজধানী কাঠমাণ্ডুৰ পৰা ১২৫ কিলোমিটাৰ দূৰৈত অৱস্থিত ৫০ হেজাৰ লোকে বাস কৰা জিলাখনত বানৰ প্ৰকৃত জন-ধনৰ ক্ষতি বাতৰি লিখা পৰলৈকে পোহৰলৈ অহা নাই। অৱশ্যে স্থানীয় কেতবোৰ সূত্ৰৰ মতে, এই বানে *১০ পৃষ্ঠাত চাওক*

## মানসজ্যোতিৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে ফৰেণচিক বিশেষজ্ঞৰ দল

মুখ্যমন্ত্ৰীৰ নিৰ্দেশত বীৰ লাচিত সেনাৰ নেতাৰ মৃত্যুৰ সম্পৰ্কত গোচৰ ৰুজু



অগ্ৰদূত বাৰ্তা
**নাজিৰা, ২৬ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ কৰ্মী মানসজ্যোতি চেতিয়াৰ ৰহস্যজনক মৃত্যুৰ তদন্ত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপত আৰম্ভ *১০ পৃষ্ঠাত চাওক*

■ কুমাৰীকাটাৰ বাসগৃহত চিপজৰী লোৱা অৱস্থাত মৃতদেহ উদ্ধাৰ ■ শাৰীৰিক অসুস্থতা-প্ৰচণ্ড মানসিক চাপত ভুগি আছিল বুলি সন্দেহ

## বড়োলেণ্ড পৰিষদৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীৰ ৰহস্যজনক আত্মহনন

■ আৰক্ষীৰ তদন্ত আৰম্ভ ■ পোহৰলৈ অহা নাই প্ৰকৃত কাৰণ ঃ হাগ্ৰামাৰ শোক

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৬ আগষ্ট ঃ** ৰহস্যজনক পৰিৱেশত আত্মহত্যা কৰিলে বিটিচিৰ উপাধ্যক্ষ তথা দৰংগাজুলিৰ বিজেপি পাৰিষদ বিজিত গৌৰা নাৰ্জাৰীয়ে। আজি সন্ধিয়া নাৰ্জাৰীৰ তামুলপুৰৰ কুমাৰীকাটাস্থিত নিজ বাসভৱনৰ প্ৰথম মহলাৰ গ্ৰীলত চিপ লৈ থকা অৱস্থাত নিঠৰ দেহ উদ্ধাৰ হয়। সূত্ৰই জনোৱা মতে, আজি গোটেই দিন তেওঁ নিজ বাসভৱনতে থাকি ফোনত দলীয় কৰ্মী



তথা বন্ধুবৰ্গসকলৰ লগত বিভিন্ন সময় অতিবাহিত কৰিছিল। ইয়াৰ পূৰ্বে বিগত এসপ্তাহ বৰমাস্থিত বাসগৃহত কটাই তিনিদিন পূৰ্বে কুমাৰীকাটাস্থিত বাসগৃহলৈ উভতি আহিছিল। আজিৰ দিনটো এনেদৰে ব্যস্ততাৰে কটোৱাৰ পাছত সন্ধিয়া চিপ লোৱা অৱস্থাত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। অৱশ্যে নাৰ্জাৰীৰ এই চৰম সিদ্ধান্তৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই। এই সম্পৰ্কত তেওঁৰ পৰিয়াল বা আৰক্ষীয়েও কোনো *১০ পৃষ্ঠাত চাওক*

■ নেপালৰ সংহাৰী বানৰ কাৰণ ব্যাখ্যা ভূতত্ত্ববিদৰ ■ জলবায়ু পৰিৱৰ্তন-হিমালয় অঞ্চলত উন্নয়নৰ নামত অবাধ বন ধ্বংস-সুৰংগ নিৰ্মাণো অন্যতম কাৰণ ■ সাত বছৰ পূৰ্বে আগজাননী



## তিব্বতত পুৱা ৪.৪ প্ৰাবল্যৰ ভূমিকম্পৰ জোঁকাৰণিত ফাটি যায় হিমবাহৰ হ্ৰদ

উপগ্ৰহৰ জৰিয়তে ৪০ বছৰজোৰা পৰ্যবেক্ষণ ■ প্ৰতি বছৰে ডেৰ ফুটৰ অধিক উচ্চতালৈ গলিছে হিমবাহ

■ নিউজ ব্যুৰ'
**কাঠমাণ্ডু, ২৬ আগষ্ট ঃ** সাত বছৰ পূৰ্বেই নেপাল ভয়াৱহ আকস্মিক বানৰ কৱলত পৰাৰ আশংকা কৰিছিল একাংশ বিজ্ঞানীয়ে। ২০১৯ত প্ৰকাশিত এক গৱেষণাপত্ৰত স্পষ্টভাৱে কোৱা হৈছিল যে জলবায়ু পৰিৱৰ্তনৰ ফলত চলিত শতিকাৰ আৰম্ভণিৰ পৰা হিমালয়ত প্ৰতি বছৰে ডেৰ ফুটৰো অধিক উচ্চতালৈ হিমালয় পৰ্বতৰ হিমবাহসমূহৰ বৰফ গলিছে। ইয়াৰ পৰিণতি নেপালকে ধৰি হিমালয়ৰ পাদদেশৰ অঞ্চলসমূহৰ বাবে ভয়ংকৰ হ'ব বুলি এই গৱেষণাপত্ৰত কোৱা হৈছিল। ভাৰত, চীন, নেপাল, ভূটান আৰু চীন অধিকৃত তিব্বতৰ বিস্তীৰ্ণ অঞ্চল ৪০ বছৰ ধৰি কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে পৰ্যবেক্ষণ কৰাৰ পাছত এই গৱেষণাপত্ৰ প্ৰকাশ পাইছিল। এই গৱেষণাপত্ৰ 'ছায়েন্স এডভান্সেছ' শীৰ্ষক এক উচ্চমানৰ পত্ৰিকাত প্ৰকাশ পাইছিল। উপগ্ৰহই প্ৰেৰণ কৰা চিত্ৰ বিশ্লেষণ কৰি *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩৩° | ২৮° |
| দিল্লী | ৩৪° | ২৭° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৮° | ২১° |
| শ্বিলং | ৩১° | ২২° |

*২৬ আগষ্ট, ২০২৬*

## শ্বিলঙৰ হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে এছআইটি গঠন মেঘালয়ৰ

পৰিস্থিতি স্বাভাৱিক হ'লেও পৰ্যটকৰ অভাৱ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ আগষ্ট ঃ** খাচি ছাত্ৰ সন্থাৰ প্ৰতিবাদৰ সময়ত শ্বিলঙত অসমৰ বাহনৰ ওপৰত চলোৱা আক্ৰমণত জড়িতৰ বিৰুদ্ধে মেঘালয় *১০ পৃষ্ঠাত চাওক*

■ চাৰি জিলাৰ শেহতীয়া বানৰ সম্পৰ্কত ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি

## উদ্বেগ অমূলক নহয় বুলি মন্তব্য কৰি চৰকাৰক শপতনামা দাখিলৰ নিৰ্দেশ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ আগষ্ট ঃ** শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত সৃষ্টি হোৱা শেহতীয়া জলপ্ৰলয়ৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম আৰু নগালেণ্ড চৰকাৰক অহা তিনি নৱেম্বৰৰ ভিতৰত শপতনামা দাখিলৰ আজি নিৰ্দেশ দিয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ে। অসম বিধানসভাৰ প্ৰাক্তন বিৰোধী দলপতি তথা নাজিৰাৰ প্ৰাক্তন বিধায়ক দেৱব্ৰত শইকীয়াই উক্ত চাৰি জিলাৰ জলপ্ৰলয়ৰ সম্পৰ্কত অসম আৰু নগালেণ্ড চৰকাৰক অংশীদাৰ কৰি দাখিল কৰা এখন *১০ পৃষ্ঠাত চাওক*

## ই-ৰিক্সাৰ 'চাৰ্জ' দিওঁতে বিদ্যুৎস্পৃষ্ট হৈ আটছা নেতাৰ অকাল মৃত্যু



অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৬ আগষ্ট ঃ** বিদ্যুৎস্পৃষ্ট হৈ অকাল মৃত্যুক সাৱটি ল'লে আটছা নেতা, জনপ্ৰিয় ইউটিউবাৰ, এথলীট তথা মৰিয়নিৰ *১০ পৃষ্ঠাত চাওক*

ইএছজেদক লৈ অৰ্থহীন প্ৰতিবাদ চলিছে


## মেঘালয়ৰ একাংশ লোকে অসমৰ পৰ্যটকক বেয়া পায় ঃ মুখ্যমন্ত্ৰী ডº শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ আগষ্ট ঃ** কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল (ইছএছজেদ)ক লৈ অব্যাহত থকা বিতৰ্ক, শেহতীয়া অসম-মেঘালয়ৰ চালকসকলৰ সংঘাতকে ধৰি কে'বাটাও বিষয়ত আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। যোৱা কে'বাদিন দিল্লীত বাহৰ পাতি থকা মুখ্যমন্ত্ৰীয়ে আজি নিশা এক সংবাদমেলত কয় যে *১০ পৃষ্ঠাত চাওক*

## শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ পলাতক সদস্যক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ আগষ্ট ঃ** অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চ (এছটিএফ)এ হাইলাকান্দি আৰক্ষীৰ সহযোগত জিলাখনত অভিযান চলাই পাকিস্তান ভিত্তিক সন্ত্ৰাসবাদী সংগঠন শ্বাহজাদ ভাট্টি নেটৱৰ্ক (এছবিএন)ৰ *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



*আজি এই সীমা দেখিছা যদিও কেইদিনমান পাছত তাক সলনি কৰিবলৈ সাজু হৈ থাকা!*

মেৰাপানীত নগাৰ তাণ্ডৱ অব্যাহত ■ বনৰক্ষীৰে হতাহতি, অসমত গছপুলি ৰোপণৰ চেষ্টা

## নেঘেৰীবিলত অসমৰ ভূমি কাঢ়ি লোৱাৰ অপচেষ্টা ঃ উত্তপ্ত পৰিস্থিতি



অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ২৬ আগষ্ট ঃ** চুবুৰীয়া দুই ৰাজ্য অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ লোকে অসমীয়াৰ ওপৰত নিৰ্যাতন-উৎপীড়ন চলাই 'বীৰত্ব' প্ৰদৰ্শন কৰাৰ সময়তে অনুৰূপ ঘটনা মেৰাপানী সীমান্তত সংঘটিত কৰিছে নগালেণ্ডৰ দুৰ্বৃত্তই। অসম চৰকাৰে যোৱা বছৰ বেদখল উচ্ছেদ কৰা দুই নম্বৰ নেঘেৰীবিল কাঢ়ি লোৱাৰ অপচেষ্টা অব্যাহত ৰাখিছে নগালেণ্ডৰ লোকে। আনকি যোৱা নিশা *১০ পৃষ্ঠাত চাওক*

নিশকতীয়া আন্তঃৰাজ্যিক সীমা সুৰক্ষা ■ অস্তিত্বই নাই বহু সংখ্যক সীমান্ত সুৰক্ষা চকীৰ ■ অতিৰিক্ত ৫০ টা বিঅ'পিও স্থাপন নহ'ল

## অসমত ফাইলৰ নথিতে আৱদ্ধ হৈ ৰ'ল আন্তঃৰাজ্যিক সীমান্তৰ সুৰক্ষা

সক্ৰিয় চকীসমূহৰ উন্নয়নৰ বাবে অনুদান প্ৰদানৰ ব্যৱস্থাহে লোৱা হৈছে

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ আগষ্ট ঃ** চুবুৰীয়া ৰাজ্যসমূহৰ স'তে অসমৰ সঘনে সংঘাতময় পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। অসমৰ নিৰাপত্তা ব্যৱস্থাৰ স্বৰূপ উদঙাই চুবুৰীয়া ৰাজ্যৰ দুৰ্বৃত্তৰ দলে ৰাজ্যখনৰ ভূমিত চলাই অহা দৌৰাত্ম্যৰ ভয়াৱহ ৰূপ উপৰ্যুপৰি প্ৰত্যক্ষ কৰি আহিছে জনতাই। কিন্তু যেন দেখিও নেদেখাৰ নাটক কৰি আহিছে চৰকাৰ-প্ৰশাসনে। ফলত সমস্যাবোৰ অপৰিৱৰ্তিত হৈ ৰৈছে। সীমান্তৰ সুৰক্ষা ব্যৱস্থাৰ ধোবাংবাং স্বৰূপ এনে ঘটনাবোৰে স্পষ্ট কৰিছে।

চাৰিখন ৰাজ্যৰ লগত অসমৰ সীমা বিবাদ চলি আহিছে। তাৰে সুযোগ লৈ সংশ্লিষ্ট ৰাজ্যকেইখনৰ দুৰ্বৃত্তৰ দলে অসমৰ সীমাৰ ভিতৰত প্ৰৱেশ কৰি নিজৰ শক্তি প্ৰদৰ্শন কৰি আহিছে। অথচ অসমত আন্তঃৰাজ্যিক সীমান্তত সীমান্ত সুৰক্ষা চকী (বিঅ'পি)ও আছে। অসম আৰক্ষীৰ সীমান্ত সংস্থাৰ তথ্য অনুসৰি *১০ পৃষ্ঠাত চাওক*

C M Y K

দৈনিক
# অগ্রদূত



### NAME CORRECTION

I, Shila Devi, W/O- Late Bir Bahadur Singh, Village- Natun Singri, P.S.-Dhekiajuli, District- Sonitpur (Assam) hereby declare by an affidavit at Tezpur Court on 24/08/2026 that my actual and correct name is Shila Devi. But in my savings account at SBI, Dhekiajuli Branch, vide A/c no. 34189855903, wherein my name has been recorded as Mrs. Chila Devi instead of Shila Devi and my husband's name also recorded as Bir Bahadur Sutar instead of Bir Bahadur Singh. That Shila Devi and Mrs Chila Devi are the names of same person having single identity.

### NAME CORRECTION

I have declared by an affidavit no-5575 date 17/08/26 before Notary Kamrup, Amingaon that my correct name is Jaynal Abdin, but in Land record of Jamabandi / chita copy dag no--1163,907&953 of patta no-231 Revenue Village Bhakhuradia, Mouza Nagarbera, of Nagarbera circle, Kamrup Assam my name has bee incorrectly recorded as Jaynal Sheikh instead of Jaynal Abdin. So Jaynal Sheikh and Jaynal Abdin is the same and one person i.e. myself.

Jaynal Abdin
S/O- Late Falu Sheikh

### NAME CORRECTION

My deceased husband's actual and correct name is Atul Ray, which is recorded in all his relevant documents. In the land document, Dag no. 552, 554 and Patta no. 233, of Vill: Yadumani under Revenue Circle, my deceased husband's name has been wrongly recorded as Naresh Chandra Ray instead of Atul Ray. Atul Ray and Naresh Chandra Ray refer to the same person, i.e., my deceased husband.

Smt. Hesanti Roy

### NAME CORRECTION

I, Deepjyoti Boro, S/O Gahin Boro , R/O Vill : Barangabari, P.O : Kabirali, P.S Kalaigaon . Dist- Udalguri (BTR) Assam declared vide an Affidavit before Notary Udalguri dtd 25/08/26. that in my Land documents vide Dag No.21 and 174 .P. Patta No. 10, at Village : Bananguri , PS. Kalaigaon ,Mouza : Silpota, Dist. Udalguri, my father's name has been recorded as Kanya instead of Gahin Boro . Both Gahin Boro and Kanya are same person having single identity.

### NAME CORRECTION

I Rina Baro, W/O Gahin Chandra Baro, R/O Vill : No. Barangabari, P.O : Kabirali, P.S Kalaigaon. Dist- Udalguri (BTR) Assam declared vide an Affidavit before NOTARY UDALGURI dtd 25/08/26 that in my Land documents vide Dag No.21 and 174 P. Patta No. 10, situated at Village : Bananguri, P.S. Kalaigaon, Mouza : Silpota, Dist. Udalguri, my name has been recorded as Smt. Paheswari Boro H/O Kanya instead of Rina Baro H/O Gahin Chandra Baro. Both are same person having single identity.

### NAME CORRECTION

I do hereby declare through Notary court Chirang that my and my father's actual name is Aji Chetry s/o Ramu Chetry. But in my land document measuring land 01B-01K-05L covered by Dag no 721,Patta no 265 at village Nilibari under Sidli revenue circle, myself and my father's name recorded as Ajju Chetry, s/o- Ram Chetry instead of Aju Chetry, s/o- Ramu Chetry. Both names are same and one person.

Aju Chetry
S/o Ramu Chetry
Palashguri,Nilibary,
Kajalgaon,
Chirang.

### নাম শুধৰণি

নগাঁও আদালতত ২৫ আগষ্ট ২০২৬ তাৰিখে কৰা Affidavit মৰ্মে মাটিৰ জমাবন্দী কপিত ভুলবশতঃ মোৰ প্ৰকৃত নামটো Abul Kasemৰ সলনি Abul Basar হৈ আছে। Abul Basar আৰু Abul Kasem একেজন ব্যক্তিয়েই হয়।

Abul Kasem
C/O- Hasen Ali
Vill- Ujanmari
P.O- Simaluguri
Nagaon.

### নাম শুধৰণি

মোৰ প্ৰকৃত আৰু শুদ্ধ নাম SABITA DAS বুলি আধাৰ কাৰ্ড, পান কাৰ্ড আৰু আন কিছুমান নথিপত্ৰত লিপিবদ্ধ হৈ আছে। কিন্তু অসম গ্ৰামীণ বিকাশ বেংক (A/C No.7371010011723) নেউলাৰভিঠা শাখাত মোৰ নামটো ভুলবশতঃ SABITA DASৰ সলনি SABITA SARKAR হৈ আছে। মই ন'টাৰী পাব্লিক বৰপেটা যোগে ঘোষণা কৰো যে SABITA DAS আৰু SABITA SARKAR দুয়োটা নাম এগৰাকী ব্যক্তিয়েই হয়।

SABITA DAS
W/O- Jiten Sarkar
Vill- Kawaimari
P.O- Sarthebari
Dist- Barpeta, Assam.

### NAME CORRECTION

I hereby declare by an affidavit before Notary Nagaon on 23 /06/26 that my name wrongly recorded in land Jamabandi copy vide dag no-254/255/34/61/67/88 of p. p no-18 under Rrangaloo Gaon kissam of Kathiatoli Mouza as " MUSSA REJIYA BEGUM" and " BEJIYA BEGUM " the correct name is REJINA KHATUN.

REJINA KHATUN

### NAME CORRECTION

I, Sri JUGESWAR BORGOHAIN , Son of Late Chanirarn Borgohain, Betjan Bongali Gaon, P.O.- Makum Junction, P.s. Makum, District - Tinsukia (Assam), do hereby declare before the Notary public at Tinsukia, Assam on 21/08/2026 that in my Land records (Jamabandi), my name has been recorded as "JOGESWAR GOHAIN" instead of my correct name JUGESWAR BORGOHAIN.

# মেঘালয় সীমান্তৰ লাম্পীত জোৱানৰ বাহনত দুৰ্বৃত্তৰ অগ্নিসংযোগ

## খাচি লোক জড়িত থকাৰ সন্দেহ ঃ অসম-মেঘালয় সীমান্তত চৰম অৰাজক পৰিৱেশ



অগ্ৰদূত বাৰ্তা

**বকো, ২৬ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ লাম্পীত যোৱা নিশা আৰক্ষী পহৰা চকীৰ ওচৰতে দুৰ্বৃত্তই অসম আৰক্ষীৰ এজন জোৱানৰ বাহনত অগ্নিসংযোগ কৰি ছাৰখাৰ কৰে। অসম আৰক্ষীৰ ২৮ নম্বৰ বেটেলিয়নৰ হাবিলদাৰ অৰবিন্দ ৰয়ে কৰ্তব্যস্থলীলৈ যাওঁতে নিজৰ মাৰুতি হুণ্ডাই গ্ৰেণ্ড আইটেন বাহন (এ এছ-০১ জিএইছ-৭৩৪৭)ত গৈছিল। পাছত নিশা আপাৰ লাম্পী-বকো পথৰ লাম্পী সীমান্ত পহৰা চকীৰ ওচৰত ৰখা থোৱা অৱস্থাত বাহনখন জ্বলি ভস্মীভূত হয়। বাহনখনত দুৰ্বৃত্তই অগ্নিসংযোগ কৰা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। এই ঘটনাত মেঘালয়ৰ খাচি লোক জড়িত থকা বুলি স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে। ইপিনে, ঘটনা সম্পৰ্কত জোৱানজনে লাম্পী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। আজি বিয়লি গুৱাহাটীৰ পৰা এটা ফৰেনচিক দলো ঘটনাস্থলীত উপস্থিত হৈ তদন্ত কৰে। স্থানীয় লোকে অভিযোগ উত্থাপন কৰা অনুসৰি যোৱা ১৯ আগষ্টত শ্বিলঙত খাচি ছাত্ৰ সন্থাই প্ৰতিবাদৰ নামত অসমৰ যানবাহনত আক্ৰমণ সংঘটিত কৰাৰ পাছৰে পৰা অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলত চৰম অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা নিশাৰ ঘটনাক লৈ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰ্জুন ছেত্ৰীয়েও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ছেত্ৰীয়ে প্ৰতিনিধিত্ব কৰা জোঙাখুলি পৰিষদীয় সমষ্টিৰে অন্তৰ্গত অঞ্চল হয় বৃহত্তৰ লাম্পী অঞ্চল। তেওঁ কয় যে ২০১০ৰ পৰাই একাংশ খাচি লোকে লাম্পী অঞ্চলত সন্ত্ৰাস সৃষ্টি কৰি আহিছে। স্বয়ং আৰক্ষীয়ে যদি সুৰক্ষিত নহয়, তেন্তে সাধাৰণ জনতা কেনেকৈ নিৰাপদ হ'ব বুলি কাৰ্যবাহী সদস্যজনে প্ৰশ্ন উত্থাপন কৰিছে।

# যোৰহাটত পুনৰ ড্ৰাগছ সৰবৰাহকাৰী আটক

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৬ আগষ্ট ঃ** যোৰহাটত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে ক্লাব ৰোড অঞ্চলৰ পৰা পুনৰ এজন সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰে। আটকাধীন যুৱকজন গোলাঘাটৰ বাসিন্দা আজাদুৰ ৰহমান বুলি আৰক্ষী সূত্ৰই জনাইছে। যোৰহাট সদৰ আৰক্ষীয়ে চলোৱা অভিযানত ধৃত ৰহমানৰ পৰা বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে এটা পিষ্টল জব্দ কৰে। অভিযান কালত এটা আইফোন ১৭ আৰু এখন ৰয়েল এনফিল্ড হাৰ্টলাৰ ৩৫০ মটৰ চাইকেলো আৰক্ষীয়ে জব্দ কৰে। মটৰ চাইকেলখনৰ নম্বৰ এএছ-০৩ এআৰ- ২০০১। আৰক্ষীৰ সূত্ৰ অনুসৰি, ৰহমানে যোৰহাটৰ চিনামৰা অঞ্চলৰ ৰূপনগৰত ভাড়াতীয়াৰূপে দীৰ্ঘদিন ধৰি বসবাস কৰি আহিছিল।

### নাম শুধৰণি

মই আল্লাহৰ ওচৰত ধৰ্ম সাক্ষী কৰি কওঁ যে মোৰ নাম চবদেৰ আলী (SABDER ALI) দেউতাৰ নাম মৃত- মুজাফৰ। মোৰ নামটো ভুলক্ৰমে মাটিৰ ৰেকৰ্ডত চবকত আলী (SABKOT ALI) হৈ আছে। মোৰ নথিপত্ৰত আধাৰ, পান, ভোটাৰত সত্য বাবে চবদেৰ আলী (SABDER ALI) দেউতাৰ নাম মৃত মুজাফৰ আলী (MUJAFAR)

Sabder Ali
S/O- Late Mujafar
Vill- Pub Aladi
P.o- Kamalabari
P/s- Sarthebari
Dist- Barpeta (Assam)
Pin- 781307

### শুধৰণি

বৰপেটা জিলাৰ বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ আঠিয়াবাৰী গাঁৱৰ ১৭ নং পট্টাৰ ৪৯ নং দাগত ৰেজিঃ দলিলত ৰৌশনাৰা বেগম পিতা ঃ মৃত আবুল হুছেইন আছে কিন্তু নামজাৰিত ভুলবশতঃ ৰৌশনাৰা বেগম পিতা ঃ মৃত আঃ গফুৰ হৈ আছে।

ইতি,
ৰৌশনাৰা বেগম
পিতা ঃ মৃত আবুল হুছেইন
গাঁও ঃ উত্তৰ আঠিয়াবাৰী
(বৰপেটা ৰোড)

### শুধৰণি

মোৰ নাম Dipa Saikia Hazarika কিন্তু অসম গ্ৰামীণ বিকাশ বেংকৰ কুঠৰী শাখাৰ পাছবুকত মোৰ নাম Dipa Saikia হৈ আছে। কলিয়াবৰ মহকুমা ন্যায়িক আদালতৰ জৰিয়তে Dipa Saikia আৰু Dipa Saikia Hazarika এজনেই হয় বুলি প্ৰমাণ কৰিলো।

Dipa Saikia Hazarika

### শুধৰণি

মোৰ প্ৰকৃত নাম Damayanti Das, নামটো মোৰ আধাৰ কাৰ্ড নং 6020 6387 4811ত ভুলকৈ Damayati Das হ'ল। সেয়ে মই দৰঙৰ আদালতত ন'টাৰী যোগে নামটো পুনৰ Damayanti Das কৰিলো।

গাঁও - বিজুলীবাৰী
ডাক- মাৰৈ,
থানা- ছিপাঝাৰ, দৰং

# ঋণাত্মক চিন্তাই সুন্দৰ সমাজ নিৰ্মাণ নকৰে ঃ উপাচাৰ্য আহুজা

## সমন্বয়ৰ প্ৰাথমিক চৰ্ত পাৰস্পৰিক বিশ্বাসবোধ ঃ ড° বসন্তকুমাৰ গোস্বামী

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৬ আগষ্ট ঃ** 'সমাজত মানুহৰ চিন্তা-চেতনা সদায় ধনাত্মক হোৱা উচিত। ঋণাত্মক চিন্তা-চেতনাই সমাজক বিপথে পৰিচালিত কৰিব পাৰে। ঐক্যবদ্ধ প্ৰচেষ্টাইহে সমাজ নিৰ্মাণত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব পাৰে'। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (এনএছএছ) আৰু অসম সাহিত্য সভাৰ যৌথ উদ্যোগত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহীলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত 'সাহিত্যৰ মাধ্যমেৰে সম্প্ৰীতি' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি এই মন্তব্য কৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বাবুলাল আহুজাই। ভাষণ প্ৰসংগত তেওঁ লগতে কয়- 'বড়োলেণ্ড বিশ্ববিদ্যালয়ত আজি বিভিন্ন জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহণে ভৱিষ্যতৰ বাবে এক যুগজয়ী স্মৃতি সংৰক্ষণ কৰিলে।

অসম সাহিত্য সভাই প্ৰকাশ কৰা আৰু পদ্মশ্ৰী ড° মংগলসিং হাজোৱাৰীয়ে বড়ো ভাষালৈ অনুবাদ কৰা ড° ভূপেন হাজৰিকাৰ গীতৰ সংকলনৰ উন্মোচক হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে কয়- 'সমন্বয়ৰ প্ৰাথমিক চৰ্ত হ'ল পাৰস্পৰিক বিশ্বাসবোধ। অসমৰ বহুভাষিক আৰু বহু সাংস্কৃতিক পৰিৱেশত বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰস্পৰিক আস্থা আৰু বিশ্বাসে সহাৱস্থানৰ পৰিৱেশ সৃষ্টি কৰিব। ভাষাসমূহৰ মাজত প্ৰতিযোগিতাৰ পৰিৱৰ্তে সহযোগিতাৰ বাতাবৰণ গঢ়ি তোলাটোৱেই সকলোৰে লক্ষ্য হোৱা উচিত বুলি মন্তব্য কৰে।

অনুষ্ঠানত বিশ্ববিদ্যালয়খনত পঞ্জীয়ক ড° প্ৰহ্লাদ বসুমতাৰীয়ে আদৰণি ভাষণ প্ৰদান কৰি কয় যে পাঠ্যক্ৰমৰ গণ্ডীৰ ভিতৰত সীমাবদ্ধ নাৰাখি প্ৰকৃত অৰ্থত এগৰাকী শিক্ষিত ব্যক্তি হ'বলৈ প্ৰয়োজনীয় গুণসমূহ আয়ত্ত কৰাৰ কেন্দ্ৰ হিচাপে বড়োলেণ্ড বিশ্ববিদ্যালয়ক গঢ়ি তোলাৰ এয়া এক বিনম্ৰ প্ৰয়াস। ড° ৰাতুল ডেকা আৰু ড° বাৰদৈচিলা নাৰ্জাৰীয়ে আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয় যে বানপানী চাবলৈ ব্ৰহ্মপুত্ৰ পাৰত, বন্যপ্ৰাণী চাবলৈ চিৰিয়াখানা আৰু শান্তি, সমন্বয়, একতাৰ বাৰ্তা বড়োলেণ্ড বিশ্ববিদ্যালয়ত সৃষ্টি হৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰীয়ে কয় যে আজিৰ অনুষ্ঠানত উপস্থিত থাকিব পাৰি ধন্য মানিছো বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলত তথা অসমত বিভিন্ন জাতি-জনগোষ্ঠী বাস কৰে। গতিকে সকলোৰে মাজত শান্তি একতা স্থাপন হ'ব লাগে। তেওঁ আজিৰ অনুষ্ঠানত সাহিত্যি সৃষ্টিৰ মাজেৰে সম্প্ৰীতি গঢ়ি তোলাৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰা হৈছে সেয়া আদৰণীয় বুলি মন্তব্য কৰে। তেওঁ অসম সাহিত্য সভাক 'বিগ ব্ৰাডাৰ' আখ্যা দি অসম সাহিত্য সভাই এইক্ষেত্ৰত যথেষ্ট ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰে। তেওঁ বড়ো জনগোষ্ঠীৰ উন্নয়নৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ে গুৰুত্ব আৰোপ কৰিব লাগিব বুলি কয়। তেওঁ বড়ো জনগোষ্ঠীৰ লগতে আন বাকী ছয় জনগোষ্ঠীৰ উন্নয়নৰ আশা প্ৰকাশ কৰি চৰকাৰক আৰ্থিক অনুদান আগবঢ়োৱাৰ বাবে আহ্বান জনাই সকলো জাতি-জনগোষ্ঠী সমন্বয় আৰু সম্প্ৰীতিৰে আগবাঢ়ি যায় তাকেই কামনা কৰে।

আনহাতে, আজিৰ অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথি তথা অসম নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মাই অসম সাহিত্য সভা আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ে সমন্বয়ৰ এক নতুন দৃষ্টান্ত স্থাপন কৰা বুলি মন্তব্য কৰে। ৰাভা সাহিত্য সভাৰ সভাপতি অমৰসিংহ কোচে অসমৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ মাতৃভাষাক মৰম, আদৰ আৰু সন্মানেৰে জীয়াই ৰাখি অসমক সৰ্বাংগসুন্দৰ কৰি তোলাৰ আহ্বান জনায়। কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দিজেন্দ্ৰ নাথ ভকতে অসমীয়া ভাষা আৰু সংস্কৃতিৰ নিৰ্মাণত কোচ-ৰাজবংশীসকলৰ ঐতিহাসিক অৱদানৰ কথা উল্লেখ কৰে। আনহাতে, চাওঁতালী সাহিত্য সভাৰ সভাপতি ভায়া মোহন চৰেণে অসমৰ জনগোষ্ঠীসমূহৰ ভাষা আৰু সাহিত্যৰ মাজত থকা পাৰস্পৰিক প্ৰভাৱ আৰু সহযোগিতাৰ কথা উল্লেখ কৰি ইয়াক সমন্বয়ৰ এক ঐতিহাসিক ধাৰা বুলি অভিহিত কৰে।

উল্লেখ্য যে আজিৰ প্ৰথম দিনৰ অনুষ্ঠানত 'ঐকতান' নামেৰে এখন স্মৃতিগ্ৰন্থ আনুষ্ঠানিক ভাৱে উন্মোচন কৰা হয়। অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কে'বাশতাধিক ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, অসম সাহিত্য সভাৰ বিষয়ববীয়াকে ধৰি বিভিন্ন সাহিত্য-সংস্কৃতিপ্ৰেমী উপস্থিত থকা অনুষ্ঠানটিত ড° জয়দ্বীপ নাৰ্জাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।এই সত্ৰৰ সামৰণিৰ পাছতে উদয় কুমাৰ শৰ্মা আৰু সুনীল বসুমতাৰীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য সাহিত্য বিষয়ক বক্তব্য প্ৰদান কৰে। এই সত্ৰখনি আঁত ধৰে ড° শৰ্মিষ্ঠা ব্ৰহ্ম কৌৰে আৰু শলাগ জ্ঞাপন কৰে অধ্যাপক হিল্লোল কুমাৰ সিংহই।

উল্লেখ্য যে দুদিনীয়া সাহিত্য অভিবৰ্তণত কাইলৈ অসম সাহিত্য সভা,কবি সন্মিলন উপ সমিতিৰ তত্বাৱধানত 'কাব্যকাকলি-৭' এক অনুষ্ঠানৰে সামৰণি পৰিব ।

# ৰাজ্যিক মৰ্যদাৰে শতায়ু গৰকা মুক্তিযুঁজাৰুৰ চিৰবিদায়, গোলাঘাটত শোক

অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ২৬ আগষ্ট ঃ** গোলাঘাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি বিশিষ্ট, প্ৰবীণ স্বাধীনতা সংগ্ৰামী পোনাৰাম চুতীয়াৰ ২৫ আগষ্টৰ পুৱা ৯ঃ৪৫ তেওঁৰ ঘিলাধাৰীৰ ছ'ছিয়েলিষ্ট পথাৰৰ বাসগৃহত এশ পাঁচবছৰ বয়সত পৰলোকগামী হয়। ১৯২১ত ফৰকাটিঙৰ বাঁহবাৰীত জন্মগ্ৰহণ কৰা চুতীয়াদেৱে ১৯৪২ৰ স্বাধীনতা সংগ্ৰামত এজন সক্ৰিয় সৈনিক হিচাপে জপিয়াই পৰিছিল। সেই সময়ত ফৰকাটিং অঞ্চলৰ নবীন শৰ্মা, ভদ্ৰেশ্বৰ বৰা আৰু প্ৰয়াত চুতীয়াদেৱে একগোট হৈ গাঁৱে-ভূঁইয়ে বৃটিছৰ বিৰুদ্ধে কাম কৰি গৈছিল। যোৰহাট জেলত তেওঁ চাৰিবছৰ কাৰাবাস খাটিছিল। কাৰবাসৰ সময়ত মাত্ৰ এখন ৰুটি আৰু এগিলাছ ঠাণ্ডা পানীহে খাবলৈ দিছিল, যাৰ ফলত তিনিওজন সংগ্ৰামীৰ জেলৰ ভিতৰতে অসুস্থ হৈ পৰিছিল। আঠগাঁৱত সোনেশ্বৰ বৰাৰ নেতৃত্বত গঠন হোৱা আজাদ হিন্দ ফৌজৰো তেওঁ এগৰাকী সক্ৰীয় সদস্য আছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাছতো ১৯৫০ত ছ'চিয়েলিষ্ট পাৰ্টিয়ে হিন্দ কিষান পঞ্চায়ত গঠন কৰি দুখীয়া কৃষক শ্ৰমিকৰ দুখ দূৰ কৰিবৰ বাবে আন্দোলনত নামি পৰিছিল। ঘিলাধাৰীতো ছ'চিয়েলিষ্ট সত্যাগ্ৰহী আন্দোলন চলাই ছহেজাৰ বিঘা মাটি দুখীয়া কৃষকৰ প্ৰতিজনকে ১০ বিঘাকৈ ভগাই দিছিল।

*No.16/ACE/BTC/KOK(R)/2026-27/03* *Dated Kokrajhar, the 26th Aug./2026*

**Tender No.36 of 2026-27**

**PRESS NOTICE INVITING TENDER**

The Addl. Chief Engineer-cum-Director, PWD, BTC, Kokrajhar on behalf of the Governor of Assam invites bids from approved and eligible contractors registered under APWD (Roads) or BTC for **the work of "Construction of Bamboo foot Bridge over Baonai River at Lalmati Tumbagaon Road under BTC for the year 2026-27 of Kokrajhar District"** for a bid amount of **Rs.97,25,977.00 (Rupees Ninety Seven Lakh Twenty Five Thousand Nine Hundred Seventy Seven) only** (approx.).

Details may be seen at the website **www.assamtenders.gov.in** and also in the office of the undersigned during office hours.

Sd/- Addl. Chief Engineer-cum Director,
PWD, BTC, Kokrajhar

*IPR(BTC)/C/2026-27/1433*

**PRESS NOTICE INVITING TENDER**

No.SMB/2/15th_TG/NIT-18/2023-24/4160 Dated-24/08/2026

Executive Officer, Sootea Municipal Board, invites bids for Different Works in Sootea Municipal Board area from approved and eligible Contractor under PWD/PHED, Assam for the works mentioned below under 15th FC Tied and Untied Grant.

| Sl No | Name of Scheme | Name of Work | Estimated Amount (Rs) | Earnest Money |
|---|---|---|---|---|
| 1 | First Instalment of Tied Grant for the year 2025-26 during the year 2025-26 | Construction of Running Water Arrangement at Bholaguri Uparkhel C/H at W/N-05 | 2,70,000.00 | 2% for General and 1% for SC/ST/OBC |
| 2 | First Instalment of Tied Grant for the year 2025-26 during the year 2025-26 | Construction of Running Water Arrangement at Malorgaon AWC WN-10 | 2,70,000.00 | |
| 3 | Second Instalment of Tied Grant for the year 2025-26 during the year 2025-26 | Construction of Running Water Arrangement at Nandalal Rabidas Community Hall WN-6 | 2,70,000.00 | |
| 4 | First Instalment of Tied Grant for the year 2023-24 during the year 2024-25 | Construction of Public Toilet at Kacharigaon Bishnu mandir C/H WN-08 | 1,99,200.00 | |
| 5 | First Instalment of Tied Grant for the year 2023-24 during the year 2024-25 | Construction of Public Toilet at Sootea Estantik WN-02 | 1,99,200.00 | |
| 6 | First Instalment of Untied Grant for the year 2025-26 during the year 2025-26 | Providing and Installation of 30W Standalone LED Solar Light Under Clean Sootea Green Sootea Campaign | 19,86,880.00 | |
| 7 | Second Instalment of Untied Grant for the year 2025-26 during the year 2025-26 | Construction of Approach Road at Sootea Model Cremation Ground | 6,12,632.00 | |
| 8 | Second Instalment of Tied Grant for the year 2025-26 during the year 2025-26 | Construction of Drinking Water Platform at Nagsankar Devalaya | 1,88,500.00 | |
| 9 | Second Instalment of Tied Grant for the year 2025-26 during the year 2025-26 | Construction of Public Toilet at Gyan Vikash Academy WN-08 | 1,99,200.00 | |

Each tender document shall cost Rs. 500.00.The tender paper will be available from 25-08-2026 at the O/o the undersigned. Tenders will be received by the undersigned till 15-09-2026 up to 01.00 PM and the same will be opened on the same day at 02.00 PM. in presence of contractors and the members of "Tender Evolution Committee .

Details of the bids may be seen in the office of the undersigned during office hours.

Sd/-
Executive Officer
Sootea Municipal Board

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯

### ৯ ভাদ বৃহস্পতিবাৰ ২৭ আগষ্ট

**সূৰ্যোদয় ঃ** ঘঃ ৫।৩।২৯। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৬।৭। **তিথি ঃ** শুক্লা, চতুৰ্দশী, দং ৮।৩৩।৫২ ঘঃ ৮।২৯।২। **নক্ষত্ৰ ঃ** ধনিষ্ঠা, দং ৫৪।২৬।৩৫ ৰাঘ ২।৫০।৫৫। **যোগ ঃ** শোভন, দং ১১।৮।৪৭ ঘঃ ৯।৩১।০। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙলৰ দশা, ঘঃ ২।৬।২ যোৱাত কুম্ভৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, ৰাঘ ২।৫০।৪৫ যোৱাত মনুষ্যৰ অস্থি, বিংশোত্তৰী ৰাহুৰ, দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ, ৰাঘ ৫০।৫৫ যোৱাত ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** পশ্চিমত, ঘঃ ৮।২৯।২ যোৱাত বায়ুকোণত। **যাত্ৰা ঃ** নাই, পাপযোগ দোষ, ঘঃ ৮।২৯।২ যোৱাত সিদ্ধিযোগ, দক্ষিণত নাই। **শুভকৰ্ম ঃ** গৰ্ভাধান, জাতকৰ্ম, নামকৰণ, নৱবস্ত্ৰ পৰিধান, ৰত্নাদিধাৰণ, জলাশয়াৰম্ভ, দোকান-নাট্যাৰম্ভ, নাওযাত্ৰা, নাওগঠন, আৰোগ্যস্নান গ্ৰহপূজা শান্তিস্বস্ত্যয়ন, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়। **ভক্ষ্যাভক্ষ্য ঃ** মাটিমাহ, মাছ-মাংস, তেল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** শুভ ৰং বেঙুনীয়া। শুভ সংখ্যা ৫। আকস্মিক দুৰ্ঘটনাত আঘাত পাব পাৰে। আনক সহায় কৰি সন্মান পাব। ব্যৱসায়ীৰ হাতলৈ ধন আহিব। আজি টকা আনক ধাৰলৈ নিদিব। চাকৰিয়ালৰ শুভ। শিক্ষাৰ্থীৰ বাধা আছে। প্ৰতিকাৰ-শিৱ মন্দিৰত থকা ভিক্ষাৰীক ৰঙা ৰঙৰ ফল বা মিঠাই খুৱাব।

**বৃষ ঃ** শুভ ৰং হালধীয়া। শুভ সংখ্যা ৫। পুৰণা মোকৰ্দমাত জয় হোৱাৰ আশা আছে। অনাকাংক্ষিত সমস্যাত পৰিব পাৰে। শৰীৰ সুস্থ থাকিব। টকা-পইচাৰ অভাৱ পাব। প্ৰতিকাৰ- গৃহ লক্ষ্মীৰ আৰাধনা কৰিব। লো দান কৰিব পাৰে।

**মিথুন ঃ** শুভ ৰং সেউজীয়া। শুভ সংখ্যা ৭। ঘৰলৈ বিশেষ ব্যক্তিৰ আগমনে আপোনাক উপকৃত কৰিব। শিক্ষাৰ্থীৰ শুভ। হাতলৈ টকা-পইচা আহিব। পৰি আঘাত পাব পাৰে। প্ৰতিকাৰ- ঘৰৰ মূল দৰ্জাৰ ওচৰত এটা পাত্ৰত পানী ৰাখি তাত ফুল দি ৰাখিব।

**কৰ্কট ঃ** শুভ ৰং ৰঙা। শুভ সংখ্যা ৬। বন্ধুৰ সহায়ে সমস্যা দূৰ কৰিব। শুভ কাম আৰম্ভ কৰিব পাৰে। ব্যৱসায়ত কিছু সমস্যা আছে যদিও সমাধান হ'ব। টকা ধাৰ দিয়া বা লোৱা এটাও নকৰিব। প্ৰতিকাৰ-তুলসী তলত জল ঢালি ধূপ- চাকি জ্বলাই লক্ষ্মী-নাৰায়ণক চিন্তা কৰিব।

**সিংহ ঃ** শুভ ৰং গুলপীয়া। শুভ সংখ্যা-৮। আনক সহায় কৰি সন্মান পাব। চোৰ-ডকাইতৰ পৰা সাৱধান হ'ব। ঘৰৰ মূল্যবান সম্পত্তি হেৰাব পাৰে। অৰ্থৰ নাটনি হ'ব। প্ৰতিকাৰ- ঘৰ পৰিষ্কাৰ কৰি গৃহ লক্ষ্মীক আৰাধনা কৰিব।

**কন্যা ঃ** শুভ ৰং নীলা। শুভ সংখ্যা ৯। ব্যৱসায়ীৰ উন্নতিৰ যোগ। শত্ৰুৰ পৰা সাৱধান। খৰচ বাঢ়িব। অচিনাকি লোকৰ পৰা দূৰত থাকিব। প্ৰতিকাৰ- ঘিউৰ চাকি জ্বলাই তাত পাণৰ পিপলি এটা দি ৰাখিব।

**তুলা ঃ** শুভ ৰং আকাশী নীলা। শুভ সংখ্যা ৮। দুৰ্ঘটনা ঘটিব পাৰে। সন্তানৰ দ্বাৰা অবাবত অৰ্থ হানি হ'ব পাৰে। বিদ্যাত উন্নতি হ'ব। চাকৰিয়ালে বদলিক লৈ সমস্যাত পৰিব। প্ৰতিকাৰ-শনি মন্দিৰত ধূপ-চাকি জ্বলাব।

**বৃশ্চিক ঃ** শুভ ৰং গেৰুৱা। শুভ সংখ্যা ৪। অচিনাকি ব্যক্তিৰ দ্বাৰা সমস্যাত পৰিব পাৰে। আনক সহায় কৰি সন্মানিত হ'ব। চাকৰি স্থায়ীকৰণ হ'ব। কৰ্মত নিযুক্তি হ'ব। প্ৰতিকাৰ- হনুমান মন্দিৰত ফল দিয়ক।

**ধনু ঃ** শুভ ৰং নীলা। শুভ সংখ্যা ৭। দুখৰ সময়ত বন্ধুৰ পৰা সহায় পাব। ব্যৱসায়ত সাৱধানতা অৱলম্বন কৰিব। শিক্ষাৰ্থীৰ শুভ। প্ৰতিকাৰ- ক'লা তুলসী পাতত বগা চন্দন লগাই শ্ৰীবিষ্ণুৰ চৰণত দিব।

**মকৰ ঃ** শুভ ৰং ৰঙা। শুভ সংখ্যা ৫। স্বাস্থ্যৰ প্ৰতি অধিক যত্ন লওক। অৰ্থ হানিৰ যোগ দেখা যায়। পৰিয়ালত বিবাদ হ'ব পাৰে। ব্যৱসায়ত লেন-দেন কৰোতে সাৱধান হ'ব। লাভ বৃদ্ধি হ'ব। প্ৰতিকাৰ- সূৰ্য দেৱতাক স্মৰণ কৰক।

**কুম্ভ ঃ** শুভ ৰং হালধীয়া। শুভ সংখ্যা ৩। শুভ কাম কৰাৰ সিদ্ধান্ত ল'ব পাৰে। ঘৰৰ পৰা মূল্যৱান বস্তু হেৰাব পাৰে। চাকৰিৰ বাবে চেষ্টা কৰক ফল পাব। প্ৰতিকাৰ- মন শুদ্ধ কৰি গণেশ দেৱতাৰ চৰণ চিন্তা কৰক।

**মীন ঃ** শুভ ৰং নীলা। শুভ সংখ্যা ২। আত্মীয়ৰ কাৰণে সমস্যাত পৰিব। সাংসাৰিক অশান্তি বাঢ়িব। সন্তানৰ কাৰণে আনৰ কথা শুনিব লগা হ'ব পাৰে। হাতলৈ টকা আহিব কিন্তু খৰচ বৃদ্ধি পাব। প্ৰতিকাৰ- ঘৰৰ চৌপাশ পৰিষ্কাৰ কৰি চাৰি কোণত চাৰি ডাল ধূপ জ্বলাই সূৰ্য্যলৈ চাই পানী ঢালিব।

## শব্দবেহু ঃ ২৭ আগষ্ট ২০২৬

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ■ | ১ | | | ২ | ■ | ৩ | | ৪ | ৫ |
| ৬ | | ■ | ■ | ৭ | | | ■ | ৮ | |
| ■ | ■ | ৯ | | | ■ | ■ | ১০ | | ■ |
| ১১ | | | ■ | ■ | ১২ | ১৩ | | ■ | ১৪ |
| | ■ | | ■ | ১৫ | | | ■ | ১৬ | |
| ১৭ | | ■ | ১৮ | | | ■ | ১৯ | ■ | |
| | ■ | ২০ | | | ■ | ■ | ২১ | | |
| ■ | ২২ | | ■ | ■ | ২৩ | | | ■ | ■ |
| ২৪ | | ■ | ২৫ | | | ■ | ■ | ২৬ | |
| ২৭ | | | | ■ | ২৮ | | | | ■ |

**পথালিয়ে**

১। ৰণত ব্যৱহাৰ হোৱা এবিধ ঠেক আৰু দীঘল অস্ত্ৰ (৪)
৩। শিৱ, হৰ, মহাদেৱ (৪)
৬। চকুৰ মণিৰ ওপৰত বগা দাগ পৰা ৰোগ (২)
৭। আৰি মাছৰ পোৱালি (৩)
৮। হানি, অনিষ্ট (২)
৯। মানুহ উঠি ফুৰা যান বা জন্তু (৩)
১০। বস্তু থোৱা যতন, দৰা (২)
১১। ধীৱ, লেহেম (৩)
১২। আনন, মুখমণ্ডল (৩)
১৫। প্ৰশংসা, শ্ৰদ্ধাৰে দেখুওৱা মৰম (৩)
১৬। অন্ত, শেষ, সমাপ্তি (২)
১৭। কোঁঠ, দুৰ্গ (২)
১৮। জুই, অগ্নি (৩)
২০। অনেক, বহু বিধ, বিভিন্ন (৩)
২১। পৃথিৱীৰ তলৰ দেশ (৩)
২২। মানা, নিষেধ, বাৰণ (২)
২৩। লগ নথকা, একমাত্ৰ (৩)
২৪। বন্তি, প্ৰদীপ (২)
২৫। বেতন বা মূল্যৰ ওপৰঞ্চি দিয়া ধন (৩)
২৬। মুখৰ ভিতৰত থকা বগা হাড় সদৃশ প্ৰত্যংগ (২)
২৭। যি মাহত মুছলমানসকলে ৰোজা ধৰে (৪)
২৮। ৰাষ্ট্ৰ পৰিচালনাৰ নীতি, কূটনীতি (৪)

**থিয়কৈ**

১। নৈ বা জলাশয়ৰ দাঁতি (২)
২। উপযুক্ত শুভ সময় বা ক্ষণ (৩)
৩। মনে মনে গুচি যা, লুকাই থাক (২)
৪। জ্যোতিষ্ক, তৰা (৩)
৫। নমস্কাৰ, সেৱা, প্ৰণাম (২)
৯। হাতী, বাধা, হাক (৩)
১০। পি খোৱা কাৰ্য (২)
১১। স্বৰ্গৰ গংগা (৪)
১২। সলনি, বিনিময় (৩)
১৩। দাম, মূল্য, ভাও (২)
১৪। নাম-প্ৰসংগত ব্যৱহৃত এবিধ ডাঙৰ তাল (৪)
১৫। মুখ, বদন (৩)
১৮। এটকাৰ ষোল ভাগৰ এভাগ (২)
১৯। ভাগ্য, ললাট (৩)
২০। আকাশ, নাসা (২)
২২। বিচাৰক, উচ্চপদস্থ বিষয়া (৩)
২৩। স্থাৱৰ বস্তু, গতিহীন (৩)
২৪। ঘাঁহেৰে পেট ভৰা অৱস্থা (২)
২৫। বাঢ়নী পানী, বানপানী (২)
২৬। কাষ, কাণ (২)

**উত্তৰ অহা সংখ্যাত**

**২৬ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**

৩। নামঘৰ ৫। ৰস্য ৬। কাৰাগাৰ ৭। জাক ৮। নমনীয় ১০। ৰমজান ১৪। মণিকূট ১৫। বাতায়ন ১৭। আগ ১৮। অৰাজক ২০। যঁজা ২১। জমদগ্নি

**থিয়কৈ**

১। কৰঙন ২। তৰা ৩। নাৰ ৪। ৰসিক ৬। কালিয়ন ৭। জান ৯। মঠ ১০। ৰফা ১১। বাট ১২। নাবালক ১৩। লয় ১৪। মগ ১৬। নৱজাত ১৭। আনজ ১৮। অগ্নি ১৯। জল্প

C M Y K

# বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীক চৰ্তহীন বিনামূলীয়া নামভৰ্তিৰ সুযোগ দিয়াৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৬ আগষ্ট ঃ** ছাত্ৰ সংগঠন এআইডিএছ অ'ৰ অসম ৰাজ্যিক কাউঞ্চিলৰ সম্পাদক হেমন্ত পেগুৰ নেতৃত্বত এটি সঁজাতি দলে আজি উজনি অসমৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ চৰ্ত বিহীনভাৱে বিনামূলীয়া নামভৰ্তি সুযোগ দিয়াৰ দাবীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত কে'বাখনো চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয় পৰিদৰ্শন ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ আগষ্ট ২০২৬ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

# জামুগুৰিহাটৰ কুসুমটোলাত পথ দুৰ্ঘটনা ঃ বিধ্বস্ত বাহন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৬ আগষ্ট ঃ** জামুগুৰিহাটৰ কুসুমটোলাৰ চাৰিলেণ্ড যুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। চতিয়াৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ পৰীক্ষাৰ্থী লৈ অহা এখন আৰটিৰ্গা গাড়ীক এখন তীব্ৰবেগী বলেৰ' গাড়ীয়ে খুন্দা মৰাৰ ফলত ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰ-চৰাইদেউ জিলাক পুনৰ নিৰ্মাণৰ ১০ হেজাৰ কোটিৰ আৱণ্টন দিয়াৰ দাবী

# অ'এনজিচিয়ে দিব লাগিব এশ কোটি



শিৱসাগৰৰ বানাক্ৰান্ত সাহায্য বিতৰণ শিল্পী মণীষা হাজৰিকা-সুৰ বাহিনীৰ, বুধবাৰে।

### শিৱসাগৰত সংগ্ৰামী সেনাৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৬ আগষ্ট ঃ** 'কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে উজনি অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাক পুনৰ নিৰ্মাণৰ লগতে জিলা দুখনৰ বানত আক্ৰান্ত হোৱা ৰাইজৰ জীৱন স্বাভাৱিক কৰি তুলিবলৈ ১০ হেজাৰ কোটি টকাৰ অনুদান আগবঢ়াব লাগিব। অ'এনজিচিৰ তৰফৰ পৰাও জিলা দুখনলৈ এক হেজাৰ কোটি টকা আগবঢ়াব লাগিব। অ'এনজিচিৰ কৰ্তৃপক্ষৰ লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এই অনুদান ঘোষণা নকৰা পৰ্যন্ত সংগ্ৰামী সেনা অসমে বানাক্ৰান্তৰ সহযোগত চৰকাৰ আৰু অ'এনজিচিৰ বিৰুদ্ধে সৰ্বাত্মক আন্দোলনৰ গঢ়ি তুলিব।' এই মন্তব্য সংগ্ৰামী সেনা অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পংকজ খাউণ্ডৰ। আজি সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা এক প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সভাপতিজনে কয় যে যোৱা ১৯ জুলাইত দিখৌ নৈয়ে উজনি অসমৰ তিনি জিলালৈ যি মহাপ্ৰলয় আনিলে ইয়াৰ প্ৰকৃত কাৰণ কি। এয়া অধিক কয়লা আৰু শিলৰ খননৰ বাবে নে ডাৱৰ বিস্ফোৰণৰ ফলত এই মহাপ্ৰলয় আহিল এই সন্দৰ্ভত ৰাজ্য চৰকাৰে স্থিতি স্পষ্ট কৰক। উজনিৰ ৰাইজ এতিয়াও শংকামুক্ত নহয়। সেয়ে ৰাইজ আশ্বস্ত হ'ব পৰাকৈ চৰকাৰে এই মহাপ্ৰলয়ৰ কাৰকসমূহ ৰাইজৰ আগত দাঙি ধৰিব লাগিব। তেওঁ কয় যে ইতিপূৰ্বে দিখৌ নৈৰ প্ৰলয়ংকৰী বানত উজনি অসমৰ বিশেষকৈ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বুনিয়াদ থানবান হৈ পৰিল। মানুহে হেৰুৱালে নিজৰ ঘৰখনৰ লগতে আপোনজনক। শ শ পোহনীয়া জীৱ-জন্তুৰ মৃত্যু ঘটিল দিখৌৰ প্ৰলয়ত। কিন্তু বানত সৰ্বস্বান্ত হোৱা লোকসকলৰ ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত চূড়ান্ত দুৰ্নীতি সংঘটিত হ'ল। হেজাৰ হেজাৰ বানাক্ৰান্ত লোকে চৰকাৰৰ পৰা আগবঢ়োৱা ১৫ হেজাৰ টকা বান সাহায্য লাভ নকৰিলে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পুৱাৰ পৰা সন্ধিয়ালৈকে বানাক্ৰান্তই এই ১৫ হেজাৰ টকা লাভ কৰিবলৈ তাঁত-বাটি কাঢ়ি আছে। কিন্তু আজি দিখৌৰ বান হৈ যোৱা এমাহ অতিক্ৰম কৰাৰ পাছতো এই লোকসকলে চৰকাৰৰ দ্বাৰা ঘোষণা কৰা ছয় পৃষ্ঠাত চাওক

# তেজপুৰত চুৰিকাণ্ড

## গৃহস্থক অচেতন কৰি চুৰিৰ আশংকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৬ আগষ্ট ঃ** তেজপুৰত ইটোৰ পাছত সিটোকৈ সংঘটিত হৈ আছে চুৰিৰ ঘটনা। উল্লেখ্য যে তেজপুৰত চিলনী চোৰৰ সন্ত্ৰাস অব্যাহত থকাৰ মাজতে যোৱা নিশা এটা পৰিয়ালৰ বাসগৃহত চোৰে প্ৰৱেশ কৰি চুৰি কাৰ্য সংঘটিত কৰে। ঘটনাৰ বিৱৰণি অনুসৰি, মাজগাঁও নিকামূলৰ নিবাসী জিতু নাথৰ ঘৰত ভাড়াতীয়া হিচাপে থকা দেৱজিৎ গগৈৰ পৰিয়ালটো নিশা আহাৰ গ্ৰহণ কৰি গভীৰ নিদ্ৰাত থকা সময়তে ঘৰৰ দুৱাৰ খুলি চোৰ প্ৰৱেশ কৰে। ইয়াৰ পাছত ঘৰৰ ভিতৰত চোৰে যথেষ্ট সময় ধৰি চুৰিকাৰ্য সংঘটিত কৰাৰ লগতে বিভিন্ন সামগ্ৰী লণ্ডভণ্ড কৰে যদিও গভীৰ নিদ্ৰাত থকা পৰিয়ালটোৱে কোনো উমঘামকে নাপালে। এনে কাৰণত সম্প্ৰতি চুৰি কাৰ্য সংঘটিত কৰাৰ পূৰ্বে চোৰে কোনো দ্ৰব্য ছটিয়াই পৰিয়ালটোক অচেতন কৰি চুৰি কাৰ্য সংঘটিত কৰা বুলি আশংকা কৰা হৈছে। ছয় পৃষ্ঠাত চাওক

# ঠেলামৰাত চোৰৰ উপদ্ৰৱ অব্যাহত

## ঘটনা চিচি টিভি কেমেৰাত বন্দী

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৬ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰা অঞ্চলত চোৰ-ডকাইতৰ উপদ্ৰৱ অব্যাহত আছে। এইবাৰ দুৰ্বৃত্তৰ লক্ষ্য হৈ পৰিল ধৰ্মীয় অনুষ্ঠানৰ দানপাত্ৰ। যোৱা নিশা ঠেলামৰাৰ পুৱ কাটনি গাঁৱৰ জামে মছজিদৰ দানপাত্ৰ চুৰি হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ছামছুদ্দিন নামৰ এজন ব্যক্তিৰ দোকানৰ সন্মুখত স্থাপন কৰি থোৱা মছজিদৰ দানপাত্ৰটো নিশাৰ অন্ধকাৰৰ সুযোগ লৈ দুৰ্বৃত্তই উঠাই লৈ যায়। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এইটো কোনো প্ৰথম ঘটনা নহয়। ইয়াৰ পূৰ্বেও উক্ত দানপাত্ৰটো দুই-তিনিবাৰকৈ চুৰি হৈছিল। বাৰে বাৰে একেটা স্থানতে চুৰিৰ ঘটনা সংঘটিত হোৱাত স্থানীয় লোকসকল চিন্তিত হৈ পৰিছে। ইফালে, সমগ্ৰ চুৰি কাণ্ড সমীপৱৰ্তী চিচি টিভি কেমেৰাত বন্দী হৈ ৰৈছে। চিচি টিভি ফুটেজৰ সহায়ত আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ধাৰাবাহিকভাৱে সংঘটিত এই চুৰি কাণ্ডৰ স'তে জড়িত দুৰ্বৃত্তক অতি সোনকালে কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ ঠেলামৰা আৰক্ষীক ৰাইজে দাবী জনাইছে।

### বৰহোলা চাহ বাগিচাৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আটছাৰ স্মাৰকপত্ৰ ■ পিএফৰ ধন বিচাৰি হাহাকাৰ কলাপানীৰ শ্ৰমিকৰ

# খালী পদত শীঘ্ৰে নিযুক্তি, শ্ৰমিকৰ পিএফৰ ধন মুকলি ঃ চিকিৎসা সেৱা উন্নত কৰাৰ দাবী



**বিশেষ সংবাদদাতা**

**বৰহোলা, ২৬ আগষ্টঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা 'আটছা'ৰ বৰহোলা উপশাখাই বৰহোলা চাহ বাগিচাৰ দহটা গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত বাগিচাখনৰ পৰিচালক অমিতাভ বুঢ়াগোঁহাইক আজি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বাগিচাখনৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা শীঘ্ৰে সমাধান কৰাৰ দাবীত সংগঠনটোৱে এই স্মাৰকপত্ৰ প্ৰদান কৰে। আটছাই উত্থাপন কৰা দাবীসমূহৰ ভিতৰত বৰহোলা আৰু কলাপানী চাহ বাগিচাত খালী হৈ থকা ষ্টাফ পদসমূহ যোগ্যতাৰ ভিত্তিত শীঘ্ৰে পূৰণ কৰা, অৱসৰৰ পাছতো কৰ্মৰত হৈ থকা কৰ্মচাৰীসকলৰ পদ বন্ধ কৰি নতুন নিযুক্তিৰ ব্যৱস্থা কৰা, স্থায়ী শ্ৰমিকৰ নাম কৰ্তনৰ পাছত নতুনকৈ নিযুক্তি পোৱা শ্ৰমিকৰ চাকৰি তিনিমাহৰ ভিতৰত নিয়মীয়াকৰণ কৰা আদি অন্যতম। ইয়াৰ উ[illegible] ছয় পৃষ্ঠাত চাওক

### ■ মৰিয়নিৰ ছাত্ৰ-ছাত্ৰীৰ মানৱীয়তাৰ নিদৰ্শন

# মিঠাই খাবলৈ অনা ধন সাঁচি বানাক্ৰান্ত শিক্ষাৰ্থীক শৈক্ষিক সামগ্ৰী প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৬ আগষ্ট ঃ** নিজৰ সৰু সৰু ইচ্ছাক ত্যাগ কৰি বিপদৰ সময়ত আনৰ কাষত থিয় হৈ মানৱীয়তাৰ এক অনন্য নিদৰ্শন দাঙি ধৰিলে মৰিয়নিৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে। প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি মৰিয়নিৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ পৰা মিঠাই খাবলৈ অনা ধন সঞ্চয় কৰি সেই ধনেৰে বহী, কলমকে ধৰি বিভিন্ন শৈক্ষিক সামগ্ৰী ক্ৰয় কৰে। সহায়ৰ নামত কেৱল সামগ্ৰী আগবঢ়োৱাই নহয়, বিপদৰ সময়ত বানাক্ৰান্ত শিক্ষাৰ্থীসকলৰ কাষত থিয় হৈ তেওঁলোকক সাহস আৰু মৰমৰ এষাৰ মাত দিয়াই আছিল তেওঁলোকৰ প্ৰধান উদ্দেশ্য। আজি মৰিয়নিৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ অধীনৰ একাংশ ছয় পৃষ্ঠাত চাওক



# মুছলপুৰত বি পি এফৰ নীতি নিৰ্ধাৰণ সমিতিৰ বৈঠক

## উপ-নিৰ্বাচনত প্ৰাৰ্থী দিব বিপিএফে

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৬ আগষ্ট ঃ** বাগ্‌সা জিলাৰ মুছলপুৰত থকা সাংস্কৃতিক প্ৰকল্প চৌহদত আজি হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ নীতি নিৰ্ধাৰণ সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত নীতি নিৰ্ধাৰণ সমিতিয়ে কে'বাটাও ছয় পৃষ্ঠাত চাওক

# ধেমাজিৰ শিক্ষাবিদ, সমাজকৰ্মী ৰূপেশ্বৰ শইকীয়াৰ মৃত্যুত শোক


**অগ্ৰদূত বাৰ্তা**

**ধেমাজি, ২৬ আগষ্ট ঃ** ধেমাজিৰ শ্ৰীপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ তথা চিচি চিলাপথাৰৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সম্পাদক ৰূপেশ্বৰ শইকীয়াৰ অলপতে চিচিবৰগাঁও টকৌবাৰী গাঁৱৰ নিজ বাসগৃহত আকস্মিকভাৱে দেহাৱসান ঘটে। অমায়িক ব্যক্তিত্বৰ অধিকাৰী শিক্ষাবিদজনৰ আকস্মিক মৃত্যুত সমগ্ৰ চিলাপথাৰ আৰু চিচিবৰগাঁও অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। অৱসৰপ্ৰাপ্ত শিক্ষাবিদজনে স্বাভাৱিকতেই ঘৰুৱা কাম-কাজ চলাই আছিল। কিন্তু সেইদিনা নিশা হঠাৎ তেওঁৰ পেটৰ বিষ আৰু পাতল শৌচ আৰম্ভ হয়। শৰীৰ অতিমাত্ৰা দুৰ্বল হৈ পৰাত দুই পুত্ৰই ছয় পৃষ্ঠাত চাওক

# মঙলদৈত আৰক্ষীৰ অভিযান, ৪১ টা চোৰাং গৰুসহ ট্ৰাক জব্দ ঃ পলায়ন চালক, বেপাৰী

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৬ আগষ্ট ঃ** নিশাৰ নিৰ্জনতাৰ সুযোগ লৈ এচাম ক'লা ব্যৱসায়ীয়ে ৰাষ্ট্ৰীয় ঘাইপথেৰে সৰবৰাহ কৰি থাকে নানান আপত্তিজনক তথা অবৈধ সা-সামগ্ৰী। মঙলদৈ চহৰৰ মাজেৰে পাৰ হৈ যোৱা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো ইয়াৰ ব্যতিক্ৰম নহয়। ৰাজ্যখনৰ উজনি-নামনিৰ লগতে চুবুৰীয়া ৰাজ্য তথা বহিঃৰাজ্যৰ পৰাও নিশাৰ ভাগত সৰবৰাহ হয় বিভিন্ন বৈধ-অবৈধ সামগ্ৰী। চোৰাং ব্যৱসায়ৰ স'তে জড়িতসকলে চলে বলে কৌশলে গৰু, কয়লা, চাহপাত, নিচাজাতীয় সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী সৰবৰাহ কৰি থাকে যদিও কেতিয়াবা কেতিয়াবা তাৰে দুই এখন গাড়ী ধৰাও পৰে। যোৱা নিশা মঙলদৈ সদৰ থানাৰ আৰক্ষীৰ তালাচীত ধৰা পৰে এখন গৰু কঢ়িওৱা কন্টেনাৰ ট্ৰাক। মঙলদৈ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দনজ্যোতি বৰাৰ নেতৃত্বত আৰক্ষীৰ এটা বৃহৎ দলে মঙলদৈ কেৰিমেৰি ছয় পৃষ্ঠাত চাওক



### ■ আজি ভূটান সীমান্তলৈ খেদি পঠিওৱাৰ পৰিকল্পনা

# ঘগ্ৰাপাৰৰ পূব বৰশিৰালত বনৰীয়া হাতীৰ জাকৰ অৱস্থান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৬ আগষ্ট ঃ** নলবাৰী জিলাৰ উত্তৰ অঞ্চলৰ ৰাইজক বনৰীয়া হাতীৰ উপদ্ৰৱে আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰি অহাৰ সময়তে প্ৰায় ১১ টা হাতীৰ জাকটোৱে কালিৰে পৰা পাগলাদিয়া নৈৰ পূৱ বৰশিৰালৰ বন বননিত অৱস্থাত কৰি আছিল। আজি নলবাৰী আঞ্চলিক বন বিভাগ বিষয়া দীনেশ দাসৰ তত্ত্বাবধানত আৰু বন পালক আলাউদ্দিন আহমেদৰ নেতৃত্বত এটি বৃহৎ দলে উক্ত স্থানৰ পৰা হাতীৰ জাকটো খেদি পঠিওৱাৰ বাবে চেষ্টা চলায়। আজি নলবাৰী আঞ্চলিক বন বিভাগে বিশেষজ্ঞ দলক আমন্ত্ৰণ কৰি আনে। গোৱালপাৰাৰ পৰা অহা ২৩ জনীয়া বিশেষজ্ঞ ছয় পৃষ্ঠাত চাওক



### ■ জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ লগতে মটক জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত সংকল্প ■ জনজাতিকৰণৰ বিকল্প নাই, পোনাকণ বৰুৱা

# তিনিদিনীয়াকৈ ডিব্ৰুগড়ত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰম্ভ

**বিশেষ সংবাদ দাতা**

**ডিব্ৰুগড়, ২৬ আগষ্ট ঃ** সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ ১৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আজি পতাকা উত্তোলনেৰে শুভাৰম্ভ হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰাক্তন বিধায়ক পোনাকণ বৰুৱা আৰু মটক যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি উদয় শংকৰ মহনে পুৱা পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই স্মৃতি তৰ্পণ কৰাৰ পাছত কে'বাজনো বিশিষ্ট ব্যক্তিয়ে একুৰি গছ পুলি ৰোপণ কৰে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা সমিতি, বৰবৰুৱা আঞ্চলিক সমিতি আৰু গৰুধৰীয়া পাত্ৰ গাঁও শাখা সমিতিৰ যৌথ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰি পোনাকণ বৰুৱাই কয় যে, মটকসকল অসমৰ অন্যতম আদিম ভূমিপুত্ৰ। ১২২৮ খ্ৰীষ্টাব্দত চাওলুং ছ্যুকাফা অসমলৈ অহাৰ সময়ত মটকসকলে উজনি অসমত নিজৰ ৰাজ্য স্থাপন কৰি বাস কৰি আছিল। পৰৱৰ্তী সময়ত মটক ৰাজ্য আহোম ৰাজ্যৰ স'তে বিলীন হয় আৰু আহোম স্বৰ্গদেউ চাওলুং ছ্যুকাফাৰ স'তে বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ভাগ লৈছিল। বিগত সময়ছোৱাত অসমৰ জাতীয় জীৱনক ভাষা, কৃষ্টি, সাহিত্য, সংস্কৃতি আৰু অৰ্থনীতি সকলো ধৰণে সমৃদ্ধ কৰাত মটক জনগোষ্ঠীৰ লোকে অৱদান আগবঢ়াই আহিছে। তেওঁ আৰু কয় যে, মটকসকল প্ৰকৃততে জনজাতি লোক, কেৱল আনুষ্ঠানিক স্বীকৃতিৰ প্ৰয়োজন হে আছিল। সেয়েহে অতি সোনকালে মটকসকলক জনজাতিকৰণৰ আওতালৈ আনিবলৈ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ বাবে বিশেষ ছয় পৃষ্ঠাত চাওক

### ■ ঠিকাদাৰক এসপ্তাহৰ সময়সীমা ■ নিৰ্মাণকাৰ্যত গাফিলতিক লৈ কঠোৰ স্থিতি

# মাজুলীৰ ছখন বিদ্যালয়ত বিধায়ক-জিলা আয়ুক্তৰ আকস্মিক পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**মাজুলী, ২৫ আগষ্ট ঃ** মাজুলীৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনি, বিদ্যালয়সমূহৰ পৰিৱেশ আৰু শৈক্ষিক ব্যৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যে আজি স্থানীয় বিধায়ক ভুৱন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে জিলাখনৰ ছখন বিদ্যালয়ত আকস্মিক পৰিদৰ্শন চলায়। পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ আন্তঃগাঁথনি, নিৰ্মাণকাৰ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শৈক্ষিক পৰিৱেশৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। প্ৰথমে মাজৰ দেউৰী জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে বিধায়ক আৰু জিলা আয়ুক্তজনে। বিদ্যালয়খনৰ শৌচাগাৰৰ পৰিৱেশ দেখি আয়ুক্তজনে অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ওপৰত অধিক নজৰ ৰাখিবলৈ বিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পাছত বৰবিল হাইস্কুল, কুলিগাঁও প্ৰাথমিক বিদ্যালয়, ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয়, নেহেৰু স্মৃতি প্ৰাথমিক বিদ্যালয় আৰু শেষত শংকৰ ছয় পৃষ্ঠাত চাওক

# দুৰ্গন্ধময় পানী গচকি বিদ্যালয়লৈ ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী

## জিলা আয়ুক্তলৈ ছাত্ৰ সন্থাৰ স্মাৰকপত্ৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা ২৬ আগষ্ট ঃ** বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষৰ চূড়ান্ত হেমাহি আৰু গুৰুত্বহীনতাৰ ফলস্বৰূপে কেন্সাৰ হাস্পতাল আৰু নতুনকৈ মুকলি কৰা শিশু আৰু প্ৰসূতি হাস্পতালৰ পিছপিনে থকা যতি গাঁৱৰ পথৰ বাসিন্দাসকলে সুদীৰ্ঘ বছৰ ধৰি হাস্পতালৰ নলাৰ পৰা ওলাই অহা লেতেৰা আৰু পুতিগন্ধময় আৱৰ্জনাৰ পানী পথৰ ওপৰেৰে বাগৰি অহাৰ ফলত দুৰ্গন্ধতাৰ মাজেৰে অঞ্চলটোৰ ৰাইজে অহা-যোৱা কৰিবলগীয়া হৈছে উক্ত পুতিগন্ধয়ময় ছয় পৃষ্ঠাত চাওক

### ৰাজনৈতিক দলৰ মুখপাত্ৰৰ দৰে প্ৰচাৰ চলাই ফুৰাৰ অভিযোগ ঃ শৰ্মাক তাৎক্ষণিকভাৱে নিলম্বনৰ দাবী

# নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ বিৰুদ্ধে বিষোদগাৰ সাংসদ ৰকিবুল হুছেইনৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২৬ আগষ্ট ঃ** নগাঁও লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিচাপে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ নাম ব্যাপকভাৱে চৰ্চিত হৈ থকাৰ সময়তে আয়ুক্তজনৰ বিৰুদ্ধে ক্ষমতাৰ অপব্যৱহাৰ কৰা, ৰাজনৈতিক দলৰ মুখপাত্ৰৰ দৰে প্ৰচাৰ চলাই ফুৰা আদি বিভিন্ন অভিযোগ তুলি সোচ্চাৰ হৈ পৰিছে জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। কালি সাংসদ হুছেইনে চামগুৰি সমষ্টিৰ গড়াজান ব্লক কংগ্ৰেছৰ এখন সভাত জিলা আয়ুক্তজনক আক্ৰমণৰ লক্ষ্য কৰি লৈ 'তেওঁ হয় ডি চি হৈ থাকক নহয় নিৰ্বাচন খেলক' বুলি মন্তব্য কৰাৰ পাছত আজি পুনৰবাৰ দেৱাশীষ শৰ্মাৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰিছে সাংসদ ৰকিবুল হুছেইনে। আজি সাংসদ হুছেইনে তেওঁৰ নগাঁও চহৰৰ বাসভৱনত আয়োজিত এক সংবাদমেলত এবাৰো নাম নোলোৱাকৈয়ে পুনৰ জিলা আয়ুক্ত তথা বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী শৰ্মাৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰি কয়, 'নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে কুচকাৱাজ আৰম্ভ কৰিছে সেইটো নিয়মৰ কথা; কিন্তু জিলা প্ৰশাসনৰ এজন শীৰ্ষ বিষয়া ছয় পৃষ্ঠাত চাওক

# ৩০৭ কিলোগ্ৰাম নিষিদ্ধ গাঞ্জাসহ তিনি ব্যৱসায়ী আটক

## মাজবাট আৰক্ষীৰ বৃহৎ অভিযান

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৬ আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী জিংগাবিল ঘন অৰণ্যত মাজবাট আৰক্ষীয়ে বৃহৎ অভিযান চলাইছে। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত আৰক্ষীয়ে জব্দ কৰিলে ৩০৭ কিলোগ্ৰাম নিষিদ্ধ গাঞ্জা। লগতে আৰক্ষীৰ জালত পৰিল তিনিজন সন্দেহযুক্ত গাঞ্জা ব্যৱসায়ী। ৰৌতা আৰক্ষী চক্ৰৰ পৰিদৰ্শক উৎপল কুমাৰ শৰ্মা আৰু মাজবাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলভজ্যোতি নাথৰ নেতৃত্বত আৰক্ষী আৰু বেটেলিয়নৰ এটা বৃহৎ দলে অভিযান চলায়। গোপন খবৰৰ ভিত্তিত দাৰিয়া চেণ্টাৰৰ চেগুন পালেং অঞ্চলৰ ঘন অৰণ্যত চলোৱা অভিযানত আৰক্ষীয়ে উদ্ধাৰ কৰে ৩০৭ কিলোগ্ৰাম নিষিদ্ধ গাঞ্জা। ঘটনাস্থলীৰ ছয় পৃষ্ঠাত চাওক


### ■ ১৫ শতাধিক লোক জলবন্দী ■ হেজাৰ হেজাৰ বিঘা কৃষিভূমি পানীৰ তলত

# ৰূপহীহাটৰ তামুলীটোপত কৃত্ৰিম বানে জলা-কলা খুৱাইছে ৰাইজক

### ■ এসপ্তাহ ধৰি খাদ্য-খোৱাপানীৰ সংকট

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২৬ আগষ্ট ঃ** নগাঁও জিলাৰ বটদ্ৰৱা অঞ্চলত কৃত্ৰিম বানৰ তাণ্ডৱৰ পাছত জিলাখনৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত তামুলীটোপতো কৃত্ৰিম বানৰ ভয়াৱহ ৰূপে জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। বিগত কে'বাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ পানী ওলাই যাব নোৱাৰাৰ ফলত তামুলীটোপ, শপতকাঢ়া, জিউমাৰী, বৰঘাট আদি কে'বাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। ফলত চাৰিখনকৈ ৰাজহ গাঁৱৰ ১৫ শতাধিক লোক জলবন্দী হৈ পৰিছে। কৃত্ৰিম বানৰ পানীয়ে অঞ্চলটোৰ বহু বাট-পথ বুৰাই পেলোৱাত যাতায়াত ব্যৱস্থা প্ৰায় সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। একাংশ ঠাইত পথৰ ওপৰেৰে ছয় পৃষ্ঠাত চাওক



Advertisement Service

বিজ্ঞাপন সেৱা

'দৈনিক অগ্ৰদূত'ত ৰঙীণ

(Display- Clour, Black & white)

আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন

(Classified) প্ৰকাশৰ বাবে

তলৰ নম্বৰত যোগাযোগ কৰক।

9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত

অগ্ৰদূত ভৱন, দিছপুৰ-৬

C M Y K

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৯ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৭ আগষ্ট ২০২৬




## দুৰ্দশা কাম্য নহয়

**প্ৰতি** বছৰৰ ২৭ আগষ্টৰ দিনটো বিশ্ব হ্ৰদ তথা জলাশয় দিৱস হিচাপে উদযাপন কৰা হয়। এই দিৱস উদযাপনত ৰাষ্ট্ৰসংঘই প্ৰধানকৈ গুৰুত্ব দিয়ে আৰু সেয়ে বিভিন্ন দেশে ইয়াক উদযাপন কৰাৰ ক্ষেত্ৰত গুৰুত্ব দি আহিছে। বিশেষকৈ বৰ্তমান বিশ্বৰ জলভাণ্ডাৰসমূহৰ সংকোচন ঘটিবলৈ লোৱা নাইবা বহুতো জলভাণ্ডাৰ ধ্বংসৰ মুখত পৰাত এই দিৱসৰ প্ৰাসংগিকতা বাঢ়িছে। হ্ৰদ তথা বৃহৎ জলাশয়বিলাক জলভাণ্ডাৰ হোৱাৰ উপৰি বিভিন্ন জলচৰ প্ৰাণী, পক্ষী আদি বন্যপ্ৰাণীৰ আশ্ৰয় স্থল, বহুবিধ উদ্ভিদৰ বাবেও উপযুক্ত স্থান। হ্ৰদ বা এনে জলাশয়বিলাকৰ বাবেই জৈৱ-বৈচিত্ৰ্য তথা জৈৱ-পৰিৱেশ সুৰক্ষিত হৈ থাকে। অসমৰ দৰে ভাৰতৰ বহু ৰাজ্যৰ পানী সংৰক্ষিত কৰে, পৰিৱেশ প্ৰদূষণ মুক্ত কৰি ৰখাত সহায় কৰে; কিন্তু ব্যাপক প্ৰদূষণ, জলবায়ু পৰিৱৰ্তন আদি ঘটনাবিলাকৰ ফলত হ্ৰদ অথবা বৃহৎ জলাশয়বিলাকৰ সংকোচন ঘটিছে। ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা তথ্য অনুসৰি বিশ্বৰ লাখ লাখ হ্ৰদ, নদী, জলাশয়ৰ পানী শুকাই যাবলৈ ধৰিছে আৰু সেইবোৰ প্ৰদূষিত হৈছে। হেজাৰ হেজাৰ প্ৰজাতিৰ জীৱকুলৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিছে। বহু প্ৰজাতিৰ প্ৰাণীৰ বিলুপ্তি ঘটিছে। আনকি স্থানীয় লোকসকলে যিবিলাক হ্ৰদ তথা জলাশয়ত মাছ ধৰিছিল বা মাছৰ ওপৰত তেওঁলোকৰ জীৱিকা নিৰ্ভৰ কৰিছিল, সেই মাছবো আজি অভাৱ হৈছে। পানী প্ৰদূষণৰ ফলত মাছ তথা অন্যান্য জলচৰ প্ৰাণীসমূহ ধ্বংসৰ মুখত পৰিছে। পানী শুকাই যোৱাৰ ফলত দাঁতি কাষৰীয়া অঞ্চলত সেউজসুঁতি, উদ্ভিদ আদি শুকাই নিঃশেষ হ'বলৈ ধৰিছে আৰু এহাতে ই তাপমাত্ৰা বৃদ্ধিৰ সহায়ক হৈছে, বহু প্ৰজাতিৰ বন্যপ্ৰাণী বিলুপ্তিৰ মুখত পৰিছে আৰু আনহাতে জৈৱ পৰিৱেশৰ সন্তুলন ধ্বংস কৰিছে। উল্লেখ্য যে বিশ্বত লাখ লাখ হ্ৰদ তথা জলাশয় আছে আৰু এইবিলাক প্ৰদূষিত হ'লে, সংকুচিত হ'লে বন্যপ্ৰাণীৰ লগতে মানৱ সমাজৰ ওপৰতো ক্ষতিকাৰক প্ৰভাৱ পৰিব অথবা পৰিছে। যি হাৰত পৰিৱেশ প্ৰদূষণ হৈছে, হ্ৰদ জলাশয়বিলাক প্ৰদূষিত হৈছে, সংকোচন ঘটিছে, সেয়া অব্যাহত থাকিলে এদিন বন্যপ্ৰাণীৰ লগতে মানুহৰ বাবেও বসবাস অসম্ভৱ হৈ পৰিবগৈ বুলি বিশেষজ্ঞসকলে আশংকা কৰিছে আৰু সকীয়াই দিছে। বিশেষকৈ জৈৱ-বৈচিত্ৰ্যৰ অভাৱৰ ফল হ'ব ভয়ংকৰ। জৈৱ-বৈচিত্ৰ্যৰ বাবেই বিভিন্ন প্ৰজাতিৰ জীৱকুলৰ অস্তিত্ব সম্ভৱ হৈছে আৰু সকলো প্ৰাণীৰ বাবে জীয়াই থকাৰ পৰিৱেশ সম্ভৱ হৈছে। জৈৱ-বৈচিত্ৰ্য ধ্বংস মানে প্ৰাকৃতিক জগত, জীৱ জগত— সকলো ধ্বংসৰ মুখত পৰিব। হ্ৰদ নাইবা জলাশয়বিলাকৰ সংৰক্ষণ তথা সুৰক্ষা সেয়ে মানৱ সমাজৰ কাৰণে আৰু লগতে জীৱকুলৰ কাৰণে অত্যাৱশ্যকীয়।

অসমতো যথেষ্ট সংখ্যক হ্ৰদ বা ডাঙৰ ডাঙৰ জলাশয় আছে; কিন্তু এইবিলাকৰ ভৱিষ্যত সম্পূৰ্ণ সুৰক্ষিত নাইবা নিৰাপদনে? বিশেষজ্ঞসকলৰ মতে অসমৰ হ্ৰদ বা বৃহৎ জলাশয়বিলাকৰ সংকোচন ঘটিছে আৰু প্ৰদূষিত হৈছে। বিভিন্ন ধৰণৰ উদ্যোগিক তথা উন্নয়নমূলক কাৰ্যকলাপৰ ফলত এই জলাশয়সমূহৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে। বন ধ্বংস, নিৰ্মাণ কাৰ্য, বেদখল আদিৰ বাবেও জলাশয়বিলাকলৈ ভাবুকি আহিছে। দুৰ্ভাগ্যৰ বিষয় যে একাংশ অসমৰ হ্ৰদ বা জলাশয় ধ্বংস হোৱাৰ পাছতো বৰ্তমান কিছু সংখ্যক বিলুপ্ত নোহোৱাকৈ আছে। সেইবিলাকৰ ভিতৰত গুৱাহাটী মহানগৰৰ কাষতে থকা দীপৰ বিল, শিলসাঁকো, চানডুবি হ্ৰদ, সোণবিল, মাগুৰি মটাপুং, দ'ৰা বিল, হাফলং হ্ৰদ, গৌৰীসাগৰ, জয়সাগৰ আদি হ্ৰদ তথা জলাশয় বিশেষভাৱে গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। দীপৰ বিল অসমৰ একমাত্ৰ ৰামছাৰ স্থান হিচাপে স্বীকৃত জলাশয়। জৈৱ বৈচিত্ৰ্য, পক্ষীৰ আশ্ৰয় স্থল, হিচাপেও দীপৰ বিলৰ গুৰুত্ব অসীম। ইতিমধ্যে ই পৰ্যটকৰ বাবেও অতি আকৰ্ষণীয় হৈ পৰিছে; কিন্তু বন ধ্বংস, উন্নয়নমূলক কাৰ্যকলাপ, নিৰ্মাণ কাৰ্য, বেদখল আদিৰ বাবে দীপৰ বিলৰ সংকোচন ঘটাৰ অভিযোগ উত্থাপিত হৈছে। দীপৰ বিলৰ প্ৰাকৃতিক পৰিৱেশ অসুৰক্ষিত আৰু ধ্বংসৰ দিশে গতি কৰা পৰিলক্ষিত হৈছে। দীপৰ বিলৰ সংকোচন ঘটিছে আৰু ইয়াৰ গভীৰতা হ্ৰাস পাইছে বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অসমৰ এই হ্ৰদ বা বিলবিলাকৰ সুসংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰয়োজন। মাগুৰি মটাপুঙৰ কাষৰীয়া বনাঞ্চলত খননৰ দৰে কাৰ্যকলাপ চলোৱাৰ অভিযোগ প্ৰকাশ পাইছে। এই বিল জৈৱ-বৈচিত্ৰ্য আৰু জৈৱ-পৰিৱেশৰ বাবে গুৰুত্বপূৰ্ণ আৰু বিশেষকৈ বহু পৰিভ্ৰমী পক্ষীৰ লগতে স্থানীয় পক্ষীকুলৰো ই আশ্ৰয় স্থল। একাংশ পৰ্যটকৰ বাবে মাগুৰি মটাপুং আজি আকৰ্ষণৰ কেন্দ্ৰ; কিন্তু বন বিভাগ তথা চৰকাৰে এই হ্ৰদ বা বিল বা জলাশয়বিলাকৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাজ্যখনৰ প্ৰাকৃতিক পৰিৱেশ তথা জৈৱ-বৈচিত্ৰ্য ধ্বংস হোৱাটো নিশ্চিত। ইতিমধ্যে একাংশ অসাধু ব্যৱসায়ীৰ লোলুপ দৃষ্টি অসমৰ বনভূমি তথা প্ৰাকৃতিক সম্পদৰ ওপৰত পৰিছে। অসাধু ব্যৱসায়ীক সহযোগ কৰিছে একাংশ অসাধু বিষয়া-কৰ্মচাৰীয়ে। এইসকলে মিলি অসমৰ মনোৰম প্ৰকৃতি ধ্বংস কৰিবলৈ আৰু অধিক দিন নালাগিব। সেয়ে হ'লে অসমখনৰ এফাল মৰুভূমি আৰু এফাল বানপানীত বিলীন হ'ব। এনে দুৰ্দশা আমাৰ কাম্য নহয়।

### খোলা মঞ্চ

## যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**চৰকাৰে** বিভিন্ন আঁচনিৰে যুৱ সমাজক স্বাৱলম্বী কৰাৰ চেষ্টা কৰিছে; কিন্তু যুৱ সমাজেও সেই আঁচনিৰ সৎ ব্যৱহাৰেৰে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাৰ বাবে সচেষ্ট হ'ব লাগিব। যি কাৰণতেই নহওক অসমৰ মানুহৰ মাজত কৰ্মস্পৃহা কমকৈ দেখা পোৱা নাযায়। Assam is a land of lahe lahe বুলি বেয়া বদনাম এটা পূৰ্বৰে পৰাই প্ৰচলিত হৈ আছে। চৰকাৰে দিয়া আঁচনি সুবিধা লৈ অসমৰ সৰু-বৰ বিচাৰ নকৰি কামত আত্মনিয়োগ কৰি নিজৰ লগতে দেশৰ উন্নতিত 'যুৱ শক্তি'ৰ প্ৰয়োগ হওক।

কৰো বুলিলে আৰু সদিচ্ছা থাকিলে মানুহে অসাধ্যও সাধন কৰিব পাৰে। সেয়ে আমাৰ নতুন প্ৰজন্মই উচ্চ শিক্ষা আৰু সাধাৰণ কাম-বনক দুই মেৰুত ৰাখি বিভাজন কৰিব নালাগে। অৰ্থাৎ উচ্চ শিক্ষিত হ'লেই সৰু-সুৰা ব্যৱসায়-বাণিজ্য কৰিব নাপায়— ধৰণৰ ভাবনাক প্ৰশ্ৰয় দিব নালাগে। সকলো ধৰণৰ কামতেই নিজক বিলাই দি নিজক সফল ব্যৱসায়ী ৰূপত গঢ় দিয়ক, গাঁওবিলাকতো আজিকালি—হাল-কোৰ ধোৱা চাওঁত তুলি থয়। খেতি-বাতি কৰিবলৈ অনাঅসমীয়াক ঠিকা দিয়ে, কাৰণ শিক্ষিত সন্তানে বোৱা তোলা কৰিবলৈ লাজ পায়।

চৰকাৰে দিয়া টকা-পইচাৰ উপযুক্ত ব্যৱহাৰ কৰি আঁচনিৰ সফল ৰূপায়ণ কৰি যুৱ প্ৰজন্ম আগবাঢ়ি যাওক। চৰকাৰেও আঁচনিবিলাকৰ সফল ৰূপায়ণ হৈছেনে নাই, সকলোৱে সেই সুবিধা লৈছেনে নাই সেই বিষয়ত সজাগ হওক।


নীলিমা গোস্বামী

ফোন : ৯৯৫৪০-৩৫৪৪৪৪


# ৰাইজৰ দাবী, কাজিৰঙা অভয়াৰণ্যৰ প্ৰতিধ্বনি : সংবেদনশীল অঞ্চলৰ পৰিসীমা আগৰ দৰেই থাকক

প্ৰমোদ দোৱনীয়া

**শুনিবলৈ** পালো বোলে কাজিৰঙাৰ দাঁতিকাষৰীয়া মাটিখিনি ইতিমধ্যে কাৰোবাক ৯৯ বছৰৰ বাবে চুক্তি কৰি লিজত দিয়া হৈ গৈছে। চুক্তিখন সম্পাদিত হৈছিল ২০২৩ৰ মাৰ্চতে। সেই ঠাইত চাৰি লাখ ২০ হেজাৰ বৰ্গফুটৰ ১০৬ কোঠাৰ এখন ৰিজৰ্ট হ'ব। ইতিমধ্যে সেই ৰিজৰ্টখনৰ জোখ-মাখ সকলো হৈ গৈছে। বৰ্তমান কাৰ্যকৰী কৰিবলৈহে লোৱা হৈছে। কথাটো শুনি বৰ দুখ লাগিল। প্ৰকৃততে যদি সেইটোৱে হয়, অসমীয়াৰ পৰিচয় কিন্তু শেষ।

কাজিৰঙা কি বুলি যদি কোনোবাই আমাক প্ৰশ্ন কৰে, সৰ্বপ্ৰথমে ক'ম অসমীয়াৰ স্বাভিমান বুলি। তাৰ পাছত ক'ম—এখন অভয়াৰণ্য। বিশ্ব ঐতিহ্যক্ষেত্ৰ। ক'ত বুলি প্ৰশ্ন কৰিলে আমাৰ উত্তৰটো হ'ব—যদিও কাজিৰঙাখন মূলতঃ গোলাঘাট জিলাতেই, তথাপি ক'ব লাগিব যে ইয়াৰ সীমাই পূবে যোৰহাট জিলা, দক্ষিণে কাৰ্বি আংলং জিলা, পশ্চিমে নগাঁও জিলা আৰু উত্তৰে বিশ্বনাথ চাৰিআলি জিলাক চুই আছে। কাজিৰঙাৰ মাটিকালি প্ৰায় ৪৩০ বৰ্গ কিলোমিটাৰ অৰ্থাৎ ১৬৬ বৰ্গ মাইল। ভূপেনদাৰ ভাষাত কাজিৰঙাৰ মাজেদি অসমীয়া জাতিৰ আয়ুস ৰেখা ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ঠিক সেইদৰেই কাজিৰঙাৰ বুকুৰেদি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৱে পূবৰ পৰা পশ্চিমলৈকে বোলক বা পশ্চিমৰ পৰা পূবলৈকে বোলক ঢপলি মেলিছে। কাজিৰঙাক ইউনেস্ক'ই ১৯৮৫ত বিশ্ব ঐতিহ্যক্ষেত্ৰ স্থান হিচাপে ঘোষণা কৰিছে। লগতে, ভাৰতবৰ্ষই কাজিৰঙাক ২০০৬ত সংৰক্ষিত ব্যঘ্ৰ প্ৰকল্প হিচাপেও ঘোষণা কৰিছে। বৰ্তমান কাজিৰঙাত ২৬১৩ টা এশিঙিয়া গঁড়, (ই ভাৰতত পোৱা মুঠ গঁড়ৰ প্ৰায় ৯০ শতাশ) ১৪৮টা পূৰ্ণবয়স্ক মতা ঢেঁকীয়াপতীয়া বাঘ ( ৰয়েল বেংগল টাইগাৰ) আৰু ৫৫ জনী মাইকী বাঘিনী আছে (২০২৫ৰ পৰিসংখ্যা মতে)। গৌৰৱৰ কথা যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনত বৰ্তমান সোণালী ৰঙৰ ঢেঁকীয়াপতীয়া বাঘ প্ৰত্যক্ষ কৰা হৈছে। যিটোক ইতিমধ্যে বিশ্বত দুষ্প্ৰাপ্য বুলি ঘোষণা কৰা হৈছে। বৰ্তমান অভয়াৰণ্যখনত হাতীৰ পৰিমাণ হ'ল ১১৮৩ টা। এই কথাটো বিভিন্ন সময়ত পাৰ্কখন পৰিভ্ৰমণ কৰা পৰ্যটক আৰু বন্যপ্ৰাণী বিভাগৰ মানুহৰ লগতে পৰ্যটকসকলক নিৰাপদে লৈ ফুৰা গাইডসকলে কৈছে। যিহেতু, তেওঁলোকে অভয়াৰণ্যখনৰ ভিতৰত বিভিন্ন সময়ত দুষ্প্ৰাপ্য ঘঁৰিয়াল প্ৰত্যক্ষ কৰিছে। অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনত ঘঁৰিয়ালো আছে। দীৰ্ঘদিন ধৰি কাজিৰঙা অভয়াৰণ্যত কাম কৰা অভিজ্ঞতাৰে পুষ্ট ধৰণীধৰ বড়োৱে কৈছে যে কাজিৰঙাত গোটে গোটে মানুহ গিলি থ'ব পৰা সমান ডাঙৰ অজগৰ সাপো আছে। কাজিৰঙাৰ মাজত থকা বিল আৰু পিটনিবিলাকত কিমান ডাঙৰ ডাঙৰ কাছ, মাছ, কুচিয়া, সাপ, বেং আদি আছে তাক ভাষাৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। এই কথা মোক কৈছিলে এটা সময়ত অৰুণাচল প্ৰদেশৰ ৰাজ্যপালৰ পদ শুৱনি কৰা জ্যোতিপ্ৰসাদ ৰাজখোৱাৰ মোমায়েক যোৰহাট নিবাসী অশীতিপৰ অমূল্য কুমাৰ বৰাই। বৰা কাজিৰঙা অভয়াৰণ্যৰ এজন প্ৰাক্তন ডি এফ অ'। তেওঁ কৈছিল ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ, গুৱাহাটীৰ পৰা যোৰহাটৰ ফালে গ'লে, উত্তৰ দিশত থকা ইকৰানি, বিৰিণানি, নলনি, দলনিৰে আৰৱা জলাহবিলাকত কি কি জীৱ-জন্তু আছে সেইটোৱেই আচল কথা নহয়, কাজিৰঙা হাবিৰ দক্ষিণ দিশত থকা কাৰ্বি পাহাৰ অন্তৰ্ৰ্ভাগতো বহুত মূল্যৱান সম্পদ আছে। বৰ্তমানলৈকে সেইবোৰৰ কথা বিভাগীয় কৰ্তৃপক্ষ আৰু ভাৰত চৰকাৰে জানিলেও, কিন্তু কোনো বণিয়া বা ৰাজনৈতিক দালালে নাজানে বুলিয়ে মই ভাৱো। যদিহে এইবোৰ সম্পদৰ কথা কেনেবাকৈ ভাৰতীয় বণিয়াসকলৰ লগতে ৰাজনৈতিক দালালসকলে ভু-পায় তেতিয়াহ'লে কথা বিষমতকৈয়ো বিষম হ'ব। মানুহজনৰ লগত মই এইবিলাক কথা পতা বহুত বছৰেই হ'ল। বৰ্তমান মানুহজন এলজেইমাৰ ৰোগত ভোগী আছে। কথাবোৰ পাহৰিছে। আজি কাজিৰঙাৰ বুকুত শেষৰটো পেকিং গজাল মাৰিবলৈ ওলোৱাৰ সময়ত মনত পৰিছে মানুহজনে কোৱা কথাবিলাকলৈ।

আমি তেতিয়া সৰু। ৬০ৰ দশকৰ কথা। চীন-ভাৰত আৰু ভাৰত-পাকিস্তানৰ যুদ্ধ প্ৰায় শেষ হৈছে। আমাৰ ঘৰৰ পৰা পশ্চিমত নুমলীগড়। নুমলীগড়ৰ পৰা দক্ষিণ-পশ্চিমলৈ ডিমাপুৰৰ দিশে সোমাই যোৱা ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰে অলপ দূৰ গ'লেই পোৱা যায় বাবাথান। বাবাথান মানে একেবাৰে ৰজাদিনীয়া শিৱ বাবাৰ থান। ৰাষ্ট্ৰীয় ঘাইপথটোক স্থানীয় মানুহে পাহাৰ লাইন বোলে। ঠাইডোখৰ হাবি-জংঘলে আৱৰা বৰ জয়াল। আমাক সেই ফালে তাহানি বৌ-পিতায়ে যাবলৈ নিদিছিল। দিনতে বনৰীয়া হাতী ওলায়। সেই বাবাথানৰ পৰা আৰু অলপ দূৰ আগবাঢ়ি গ'লেই পোৱা যায় ধনশিৰিৰ পাৰৰ লৱণঘাট নামৰ ঠাইখন। কালিয়নী নদীৰ পাৰত। এই লৱণঘাটৰ বালিত চানমাইকা আছে। সেই তেতিয়াই আমি শুনিছিলো লৱণঘাটত সোণৰ খনি ওলোৱা বুলি। সেই সময়ত ঠাইখন মুকলি আছিল। আজিৰ নিচিনাকৈ মানুহৰ বসতিও নাছিল, বেহা-বেপাৰো নাছিল। তাৰ অলপ দিনৰ পাছত দেখিলো ঠাইখন ইটা-বালিৰে গাঁঠি পকী বেৰেৰে বেৰি পেলোৱা হ'ল। কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ দ্বাৰা ঠাইখন পহৰা দিয়া ব্যৱস্থা কৰা হ'ল। কিন্তু ঠাইখনৰ ভিতৰত কি আছে আজিও কোনেও নিশ্চয়কৈ নাজানিলো।

তাৰ পাছত ইন্দিৰা মিৰি বাইদেউৰ 'মই আৰু নেফা' নামৰ কিতাপত পঢ়িছিলো— কাজিৰঙাৰ লগতে লাগি থকা কাৰ্বি পাহাৰত ইমানেই ডাঙৰ ডাঙৰ অজগৰ সাপ আছে যে সাপডালে এটা পূৰ্ণবয়স্ক মানুহ গোটে গোটে গিলি পেটত ভৰাব পাৰে। সেইটো তেওঁ নিজ চকুৰে দেখা বুলি কিতাপখনত লিখিছে। কথাখিনি ভাৱিলে তাহানিৰ আইতা-ককাহঁতে কোৱা চম্পাৱতীৰ সাধুটো সঁচা সঁচা যেন লাগে। বোলে—'হুৰ হুৰ বতা চৰাই মোৰ ধান নেখাবি তোক দিম গোটা কৰাই। ধানো খাম চাউলো খাম চম্পাৱতীক বিয়া কৰাই ঘৰলৈ লৈ গুচি যাম।' অৱশ্যে নগাঁও আৰু কাৰ্বিপাহাৰৰ সীমাত থকা চম্পাৱতী নামৰ ঠাইখন দেখিলে তেনে যেন লাগেও। সেয়ে ঠাইখন আজিও বৰ জয়াল। সেই ঠাইত ইমান ডাঙৰ অজগৰ বা তেনেধৰণৰ আন সাপ থকাতো একো আচৰিত কথা নহয়।

কাৰ্বি পাহাৰত মই নিজে দেখিছিলো দুমুখীয়া সাপ। দেওপানী থানৰ সন্মুখত ২০১১ৰ চাৰি নৱেম্বৰত, দিনতে। হাতী, বাঘ, বান্দৰ, পহু বিভিন্ন চৰাইৰ কথা নকৰেই। কাৰ্বি পাহাৰত কি নাছিল। পাছে, মানুহৰ বিধ্বংসী হাঁতোৰাৰ আঁচোৰত সকলো এফালৰ পৰা শেষ হৈ আহিল। শুনিবলৈ পোৱা মতে দেওপানীত থকা মা দুৰ্গাদেৱীৰ মন্দিৰ ভাগো কোনোবা মালপানী উপাধিৰ ব্যক্তিয়ে সজোৰাহে, কাৰ্বি পাহাৰত গছ-বন কাটিবৰ সুবিধা কৰি দিবৰ বাবে দেৱীমাক সন্তুষ্ট কৰাৰ উদ্দেশ্যে (?)। এই মন্দিৰ ভাগ তাহানি নিচেই সৰু আছিল। মই প্ৰাইমাৰী স্কুলত পঢ়ি থাকোতেই তালৈ গৈছিলো। তাৰ পাছত বহুতবাৰ গৈছো। বৰ্তমান বহুত ডাঙৰ হ'ল। মন্দিৰ ভাগৰ গছেবনে বন্ধা ৰঙা ফিটাৰ প্ৰকোপত ভয়ানকভাৱে জয়াল হৈ উঠিল। এইখিনিতে আৰু এটা কথা কৈ যাওঁ—কাৰ্বি আংলং জিলাৰ মাজেৰে পাৰ হৈ যোৱা ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো কাষৰ মানুহবোৰ কিন্তু বেচি ভাগেই অনাকাৰ্বি। এই ধৰক — বিহাৰী, নেপালী, বেংগলী, আদিবাসী মানুহৰ বসতিৰ লগতে বেহা-বেপাৰ।



আমাৰ আজিৰ আলোচনাৰ বিষয় হ'ল কাজিৰঙাৰ ইক' চেনচিটিভ জ'ন অৰ্থাৎ প্ৰতিধ্বনি সংবেদনশীল অঞ্চলৰ সীমা সংকোচন। তাহানি কাজিৰঙাৰ গঁড়, হাতী, বাঘ, হৰিণা আদি আঘোন-পুহত আমাৰ গোলাঘাটৰ গাঁও ওলাইছিল গৈ। সেই পৰিৱেশ সৌ-সিদিনালৈকে আছিল। প্ৰমাণ আমাৰ ঘৰৰ ওচৰৰ আলুতলীয়া চুকত বীৰেন গগৈ ছাৰক ঘৰতে পূৱতি নিশা বনৰীয়া হাতীয়ে গচকি মাৰিছিল আজিৰে পৰা চাৰি কি পাঁচ বছৰৰ আগতে। আজি-কালি সেই পৰিৱেশ নাই। বিগত ১৯৮১ত নামবৰ হাবিৰ পৰা এটা বৃহৎ বনৰীয়া হাতীৰ জাক গৈছিল বৰবামত থকা বাবাথানত পুজা দিবলৈ। ৰাধাবাৰী বাগানৰ নলা খান্দি থাকোতে কাজিৰঙাৰ পৰা যোৱা গঁড়ে খুন্দিয়াই বিহাৰী নুনিয়াক মাৰিছিল। মধ্য বনগাঁৰৰ বঙালী ল'ৰাৰ কুঁহিয়াৰণীত বাঘ ওলাইছিল। আজি-কালি তেনেকুৱা হয়নে নহয় নাজানো। নামবৰ ৰিজাৰ্ভখনো কাজিৰঙাৰে লগত সংলগ্ন। সেয়ে হয়তো খুমটাই অঞ্চলৰ মানুহৰ ঘৰৰ গোহালিত, খেৰৰ ঘৰত আজিও কেঁকো সাপে কিলবিল কৰি থকা দেখা যায়। গতিকে সেই ফালৰ পৰা চাবলৈ গ'লে গোটেই গোলাঘাট জিলাখনেই কাজিৰঙা অভয়াৰণ্যৰ অন্তৰ্গত। তথাপিতো . লেটেকুজানত নুমলীগড় তেল শোধনাগাৰ বহুৱাই দিয়া হ'ল। তাৰ মাজতো হাতীৰ লগত, বনৰীয়া জীৱ-জন্তুৰ লগত মানুহে আৰু মানুহৰ লগত হাতীয়ে সহাৱস্থান কৰি চলি আছে। অৱশ্যে, হাতী খেদিবলৈ যোৱা মানুহৰ লগত হাতীৰ দুই এটা সংঘাত নোহোৱা নহয়, হৈছে। হাতীয়ে মানুহো মাৰিছে; মানুহেও হাতীক কমখন অত্যাচাৰ কৰা নাই। কিন্তু মনত ৰাখিব হাতীৰ বাসস্থানত আমিহে সোমাইছো, বনৰীয়া হাতী নিজে আহি আমাৰ বাসস্থানত প্ৰৱেশ কৰা নাই। যদিহে ক'ৰবাত কেনেবাকৈ হাতী সোমাইছে, সেয়া পেটৰ তাৰণাত বাধ্য-বাধকতাত পৰিহে। বোলে—ভোকে নেমানে চাউল নে চিৰা, টোপনিয়ে নেমানে বটা-বকৰা।

বৰ্তমান হাবি-জংঘলবিলাকত খাদ্যৰ অভাৱ হোৱাত, বাসস্থানৰ অভাৱ হোৱাত, হাতী মানুহৰ সংঘাত, বান্দৰ-মানুহৰ সংঘাত চলি আছে। ইয়াৰ বাবে জগৰীয়া মানুহহে, হাবিত থকা বনৰীয়া জীৱকুল নহয়। কাৰণ মানুহে হাবি-জংঘল কাটি নিজৰ বসতি স্থাপন কৰাৰ লগে লগে তেওঁলোকৰ বাসস্থান সংকুচিত হৈছে। ফলত খাদ্য বস্তুৰো নাটনি হৈছে। গতিকে তেওঁলোক বাধ্য হৈছে জনবসতি অঞ্চলত সোমাবলৈ খাদ্যৰ সন্ধানত। তেনে কৰোতে কেতিয়াবা মানুহৰ লগত সংঘাতত লিপ্ত হ'বলৈ বাধ্য হৈছে। কাৰণ তেওঁলোকো জীয়াই থাকিব লাগিব। এইবোৰৰে আচিলা লৈ কাজিৰঙাৰ অভয়াৰণ্যৰ প্ৰতিধ্বনি সংবেদনশীল অঞ্চলৰ কিছু সংকোচন কৰি চৰকাৰে তেওঁলোকৰ বাসস্থানৰ অঞ্চল বঢ়াব খুজিছে। যাতে বনৰীয়া জীৱ-জন্তুৰ লগত মানুহৰ সংঘাত কমে, বনৰীয়া জীৱ-জন্তুৰ বাসস্থানৰ পৰিসৰ বাঢ়ে, খাদ্য সামগ্ৰী বাঢ়ে আৰু দাঁতি-কাষৰীয়া মানুহৰ জীৱন আৰু জীৱিকাৰ মান উন্নত হয়। সঁচাকৈয়ে যদি সেইটোৱেই হয় বৰ ভাল কথা। আমি চৰকাৰৰ লগত থাকিম। চৰকাৰৰ শলাগ ল'ম। পাছে, ৰাইজে চৰকাৰৰ এই সিদ্ধান্তত কিছু ষড়যন্ত্ৰৰ গোন্ধ পাইছে। বোলে, দেখুৱাই এইবোৰ হ'লেও প্ৰকৃত উদ্দেশ্য বেলেগ। এইবোৰ সাধাৰণ মানুহক আভূৱা ভাঁৰা কথাহে। ইয়াৰ অন্তৰালত আছে গভীৰ ষড়যন্ত্ৰ আৰু দীৰ্ঘম্যাদী উদ্দেশ্য। এই ষড়যন্ত্ৰ কাজিৰঙা অভয়াৰণ্যক লৈ নহয়, কাজিৰঙা অভয়াৰণ্যৰ গাতে লাগি থকা অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনৰ পৰা প্ৰায় ডেৰকিলোমিটাৰ নিলগত থকা কাৰ্বি পাহাৰখনৰ বুকুত লুকাই থকা—গ্ৰেণাইট শিল, চিলিকা আৰু কেৰলিন নামৰ অতি মূল্যৱান খনিজ পদাৰ্থবিলাকহে। এইখিনি খনিজ পদাৰ্থ কেনেবাকৈ হস্তগত কৰিব পাৰিলেই, চৰকাৰৰ সকলো আশা পুৰণ হয়। জল্পনা-কল্পনাৰ ওৰ পৰে।

উল্লেখ্য যে কাজিৰঙা অভয়াৰণ্যখনক আগুৰি থকা পাহাৰখনত মূল্যৱান খনিজ পদাৰ্থ থকা খবৰটো ২০১৮ত প্ৰথম প্ৰকাশ পাইছিল অসমৰ কেইখনমান বাতৰি কাকতত। লগতে কাকতকেইখনত ইয়াকো প্ৰকাশ পাইছিল যে এই খনিজ পদাৰ্থসমূহ অসমৰ কেৱল গোৱালপাৰা, নগাঁও আৰু প্ৰকৃতিৰ ৰম্যভুমি কাৰ্বি আংলং জিলাতহে পোৱা যায়। মনত ৰাখিব ৰাইজ, ইমান মূল্যৱান খনিজ সম্পদ হেনো কেৱল চীন দেশতহে পোৱা যায়। সেই কাৰণেই, এই খনিজাত সামগ্ৰীখিনিৰ মূল্য আৰু গুৰুত্ব বুজি তদানীন্তন চৰকাৰে আইন প্ৰস্তুত কৰি ইয়াৰ খননত বাধা আৰোপ নকৰা হ'লে, সংৰক্ষণৰ ব্যৱস্থা নকৰা হ'লে, ইমানদিনে হয়তো ইয়াৰ অস্তিত্বই নাথাকিলেহেতেঁন। কিন্তু, এতিয়া মন কৰক ৰাইজ, গোপীনাথ বৰদলৈকে আদি কৰি বহুকেইজন মুখ্যমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীৰ আসনখন শুৱনি কৰি থৈ গ'ল। কোনেও ইয়াত হাত নিদিলে বা হাত দিবলৈ সাহস নকৰিলে। কিন্তু বৰ্তমানৰ সৰ্বকালৰ শ্ৰেষ্ঠ আৰু দূৰদৃষ্টি সম্পন্ন গুণী-জ্ঞানী সাহসী মুখ্যমন্ত্ৰীজনে অনাঅসমীয়া কোটিপতি ব্যৱসায়ীসকলৰ লগত হাত মিলাই (?) এই পাহাৰখনত খনন কাৰ্য চলাই সম্পদবিলাক বেচি নিজে ধনি হ'ব বিচৰাৰ লগতে অনা অসমীয়া বনিয়াকো ধনী কৰিব বিচাৰিছে, যেন অনুভৱ হয়। এই ক্ষেত্ৰত কেৱল বাধা হিচাপে থিয় দি আছে 'ইক' চেনচিটিভ জ'ন আইন ১৯৮৬' খন। গতিকে কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ সংকোচন কৰি এক কিলোমিটাৰ কৰিব পাৰিলেই সকলো লেঠা মৰে। সেই কাৰণেই বৰ্তমান চৰকাৰখনৰ মুৰব্বীজন উঠি-পৰি লাগিছে পাকে-প্ৰকাৰে এই কামটো কৰিবলৈ। তাকে কৰিব নোৱাৰিলে সান্দহ খোৱা বালি তল পৰিব। গতিকে কাজিৰঙাৰ লগতে কাজিৰঙাৰ গাতে অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনৰ পৰা মাত্ৰ ১.৫ কিলোমিটাৰ দূৰৈত থকা কাৰ্বিপাহাৰখনক ৰক্ষা কৰাৰ দায়িত্ব এতিয়া ৰাইজৰ ওপৰত। সেয়েহে কাজিৰঙাৰ আশে-পাশে বসবাস কৰা ৰাইজ আৰু অসমৰ লগতে বিশ্বৰ প্ৰকৃতিপ্ৰেমী ৰাইজে কথাটোৰ গুৰুত্ব জানক আৰু বুজক বুলিয়ে এইখিনি লিখিলো। যিহেতু ওপৰত উল্লেখ কৰা খানিজ পদাৰ্থসমূহ মজুত থকা পাহাৰখনৰ দূৰত্ব কাজিৰঙা অভয়াৰণ্যখনৰ সীমাৰ পৰা ডেৰ কিলোমিটাৰ দূৰত্বত। গতিকে কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ এক কিলোমিটাৰ কৰিব পাৰিলেই সকলো শেষ। মনত ৰাখিব ৰাইজ, সেইটোকে যদি কৰিব পাৰে অতি বেছি পাঁচ বছৰৰ ভিতৰত সকলো খনিজ পদাৰ্থ শেষ হ'ব। লগতে উটি-ভাহি যাব বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ্য, আৰ্দ্ৰভূমি আৰু জীৱ কুল। গতিকে ৰাইজ সময় থাকোতেই ভাবক আপোনাৰ আত্মীয়জন নোহোৱা হ'লে কেইটামান টকা আপোনাক চৰকাৰে হাতত তুলি দিব পাৰিব; কিন্তু আপোনাৰ যিটো হেৰালে সেইটো ঘূৰাই দিব পাৰিবনে (?) ক্ষতিপুৰণ বা কেইটামান নগদ ধনেই সকলো সমস্যাৰ সমাধান হ'ব পাৰে জানে? গতিকে বিশ্ব পৰিপাৰ্শ্বিকতাৰ স্বাৰ্থত কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ আগৰ দৰেই থাকিবলৈ দিয়ক বুলি প্ৰকৃতিপ্ৰেমী যাদৱ পায়েঙৰ লগতে আমি অসমৰ সাধাৰণ ৰাইজেও চৰকাৰৰ ওচৰত দাবী জনাইছো। আপোনালোকেও জনাওক। আৰু এটা কথা, কাজিৰঙাৰ পাৰ্শ্বৱৰ্তী অঞ্চলত যিমানেই পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণ নকৰক অথবা আন্তঃৰাষ্ট্ৰীয় মানৱ স্কুল-কলেজ স্থাপন নকৰক অভয়াৰণ্যখনৰ বণ্যপ্ৰাণীবিলাক নাথাকিলে তালৈ কোনো নাহে।


**বিশ্ব পৰিপাৰ্শ্বিকতাৰ স্বাৰ্থত কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ আগৰ দৰেই থাকিবলৈ দিয়ক বুলি প্ৰকৃতিপ্ৰেমী যাদৱ পায়েঙৰ লগতে আমি অসমৰ সাধাৰণ ৰাইজেও চৰকাৰৰ ওচৰত দাবী জনাইছো। আপোনালোকেও জনাওক আৰু এটা কথা, কাজিৰঙাৰ পাৰ্শ্বৱৰ্তী অঞ্চলত যিমানেই পঞ্চতাৰকাযুক্ত হোটেল নবনাওক, আন্তঃৰাষ্ট্ৰীয় মানৱ স্কুল-কলেজ নবনাওক অভয়াৰণ্যখনৰ বণ্যপ্ৰাণীবিলাক নাথাকিলে তালৈ কোনো নাহে**

ফোন : ৯৪০১৮৮৬৪৪২




# সময় গতিশীল

**আমাৰ খন্তেকীয়া জীৱনটোত কামৰ কোনো পৰিধি নাথাকে, সেয়ে কিছু ত্যাগৰ বিনিময়ত প্ৰতিটো মুহূৰ্তৰ সৎ প্ৰয়োগ কৰি নিজৰ তথা দহৰ মংগলৰ নিমিত্তে নিশ্চিতভাৱে কিছু সহায়ৰ হাত আগবঢ়াব পাৰি। যিহেতু মৃত্যুৰ পাছতো সৎ কৰ্মইহে সময়ৰ বুকুত মানুহৰ চিনাকি ৰাখি যায়।**



### অৱলোকন

চাইৰা ইছলাম বড়া

**সময়** চিৰপ্ৰবাহিত, গতিশীল সময়ে কাৰো বাবে অপেক্ষা নকৰে। জীৱনত সফলতা লাভ কৰিবলৈ হ'লে সময়ৰ প্ৰতিটো ক্ষণ, প্ৰতিটো পলৰ উচিত মূল্যায়ন আৰু নিয়মানুৱৰ্তিতা উচিত পৰ্যায়ত কৰিবই লাগিব। জন্মৰ পৰা মৃত্যুলৈ প্ৰতিজন মানুহ সময়ৰ সীমাৰ মাজত এক নিবিড় গাথাৰে আৱদ্ধ হৈ থাকে। মানৱ জীৱনৰ প্ৰতিটো স্তৰ ভেদে ইয়াৰ তাৰতম্য ঘটে। শৈশৱ, কৈশোৰ, যৌৱনৰ পাছতে প্ৰাপ্তবয়স্ক এজন লোক ভিন্ন অভিজ্ঞতাৰে মহীয়ান হৈ জীৱনৰ বাট অতিক্ৰম কৰি আগুৱাই গৈ থাকে। গতিকে জীৱনৰ প্ৰতি পল, দণ্ড সঠিক ৰূপত প্ৰয়োগ কৰিব পৰাটো মানুহৰ প্ৰথম ধৰ্ম। জীৱনৰ ওখোৰা-মোখোৰা বাটত উজুটি নোখোৱাকৈ সফলতাৰ শীৰ্ষত আৰোহণ কৰিবলৈ হ'লে সময়ক অগ্ৰাধিকাৰ দিবই লাগিব। এবাৰ হাতৰ পৰা ওলাই যোৱা সময় কেতিয়াও ঘূৰি নাহে। ঠিক সেইদৰে প্ৰকৃতিৰ প্ৰতিটো নিয়ম সময়ৰ ওপৰতে প্ৰতিষ্ঠিত। এই কথা কোনেও নুই কৰিব নোৱাৰে যে সৃষ্টিৰ আদিৰে পৰা সুৰ্য,চন্দ্ৰৰ লগতে ঋতু পৰিৱৰ্তনো নিৰ্দিষ্ট সময় অনুযায়ী হৈ আহিছে। ইয়াৰ তাৰতম্য হ'লেই বিপদ অনিবাৰ্য। যুগ যুগ ধৰি জীৱকুল অভ্যস্ত প্ৰকৃতিৰ এই পৰিবৰ্তনৰ স'তে। মানৱ জীৱনৰ সকলোতকৈ মূল্যৱান অংশটোয়েই হল সময়।

সময় পাখি লগা কাঁড়ৰ দৰে অবিৰাম গতিত আগুৱাই গৈ আছে যদিও নদীৰ সোঁতৰ দৰে ই শান্ত সৌম্য গতিশীল। এবাৰ বাগৰি গ'লে তাক ঘূৰাই আনিব নোৱাৰি। গতিশীল সময়ক ক্ষণিকৰ বাবেও আৱদ্ধ কৰি ৰখা সম্ভৱ নহয়। আনহাতে, জীৱনৰ অতীত কালক গৰকি যোৱা কিছুমান বিশেষ সময় পাহৰি যোৱাও সম্ভৱ নহয়। সুখ-দুখৰ কিছুমান জীৱন্ত স্মৃতি বুকুৰ গোপন কোণত আজীৱন কেঁচা হৈ থাকে। সেই বিশেষ সময়বোৰে জীৱনৰ উত্থান পতনক নিচেই কাষৰ পৰা চাবলৈ আমাক অধিক পৰিপক্ক কৰি তোলে। তেনে কিছু টুকুৰা স্মৃতিৰ তিতা-মিঠা অভিজ্ঞতাৰে আমি জীৱনৰ বাট বুলো। যিমান ব্যস্ততাৰ মাজতো দৈনন্দিন জীৱনৰ জিৰণি আৰু আজৰি সময়খিনিৰ মাজত সমতা ৰক্ষা কৰি চলা উচিত। বয়স অনুপাতে দৈনিক দিনপঞ্জীৰ তালিকাখন নিয়াৰিকৈ বনাই ল'লে সময়ৰ অপব্যয় নহয়। নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম শেষ কৰিব পৰাটো মানৱ জীৱনৰ এটা মূল্যৱান দিশ। যিহেতু সময়ৰ কাম পিছলৈ পেলাই থোৱা স্বভাৱে নানান ধৰণৰ অথন্তৰ লগাই জীৱন বিপন্ন কৰি তোলাৰ অৱকাশ থাকে। নিয়াৰিকৈ কাম কৰি যাবলৈ লাগে মাথোঁ কিছু ত্যাগ আৰু মানসিক দৃঢ়তা। সময় অনুসৰি কামবোৰ কৰি গ'লে অত্যধিক কামৰ হেচা নপৰে,মন বিভ্ৰান্ত নহয়। জীৱন বাটত সফলতা লাভ কৰিব হ'লে সময়ৰ মূল্যক গুৰুত্ব দিবয়েই লাগিব। মানুহৰ জীৱনৰ প্ৰতিটো পলেই মূল্যৱান। সময় আৰু জীৱন যেন এটা মুদ্ৰাৰ দুটা পিঠি, জীৱন হ'ল এক নিৰ্দিষ্ট সময়ৰ মাজত অতিবাহিত কৰা কিছু অনুভৱ। প্ৰতিটো পল-অনুপলেই জীৱনৰ একোটা অংশ। প্ৰকৃত অৰ্থত জন্ম আৰু মৃত্যুৰ মাজৰ সময়খিনিয়েই জীৱন। কালৰ সোঁতত সময় নষ্ট নকৰি জীৱন নাটৰ একোজন নিখুঁত ভাৱৰীয়া ৰূপত প্ৰতিটো দিনেই নিজৰ কৰ্তব্য সমাপন কৰি যোৱা উচিত। কোনে জানে কাইলৈ কি হ'ব, মানৱ জীৱনটোৱেই যে অনিশ্চিত। জীৱনৰ কুটিল হাতোৰাত কেতিয়া শেষ নিশ্বাস ত্যাগ কৰিব লগা হয় সেয়াও কাৰো জ্ঞাত নহয়।

বৰ্তমানক গুৰুত্ব সহকাৰে লৈ এলেহুৱা স্বভাৱ বৰ্জন কৰি দহোবন কাটি কৰি নিজৰ সময়ক গুৰুত্ব দিয়াটো শৃংখলাবদ্ধ জীৱনৰ মূল চাবিকাঠী। উতনুৱা মন উচ্ছৃংখল জীৱন প্ৰণালীৰ সুখৰ অন্তৰায়। জীৱশ্ৰেষ্ঠ হিচাপে জনম লৈ নিজৰ কৰ্মৰে জীৱনক উপভোগ নহয় উদ্‌যাপন কৰাৰ মানসিক স্থিতি অটল থাকিব লাগিব। মনৰ দৃঢ়তাই স্বাস্থ্যজনিত বহু জটিল ৰোগকো হেলাৰঙে জয়ী কৰিব পাৰে। দুৰ্বল মনৰ লোকসকলে কঠিন সময়ৰ সৈতে সহাৱস্থান কৰিব নোৱাৰি ক্লান্ত ভাগৰুৱা হৈ পৰে, ইয়াৰ ফলত জীৱনৰ বাট বিষাক্ত হৈ পৰে। সময়ক উচিত পৰ্যায়ত আদৰ কৰিলে সময়েও আমাক লগ দি উন্নতিৰ পথত হেলাৰঙে আগুৱাই নিব। পৰাপক্ষত জীৱনৰ অমূল্য সময়বোৰ দেশৰ বাবে, দহৰ বাবে জাতিটোৰ মংগলৰ বাবে ইতিবাচক চিন্তাৰে খৰচ কৰা উচিত। ইয়াৰ পৰা নিজে উপকৃত হোৱাৰ লগতে সামাজিক দিশটোও শক্তিশালী ৰূপত উপস্থাপন হয়। যি ব্যক্তিয়ে সময়ৰ উচিত মূল্যায়ন কৰে সামাজিকভাৱেও তেওঁ এজন আদৰ্শ ব্যক্তি হিচাপে প্ৰতিষ্ঠিত হয়। এজন সফল ব্যক্তিৰূপে পৰিচিত হ'বলৈ সময়ৰ অনুশাসন মানি চলা অত্যন্ত জৰুৰী। মহান ব্যক্তিসকলৰ জীৱন পৰিক্ৰমাৰ পৰাই উপলব্ধি কৰিব পাৰি সময় তেওঁলোকৰ বাবে কিমান মুল্যৱান আছিল। এই কথা সৰ্বজনবিদিত যে ধন-সম্পদ হেৰুৱালে পুনৰ উপাৰ্জন কৰিব পাৰি; কিন্তু কটোৱা সময় কেতিয়াও ঘূৰাই আনিব নোৱাৰি। সেইসূত্ৰে অবাবত সময় নষ্ট নকৰাৰ প্ৰতিশ্ৰুতিৰে আমি সকলোৱে জীৱন সংগ্ৰামত নিজৰ কৰণীয়খিনি কৰি যোৱাৰ আপত্তিয়েই বা ক'ত, তেহে সময়েও আমাক নিশ্চিতভাৱে লগ দিব। এটা দিনৰ ২৪ ঘন্টা সময় যিয়ে যেনেকৈ কামত লগাই তেনেদৰেই ফলাফলো পোৱা যায়। এই নিৰ্দিষ্ট সময়খিনি কোনেও বঢ়াব বা কমাব নোৱাৰে। সময়ৰ সমানে আমাৰ আয়ুসো কমি গৈ থাকে। যিমানেই ধন সম্পদ নাথাকক কিয়, খৰচ হোৱা সময়খিনি কোনো দিনেই ক্ৰয় কৰিব নোৱাৰি। সময়েই হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ,ই কেতিয়াও পাছলৈ উভতি নাচায়। জীৱনৰ মূল্যৱান সময়ছোৱাক গুৰুত্ব সহকাৰে লৈ আজিৰ কাম কাইলৈ পেলাই থোৱাৰ পৰা বিৰত থকায়েই ভাল। অৱশ্যে যিকোনো কামৰ মাজত সমতা ৰক্ষা কৰিও চলা উচিত। ওপৰা ওপৰি খৰধৰকৈ কৰা কামৰ ভবা মতে ফলাফল নাপাবও পাৰে। অতীতক সলনি কৰিব নোৱাৰি, ভৱিষ্যত অজ্ঞাত সেয়ে বৰ্তমানৰ সময়খিনিক কামত লগোৱাটোৱেই বুদ্ধিমত্তাৰ কাম। যিহেতু সময়ক আদৰ কৰি উচিত মৰ্যাদা দিলে বেয়া সময়ো সফলতাৰে ভৰি পৰে। আমাৰ খন্তেকীয়া জীৱনটোত কামৰ কোনো পৰিধি নাথাকে, সেয়ে কিছু ত্যাগৰ বিনিময়ত প্ৰতিটো মুহূৰ্তৰ সৎ প্ৰয়োগ কৰি নিজৰ তথা দহৰ মংগলৰ নিমিত্তে নিশ্চিতভাৱে কিছু সহায়ৰ হাত আগবঢ়াব পাৰি। যিহেতু মৃত্যুৰ পাছতো সৎ কৰ্মইহে সময়ৰ বুকুত মানুহৰ চিনাকি ৰাখি যায়।

ফোন : ৯১০১৫১৭৮৪৭

# মহাকাশ বিজ্ঞানত অসমৰ ঐতিহাসিক খোজ! নিজা উপগ্ৰহৰ দিশে ৰাজ্য

ললিত নাথ

**বৰ্তমান** বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ যুগত মহাকাশ বিজ্ঞান কেৱল গৱেষণাগাৰৰ মাজতে আৱদ্ধ হৈ থকা নাই। ই এতিয়া দুৰ্যোগ ব্যৱস্থাপনা, প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু জনকল্যাণৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। এই পৰিৱৰ্তিত পৰিস্থিতিত অসমেও মহাকাশ প্ৰযুক্তিৰ সম্ভাৱনাক ৰাজ্যৰ উন্নয়নৰ স'তে সংযুক্ত কৰাৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ নিজা উপগ্ৰহ 'AssamSAT' উৎক্ষেপণৰ প্ৰস্তাৱ এই বৃহৎ পৰিকল্পনাৰেই এক অংশ। প্ৰকল্পটোৱে বাস্তৱ ৰূপ লাভ কৰিলে মহাকাশৰ পৰা সংগৃহীত তথ্যক ৰাজ্যৰ দৈনন্দিন প্ৰশাসন আৰু উন্নয়নমূলক কামত অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰাৰ এক নতুন দুৱাৰ মুকলি হ'ব। ই কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেও মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত এক নতুন সম্ভাৱনাৰ সূচনা কৰিব পাৰে।

এই যুগান্তকাৰী 'AssamSAT' প্ৰকল্পৰ প্ৰথম চৰকাৰী ঘোষণা কৰা হৈছিল ৰাজ্যৰ ২০২৫-২৬ৰ বাৰ্ষিক বাজেট উপস্থাপনৰ সময়ত। বিত্তমন্ত্ৰী অজন্তা নেওগে বাজেট ভাষণত এই অভিলাষী আঁচনিৰ কথা সদৰী কৰাৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকল্পটো বাস্তৱায়নৰ উদ্দেশ্যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO) আৰু কেন্দ্ৰীয় মহাকাশ বিভাগৰ অধীনস্থ 'IN-SPACe'ৰ স'তে উচ্চস্তৰীয় আলোচনাত মিলিত হয়। চৰকাৰীভাৱে প্ৰকাশিত তথ্য অনুসৰি, ৰাজ্য চৰকাৰে উপগ্ৰহ প্ৰকল্পটোৰ নিৰ্মাণ, উৎক্ষেপণ আৰু পৰিচালনাৰ বাবে দেশৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ মহাকাশ প্ৰযুক্তি প্ৰতিষ্ঠানৰ মাজৰ পৰা উপযুক্ত অংশীদাৰ বাছনি কৰাৰ প্ৰক্ৰিয়াও আগবঢ়াই নিছে। ইয়াৰ পৰা স্পষ্ট হয় যে অসমে মহাকাশ প্ৰযুক্তিক কেৱল ভৱিষ্যতৰ সম্ভাৱনা হিচাপে চোৱা নাই, বৰ্তমানৰ উন্নয়ন প্ৰক্ৰিয়াৰ স'তেও সংযুক্ত কৰাৰ চেষ্টা কৰিছে।

প্ৰযুক্তিগত গাঁথনিৰ দিশৰ পৰাও 'AssamSAT' এক আধুনিক আৰু উচ্চাকাংক্ষী প্ৰকল্প হিচাপে পৰিকল্পনা কৰা হৈছে। প্ৰস্তাৱিত ব্যৱস্থাৰ অধীনত নিম্ন পৃথিৱী কক্ষপথ, অৰ্থাৎ Low Earth Orbit (LEO)-ত একাধিক সৰু উপগ্ৰহৰ সমষ্টি বা কনষ্টেলেশ্বন স্থাপনৰ পৰিকল্পনা কৰা হৈছে। এই উপগ্ৰহসমূহে অসমৰ ভূখণ্ডৰ বিভিন্ন অংশৰ বিষয়ে নিয়মিতভাৱে গুৰুত্বপূৰ্ণ ভূ-তথ্য আৰু ছবি সংগ্ৰহ কৰাত সহায় কৰিব। অসমৰ ভৌগোলিক অৱস্থান আৰু বাৰিষাকালৰ বতৰ এই ক্ষেত্ৰত এক বিশেষ প্ৰত্যাহ্বান। বৰষুণ, ডাৱৰ আৰু কুঁৱলীৰ বাবে বহু সময়ত পৰম্পৰাগত উপগ্ৰহীয় ছবিৰ ব্যৱহাৰত সীমাবদ্ধতা দেখা দিয়ে। সেয়েহে প্ৰকল্পটোত Synthetic Aperture Radar (SAR) প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই প্ৰযুক্তিৰ অন্যতম সুবিধা হ'ল— ডাৱৰীয়া বতৰ বা নিশাৰ সময়তো পৃথিৱীৰ পৃষ্ঠৰ



বিষয়ে তথ্য সংগ্ৰহ কৰিব পৰা যায়। ফলত অসমৰ দৰে বানপ্ৰৱণ আৰু বৰষুণপ্ৰধান ৰাজ্যৰ বাবে এই প্ৰযুক্তি বিশেষভাৱে উপযোগী হ'ব পাৰে।

অসম চৰকাৰে এই সমগ্ৰ প্ৰকল্পটো 'DBLTT' অৰ্থাৎ Design, Build, Launch, Operate, Train and Transfer আৰ্হিত আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে। ইয়াৰ অৰ্থ হ'ল, বাছনি কৰা ব্যক্তিগত অংশীদাৰ প্ৰতিষ্ঠানটোৱে প্ৰথম পৰ্যায়ত উপগ্ৰহসমূহৰ নক্সা প্ৰস্তুত, নিৰ্মাণ আৰু উৎক্ষেপণৰ দায়িত্ব ল'ব। তাৰ পাছত নিৰ্দিষ্ট সময়লৈ উপগ্ৰহ প্ৰণালী পৰিচালনা কৰাৰ লগতে ৰাজ্য চৰকাৰৰ কাৰিকৰী বিষয়াসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰিব। পৰৱৰ্তী পৰ্যায়ত উপগ্ৰহ প্ৰণালী পৰিচালনা আৰু নিয়ন্ত্ৰণৰ অধিকাৰ ৰাজ্য চৰকাৰৰ হাতলৈ হস্তান্তৰ কৰাৰ লক্ষ্য ৰখা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে অসমে কেৱল উপগ্ৰহৰ তথ্য গ্ৰহণকাৰী হিচাপে নহয়, ক্ৰমে মহাকাশভিত্তিক তথ্য ব্যৱস্থাপনাৰ নিজস্ব সক্ষমতা গঢ়ি তোলাৰ সুযোগ লাভ কৰিব। উপগ্ৰহ প্ৰণালীৰ মূল কমাণ্ড নিয়ন্ত্ৰণ কেন্দ্ৰ গুৱাহাটীত স্থাপনৰ পৰিকল্পনাই এই ক্ষেত্ৰত ৰাজ্যৰ নিজস্ব কাৰিকৰী পৰিকাঠামো গঢ়ি তোলাৰ সম্ভাৱনাও বৃদ্ধি কৰিব।

ৰাজ্যখনৰ কে'বাটাও পুৰণি আৰু জটিল সমস্যাৰ অধিক বৈজ্ঞানিক আৰু তথ্যভিত্তিক ব্যৱস্থাপনাৰ ক্ষেত্ৰত 'AssamSAT'ৰ তথ্য গুৰুত্বপূৰ্ণ হৈ উঠিব পাৰে। ইয়াৰ অন্যতম বৃহৎ প্ৰয়োগ হ'ব অসমৰ চিৰাচৰিত বানপানী আৰু গৰাখহনীয়া ব্যৱস্থাপনাত। উপগ্ৰহীয় তথ্যৰ সহায়ত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গতিপথৰ পৰিৱৰ্তন, জলভাগৰ বিস্তৃতি, বানপানীৰ প্ৰভাৱিত অঞ্চল আৰু ভূমিৰ পৰিৱৰ্তন আদি অধিক নিখুঁতভাৱে পৰ্যবেক্ষণ কৰিব পৰা যাব। বিশেষকৈ বাৰিষাৰ সময়ত বানপানীৰ পৰিস্থিতি নিৰীক্ষণ আৰু ক্ষতিগ্ৰস্ত অঞ্চল চিনাক্তকৰণত এনে তথ্য অত্যন্ত সহায়ক হ'ব পাৰে। ফলত প্ৰশাসনে আগতীয়াকৈ প্ৰস্তুতি গ্ৰহণ, উদ্ধাৰ আৰু সাহায্য অভিযান পৰিচালনা তথা ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণত অধিক কাৰ্যকৰী সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

একেদৰে, সীমান্ত অঞ্চলৰ নিৰীক্ষণ, দুৰ্গম ভূখণ্ডৰ পৰ্যবেক্ষণ, বনাঞ্চলত অবৈধ কাৰ্যকলাপ চিনাক্তকৰণ আৰু চোৰাং চিকাৰ ৰোধৰ ক্ষেত্ৰতো উপগ্ৰহীয় তথ্যৰ ব্যৱহাৰ সম্ভৱ। বিশেষকৈ যিবোৰ অঞ্চলত স্থলপথেৰে নিয়মিত নিৰীক্ষণ কৰাটো কঠিন, সেইবোৰ অঞ্চলৰ ভূ-তথ্য আৰু পৰিৱৰ্তনৰ ছবি মহাকাশৰ পৰা লাভ কৰাটো প্ৰশাসনৰ বাবে এক গুৰুত্বপূৰ্ণ সহায়ক ব্যৱস্থা হ'ব পাৰে। বনাঞ্চলৰ অবৈধ দখল, ভূমিৰ ব্যৱহাৰত হোৱা পৰিৱৰ্তন আৰু সংৰক্ষিত অঞ্চলৰ পৰিস্থিতি নিৰীক্ষণতো এই প্ৰযুক্তিৰ ভূমিকা বৃদ্ধি পাব পাৰে।

কেৱল দুৰ্যোগ প্ৰশমন বা নিৰাপত্তাৰ ক্ষেত্ৰতেই নহয়, কৃষি আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো 'AssamSAT'ৰ সম্ভাৱনা যথেষ্ট। উপগ্ৰহীয় তথ্যৰ সহায়ত কৃষিভূমিৰ পৰিসৰ, ভূমিৰ আৰ্দ্ৰতা, শস্যৰ অৱস্থা আৰু ভূমি ব্যৱহাৰৰ পৰিৱৰ্তন আদি পৰ্যবেক্ষণ কৰিব পৰা যায়। ইয়াৰ ফলত কৃষি পৰিকল্পনা অধিক বৈজ্ঞানিক আৰু তথ্যভিত্তিক কৰাৰ সুযোগ সৃষ্টি হ'ব। বতৰৰ তথ্য আৰু অন্যান্য ভূ-তথ্যৰ স'তে উপগ্ৰহীয় তথ্য সংযুক্ত কৰিব পাৰিলে কৃষকক সময়োপযোগী পৰামৰ্শ দিয়াৰ ক্ষেত্ৰতো অধিক সহায় লাভ কৰিব পৰা যাব। কৃষিৰ উৎপাদনশীলতা বৃদ্ধি, জলসম্পদৰ সঠিক ব্যৱহাৰ আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ক্ষেত্ৰতো ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰিব পাৰে।

আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো এই প্ৰযুক্তিৰ ব্যৱহাৰ যথেষ্ট বিস্তৃত। ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ, দলং, উৰণসেতু আৰু অন্যান্য বৃহৎ নিৰ্মাণ প্ৰকল্পৰ অগ্ৰগতি নিৰীক্ষণৰ লগতে ভূমিৰ পৰিৱৰ্তন আৰু নিৰ্মাণ কাৰ্যৰ প্ৰভাৱ মূল্যায়নত উপগ্ৰহীয় তথ্য ব্যৱহাৰ কৰিব পৰা যায়। একেদৰে কাজিৰঙা, মানস আদি ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যান্য সংৰক্ষিত বনাঞ্চলৰ ভূমি ব্যৱহাৰৰ পৰিৱৰ্তন, বনাঞ্চলৰ অৱস্থা আৰু বেদখলৰ সম্ভাব্য বিস্তৃতি নিৰীক্ষণতো এই তথ্য সহায়ক হ'ব পাৰে। অৰ্থাৎ, মহাকাশৰ পৰা সংগৃহীত তথ্য মাটিৰ উন্নয়নমূলক কামৰ স'তে সংযুক্ত কৰাৰ এক নতুন সুযোগ সৃষ্টি হ'ব।

এই প্ৰকল্পৰ আন এক গুৰুত্বপূৰ্ণ ইতিবাচক দিশ হ'ল ইয়াৰ স'তে শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মক সংযুক্ত কৰাৰ সম্ভাৱনা। অসমৰ কলেজীয়া শিক্ষাৰ্থীসকলক পৰীক্ষামূলক সৰু উপগ্ৰহ নিৰ্মাণ আৰু মহাকাশ-সম্পৰ্কীয় প্ৰযুক্তিগত কাম-কাজৰ সৈতে জড়িত কৰাৰ পৰিকল্পনাই ৰাজ্যত এক নতুন বৈজ্ঞানিক পৰিৱেশ গঢ়ি তুলিব পাৰে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত মহাকাশ বিজ্ঞান, ইঞ্জিনিয়াৰিং, কৃত্ৰিম বুদ্ধিমত্তা, তথ্য বিশ্লেষণ আৰু অন্যান্য উদীয়মান প্ৰযুক্তিৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব। অসমৰ যুৱ প্ৰজন্মৰ মাজত উদ্ভাৱনী চিন্তা আৰু বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰতো এনে পদক্ষেপে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে।

'AssamSAT' প্ৰকল্পৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল- ই অসমক মহাকাশৰ তথ্য ব্যৱহাৰ কৰা এখন ৰাজ্যৰ পৰ্যায়ৰ পৰা মহাকাশ প্ৰযুক্তিৰ স'তে সক্ৰিয়ভাৱে জড়িত এখন ৰাজ্যৰ পৰ্যায়লৈ লৈ যোৱাৰ সম্ভাৱনা সৃষ্টি কৰিছে। এতিয়ালৈকে বিভিন্ন ভূ-তথ্য, মানচিত্ৰ আৰু উপগ্ৰহীয় তথ্যৰ বাবে ৰাজ্য চৰকাৰক কেন্দ্ৰীয় সংস্থা বা অন্যান্য বাহ্যিক উৎসৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিবলগীয়া হৈছিল। নিজস্ব উপগ্ৰহ প্ৰণালী গঢ়ি উঠিলে ৰাজ্যৰ প্ৰয়োজন অনুসৰি অধিক লক্ষ্যভিত্তিক আৰু সময়োপযোগী তথ্য লাভ কৰাৰ সুযোগ বৃদ্ধি পাব। ইয়াৰ ফলত নীতি নিৰ্ধাৰণ, পৰিকল্পনা প্ৰস্তুত, দুৰ্যোগ ব্যৱস্থাপনা আৰু উন্নয়নমূলক আঁচনি ৰূপায়ণ অধিক তথ্যভিত্তিক আৰু স্বচ্ছ কৰাৰ পথ প্ৰশস্ত হ'ব।

অৱশ্যে এনে এক বৃহৎ আৰু প্ৰযুক্তিনিৰ্ভৰ প্ৰকল্পৰ সফলতাৰ বাবে কেৱল উপগ্ৰহ উৎক্ষেপণেই যথেষ্ট নহয়। উপগ্ৰহৰ পৰা লাভ কৰা তথ্য বিশ্লেষণ, সংৰক্ষণ আৰু সঠিক সময়ত সংশ্লিষ্ট বিভাগলৈ প্ৰেৰণৰ বাবে দক্ষ মানৱসম্পদ, আধুনিক ডাটা চেণ্টাৰ, প্ৰশিক্ষিত কাৰিকৰী বিষয়া আৰু বিভিন্ন চৰকাৰী বিভাগৰ মাজত সমন্বয়ৰ প্ৰয়োজন হ'ব। মহাকাশৰ পৰা তথ্য সংগ্ৰহ কৰাৰ সমান্তৰালভাৱে সেই তথ্যক মাটিৰ বাস্তৱ পৰিস্থিতিৰ স'তে সংযুক্ত কৰি সিদ্ধান্ত গ্ৰহণৰ ব্যৱস্থাও শক্তিশালী কৰিব লাগিব। তেতিয়াহে 'AssamSAT'ৰ প্ৰকৃত সম্ভাৱনাক জনকল্যাণৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা যাব।

মহাকাশ বিজ্ঞানৰ ক্ষেত্ৰত অসমৰ এই পদক্ষেপ সেয়ে কেৱল এটা উপগ্ৰহ নিৰ্মাণ বা উৎক্ষেপণৰ প্ৰকল্প হিচাপে চাব নোৱাৰি। ই হৈছে প্ৰযুক্তিনিৰ্ভৰ সুশাসন, বৈজ্ঞানিক চিন্তা আৰু আত্মনিৰ্ভৰশীল উন্নয়নৰ দিশত ৰাজ্যখনে আগবঢ়াব বিচৰা এক নতুন পদক্ষেপ। বানপানী-গৰাখহনীয়াৰ দৰে দীৰ্ঘদিনীয়া সমস্যা, কৃষি আৰু বন সংৰক্ষণ, আন্তঃগাঁথনি উন্নয়ন, সীমান্ত নিৰীক্ষণৰ পৰা আৰম্ভ



মহাকাশৰ অসীম সম্ভাৱনাক অসমৰ ভুখণ্ডৰ বাস্তৱ সমস্যাৰ সমাধানৰ স'তে সংযোগ কৰিব পাৰিলেই এই ঐতিহাসিক পদক্ষেপ সঁচা অৰ্থত জনকল্যাণমুখী ৰূপ লাভ কৰিব। অনাগত দিনত এই প্ৰকল্পই অসমৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত মহাকাশ প্ৰযুক্তিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰিব পাৰি

কৰি যুৱ প্ৰজন্মক মহাকাশ বিজ্ঞানৰ স'তে সংযুক্ত কৰালৈকে ইয়াৰ সম্ভাব্য ব্যৱহাৰৰ পৰিসৰ যথেষ্ট বিস্তৃত।

মহাকাশৰ পৰা নিজৰ মাটিৰ ওপৰত নজৰ ৰাখি নিজৰ উন্নয়নৰ বাবে তথ্য আহৰণ কৰাৰ এই প্ৰচেষ্টা সফল হ'লে অসমে এক নতুন প্ৰযুক্তিগত পৰিচয় লাভ কৰিব পাৰে। 'AssamSAT' সেয়ে কেৱল এটা যন্ত্ৰ বা উপগ্ৰহ নহয়; ই অসমৰ আত্মনিৰ্ভৰশীলতা, বৈজ্ঞানিক মানসিকতা আৰু আধুনিক উন্নয়নৰ এক প্ৰতীক। মহাকাশৰ অসীম সম্ভাৱনাক অসমৰ ভুখণ্ডৰ বাস্তৱ সমস্যাৰ সমাধানৰ স'তে সংযোগ কৰিব পাৰিলেই এই ঐতিহাসিক পদক্ষেপ সঁচা অৰ্থত জনকল্যাণমুখী ৰূপ লাভ কৰিব। অনাগত দিনত এই প্ৰকল্পই অসমৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত মহাকাশ প্ৰযুক্তিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰিব পাৰি।

ধফোন ঃ ৯৯৫৪১৩৯৪৯৩


## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

## ৰূপোৱালী বালি, সোণোৱালী খোজ

### এখন নগৰৰ ইতিহাস কেৱল অট্টালিকাত নহয়, লুকাই থাকে ৰেলপথ, অৰণ্য আৰু মানুহৰ স্মৃতিত...

বিশ্বজিৎ বৰুৱা



**ডিব্ৰু** নদীৰ পাৰৰ ঐতিহ্যমণ্ডিত গড়ত বাহৰ পাতি গোড়াপ্লেটুনৰ কামাণ্ডাৰ হেমিল্টন ভেটছে ওখ-পাখ, লোদোৰ-পোদোৰ ঘোঁৰাত উঠি হাবি-বন ভাঙি বাট-পথ উলিয়াই সৰুকৈ নগৰ এখন গঢ়ি তুলিছে। বাট-পথবোৰ মসৃণ, সৰু সৰু জোপোহাসদৃশ ঘৰবোৰৰ ঠাইত পথৰ দুই কাষে মূৰ দাঙি উঠিছে আটকধুনীয়া লোহাৰ খুঁটা আৰু বাটাম দিয়া ঘৰবোৰ। ছহিদ মণিৰাম দেৱানৰ পুত্ৰ যাদুৰাম বৰুৱাৰ কোম্পানী জে আৰ বৰুৱা এণ্ড ছন্সৰ তত্ত্বাৱধানত ইতিমধ্যে গ্ৰীক গোথিক আৰ্হিৰ আদালত ভৱনটোৰ নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈ উঠিছে। সন্মুখতে কাৰাগাৰৰ এক নম্বৰ ৱাৰ্ডটোও মসৃণ পকী দেৱালৰে দূৰৈৰ পৰাই জিলিকি আছে। লখিমপুৰৰ পৰা কেৰাণি কাকতি সহিতে আদালতৰ কাম-কাজবোৰ স্থানান্তৰ হৈছে। ৰাইজে নগৰখনৰ নাম দিছে ডিব্ৰুনদী আৰু বৰবৰুৱাই সাজি থৈ যোৱা গড়ৰ সমাহাৰেৰে ডিব্ৰুগড়। চৰকাৰী নথিতো নগৰখনৰ নাম লিখা হৈছে ডিব্ৰুগড়।

ধীৰ গতিৰে পূবৰ পৰা বলা মলয়াজাক মৃদু মসৃণ গতিৰে আগবাঢ়ি গৈ থকা ঘোঁৰাবাগীখনৰ আৰোহী দুজন হৈছে ৰঙা চুলিৰ বগা ছালৰ দুজন ইউৰোপীয় ভদ্ৰলোক। দুয়োৰে পিন্ধনত চাহাবী ঢঙৰ থ্ৰী পিছ চ্যুট। গাঢ় বৰণৰ কোট চোলাৰ ওপৰৰ পকেটৰ পৰা বুকুৰ বুটামলৈকে জিলিকি থকা সোণৰ জিঞ্জিৰিত ওলমি থকা ঘড়ীটোৰ কপাটখন খুলি এজন ভদ্ৰলোকে কৈ উঠিল ঃ তিনি বাজেহে অথোন। এআৰটি কোম্পানীৰ প্ৰখ্যাত ইঞ্জিনীয়াৰ ৰবাৰ্ট পেগানানি আৰু আসাম কোম্পানীৰ প্ৰতিনিধি মিঃ চেটাৰ্জিও পালেহিয়ে নিশ্চয়। নহয়নে মিঃ লেক?

মিঃ লেক, অৰ্থাৎ দ্বিতীয়জন ভদ্ৰলোকে ক'লে ঃ আজি ষ্টীল এণ্ড হেডৰ এজন অংশীদাৰ মিঃ হাৰবাৰ্ড গ্ৰীণউড ষ্টীলো উপস্থিত থাকিব নিশ্চয়।

ৰেল বিভাগৰ অভিজ্ঞ জ্যেষ্ঠ অভিযন্তা মিঃ বেঞ্জামিন পিয়াৰ্ছ, অৰ্থাৎ প্ৰথমজন ভদ্ৰলোক এজন অভিজ্ঞ জ্যেষ্ঠ অভিযন্তা। ফিলাডেলফিয়া বিশ্ববিদ্যালয়ৰ আভিযান্ত্ৰিক বিভাগৰ পৰা উচ্চশিক্ষা গ্ৰহণৰ পাছত দীৰ্ঘ সময় তেওঁ কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ কৰিছিল ৰয়েল ব্ৰিটিছ আৰ্মিক। মহাৰাণীয়ে তেওঁক কৰ্ণেলৰ সন্মান যাচিছিল। মহাৰাণীৰ প্ৰতিনিধি ৰলিংটনে তেওঁৰ কান্ধত সোণৰ তৰাখচিত মেডেল পিন্ধাই দি কৈছিল— আপোনাক সেউজ সোণ স্বৰূপ চাহৰ সাম্ৰাজ্য অসমলৈ প্ৰেৰণ কৰাৰ বাবে আমি সিদ্ধান্ত লৈছো। আপোনাৰ জ্ঞান আৰু পাৰদৰ্শিতাৰে সমৃদ্ধ কৰিব লাগিব অসম ৰাজ্যক।

আপুনি নিশ্চয়কৈ অৱগত যে এইখন অসম যে কেৱল সেউজ সোণৰ বাবেই আমাৰ আপোন তেনে নহয়, বংগৰ স'তে সংযুক্ত এই প্ৰদেশৰ লিডু-মাৰ্ঘেৰিটা হৈছে ক'লা হীৰাৰ আকৰ। ডিছ ইজ হাৰ মেজেষ্টিজ উইচ। বাই চিজিং দিছ গ'ল্ডেন অপৰচুনিটি, ইউ উইল চিঅ'ৰলি বি এবল টু মেক চাইন ইন ৱান অৱ দ্য ৱৰ্ল্ডছ ইউনিক প্লেচেছ। এনে এক আকৰ্ষণীয় আৰু লোভনীয় প্ৰস্তাৱ গ্ৰহণ নকৰাৰ প্ৰশ্নই নুঠে। এদিন মিঃ পিয়াৰ্ছ আৰু তেওঁৰ সংগীসকলক মানচেষ্টাৰ উপকূলৰ পৰা কঢ়িয়াই অনা বিশাল জাহাজে লংগৰ পেলালেহি কলিকতা বন্দৰৰ উপকূলত। তাৰ পাছত দিহিং কুঁৱৰী জাহাজে তেওঁলোকক কঢ়িয়াই আনিলে অসম প্ৰান্তৰ মোহনাঘাটলৈ।

ইতিমধ্যে ঘোঁৰাবাগীখন মসৃণ পথেদি আহি আহি আগবাঢ়িছিল নৱনিৰ্মিত ডিব্ৰুগড় কাছাৰীঘৰৰ সন্মুখেদি।

ফোন ঃ ৯৪৩৫০২৮০০৮

# শতাধিক গ্ৰন্থৰ প্ৰণেতা বৰেণ্য শিক্ষাবিদ, সাহিত্যিক তথা দাৰ্শনিক ড° গিৰীশ বৰুৱা

ৰূপক জি দুৱৰা



**অসমৰ** সাম্প্ৰতিক সময়ৰ দৰ্শন শাস্ত্ৰৰ অন্যতম আগশাৰীৰ পণ্ডিত তথা শিক্ষাবিদ ড° গিৰীশ বৰুৱাই সমাজ আৰু সাহিত্যক্ষেত্ৰলৈ বৰণীয় অৱদান আগবঢ়াই আহিছে। ১৯৪০ৰ ২৭ ডিচেম্বৰত দেৰগাঁৱত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে শৈশৱ কালতেই নিজৰ প্ৰতিভা আৰু পাণ্ডিত্যৰ উমান দিছিল। ১৯৫৯ত তেওঁ প্ৰথম বিভাগত (গণিতত লেটাৰ মাৰ্কসহ) প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৬৩ত দৰ্শনত স্নাতক ডিগ্ৰী আৰু ১৯৬৫ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেনেদৰে তেওঁ ১৯৭৯ত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ এম.ফিল. অৰ্জন কৰাৰ পাছত ১৯৮৭ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

শিক্ষা জীৱন সফলতাৰে সম্পন্ন কৰাৰ পাছত বৰুৱাই দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত দৰ্শন বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। ইয়াত সুদীৰ্ঘ কাল সেৱা আগবঢ়াই ২০০২ত তেওঁ মহাবিদ্যালয়খনৰ দৰ্শনৰ মুৰব্বী অধ্যাপক তথা বিদ্যায়তনিক উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। সেইদৰে তেওঁ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত ১০ বছৰকাল অতিথি অধ্যাপক হিচাপেও শিক্ষাদান কৰিছিল। তেনেদৰে তেওঁ গোলাঘাট শিক্ষক শিক্ষণ মহাবিদ্যালয়ত দুবছৰ অধ্যাপনা কৰাৰ লগতে কিছুদিন লোক আদালতৰ বিচাৰক হিচাপেও সেৱা আগবঢ়াইছিল। তদুপৰি বৰুৱাই দিল্লী বিশ্ববিদ্যালয়, মণিপুৰ বিশ্ববিদ্যালয়, পুনে বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আদিৰ দৰে দেশৰ বহুকেইখন আগশাৰীৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত উচ্চ পৰ্যায়ৰ আলোচনা চক্ৰত সঞ্চালক, সমল ব্যক্তি তথা আলোচকৰূপে নিয়মীয়াকৈ অংশগ্ৰহণ কৰি আহিছে।

খ্যাতিমান লেখক হিচাপে বৰুৱাই সাহিত্য জগতলৈ অতুলনীয় অৱদান আগবঢ়াইছে। ইংৰাজী আৰু অসমীয়া এই দুয়োটা ভাষাতে সাহিত্যচৰ্চা কৰা বৰুৱাৰ বৰ্তমানলৈকে ১১৪ খন গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁৰ 'Indian Philosophy' শীৰ্ষক গুৰুত্বপূৰ্ণ গ্ৰন্থখনৰ পাতনি লিখিছিল প্ৰখ্যাত ভাৰতীয় দাৰ্শনিক দেবীপ্ৰসাদ চট্টোপাধ্যায়ে। তেনেদৰে তেওঁৰ অন্য এখন উল্লেখ্য গ্ৰন্থ 'Sankardeva : A Critical Appraisal of His Philosophy and Religion' ৰ পাতনি লিখিছিল বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° কল্যাণ কুমাৰ বাগ্‌চীয়ে। অসমীয়া ভাষাত নতুন চিন্তা আৰু বিশ্লেষণাত্মক তথ্যৰে 'বৈজ্ঞানিক ব্যাখ্যাত গীতা'ৰ দৰে উৎকৃষ্ট গ্ৰন্থ ৰচনা কৰা বৰুৱাৰ অন্য কেইখনমান জনপ্ৰিয় গ্ৰন্থ হ'ল - 'পাশ্চাত্য দৰ্শন', 'মে' দিৱস কি আৰু কিয়', 'সমাজ দৰ্শন', 'ভাৰতীয় দৰ্শনত এভুমুকি', 'ধৰ্ম দৰ্শন', 'মনোবিজ্ঞান', 'গ্ৰীক আৰু মধ্যযুগীয় দৰ্শন', 'অসমত দৰ্শন চিন্তাৰ পৰম্পৰা', 'ভাৰতীয় তৰ্কশাস্ত্ৰ', 'বৈজ্ঞানিক মানসিকতা, অন্ধবিশ্বাস আৰু কুসংস্কাৰ', 'যন্ত্ৰ আৰু মানুহ, কৃত্ৰিম বুদ্ধিৰ প্ৰসংগৰে', 'দৰ্শন, বিজ্ঞান আৰু অন্যান্য', 'ভাষা আৰু সাহিত্য ঃ এক দাৰ্শনিক বিশ্লেষণ', 'বিজ্ঞান, ব্ৰহ্মাণ্ড আৰু মানুহ', 'সংস্কৃত নাটক আৰু নাট্যকাৰ', 'সংস্কৃত অসমীয়া শব্দকোষ', 'হিন্দু ধৰ্ম ঃ এক খতিয়ান', 'বৌদ্ধ ধৰ্ম আৰু দৰ্শন', 'দেশ, জাতি আৰু জাতীয়তা', 'বৈষ্ণৱবাদ আৰু শ্ৰীমন্ত শংকৰদেৱ', 'সাহিত্য আৰু সংস্কৃতি', 'সামাজিক সমস্যা আৰু সমাধান' আদি। তেওঁৰ 'জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভা' শীৰ্ষক গ্ৰন্থখনে অসম সাহিত্য সভাৰ 'অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী বঁটা' লাভ কৰিছিল।

গ্ৰন্থ ৰচনাৰ সমান্তৰালভাৱে বৰুৱাই এতিয়ালৈকে বিভিন্ন কাকত-আলোচনীত প্ৰায় ১০০০ টা বিভিন্ন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ইংৰাজীত লিখা গৱেষণা-পত্ৰও আছে। 'Darshana International' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় পত্ৰিকাখনত প্ৰকাশিত তেওঁৰ এটা প্ৰবন্ধৰ সাৰাংশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ অহিঅ'ত অৱস্থিত বৌলিং গ্ৰীণ বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা 'Philosopher's Index' ত স্থান পাইছে। তেনেদৰে তেওঁৰ অন্য এটা প্ৰবন্ধ এই আলোচনীখনৰ সম্পাদকীয় ৰূপেও প্ৰকাশ পাইছিল।

সাহিত্য, দৰ্শন আৰু শিক্ষা জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে বৰুৱাক ২০২৬ৰ মাৰ্চত কলকাতাৰ এক আগশাৰীৰ অনুষ্ঠানে 'শ্ৰেষ্ঠ শৈক্ষিক গৱেষকৰ বঁটা' আগবঢ়াই যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিছিল। তেনেদৰে তেওঁক ইতিপূৰ্বে গোলাঘাট জিলা সাহিত্য সভাই 'মহেন্দ্ৰনাথ হাজৰিকা সোঁৱৰণী বঁটা', গুৱাহাটীৰ সৰ্বানন্দ দত্ত স্মাৰক সমিতিয়ে 'দাৰ্শনিক ভৱানন্দ দত্ত বঁটা', চিনামৰা মহাবিদ্যালয় প্ৰকাশন কেন্দ্ৰই 'যুগবাৰ্তা বঁটা' আৰু সাহিত্য চ'ৰা, অসমে 'সাহিত্য সাধনা বঁটা' প্ৰদান কৰিছিল।

বৰ্তমান বয়সৰ লেখেৰে চাৰিকুৰি পাঁচ বছৰ অতিক্ৰম কৰিলেও বৰুৱাৰ সমাজ আৰু সাহিত্য জগতলৈ আগবঢ়োৱা নিৰৱচ্ছিন্ন অৱদানত স্থবিৰতা আহি পৰা নাই। এতিয়াও তেওঁ ন ন চিন্তাৰে, নিত্য নতুন পৰিকল্পনাৰে সাহিত্য চৰ্চা অব্যাহত ৰাখিছে।

তেনেদৰে বিভিন্ন সভা-সমিতি তথা আলোচনা চক্ৰতো তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সহজ-সৰল জীৱন-যাপন, অনন্য কৰ্তব্যনিষ্ঠা, মধুময় শিক্ষণশৈলী, নিস্বাৰ্থ সমাজসেৱা, বন্ধুবৎসল স্বভাৱ, পৰোপকাৰী চিন্তাধাৰা আদিয়ে তেওঁক বৰণীয় ব্যক্তিলৈ ৰূপান্তৰিত কৰিছে। সেইদৰে দীৰ্ঘদিনীয়া শিক্ষকতাৰ অভিজ্ঞতা, গৱেষণামূলক কাম-কাজ তথা সৃষ্টিশীল সাহিত্যকৰ্মৰ জৰিয়তে তেওঁ অসমীয়া ভাষা-সাহিত্য আৰু ভাৰতীয় দৰ্শনৰ ক্ষেত্ৰত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে।

সেয়েহে এনে এজন পণ্ডিত পুৰুষৰ বৰ্ণময় জীৱন, কৰ্ম আৰু শৈক্ষিক তথা সামাজিক অৱদান আমাৰ নতুন প্ৰজন্মৰ বাবে এক অনুকৰণীয় আদৰ্শ হোৱা উচিত বুলি নিঃসন্দেহে ক'ব পৰা যায়।

ফোন ঃ ৬০২৬৪-৭৩৭৩৪

# ভাৰতীয় জৈৱ ইন্ধন নীতি 'ই-২০' আৰু অৰ্থনৈতিক পৰিকল্পনা

নবীন কলিতা

বৰ্তমান ভাৰতত ব্যৱহৃত গাড়ীসমূহৰ ২০ শতাংশ গাড়ীহে ইথানল 'ই-২০' ব্যৱহাৰৰ উপযোগী। বাকীসমূহ বাহনৰ ইন্ধনৰ টেংকিত মামৰে ধৰা, ইন্ধনৰ পাইপ শুকাই ফাটি যোৱা আৰু ইঞ্জিন বিকল হোৱা ঘটনা বৰ্তমান চৰ্চিত বিষয়।

**ভাৰতে** ৮৫-৯০ শতাংশ খাৰুৱা তেল বিদেশৰ পৰা আমদানি কৰিব লগা হয়। গোলকীয় বজাৰখনত খাৰুৱা তেলৰ মূল্য বৃদ্ধিয়ে দেশৰ অৰ্থনীতিত এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সেয়ে খাৰুৱা তেলৰ ওপৰত স্বনিৰ্ভৰশীল হোৱাৰ স্বাৰ্থত দেশৰ শক্তি সুৰক্ষা নিশ্চিতকৰণৰ বাবে ভাৰত চৰকাৰে 'ৰাষ্ট্ৰীয় জৈৱ ইন্ধন নীতিৰ' ওপৰত পেট্ৰ'লত ইথানল মিহলোৱা পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী তথ্য আৰু প্ৰচাৰ মাধ্যমত 'ই-২০' ইথানল প্ৰয়োগনীতিৰ এক যোগাত্মক ছবি দাঙি ধৰা হৈছে। সমগ্ৰ দেশতে এতিয়া ইথানলযুক্ত 'ই-২০' পেট্ৰল যোগান ধৰা হয়। এই পদক্ষেপে ভাৰত চৰকাৰৰ বহু বৈদেশিক মুদ্ৰা ৰাহি কৰি অৰ্থনীতিৰ বিকাশত প্ৰচুৰ অৰিহণা যোগাব বুলি প্ৰকাশ কৰিছে। এতিয়া দেশৰ পাঁচশটা কাৰখানাত ১৮-২০ বিলিয়ন লিটাৰ ইথানল প্ৰস্তুত কৰা হয়। চলিত বৰ্ষত ইথানল কোম্পানীসমূহে ১০·৫ বিলিয়ন লিটাৰ ইথানল সংগ্ৰহ চুক্তিত স্বাক্ষৰ প্ৰদান কৰিছে।

বৰ্তমান ভাৰতত ইথানল প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰী বিদেশৰ পৰা আমদানি নকৰি চৰকাৰে নিজা প্ৰচেষ্টাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় মাকৈ গৱেষণা কেন্দ্ৰই প্ৰকাশ কৰিছে যে ২০ শতাংশ মাকৈ ইথানল ইন্ধনত ব্যৱহাৰৰ বাবে ভাৰতে বাহিৰৰ পৰা মাকৈ আমদানিৰ প্ৰয়োজন নাথাকে। তদুপৰি 'ই-২০' ইথানল প্ৰস্তুতৰ বাবে মাকৈৰ পৰা ৪৫ শতাংশ, কুঁহিয়াৰ ৰসৰ পৰা ১৬ শতাংশ, এফ. চি.আইৰ চাউলৰ পৰা ২২ শতাংশ, পঁচা খাদ্যশস্যৰ পৰা ৪.৫ শতাংশ কেঁচা সামগ্ৰীৰে ইথানল প্ৰস্তুতৰ ক্ষেত্ৰত ভাৰতে আত্মনিৰ্ভৰশীলতাৰ উদাহৰণ দাঙি ধৰিছে।

ভাৰতত ২০২২তে "ৰাষ্ট্ৰীয় জৈৱ ইন্ধন নীতি"ৰ জৰিয়তে ১০ শতাংশ ইথানল ইন্ধনত মিশ্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সময়ছোৱাত দেশৰ গ্ৰাহকসকলৰ পৰা বিশেষ অভিযোগ উত্থাপন নোহোৱাত বৰ্তমান চৰকাৰে ইথানল মিশ্ৰণৰ পৰিমাণ ২০ শতাংশলৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰে। ফলত বিদেশৰ পৰা ইন্ধন আমদানি হ্ৰাস হৈ দুই লক্ষ্য কোটি বিদেশী মুদ্ৰা ৰাহি হৈ ভাৰত অৰ্থনৈতিকভাৱে লাভৱান হোৱা বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।

বৰ্তমান 'ই-২০' ইথানল প্ৰয়োগৰ ছবিখনত ভাল-বেয়া দুয়োটা দিশেই মনোযোগ দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। 'ই-২০' প্ৰয়োগে জনসাধাৰণৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। সেয়ে বিষয়টি নিৰপেক্ষ বিচাৰ বিশ্লেষণৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। ৰসায়ন বিজ্ঞানৰ মতে ইথানল এবিধ এলক'হলিক ভিত্তিক যৌগ। যেতিয়া পেট্ৰ'লত ২০ শতাংশ ইথানল যোগ কৰা হয়, স্বাভাৱিকতে মিশ্ৰিত ইন্ধনৰ সামগ্ৰিক শক্তি আৰু উৎপাদনৰ ক্ষমতা হ্ৰাস হয়। ফলত পোনপটীয়া প্ৰভাৱ গাড়ীসমূহৰ মাইলেজৰ ওপৰত পৰে। 'ই-২০' ইন্ধন ব্যৱহাৰে গাড়ীৰ গতিবেগ ছয়-সাত শতাংশলৈ হ্ৰাস কৰিব পাৰে বুলি প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰা হয় যদিও গ্ৰাহকৰ ব্যৱহাৰিক অভিজ্ঞতাৰ পৰা ১০-১৫ শতাংশ পৰ্যন্ত হ্ৰাস হয় বুলি দাবী উত্থাপন হৈছে। ফলত গ্ৰাহকসকলে সেই নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰিবলৈ অধিক ধন ব্যয় কৰিব লগা হৈছে। তদুপৰি ইথানলৰ দাম কম যদিও গ্ৰাহকে পেট্ৰ'লৰ দৰতে ইথানল ক্ৰয় কৰি লোকচানৰ সন্মুখীন হৈ আহিছে।

ভাৰতত ইথানল প্ৰস্তুত কৰা উদ্যোগসমূহ ব্যক্তিগত খণ্ডৰ অথবা বে-চৰকাৰী খণ্ডৰ। এই ব্যক্তিগত উদ্যোগসমূহে সেউজ ইন্ধন প্ৰস্তুত কৰাৰ বাবে কোটি কোটি টকাৰ ৰাজসাহায্য, কৰ ৰেহাই আদি সুবিধা লাভ কৰি আহিছে। ইথানল 'ই-২০' ব্যৱহাৰে ইন্ধন আমদানিৰ পৰিমাণ হ্ৰাস কৰা বিষয়টি যোগাত্মক দিশ হ'লেও আন কিছু ক্ষতিকাৰক দিশো উপেক্ষা কৰিব নোৱাৰি। পানীৰ ব্যৱহাৰ আৰু খাদ্য সুৰক্ষাৰ বিষয়সমূহে বৌদ্ধিক মহলক চিন্তিত কৰি তুলিছে। ভাৰতত ইথানল প্ৰস্তুত কৰা ৰাজ্য কেইখন ইতিমধ্যে জলসংকটৰ সন্মুখীন হোৱাৰ উপক্ৰম হৈছে। মহাৰাষ্ট্ৰৰ




ইথানল প্ৰস্তুত কৰাৰ ক্ষমতা আছে যদিও ৰাজ্যখনত পানীৰ পৰিমাণ অত্যধিকভাৱে হ্ৰাস পাই আহিছে। প্ৰতিলিটাৰ ইথানল প্ৰস্তুতৰ বাবে ১০,০০০ লিটাৰৰো অধিক পানীৰ প্ৰয়োজন বুলি প্ৰকাশ পাইছে। বিশেষজ্ঞসকলৰ মতে বেংগালুৰুকে ধৰি ভাৰতৰ ২১ খন ডাঙৰ চহৰত ২০৩০ৰ ভিতৰত ভূ-গৰ্ভৰ পানী শেষ হোৱাৰ সম্ভাৱনা আছে। অন্যহাতে ইথানল ব্যৱহাৰত ব্যৱহৃত কেঁচা সামগ্ৰী কুঁহিয়াৰ, ধান, গম আদিয়ে নিশ্চয়কৈ দেশবাসীৰ মাজত চেনি, গুড়, মাকৈ আদি সামগ্ৰীৰ দাম ঊৰ্ধ্বমুখী হোৱাৰ লগতে খাদ্য সংকট সৃষ্টি কৰাৰ সম্ভাৱনা নিশ্চয় আছে।

ইথানল নীতিৰ ফলত সাধাৰণ জনতা আন এক অদৃশ্য অক্টোপাছৰ হাতোৰাত বন্দী হৈ পৰিছে। ইথানলৰ প্ৰাকৃতিক ধৰ্মই হৈছে 'হাইগ্ৰস্ক'পিক' অথাৎ ই বায়ুমণ্ডলৰ পৰা জুলীয়া বাষ্প সহজে শোষণ কৰে। সেয়ে বাহনসমূহ কিছুদিন অব্যৱহৃত হৈ থাকিলে ইন্ধনৰ টেংকিত থকা ইথানলে পানী শোষণ কৰি স্তৰ বিভাজন ঘটায়। ফলত টেংকিৰ তলত গধুৰ অংশটো জমা হয় আৰু পোনে পোনে কাৰ্বুৰেটৰ, ফুৱেল পাম্প আদিত প্ৰৱেশ কৰে। বৰ্তমান ভাৰতত ব্যৱহৃত গাড়ীসমূহৰ ২০ শতাংশ গাড়ীহে ইথানল 'ই-২০' ব্যৱহাৰৰ উপযোগী। বাকীসমূহ বাহনৰ ইন্ধনৰ টেংকিত মামৰে ধৰা, ইন্ধনৰ পাইপ শুকাই ফাটি যোৱা আৰু ইঞ্জিন বিকল হোৱা ঘটনা বৰ্তমান চৰ্চিত বিষয়।

চৰকাৰে 'ই-২০' প্ৰয়োগৰ ফলত গাড়ীৰ গতিবেগ অথবা গাড়ীৰ ক্ষতিসাধন নকৰে বুলি বিবৃতি প্ৰদান কৰিছে। উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰৰ পৰা দূৰৈৰ অঞ্চলসমূহলৈ ইথানল কঢ়িওৱা টেংকাৰসমূহে সৃষ্টি কৰা বায়ু প্ৰদূষণে নিশ্চয় সেউজ ইন্ধন ধাৰণাটোক কিছু হ'লেও ব্যাহত কৰিব। আমেৰিকা, জাপান আদি উন্নত ৰাষ্ট্ৰসমূহে গাড়ী নিৰ্মাণ কোম্পানীসমূহক আগতীয়াকৈ 'ই-২০' প্ৰয়োগৰ উপযোগী গাড়ী নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছিল। সেয়ে গাড়ী নিৰ্মাতা কোম্পানীসমূহে তেনে উপযোগী গাড়ী নিৰ্মাণ কৰাত জনসাধাৰণে এই নীতিক সহজে গ্ৰহণ কৰিছে। বৰ্তমান গাড়ী নিৰ্মাতা কোম্পানীসমূহে ভাৰতত ২০২৩ বৰ্ষৰ এপ্ৰিলৰ পাছৰ পৰা নিৰ্মাণ কৰা গাড়ীসমূহ 'ই-২০' উপযোগীকৈ নিৰ্মাণ কৰা বুলি অভিহিত কৰিছে। মুঠতে 'ই-২০' অভিযান ৰাষ্ট্ৰৰ আত্মনিৰ্ভৰশীল পদক্ষেপ বুলি অভিহিত কৰিলেও ইয়াৰ ঋণাত্মক দিশসমূহ সম্পূৰ্ণৰূপে নুই কৰিব নোৱাৰি। সেয়ে সময় থাকোতে ভাৰত চৰকাৰে ভৱিষ্যতৰ বাবে প্ৰাকৃতিক আৰু বিত্তীয় ভেটিক সুদৃঢ় কৰিব পৰাকৈ নিৰপেক্ষ আৰু কল্যাণকামী মনোভাবেৰে ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ আহ্বান বুলি বিবেচিত হৈছে।

ফোন ঃ ৮৬৩৮৪৯১০৩০

# বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীক চৰ্তহীন বিনামূলীয়া

*তিনি পৃষ্ঠাৰ পৰা* কৰে। তেজপুৰত আজি এক বিবৃতিৰ জৰিয়তে সংগঠনটোৱে প্ৰকাশ কৰা অনুসৰি, ৰাজ্যিক কাউঞ্চিলৰ সঁজাতি দলে ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময়ৰ লগতে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক আৰু গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষক বিনাচৰ্তে সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া নামভৰ্তিৰ সুযোগ দিয়াৰ দাবীৰে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। তদুপৰি, শিৱসাগৰ জিলাৰ আয়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ আৰু জিলা আয়ুক্তকো স্মাৰকপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে স্নাতক মহলাৰ নামভৰ্তি মাচুল আৰু বিনামূলীয়া নামভৰ্তি আঁচনিৰ চৰকাৰী নিৰ্দেশনাত ৭০ শতাংশতকৈ কম উপস্থিতি থকা আৰু বেক থকা শিক্ষাৰ্থীৰ ক্ষেত্ৰত ৫০ শতাংশ মাচুল ৰেহাইৰ ব্যৱস্থা ঘোষণা কৰাত মহাবিদ্যালয়সমূহত শিক্ষাৰ্থীৰ এক অৰাজক অৱস্থাৰ সৃষ্টি হৈছে বুলি অভিযোগ কৰি সংগঠনটোৱে চৰকাৰী বিনামূলীয়া নামভৰ্তিৰ নিৰ্দেশনা থকাৰ পাছতো বিভিন্ন মহাবিদ্যালয়ে সাত-আঠ হেজাৰ টকাকৈ মাচুল আদায় লোৱাৰ ঘটনাও সংঘটিত হৈছে বুলি কয়। এফালে ব্যাপক পৰিমাণে মাচুল বৃদ্ধিয়ে ছাত্ৰ-ছাত্ৰীক হতাশাত নিমজ্জিত কৰি তুলিছে বুলি বিবৃতিত উল্লেখ কৰি লগতে এখন কল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাত শিক্ষাৰ ব্যয়ভাৰ সম্পূৰ্ণ চৰকাৰৰ আৰু কেৱল আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীকেই নহয় সকলো ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ বিনামূলীয়াকৈ উচ্চ শিক্ষা দিয়াৰ দায়িত্ব চৰকাৰৰ বুলি কয় সংগঠনটোৱে। আনহাতে, উজনি অসমৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখিয়েই এআইডিএছঅ'ৰ লগতে বিভিন্ন সংগঠনে যি ন্যায্য দাবীসমূহ উত্থাপন কৰিছিল তাৰ প্ৰতি সহাঁৰি জনাই ৰাজ্য চৰকাৰে নামভৰ্তিৰ পৰা আৰম্ভ কৰি সকলো শৈক্ষিক বিষয় বিনামূল্যে আৰু বিনাচৰ্তে পূৰণ কৰাৰ ঘোষণা কৰিছিল বুলি বিবৃতিটোত প্ৰকাশ কৰি অথচ সেয়া কাৰ্যকৰী এতিয়াও কৰা নাই বুলিও আক্ষেপ প্ৰকাশ কৰা এআইডিএছঅ'ই অভিযোগ কৰে যে ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে আতংকত ভুগিছে। এনে প্ৰেক্ষাপটত ছাত্ৰ সংগঠন এআইডিএছঅ'ই দাবী জনাইছে যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি নিয়াৰিকৈ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ প্ৰতিজন যোগ্য ছাত্ৰ-ছাত্ৰীক বঞ্চিত নকৰাকৈ বিনাচৰ্তে বিনামূলীয়াকৈ নামভৰ্তিৰ সুযোগ প্ৰদান কৰাৰ সিদ্ধান্ত অসম চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰিব লাগে।

# ৰূপহীহাটৰ তামুলীটোপত কৃত্ৰিম বানে

*তিনি পৃষ্ঠাৰ পৰা* পানী বৈ থকাৰ ফলত সাধাৰণ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হৈছে। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, কৰ্মস্থলীলৈ যোৱা লোকৰ লগতে ৰোগী আৰু জৰুৰী প্ৰয়োজনত যাতায়াত কৰা লোকসকল বিশেষভাৱে সমস্যাত পৰিছে। কৃত্ৰিম বানৰ পানীয়ে অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমি বুৰাই পেলোৱাত হেজাৰ হেজাৰ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বহু কৃষকৰ ধাননি পথাৰ আৰু অন্যান্য খেতি পানীৰ তলত থকাত কৃষকসকল চিন্তিত হৈ পৰিছে। দীৰ্ঘদিন ধৰি পানী জমা হৈ থাকিলে কৃষিভূমিৰ ব্যাপক ক্ষতি হোৱাৰ লগতে কৃষকসকল আৰ্থিকভাৱে বিপৰ্যস্ত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে।

স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, সোনাই নদীৰ মাজভাগত একাংশ লোকে বান্ধ নিৰ্মাণ কৰি অঞ্চলটোত ফিচাৰী আৰু বিলৰ দৰে ব্যৱহাৰ কৰাৰ ফলত স্বাভাৱিক পানী নিষ্কাসনৰ পথ বাধাগ্ৰস্ত হৈছে। ফলত বৰষুণৰ পানী নদীলৈ ওলাই যাব নোৱাৰি বিস্তীৰ্ণ অঞ্চলত জমা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজে। আনহাতে, এসপ্তাহ ধৰি বানৰ পানীৰ মাজত আবদ্ধ হৈ থকা বহু পৰিয়ালে খাদ্য সংকটত ভোগাৰ লগতে বিশুদ্ধ খোৱাপানীৰ বাবেও হাহাকাৰ কৰিবলগীয়া হৈছে। বানপানীৰ মাজত নিত্যপ্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰাটো কঠিন হৈ পৰিছে। বহু পৰিয়ালে পৰ্যাপ্ত বান সাহায্য লাভ নকৰাৰ অভিযোগ উত্থাপন কৰিছে। স্থানীয় বানাক্ৰান্ত ৰাইজে অভিযোগ কৰা অনুসৰি, এতিয়ালৈকে পৰ্যাপ্ত পৰিমাণে চৰকাৰী সাহায্য লাভ কৰা নাই। লগতে স্থানীয় বিধায়কে বানাক্ৰান্ত অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ ল'বলৈ উপস্থিত নোহোৱাৰ অভিযোগো উত্থাপন কৰিছে একাংশ বানপীড়িতই। এনে পৰিস্থিতিত বানাক্ৰান্ত ৰাইজে প্ৰশাসনৰ ওচৰত শীঘ্ৰে পানী নিষ্কাসনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। বিশেষকৈ সোনাই নদীৰ পানী নিষ্কাসনৰ পথত সৃষ্টি হোৱা বাধা আঁতৰাই প্ৰাকৃতিকভাৱে পানী ওলাই যোৱাৰ ব্যৱস্থা কৰাৰ লগতে বানাক্ৰান্ত পৰিয়ালসমূহক পৰ্যাপ্ত খাদ্য, বিশুদ্ধ খোৱাপানী আৰু অন্যান্য বান সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে। এসপ্তাহ ধৰি পানীৰ মাজত আবদ্ধ হৈ থকা অঞ্চলবাসীৰ আশংকা-শীঘ্ৰে পানী নিষ্কাসনৰ ব্যৱস্থা নকৰিলে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব পাৰে। নগাঁও জিলা প্ৰশাসনে অঞ্চলটোত হোৱা কৃত্ৰিম বানৰ সমস্যাটোৰ কথা কোনো গুৰুত্ব সহকাৰে লোৱা নাই বুলিও ভুক্তভোগী ৰাইজে অভিযোগ উত্থাপন কৰিছে। সেয়েহে চৰকাৰ-প্ৰশাসনে বিষয়টো গুৰুত্বসহকাৰে লৈ ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বানাক্ৰান্ত ৰাইজে আহ্বান জনাইছে।

# অ'এনজিচিয়ে দিব লাগিব এশ কোটি

*তিনি পৃষ্ঠাৰ পৰা* এই বান সাহায্য লাভ নকৰাটোৱেই ৰাজ্য চৰকাৰখনৰ এক চূড়ান্ত ব্যৰ্থতা বুলি সভাপতিজনে কয়। ইয়াৰ লগতে তেওঁ কয় যে বৰ্তমান শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰ্থনীতি ভাঙি পৰিছে। বাট-পথ নষ্ট হৈছে। মানুহৰ হাতৰ পৰা জীৱিকা হেৰাইছে। স্কুল-কলেজৰ বিস্তৰ ক্ষতি হৈছে। এতিয়াও বানাক্ৰান্তই তিৰপালৰ তলত আছে। গৰু-ম'হ পথৰ ওপৰত। বৃহৎ বৃহৎ পথাৰবিলাক এতিয়াও পানীৰ তলত আছে। দুই-এঠাইত কৃষকে কঠীয়া কৰিছে যদিও বহু খেতি পথাৰৰ পৰা পানী ওলাই যোৱা নাই। সেয়ে জিলা দুখনৰ অৰ্থনীতিক এক নতুন গতি প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ন্যূনতম ১০ হেজাৰ কোটি টকা জিলা দুখনলৈ আগবঢ়াব লাগিব। লগতে অ'এনজিচিয়েও এক হেজাৰ কোটি টকা দিব লাগিব। আজি ছটা দশকজুৰি শিৱসাগৰ আৰু চৰাইদেউ জিলাত অহৰহভাৱে খাৰুৱা তেল আৰু গেছৰ খনন চলাই লক্ষ লক্ষ কোটি টকাৰ মুনাফা আদায় কৰি অহা অ'এনজিচিয়ে কেইটামান বান সাহায্যৰ পেকেট বানাক্ৰান্তলৈ আগবঢ়াই নিজৰ দায়িত্ব সামৰিলে নহ'ব। অন্ততঃ জিলা দুখনৰ পুনৰ নিৰ্মাণৰ বাবে অ'এনজিচিয়ে ন্যূনতম এই ধন আগবঢ়াব লাগিব। অন্যথা চৰকাৰৰ সমান্তৰালভাৱে অ'এনজিচিৰ বিৰুদ্ধেও সংগ্ৰামী সেনা অসমে ব্যাপক আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি সভাপতি পংকজ খাউণ্ডে স্পষ্ট কৰি দিয়ে। আজিৰ এই প্ৰতিবাদস্থলীৰ পৰাই সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ হৈ সভাপতি চফৰ আলী, যুটীয়া সম্পাদক যদুমণি বৰা আৰু মানসজ্যোতি ভৰালীয়ে স্বাক্ষৰ কৰি শিৱসাগৰ জিলা আয়ুক্তৰ যোগেদি ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ নদফীয়া দাবী সম্বলিত এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰেৰিত স্মাৰক পত্ৰখনত জিলা সমিতিখনে উল্লেখ কৰে যে শিৱসাগৰ আৰু চৰাইদেউৰ প্ৰলয়ংকৰী বানপানীৰ প্ৰকৃত ৰহস্য চৰকাৰে ৰাজহুৱা কৰিব লাগিব। জিলা দুখনক আগৰ অৱস্থালৈ ঘূৰাই আনিবৰ বাবে ১০ হেজাৰ কোটি টকা চৰকাৰে মুকলি কৰি দিয়ক। দিখৌ-দৰিকাৰ উমুক্ত হৈ থকা মথাউৰিৰ শীঘ্ৰেই নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰক। নামদাং দিলিহি নৈৰ লগতে লংচাই জান বেদখল মুক্ত কৰি খননৰ ব্যৱস্থা কৰি জনসাধাৰণৰ জীৱন সুৰক্ষিত কৰক। শিৱসাগৰ নগৰক মাজমজিয়াৰ ঐতিহাসিক যমুনা আৰু দিখৌৰ এবাসুঁতি মৰিবিলক বেদখলমুক্ত কৰি খননৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। ইফালে, বঞ্চিত বানাক্ৰান্তক সম্পূৰ্ণ ক্ষতিপূৰণ শীঘ্ৰে প্ৰদান কৰাৰ চৰকাৰে ব্যৱস্থা কৰক। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা প্ৰথম পৰ্যায়ৰ ১৫ হেজাৰ টকা বান অঞ্চলৰ প্ৰতিটো পৰিয়ালক প্ৰদান কৰক। অসমৰ বান-গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ লগতে অ'এনজিচিয়ে বানাক্ৰান্ত ৰাইজৰ বাবে এক হেজাৰ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰাৰ দাবী উত্থাপন কৰে স্মাৰক পত্ৰখনত। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ নেতা লুইচ হাজৰিকাৰ লগতে কে'বাগৰাকীও বিষয়ববীয়া।

# দুৰ্গন্ধময় পানী গচকি বিদ্যালয়লৈ ছাত্ৰ

*তিনি পৃষ্ঠাৰ পৰা* পৰিবেশৰ মাজত মাজত থকা ৯৬৮ নম্বৰ যতিগাঁও প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে যাতায়াত কৰি আহিছে। তাৰ লগতে থকা বৰপেটা কেন্সাৰ কেন্দ্ৰৰ পৰা নিৰ্গত হোৱা অলাগতিয়াল আৰু চিকিৎসাৰ ফলত নিৰ্গত হোৱা লেতেৰা পানীৰে এই বিদ্যালয়খনলৈ যোৱা পথটোত ভৰি থাকে আৰু একেবাৰে দুৰ্গন্ধৰে গোটেই পথটিতে এক কদৰ্যকৰ পৰিৱেশৰ সৃষ্টি হৈছে। যাৰ ফলস্বৰূপে পথচাৰীসকলে বিভিন্ন যমৰ যাতনা ভুগিবলগীয়া হোৱাৰ উপৰি গুৰুত্বপূৰ্ণ কথাটো হ'ল উক্ত বিদ্যালয়খনলৈ লেতেৰা পানী বাগৰি যোৱাৰ ফলত বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনী শালত প্ৰৱেশ কৰে তাৰ পৰিপ্ৰেক্ষিতত কণ কণ ছাত্ৰ-ছাত্ৰী সকলক স্বাস্থ্যকৰ পৰিৱেশত মধ্যাহ্ন ভোজন যোগান ধৰিবলৈ ভীষণ অসুবিধাৰ সৃষ্টি হৈছে আৰু গোটেই পৰিৱেশটো ঔষধ, মল-মূত্ৰৰ কদৰ্যকৰ গোন্ধেৰে দুৰ্গন্ধিত হৈ পৰিছে। এনেকৈ বহুবছৰ চলি থকাৰ পাছত স্থানীয় ৰাইজে অভিযোগ দাখিল কৰিছে যদিও বৰপেটা চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই কেৱল প্ৰতিশ্ৰুতি আৰু আশ্বাস দিয়ে দায়িত্ব সামৰা অভিযোগ উত্থাপিত হৈছে। প্ৰাথমিক বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীক এক দুৰ্গন্ধময় অৱস্থাৰ মাজেৰে পাঠদান কৰিবলগীয়া হৈছে বুলি বিদ্যালয়খনৰ কৰ্তৃপক্ষই অভিযোগ কৰিছে। আনকি ফৰকাল বতৰতো চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ভিতৰৰ নলাৰ পৰা পকীবেৰৰ নলা ওফন্দি দুৰ্গন্ধময় পানীৰে পথটো উপচি পৰে। এই সন্দৰ্ভত পঞ্চায়ত প্ৰতিনিধি অশোক বৰাই সেই স্থানত উপস্থিত হৈ তাৰ বিৱৰণ জিলা আয়ুক্তক পথৰ বাসিন্দাসকলে সন্মুখীন হোৱা অৱৰ্ণনীয় পৰিস্থিতিৰ কথা অৱগত কৰে। বৰ্তমানলৈকে এই ক্ষেত্ৰত জিলা প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজ বিমোৰত পৰা পৰিলক্ষিত হৈছে। আনহাতে বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰবাবেও এই ঘটনাই স্বাস্থ্যৰ প্ৰতি ক্ষতি কৰাৰ আশংকা প্ৰকাশ কৰিছে। উক্ত ঘটনা সংক্ৰান্তত আজি বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই বৰপেটা জিলা আয়ুক্তক বিষয়টো সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰে।

# নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ

*তিনি পৃষ্ঠাৰ পৰা* যিজনে কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ কাষতে বহি থকাটো দৃষ্টিকটু হৈছে। আমাৰ ক'বলগীয়া একো নাথাকিব যদিহে তেওঁ প্ৰাৰ্থী নহয়। কিন্তু এইকেইটা দিনত দেখা গৈছে তেওঁ বিভিন্ন নিৰ্বাচনী প্ৰচাৰত লাগি আছে। তেওঁ ক'ৰবাত নাচিছে, ক'ৰবাত গান গাইছে তাত আমাৰ একো আপত্তি নাই। কিন্তু এটা দলৰ প্ৰাৰ্থী হিচাপে তেওঁৰ নাম খুবেই চৰ্চালৈ আহিছে আৰু তেওঁ নিজেও এজন ৰাজনৈতিক দলৰ কৰ্মী হিচাপে প্ৰচাৰ চলাই গৈছে। মুখ্য নিৰ্বাচনী বিষয়াৰ উপস্থিতিত কালি অনুষ্ঠিত বৈঠকত যিহেতু নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা হয়। য'ত জিলাখনৰ প্ৰতিগৰাকী সচেতন ভোটাৰৰ সুচল অহা-যোৱা তথা নিৰ্বাচনী সুবিধা সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে এক স্বচ্ছ আৰু প্ৰশাসনিক সহায়ক পৰিৱেশ গঢ়ি তোলাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত ইভিএম ব্যৱস্থাপনা, সুৰক্ষা ব্যৱস্থা, ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ মৌলিক আন্তঃগাঁথনি প্ৰস্তুতকৰণ আৰু বিভিন্ন নিৰ্বাচনী কোষসমূহৰ চলি থকা গতিশীল কাৰ্যসূচী সামূহিকভাৱে পৰ্যালোচনা কৰা হয় তেনে এখন বৈঠকত এজন সম্ভাব্য প্ৰাৰ্থীৰ উপস্থিতি সাধাৰণ কথা নহয়।' সাংসদ হুছেইনে আৰু কয়, 'পৃথিৱীৰ ক'তো এনেকুৱা নিয়ম নাই যে নিৰ্বাচনটো যি জনে চলাব, যি জন মুখ্য তেৰেঁই প্ৰাৰ্থী হোৱাৰ সম্ভাৱনা আছে। যদি তেওঁ প্ৰাৰ্থী নহয়, এইবোৰত আমাৰ একো আপত্তি নাই। কিন্তু তেওঁ কুচকাৱাজ আৰম্ভ কৰিছে। গতিকে তেওঁৰ বিৰুদ্ধে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৎক্ষণিকভাৱে তেওঁক নিলম্বিত কৰিব লাগে।' সাংসদ হুছেইনে কয় যে, তেওঁক কোনো ৰাজনৈতিক দলে প্ৰাৰ্থী কৰাত আমাৰ আপত্তি নাই। কিন্তু তেওঁ প্ৰশাসনৰ মুৰব্বীৰ পদত অধিষ্ঠিত হৈ থাকি নিৰ্বাচনী কুচকাৱাজ চলাই থকাটো ভয়ানক কথা হৈছে। কালি পৰহিৰ ভিতৰত নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ সম্ভাৱনা আছে। তেওঁ স্বেচ্ছামূলক অৱসৰৰ বাবে ইস্তফা দিলেও ইস্তাফা পত্ৰ গ্ৰহণৰ এক দীঘলীয়া পৰিক্ৰমা থাকে। তেওঁ কোনো কোম্পানীৰ কৰ্মচাৰী নহয়, এখন জিলাৰ মুৰব্বী। কিন্তু তেওঁ ৰাজনৈতিক দলৰ মুখপাত্ৰৰ দৰে প্ৰচাৰ চলাই ফুৰিছে। এই সন্দৰ্ভত কংগ্ৰেছ দলে দেশৰ নিৰ্বাচন আয়োগক লিখিত অভিযোগ দাখিল কৰিব বুলিও তেওঁ সংবাদমেলত সদৰী কৰে। আগন্তুক নগাঁও লোকসভাৰ উপ- নিৰ্বাচনত এআইইউডিএফ কংগ্ৰেছৰ বাবে কোনো ফেক্টৰ নহয় বুলি দাবী কৰি সাংসদ হুছেইনে কয় যে, তৰুণ গগৈৰ দিনৰ পৰাই এআইইউডিএফ দলে কংগ্ৰেছক হৰুৱাবলৈ প্ৰাৰ্থী থিয় কৰাই আহিছে। কিন্তু এবাৰো সফল হ'ব পৰা নাই। এইবাৰো সফল নহ'ব আজমলৰ দল। ২০ লাখ ভোটত হৰা মানুহ এজনে কংগ্ৰেছক কেনেকৈ হৰুৱাব বুলিও হুছেইনে কটাক্ষ কৰে। তেওঁ আৰু কয় যে, হিমন্ত বিশ্ব শৰ্মাই কয় মিঞাৰ ভোট নালাগে বুলি, এআইইউডিএফক অসমীয়াই ভোট নিদিয়ে, কিন্তু কংগ্ৰেছ দলে সকলো জাতি জনগোষ্ঠীৰ, সকলো ধৰ্মাৱলম্বী লোকৰ পৰাই ভোট লাভ কৰিব। উপ- নিৰ্বাচনত বিজেপি আৰু এআইইউডিএফৰ অংক জংকপংক হ'ব। সংবাদমেলত হুছেইনে অস্বাভাৱিক মূল্যবৃদ্ধি, ড্ৰাগছৰ ভয়াবহতাৰ বাবে চৰকাৰক কটু সমালোচনা কৰে। ইপিনে, আজি নগাঁৱত সংবাদমেলত নাম উল্লেখ নকৰাকৈয়ে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ বিৰুদ্ধে কেতবোৰ অভিযোগ উত্থাপন কৰি তেওঁৰ বিৰুদ্ধে সাংসদ ৰকিবুল হুছেইন সোচ্চাৰ হৈ পৰিলেও এই সন্দৰ্ভত এই পৰ্যন্ত কোনো ধৰণৰ আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই জিলা আয়ুক্ত শৰ্মাই। আজিৰ এই সংবাদমেলত প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা, নগাঁও জিলা কংগ্ৰেছৰ সভাপতি ৰুণুমণি বৰায়ো উপস্থিত থাকে।

# ঘগ্ৰাপাৰৰ পূব বৰশিৰালত

*তিনি পৃষ্ঠাৰ পৰা* দলসহ নলবাৰীৰ বন বিভাগৰ ১৫ জনীয়া দলটোৱে পূব বৰশিৰালৰ পৰা প্ৰায় ২৮ কিলোমিটাৰ দূৰৈৰ বাগ্‌সা নৰস্তি লৈ হাতীৰ জাকটো খেদি আনে যদিও সন্ধিয়া হোৱাৰ লগে লগে হাতীৰ জাকটো উক্ত স্থানৰ ঘন জংঘলত সোমাই পৰে। ফলত বন কৰ্মী আৰু দলটোৱে হাতীৰ জাকটো উক্ত স্থানতে এৰি আহিবলৈ বাধ্য হয়। হাতীৰ জাকটো ভূটান সীমান্তলৈ কালি খেদি পঠিওৱাৰ পৰিকল্পনা কৰা বুলি বন বিভাগে জানিব দিয়ে।

# গৃহস্থক অচেতন কৰি চুৰিৰ

*তিনি পৃষ্ঠাৰ পৰা* উল্লেখ্য যে এই ঘটনাটো সংঘটিত হয় মাজনিশা প্ৰায় এক-ডেৰ বজাৰ ভিতৰত। এই চুৰিৰ সমগ্ৰ দৃশ্য ক্লজ চাৰ্কিট কেমেৰাত আবদ্ধ হৈছে। আনহাতে, আজি পুৱা প্ৰায় ৪.৩০ বজাত টোপনিৰ পৰা সাৰ পোৱা পৰিয়ালটো চুৰি হোৱা সম্পৰ্কে অৱগত হোৱাৰ লগে লগে এই বিষয়ে ঘৰৰ গৰাকী জিতু নাথে জানিব পাৰে আৰু তেওঁ স্থানীয় মহাভৈৰৱ আৰক্ষীক ঘটনাৰ বিষয়ে অৱগত কৰে। আৰক্ষীয়ে ইতিমধ্যে ক্লজ চাৰ্কিট কেমেৰাত আবদ্ধ দৃশ্য সংগ্ৰহ কৰাৰ লগতে অনুসন্ধান আৰম্ভ কৰিছে যদিও চোৰৰ সন্ধান এই পৰ্যন্ত ওলোৱা নাই। প্ৰণিধানযোগ্য যে তেজপুৰৰ আন অঞ্চলৰ লগতে নিকামূলকে ধৰি বৃহত্তৰ মাজগাঁও অঞ্চলত ভালেসংখ্যক চুৰিৰ ঘটনা ইয়াৰ পূৰ্বেও সংঘটিত হৈছে।

# ৩০৭ কিলোগ্ৰাম নিষিদ্ধ

*তিনি পৃষ্ঠাৰ পৰা* পৰা আটক কৰা হয় তিনিজন লোকক। আটকাধীন লোককেইজন হৈছে-লামাবাৰী চাহ বাগিচাৰ চনম নায়ক, সুনীল তাঁতী আৰু বাহিপুখুৰী চাহ বাগিচাৰ বিপুল চাওঁৰা। ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত মাজবাট আৰক্ষীয়ে ৪৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# জামুগুৰিহাটৰ কুসুমটোলাত পথ

*তিনি পৃষ্ঠাৰ পৰা* এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত দুয়োখন গাড়ীয়েই সম্পূৰ্ণ ৰূপে বিধ্বস্ত হয়। দুৰ্ঘটনাত এগৰাকী পৰীক্ষাৰ্থীও আহত হয়। দুৰ্ঘটনা সংঘটিত কৰা বলেৰ' গাড়ীখনৰ নম্বৰ হ'ল এ এছ- ০১ জি এফ-০৪৬৪ আৰু আনখন আৰটিৰ্গা গাড়ীৰ নম্বৰ হ'ল এ এছ-৩২ এ- ৪১৬২। উল্লেখ্য যে জামুগুৰিহাটৰ কুসুমটোলাৰ চাৰিলেণ্ডযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ বিগত এমাহত ভিতৰত কে'বাটাও পথ দুৰ্ঘটনা সংঘটিত হৈছে।

# মাজুলীৰ ছখন বিদ্যালয়ত

*তিনি পৃষ্ঠাৰ পৰা* চাপৰি হাইস্কুল পৰিদৰ্শন কৰি কাৰ্যসূচীৰ সামৰণি মাৰে। পৰিদৰ্শন কালত বিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্যত হোৱা বিলম্বক লৈ বিধায়ক আৰু জিলা আয়ুক্তজনে কঠোৰ স্থিতি গ্ৰহণ কৰে। বিশেষকৈ ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাবে প্ৰস্তাৱিত প্ৰায় চাৰি কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ কাম যোৱা ছমাহ ধৰি আৰম্ভ নোহোৱাত বিধায়ক ভুৱন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। আনহাতে, আন এগৰাকী ঠিকাদাৰে ঠিকা লাভ কৰাৰ পাছতো বিদ্যালয়ৰ নিৰ্মাণকাৰ্য আৰম্ভ নকৰা বিষয়টোও পৰিদৰ্শনৰ সময়ত পোহৰলৈ আহে। বিষয়টোত বিধায়কজনে অন-কেমেৰা ঠিকাদাৰক কঠোৰ সকীয়নি দি এসপ্তাহৰ ভিতৰত নিৰ্মাণকাৰ্য আৰম্ভ নকৰিলে ঠিকাদাৰগৰাকীক ব্লেকলিষ্ট কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে। কে'বাখনো বিদ্যালয়ৰ লেতেৰা আৰু বিশৃংখল পৰিৱেশ প্ৰত্যক্ষ কৰি বিধায়কজনে অসন্তুষ্টি প্ৰকাশ কৰাৰ বিপৰীতে, আন কেইখনমান বিদ্যালয়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৃংখলা আৰু শিক্ষকসকলৰ দায়িত্বশীলতা দেখি সন্তোষ প্ৰকাশ কৰে। দায়িত্ব পালনত গাফিলতি নকৰিবলৈ সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলকো সকীয়াই দিয়ে। এই পৰিদৰ্শন কাৰ্যসূচীত বিধায়ক ভুৱন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া, উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া, চেৰপাই গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰু ৰতনপুৰ মিৰি গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে অংশগ্ৰহণ কৰে। মাজুলীৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শিক্ষাৰ গুণগত মান নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনে আগন্তুক দিনতো এনে আকস্মিক পৰিদৰ্শন অব্যাহত ৰাখিব বুলি জানিব পৰা গৈছে।

# ধেমাজিৰ শিক্ষাবিদ, সমাজকৰ্মী

*তিনি পৃষ্ঠাৰ পৰা* চিকিৎসালয়লৈ লৈ যোৱাৰ ব্যৱস্থা কৰাৰ মুহূৰ্ততে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে ১৯৫০ৰ পহিলা ছেপ্টেম্বৰত টকৌবাৰী গাঁৱত জন্মগ্ৰহণ কৰিছিল ৰূপেশ্বৰ শইকীয়াই। তেওঁ ১৯৬৭ত চিচি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক, ১৯৬৯ত লখিমপুৰ মহাবিদ্যালয়ৰ পৰা পি ইউ, ১৯৭২ত লখিমপুৰ মহাবিদ্যালয়ৰ পৰাই স্নাতক ডিগ্ৰী আৰু ১৯৮৪ত বিএড ডিগ্ৰী লাভ কৰে। ইপিনে, ১৯৭২ত বৃহত্তৰ শ্ৰীপানী অঞ্চলত স্নাতক ডিগ্ৰীধাৰী লোকৰ অভাৱ থকাত স্থানীয় ৰাইজৰ অনুৰোধ মৰ্মে তেওঁ শ্ৰীপানী উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে যোগদান কৰে। পৰৱৰ্তী সময়ত তেওঁ উক্ত বিদ্যালয়খনৰে অধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছতো তেওঁ সামাজিক কাম-কাজত সক্ৰিয় হৈ আছিল। তেওঁ অসম ৰাজ্যিক প্ৰাদেশীকৃত বিদ্যালয় অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থাৰ চিচি-চিলাপথাৰ আঞ্চলিক সমিতিৰ সদস্য, চিচি-চিলাপথাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সম্পাদক আৰু অসম সাহিত্য সভাৰ আজীৱন সদস্যৰূপে সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ-বোৱাৰী, দুই কন্যা, নাতি-নাতিনীসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। তেওঁৰ আকস্মিক মৃত্যুত শ্ৰীপানী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিয়ালৰ উপৰি চিচিবৰগাঁও, চিলাপথাৰ আৰু ধেমাজিৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# মুছলপুৰত বি পি এফৰ নীতি

*তিনি পৃষ্ঠাৰ পৰা* গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকৰ শেষত সাংবাদিকৰে হোৱা বাৰ্তালাপত হাগ্ৰামা মহিলাৰীয়ে আগন্তুক দিনত বিপিএফ দলে বিজেপি লগত কি ধৰণে কাম কৰিব সেই সম্পৰ্কে আলোচনা কৰাৰ কথা জানিব দিয়ে। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বৈঠকত বিটিচি পৰিষদৰ অধীনত গঠন হ'বলগীয়া পাঁচখন জিলাৰ জিলা আৰু মহকুমা পৰ্যায়ত গঠিত এছটি ব'ৰ্ড, লেণ্ড এডভাইচাৰী ব'ৰ্ড, চেণ্ট্ৰেল চিলেকচন ব'ৰ্ডত এজনকৈ বিজেপিৰ সদস্যক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে। নীতি নিৰ্ধাৰণ সমিতিৰ বৈঠকত বিটিচিৰ কাজলগাঁও আৰু ৰৌতা পৰিষদীয় সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনত বিপিএফ দলৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথাও প্ৰকাশ কৰে মহিলাৰীয়ে। ইফালে অহা পাঁচ অক্টোবৰত বিপিএফ দলৰ নেতৃত্বত গঠন হোৱা বিটিচি পৰিষদে এবছৰ সম্পূৰ্ণ কৰিব। গতিকে পৰিষদৰ এবছৰ পূৰ্তি উপলক্ষে বিপিএফ দলে এই দিনটো জাকজমকতাৰে উদ্‌যাপন কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মহিলাৰীয়ে প্ৰতিখন জিলা সদৰৰ উপৰি কেন্দ্ৰীয়ভাৱে কোকৰাঝাৰত উদ্‌যাপন কৰিব বুলি জানিব দিয়ে। আজিৰ বৈঠকত বিধায়ক তথা বিপিএফ দলৰ সাধাৰণ সম্পাদক মনেশ্বৰ ব্ৰহ্ম, বিধায়ক থানেশ্বৰ বসুমতাৰী, ৰবিৰাম নাৰ্জাৰী, প্ৰাক্তন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মকে ধৰি কে'বাগৰাকী বিধায়ক, ইএম আৰু পিএমবিৰ সদস্য উপস্থিত থাকে।

# মঙলদৈত আৰক্ষীৰ অভিযান

*তিনি পৃষ্ঠাৰ পৰা* চ'কত চলোৱা তালাচীৰ সময়ত জব্দ হয় ৪১ টা গোধনসহ এএচ ২৫ ইচি ৭৪০৪ নম্বৰৰ কন্টেনাৰ ট্ৰাক। বাহনখন তালাচীৰ বাবে ৰখোৱা স্থানৰ সমীপতে গাড়ী ৰখাই চালকসহ গৰু বেপাৰীৰ দল পলায়ন কৰে। আৰক্ষীয়ে উক্ত গাড়ীখনত গৰু থকাৰ সন্দেহ পাই মঙলদৈৰ কাছাৰী ময়দানৰ সমীপলৈ লৈ গৈ গাড়ীৰ পাছফালৰ দুৱাৰ খুলি দিয়াত অস্বাস্থ্যকৰ পৰিৱেশত অনা ৪১ টা গোধন ওলাই পৰে। নিশা আৰক্ষীয়ে এই গোধনসমূহ বাহনৰ পৰা উলিয়াই পানীকে ধৰি কিছু খাদ্যৰ যোগান ধৰে আৰু নিশা চৌদিশে পকি দেৱাল আৰু জপনা থকা কাচাৰী ময়দানত ভৰাই দিয়ে। নিশা গৰুকেইটা কাছাৰী ময়দানত ৰখাৰ পাছত আজি আদালতত বিষয়টো উত্থাপন কৰা হয় আৰু গোধনসমূহ কোনো গোশালাত জমা দিবলৈ নিৰ্দেশ জাৰি কৰে। মঙলদৈ থানাই এই পৰ্যন্ত কোনো গোশালাত গোধনসমূহ জমা দিয়া নাই যদিও শীঘ্ৰেই জমা দিবলগীয়া হ'ব। কিয়নো গোধনসমূহ অস্বাস্থ্যকৰ পৰিৱেশত কন্টেনাত অনাৰ বাবে এক কৰুণ পৰিৱেশৰ সন্মুখীন হৈছিল। অৱশ্যে, এই পৰ্যন্ত গোধনসমূহ কোন স্থানৰ পৰা অনা হৈছিল সেয়া স্পষ্ট হোৱা নাই। উল্লেখ্য যে আটাইকেইটা গৰু থুলন্তৰ চেহেৰাৰ দমৰা গৰু। দৰং আৰক্ষীক কেৱল গোধন জব্দই নহয় পাষণ্ড সৰবৰাহকাৰী আৰু বেপাৰীকো কৰায়ত্ত কৰাৰ দাবী কৰিছে সচেতন মহলে।

# দুৰ্গা পূজাৰ উৎসৱৰ সময়ত ডিএইছআৰৰ দ্বাৰা ছখন বিশেষ জয়ৰাইড সেৱা আৰম্ভ



**গুৱাহাটী, ২৬ আগষ্ট ঃ** উত্তৰ-পূব সীমান্ত ৰেলৱেৰ অধীনস্থ ইউনেস্ক' বিশ্ব ঐতিহ্য ক্ষেত্ৰ দাৰ্জিলিং হিমালয়ান ৰেলৱে (ডিএইচআৰ)-এ আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱা পৰ্যটকৰ বাবে অধিক স্মৰণীয় কৰি তুলিবলৈ পহিলা অক্টোবৰৰ পৰা বিশেষ অতিৰিক্ত জয়ৰাইড সেৱা আৰম্ভ কৰিবলৈ সাজু হৈছে। এই পদক্ষেপৰ জৰিয়তে পৰ্যটকসকলে দাৰ্জিলিঙৰ পাহাৰীয়া অঞ্চলৰ ঐতিহাসিক ৰেলপথ, মনোমোহা প্ৰাকৃতিক দৃশ্য আৰু সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য উপভোগ কৰাৰ অধিক সুযোগ লাভ কৰিব। উৎসৱকালীন এই বিশেষ পদক্ষেপৰ অংশৰূপে দাৰ্জিলিং হিমালয়ান ৰেলৱেই দাৰ্জিলিং আৰু ঘুমৰ মাজত চাৰিখন চিংগল ট্ৰিপ জয়ৰাইড সেৱা আৰম্ভ কৰিব। দাৰ্জিলিঙৰ পৰা ঘুম অভিমুখী সেৱা ০৯:২০ বজা আৰু ১১:২৫ বজাত প্ৰস্থান কৰিব। আনহাতে, ঘুমৰ পৰা দাৰ্জিলিং অভিমুখী সেৱা ১০:২৫ বজা আৰু ১২:৩০ বজাত প্ৰস্থান কৰিব। এই সেৱাসমূহ ডিজেল ইঞ্জিনচালিত ৰেলৰ দ্বাৰা পৰিচালিত হ'ব আৰু প্ৰতিটো চিংগল ট্ৰিপত প্ৰস্তাৱিত ভাড়া হ'ব ৮০০ টকা। ইয়াৰ উপৰি দাৰ্জিলিং হিমালয়ান ৰেলৱেই কাৰ্চিয়াং আৰু মহানদীৰ মাজত দুখন বিশেষ ৰাউণ্ড ট্ৰিপ জয়ৰাইড সেৱা আৰম্ভ কৰিব। ইয়াৰ জৰিয়তে যাত্ৰীসকলে দাৰ্জিলিং হিমালয়ান ৰেলৱেৰ এক অন্যতম নান্দনিক আৰু ঐতিহ্যসমৃদ্ধ খণ্ড উপভোগ কৰাৰ সুযোগ লাভ কৰিব। প্ৰথমখন সেৱা 'ৰেড পাণ্ডা' বাষ্পচালিত ৰেলৰ জৰিয়তে পৰিচালিত হ'ব আৰু কাৰ্চিয়াঙৰ পৰা ০৯:০০ বজাত প্ৰস্থান কৰি মহানদীৰ পৰা ১০:০০ বজাত উভতি আহিব। এই ৰাউণ্ড ট্ৰিপৰ প্ৰস্তাৱিত ভাড়া হ'ব ১,৫৩০ টকা। দ্বিতীয়খন ৰাউণ্ড ট্ৰিপ সেৱা 'মুক্তা ধাৰা' ডিজেল ইঞ্জিনৰ দ্বাৰা পৰিচালিত হ'ব। এই সেৱাই কাৰ্চিয়াঙৰ পৰা বিয়লি ১৫:১৫ বজাত যাত্ৰা আৰম্ভ কৰিব আৰু মহানদীৰ পৰা বিয়লি ১৬:০০ বজাত উভতি আহিব। এই ৰাউণ্ড ট্ৰিপৰ প্ৰস্তাৱিত ভাড়া ১,০৩০ টকা। ভাৰতৰ অন্যতম প্ৰখ্যাত কবি আৰু সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি হিচাপে এই সেৱাৰ নাম 'মুক্ত ধাৰা' ৰখা হৈছে। ঠাকুৰৰ প্ৰখ্যাত কবিতা 'মুক্ত ধাৰা' পাগলাঝোৰাৰ প্ৰাকৃতিক সৌন্দৰ্যৰ স'তে সম্পৰ্কিত, যিয়ে এই নতুন সেৱাত এক স্বকীয় সাহিত্যিক আৰু সাংস্কৃতিক মাত্ৰা সংযোজন কৰিছে। এই বিশেষ জয়ৰাইড সেৱাসমূহৰ আৰম্ভণিয়ে উন্নত যাত্ৰা অভিজ্ঞতা প্ৰদান কৰাৰ লগতে দাৰ্জিলিং হিমালয়ান ৰেলৱেই সমৃদ্ধ ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ প্ৰচেষ্টাক অধিক শক্তিশালী কৰিব। এই বিশেষ জয়ৰাইড সেৱাসমূহৰ আৰম্ভণিয়ে উন্নত যাত্ৰা অভিজ্ঞতা প্ৰদান কৰাৰ লগতে দাৰ্জিলিং হিমালয়ান ৰেলৱেৰ সমৃদ্ধ ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ প্ৰচেষ্টাক অধিক শক্তিশালী কৰিব। এই সেৱাসমূহে পৰ্যটকসকলক ঐতিহ্যবাহী ৰেল যাত্ৰা, বাষ্প ইঞ্জিন প্ৰযুক্তি, মনোমোহা পাহাৰীয়া প্ৰাকৃতিক দৃশ্য আৰু দাৰ্জিলিঙৰ পাহাৰীয়া অঞ্চলৰ সাংস্কৃতিক সমৃদ্ধিৰ এক অনন্য সমন্বয় উপভোগ কৰাৰ সুযোগ প্ৰদান কৰিব। নিয়মীয়া সেৱা আৰম্ভ কৰাৰ পূৰ্বে, ছেপ্টেম্বৰৰ শেষভাগত ষ্টেছন মহোৎসৱৰ প্ৰাকমুহূৰ্তত মহানদী ৰেলৱে ষ্টেছনত 'মুক্ত ধাৰা'ৰ এক বিশেষ সেৱা আয়োজন কৰা হ'ব। উৎসৱৰ সময়ছোৱাত গ্ৰহণ কৰা এই পদক্ষেপে দাৰ্জিলিঙৰ পাহাৰীয়া অঞ্চলৰ পৰ্যটনত এক বিশেষ মাত্ৰা সংযোজন কৰাৰ আশা কৰা হৈছে, যাৰ ফলত যাত্ৰীসকলে অঞ্চলটোৰ ঐতিহাসিক ৰেলৱে, মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য আৰু সাংস্কৃতিক ঐতিহ্য অধিক ওচৰৰ পৰা আৱিষ্কাৰ কৰাৰ সুযোগ লাভ কৰিব। এই বিশেষ সেৱাসমূহৰ জৰিয়তে, দাৰ্জিলিং হিমালয়ান ৰেলৱে ইতিহাস, প্ৰকৃতি আৰু পাহাৰীয়া অঞ্চলৰ চিৰন্তন আকৰ্ষণক একত্ৰিত কৰি এক সমৃদ্ধ আৰু স্মৰণীয় যাত্ৰাৰ অভিজ্ঞতা প্ৰদান কৰাৰ লক্ষ্য লৈছে।

# গোগামুখস্থিত মিচিং স্বায়ত্তশাসিত পৰিষদৰ অতিথিশালাত বিজেপিৰ সাংগঠনিক সভা

**অগ্ৰদূত বাৰ্তা**

**ধেমাজি ২৬ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখস্থিত মিচিং স্বায়ত্তশাসিত পৰিষদৰ অতিথিশালাত আজি বিজেপিৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা সম্পন্ন হৈ যায়। উক্ত সভাত বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক পল্লৱ লোচন দাস, জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভুৱন পেগু, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ, ৰঙানদী সমষ্টিৰ বিধায়ক ঋষীৰাজ হাজৰিকাৰ লগতে দলৰ জ্যেষ্ঠ ধেমাজি জিলা সমিতিৰ সভাপতি ৰূপা কামান আদি কৰি বিভিন্ন বিষয়ববীয়াসকল উপস্থিত থাকে। উক্ত সভাত ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু উপস্থিত থাকি সংগঠনক অধিক শক্তিশালী আৰু সুসংগঠিত কৰাৰ বিভিন্ন দিশত বিস্তৃতভাৱে আলোচনা কৰি বিভিন্ন পৰামৰ্শ আগবঢ়ায়। আগন্তুক দিনসমূহৰ সাংগঠনিক কাৰ্যসূচী, কৰ্মীসকলৰ সক্ৰিয়তা বৃদ্ধি, তৃণমূল পৰ্যায়ত সংগঠনক অধিক শক্তিশালী কৰা আৰু সাংগঠনিক প্ৰস্তুতি সম্পৰ্কে গুৰুত্বপূৰ্ণ মত-বিনিময় কৰে কেন্দ্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুৱে। ঐক্য, শৃংখলা আৰু নিষ্ঠাৰ স'তে সংগঠনক অধিক শক্তিশালী কৰি জনসেৱাৰ যাত্ৰাক আগুৱাই নিয়াৰ সংকল্প গ্ৰহণ কৰে।

# খালী পদত শীঘ্ৰে নিযুক্তি, শ্ৰমিকৰ পিএফৰ ধন

*তিনি পৃষ্ঠাৰ পৰা* ধন শীঘ্ৰে আদায় দিয়াৰ লগতে প্ৰাপ্য বেনিফিট প্ৰদান, বাগিচাৰ প্ৰৱেশদ্বাৰত গেট আৰু চকীদাৰৰ ব্যৱস্থা, ক্ৰেষ্ট হাউচ নিৰ্মাণ, ক্লাব ঘৰ মেৰামতি আৰু খেল-ধেমালিৰ সামগ্ৰী যোগানৰ দাবী জনায় আটছাই। বাগিচাখনৰ চিকিৎসালয়ত উপযুক্ত চিকিৎসক, নাৰ্চ, এম্বুলেন্স আৰু নৈশ চকীদাৰৰ ব্যৱস্থা কৰা, বাগিচা এলেকাত অবৈধভাৱে চুলাই-মদ আৰু নিচাজাতীয় দ্ৰব্যৰ বিক্ৰী বন্ধ কৰা, অস্থায়ী শ্ৰমিকসকলক ৰেচন আৰু চাহপাত যোগান ধৰা আৰু তেওঁলোকৰ পি এফৰ ব্যৱস্থা কৰাৰ বাবেও সংগঠনটোৱে দাবী জনায়। আটছা তিতাবৰ শাখাৰ সভাপতি বিমল বাৰ্লো, আটছা বৰহোলা উপশাখাৰ সভাপতি সুমন কিছান, সম্পাদক গণেশ গড় আৰু সদস্য দেৱজিত নাগবংশীৰ উপস্থিতিত প্ৰদান কৰা হয় স্মাৰকপত্ৰ। ইফালে, বৰহোলা চাহ বাগিচা শাখাৰ অন্তৰ্গত কলাপানী চাহ বাগিচাৰ স্থায়ী শ্ৰমিক বিৰিন্দা চাওঁতালৰ পি এফৰ ধন বিগত তিনিমাহে বাগিচা কৰ্তৃপক্ষই মুকলি কৰি নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। আজি বাগিচা কাৰ্যালয়ৰ সন্মুখতে ভুক্তভোগী মহিলা বিৰিন্দা চাওঁতালে কৰ্তৃপক্ষৰ অৱহেলাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। জানিব পৰা মতে, পৰিয়ালটোৰ উপাৰ্জনৰ মূল ভৰসা বিৰিন্দা চাওঁতাল। স্বামীয়ে কাম নকৰাৰ ফলত বিৰিন্দা চাওঁতালেই বাগিচাত স্থায়ী শ্ৰমিক হিচাপে কাম কৰি এটি পুত্ৰ আৰু অষ্টম শ্ৰেণীত অধ্যয়নৰত এগৰাকী কন্যাক লৈ পৰিয়াল পোহপাল দি আহিছিল। কিন্তু হাত ভঙাৰ বাবে বৰ্তমান তেওঁ কাম কৰিব নোৱাৰাত পৰিয়াল চলোৱাত সমস্যাৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত বিৰিন্দাই প্ৰাপ্য পি এফৰ ধনৰ বাবে আবেদন কৰিছিল যদিও আবেদন কৰাৰ প্ৰায় তিনিমাহ উকলি যোৱাৰ পাছতো আজিলৈকে ধন লাভ কৰা নাই বুলি আটছাই জানিবলৈ দিয়ে। বাগিচা কৰ্তৃপক্ষয়ো এই ক্ষেত্ৰত সঠিকভাৱে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন হৈছে। সেয়ে মহিলাগৰাকীৰ প্ৰাপ্য পি এফৰ ধন শীঘ্ৰে মুকলি কৰি দিয়াৰ বাবে বাগিচা কৰ্তৃপক্ষক দাবী জনায় সংগঠনটোৱে।

# তিনিদিনীয়াকৈ ডিব্ৰুগড়ত সদৌ অসম

*তিনি পৃষ্ঠাৰ পৰা* অৰ্থনৈতিক পেকেজ আগবঢ়াবলৈ অসম চৰকাৰক অনুৰোধ জনায়। আনহাতে, মটক যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি উদয় শংকৰ মহনে কয় যে, এই প্ৰতিষ্ঠা দিৱসৰ বিশেষ আলোচনা চক্ৰত জনগোষ্ঠীটোৰ জনজাতিকৰণ আৰু আগুৱাই নিয়াৰ বিভিন্ন বিষয় সামৰি আলোচনা কৰা হ'ব। অনুষ্ঠানটিত ২০ জনৰো অধিক স্থানীয় বিশিষ্ট ব্যক্তিক সন্মান জনায় সমন্বয় স্থাপন কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। কাৰ্যসূচী অনুসৰি, 'মটক জনগোষ্ঠীক জনজাতিৰ সাংবিধানিক স্বীকৃতিয়ে দিব পৰা সুৰক্ষা আৰু উন্নয়ন' শীৰ্ষক গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ, মুখপত্ৰ 'বেংমৰা'ৰ উন্মোচন, বিশেষ সংস্বৰ্ধনা অনুষ্ঠান আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। নিশালৈ জুবিন গাৰ্গ সোঁৱৰণী সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। একেদৰে, বিভিন্ন প্ৰতিযোগিতাৰ লগতে মটক জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত 'গছতলৰ বিহু' আৰু 'হুঁচৰি' পৰিৱেশন কৰা হ'ব। মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যৰ কে'বাজনো মন্ত্ৰী, বিধায়ক আৰু বিশিষ্ট ব্যক্তিসকলে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

উক্ত অনুষ্ঠানতে 'মটক বীৰপুৰুষ মটাতকুৱা বৰুৱা স্মৃতি বঁটা' বলীন চেতিয়াক প্ৰদান কৰা হ'ব। আনহাতে, বিশিষ্ট চিকিৎসক তথা অসম আদিত্য কাকতৰ মুখ্য সম্পাদক ডাঃ নিৰ্মল কুমাৰ চাহেৱালাক সুশীল কুমাৰ গগৈ সোঁৱৰণী সাহিত্য বঁটা প্ৰদান কৰাৰ লগতে স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। ইয়াৰ উপৰি মানস প্ৰতিমক যুৱ উদ্যমিতা বঁটা আৰু শৈলেন বৰুৱাৰ লগতে আন কে'বাজনো বিশিষ্ট ব্যক্তিক বিশেষ সংস্বৰ্ধনা জনোৱা হ'ব। উদ্‌যাপন সমিতিয়ে এই তিনিদিনীয়া ঐতিহাসিক কাৰ্যসূচীত সকলো ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# মিঠাই খাবলৈ অনা ধন সাঁচি বানাক্ৰান্ত

*তিনি পৃষ্ঠাৰ পৰা* বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰঙা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, জেঙনি প্ৰাথমিক বিদ্যালয়, কাণখোৱা প্ৰাথমিক বিদ্যালয়, গটঙা-সোণাপুৰ প্ৰাথমিক বিদ্যালয় আৰু জংঘল ব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে তিতাবৰৰ বান বিধ্বস্ত অঞ্চল মেলামাটিৰ বগী আই সত্ৰৰ পি এম শ্ৰী শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খনৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ হাতত শৈক্ষিক সামগ্ৰী তুলি দিয়ে। তেওঁলোকে কিতাপ, বহী, কলম, পেঞ্চিল, স্কেল, কাগজ, স্কুল বেগ আদিকে ধৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় শৈক্ষিক সামগ্ৰী প্ৰদান কৰে। মৰিয়নিৰ প্ৰায় আঠখন বিদ্যালয়ৰ মুঠ ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদ্যালয়খনত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলে বানৰ ফলত সৃষ্টি হোৱা সমস্যাৰ বিষয়ে জানিবলৈ চেষ্টা কৰাৰ লগতে বানাক্ৰান্ত শিশুসকলৰ স'তে মনৰ কথা বিনিময় কৰে। এই সময়ছোৱাত সৃষ্টি হোৱা আন্তৰিক পৰিৱেশে দুয়ো পক্ষৰ মাজত এক আত্মীয়তাৰ অনুভূতি গঢ়ি তোলে। উল্লেখ্য যে এই ব্যতিক্ৰমী পদক্ষেপত ছাত্ৰ-ছাত্ৰীসকলক মৰিয়নিৰ মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰীতম কুমাৰ শইকীয়া, সহকাৰী শিক্ষক মনোজ কুমাৰ শৰ্মা, ধ্ৰুৱজ্যোতি বৰঠাকুৰ, কৰঙা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অৰূপ কুমাৰ নাথ, জংঘল ব্লক হাইস্কুলৰ প্ৰধান শিক্ষক থানেশ্বৰ বৰা, সহকাৰী শিক্ষক নগেন গগৈ, বংশীগোপাল হাইস্কুলৰ প্ৰধান শিক্ষক অসীম গগৈ, মৰিয়নি হাইস্কুলৰ প্ৰধান শিক্ষক বিকাশ ভট্টাচাৰ্য, ৰেলৱে হাইস্কুলৰ সহকাৰী শিক্ষক ৰমেন শইকীয়া, মৰিয়নি ডগলাছ স্কুলৰ অধ্যক্ষ এনিয়ামা আব্ৰাহাম, শিক্ষক মিঠুন লোচন, নাট্যকাৰ বিনয় শইকীয়া, জংঘলব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক সুদীপ্ত শইকীয়া আদিয়ে উৎসাহ আৰু সহযোগিতা আগবঢ়ায়। ইফালে, ছাত্ৰ-ছাত্ৰীসকলৰ এই মহানুভৱতা আৰু মানৱীয় প্ৰচেষ্টাত সন্তুষ্টি প্ৰকাশ কৰি মৰিয়নিৰ বিভিন্নজনেও সহায়ৰ হাত আগবঢ়ায়। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে একাত্মতা প্ৰকাশ কৰি বিভিন্ন পঢ়া-শুনাৰ সামগ্ৰী প্ৰদান কৰি এই প্ৰচেষ্টাক অধিক শক্তিশালী কৰে। মন কৰিবলগীয়া যে কম বয়সতে নিজৰ সামান্য সঞ্চয় আনৰ বাবে উছৰ্গা কৰি মৰিয়নিৰ এই ছাত্ৰ-ছাত্ৰীসকলে এক ডাঙৰ ইতিবাচক বাৰ্তা দিছে বুলি মত পোষণ কৰি সচেতন ৰাইজে এনে প্ৰচেষ্টাৰ শলাগ লৈছে। ইয়াৰ পূৰ্বে পি এম শ্ৰীশংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত উপস্থিত হোৱাৰ পাছতেই দলটোক বিদ্যালয় কৰ্তৃপক্ষই আদৰণি জনায়।






# ইৰানৰে বুজাবুজি সম্ভৱ নহয়, শীঘ্ৰে হ'ব পাৰে আক্ৰমণ ঃ নেতানিয়াহুৰ সকীয়নি



**নিউজ ব্যুৰ', তেল আভিভ, ২৬ আগষ্ট ঃ** ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে ইৰানৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰিলে। নেতানিয়াহুৱে স্পষ্টভাৱে কয় যে ইৰানৰ স'তে কোনো ভাল বুজাবুজিত উপনীত হোৱাটো বাস্তৱত সম্ভৱ নহ'ব। ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে লগতে আমেৰিকাই ইৰানৰ বিৰুদ্ধে ঘোষণা কৰা আৰ্থিক নিষেধাজ্ঞাক প্ৰশংসা কৰি কয় যে প্ৰয়োজনত সামৰিক অভিযান বা ইৰানক চাৰিও দিশৰ পৰা ঘেৰি ধৰাৰ দৰে কঠোৰ পদক্ষেপো গ্ৰহণ কৰা হ'ব পাৰে। মধ্য প্ৰাচ্যত পূৰ্বৰে পৰা ব্যাপক উত্তেজনা অব্যাহত আছে আৰু এনে সময়তে ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে তেহৰানৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ হুংকাৰ দিয়াটোৱে তাৎপৰ্য বহন কৰিছে। ইৰানৰ স'তে বুজাবুজি বাস্তৱত এক জটিল কাৰ্য বুলি মন্তব্য কৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে এইদৰে ক'লে, 'প্ৰথম বিকল্প বুজাবুজি হ'ব। ভাল বুজাবুজি হ'লে আমাৰ কোনো আপত্তি নাই। কিন্তু ইৰানৰ স'তে যে কোনো বুজাবুজি সম্পন্ন হ'ব পাৰিব, ইয়াত মোৰ সন্দেহ আছে।' নেতানিয়াহুৱে লগতে স্পষ্টভাৱে ইংগিত দি কয় যে যদি বুজাবুজিৰ বাবে আলোচনা ব্যৰ্থ হয়, তেন্তে ইৰানৰ বিৰুদ্ধে সামৰিক অভিযান বা তাতোকৈ কঠিন পদক্ষেপ গ্ৰহণ কৰাৰ বিকল্প নাথাকিব। ইৰানৰ বিৰুদ্ধে আমেৰিকাই আৰোপ কৰা নিষেধাজ্ঞাৰ প্ৰভাৱ ইতিমধ্যে প্ৰত্যক্ষ হৈছে বুলিও নেতানিয়াহুৱে মন্তব্য কৰিলে। তেল ৰপ্তানিত নিষেধাজ্ঞা, বেংক ব্যৱস্থাত বাধাদান, বাণিজ্যিক লেনদেনত বাধাদানৰ দৰে মাৰ্কিন পদক্ষেপৰ ফলত ইৰানৰ অৰ্থনীতিৰ যথেষ্ট ক্ষতি হোৱা বুলিও ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে দাবী কৰিছে।

# মুছলমান দেশসমূহ একত্ৰিত হ'ব লাগিব ঃ মধ্যপ্ৰাচ্যত আমেৰিকাৰ প্ৰভাৱ হ্ৰাস কৰাৰ আহ্বান ইৰানৰ ৰাষ্ট্ৰপতিৰ

**নিউজ ব্যুৰ', তেহৰান, নিউ য়ৰ্ক, ২৬ আগষ্ট ঃ** ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেছকিয়ানে মুছলমান দেশসমূহৰ মাজত অধিক ঐক্যৰ আহ্বান জনায়। তেওঁৰ মতে মধ্যপ্ৰাচ্যত শান্তি আৰু স্থিতিশীলতা পুনৰ ঘূৰাই আনিবলৈ হ'লে অঞ্চলটোৰ দেশসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু সমন্বয় বৃদ্ধি কৰিব লাগিব। তেওঁ আঞ্চলিক নিৰাপত্তাৰ বাবে বহিঃশক্তিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে নিজৰ মাজত এক শক্তিশালী সহযোগিতাৰ কাঠামো গঢ়ি তোলাৰ কথাও কয়। পেজেস্কিয়ানৰ মতে মুছলমান দেশসমূহৰ মাজত 'ঐক্য' কেৱল ধৰ্মীয় দৃষ্টিকোণৰ পৰাই গুৰুত্বপূৰ্ণ নহয়, সমগ্ৰ অঞ্চলটোৰ নিৰাপত্তা আৰু ভৱিষ্যত ইয়াৰ স'তে প্ৰত্যক্ষভাৱে জড়িত। তেওঁৰ মতে, দেশসমূহৰ মাজত সম্পৰ্ক যিমানেই মজবুত হ'ব সিমানেই নিজৰ মাজতে আঞ্চলিক সমস্যা সমাধান সম্ভৱ হ'ব। ইৰানৰ ৰাষ্ট্ৰপতিয়ে কেইবাটাও ক্ষেত্ৰত মুছলমান দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ ৰাজনৈতিক, বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰাৰ আহ্বান জনায়। তেওঁৰ মতে, পাৰস্পৰিক যোগাযোগ আৰু সহযোগিতা বৃদ্ধিয়ে দেশসমূহৰ মাজত ভুল বুজাবুজি হ্ৰাস কৰাৰ লগতে আঞ্চলিক স্থিতিশীলতা শক্তিশালী কৰিব। পেজেস্কিয়ানে আঞ্চলিক দেশসমূহৰ মাজত কেৱল অৰ্থনীতি বা কূটনীতিৰ ক্ষেত্ৰতে নহয়, নিৰাপত্তাৰ ক্ষেত্ৰতো সমন্বয় বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়। তেওঁৰ ভাষণৰ মূল সুৰ আছিল যে মধ্যপ্ৰাচ্যৰ নিৰাপত্তা সম্পৰ্কীয় সিদ্ধান্তৰ ক্ষেত্ৰত অঞ্চলটোৰ দেশসমূহে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগে।

## আমেৰিকাৰ প্ৰায় ৭০০ সামগ্ৰীত ১৫ ৰ পৰা ৫০ শতাংশলৈকে আমদানি শুল্ক আৰোপ

# বাণিজ্য যুদ্ধ ঃ কানাডাৰ শক্তিশালী প্ৰতিশোধ, আমেৰিকাৰ সামগ্ৰীত ২০ বিলিয়ন ডলাৰৰ শুল্ক আৰোপ

**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৬ আগষ্ট ঃ** আমেৰিকা আৰু কানাডাৰ মাজত চলি থকা বাণিজ্যিক সংঘাতে এক জটিল সন্ধিক্ষণত উপনীত হৈছে। শেহতীয়াকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শুল্ক আৰোপ কৰাৰ সিদ্ধান্তৰ প্ৰতি সঁহাৰি জনাই কানাডা চৰকাৰে প্ৰায় ২০ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ প্ৰতিশোধমূলক আমদানি শুল্ক ঘোষণা কৰিছে। এই অৰ্থনৈতিক অৱস্থাৰ মাজতে কানাডাই নিজৰ ঘৰুৱা ব্যৱসায়ী আৰু শ্ৰমিকসকলক সকাহ প্ৰদানৰ বাবে বহু কোটি ডলাৰৰ বিশেষ অৰ্থনৈতিক সাহায্য পেকেজৰ কথাও ঘোষণা কৰিছে। কানাডাই গ্ৰহণ কৰা এই প্ৰতিশোধমূলক ব্যৱস্থাসমূহ ৮ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হ'ব। এই পদক্ষেপৰ অধীনত আমেৰিকাৰ পৰা আমদানি কৰা প্ৰায় ৭০০ সামগ্ৰীৰ ওপৰত ১৫ ৰ পৰা ৫০ শতাংশলৈকে আমদানি শুল্ক আৰোপ কৰা হ'ব। আমেৰিকাৰ ষ্টীল, এলুমিনিয়াম, আচবাব, আৰু কাপোৰৰ দৰে সামগ্ৰীৰ ক্ষেত্ৰত এটা ঠেক ৫০ শুল্ক প্ৰযোজ্য হ'ব। পনিৰ, ঘৰুৱা সঁজুলি, আৰু কিছুমান সাগৰীয় খাদ্য সামগ্ৰীৰ ওপৰত ২৫ শুল্ক আৰোপ কৰা হ'ব। আমেৰিকাৰ



ইলেক্টনিক সামগ্ৰী আৰু সঁজুলিৰ ওপৰত ১৫ শুল্ক আৰোপ কৰা হ'ব। কিন্তু এই প্ৰতিশোধমূলক ব্যৱস্থাত কানাডাই অতি কৌশলগত পন্থা গ্ৰহণ কৰিছে। দেশখনে ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে স্পৰ্শকাতৰ কানাডাৰ ৰপ্তানি যেনে শক্তি বা পটাছ আমেৰিকাৰ শুল্কৰ পৰিসৰৰ পৰা সম্পূৰ্ণৰূপে বাদ দিছে। কানাডাৰ বিত্তমন্ত্ৰী ফ্ৰাঙ্গোৱা-ফিলিপ চেম্পেইনে কয় যে চৰকাৰে অতি সমানুপাতিক আৰু সুষম পন্থা গ্ৰহণ কৰিছে। কানাডাই ঘৰুৱা প্ৰতিযোগিতামূলক ক্ষমতা বজাই ৰাখিবলৈ ৭.৫ বিলিয়ন কানাডিয়ান ডলাৰ ৫.৪২ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ এক বৃহৎ সাহায্য পেকেজ ঘোষণা কৰিছে। এই বিত্তীয় পেকেজে কোম্পানীসমূহক নগদ ধনৰ প্ৰবাহ পৰিচালনা আৰু ক্ষতিগ্ৰস্ত কৰ্মচাৰীৰ চাকৰি সুৰক্ষিত কৰাত সহায় কৰিব। দুয়োখন দেশৰ মাজত বাণিজ্যিক আলোচনা সম্পূৰ্ণৰূপে বিফল হোৱাৰ পাছত এই পৰিস্থিতিৰ সৃষ্টি হয়। অটোমোটিভ, তীখা আৰু বহল বাণিজ্য নীতিৰ ওপৰত হোৱা মতানৈক্যৰ পিছত আমেৰিকাই প্ৰায় ২০ বিলিয়ন ডলাৰৰ কানাডাৰ সামগ্ৰীৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰে, যিটো ২২ আগষ্টৰ পৰা কাৰ্যকৰী হ'ল। ইয়াৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে ইয়াক প্ৰত্যক্ষ অৰ্থনৈতিক আক্ৰমণ বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী কাৰ্নীয়ে কয়, 'যেতিয়া আপোনাক আক্ৰমণ কৰা হয়, তেতিয়া আপুনি যুদ্ধত থাকে। আমাক আক্ৰমণ কৰা হৈছে।'

# ক্ষমতা লাভৰ পাঁচদিনৰ ভিতৰতে নিষিদ্ধ হ'ব ই-২০ পেট্ৰ'ল ঃ গোৱাত ঘোষণা কেজৰিৱালৰ




**নিউজ ব্যুৰ', পানাজী, ২৬ আগষ্ট ঃ** বিতৰ্কৰ কেন্দ্ৰবিন্দু ইথানল মিশ্ৰিত পেট্ৰ'ল এইবাৰ নিৰ্বাচনী হাতিয়াৰ হিচাপে গ্ৰহণ কৰিলে আম আদমী পাৰ্টি (আপ)য়ে। অহা বছৰত গোৱাত অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনৰ বাবে তৎপৰতা প্ৰদৰ্শন কৰি আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কালি গোৱাৰ এক জনসভাত বক্তব্য ৰাখি কয় যে ৰাজ্যত আপে ক্ষমতা লাভ কৰিলে পাঁচদিনৰ ভিতৰতে সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব বিতৰ্কিত ই-২০ পেট্ৰ'ল। দুদিনীয়া ভ্ৰমণসূচীৰে বিজেপি শাসিত ৰাজ্য গোৱাত কালি কেজৰিৱাল উপস্থিত হৈছিল। আপৰ প্ৰচাৰ সভাত বক্তব্য ৰাখি ই-২০ পেট্ৰ'লৰ বিৰুদ্ধে সৰৱ হৈ কেজৰিৱালে এইদৰে কৈছিল, 'যদি ২০২৭ত ১০ মাৰ্চৰ পাছত গোৱাত আমাৰ চৰকাৰ ক্ষমতালৈ আহে তেন্তে পাঁচদিনৰ ভিতৰত সমগ্ৰ ৰাজ্যত ইথানল মিশ্ৰিত পেট্ৰ'ল বিক্ৰী বন্ধ কৰা হ'ব। আমি যদি আমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰো তেন্তে ৰাজনীতি ত্যাগ কৰিম। ই-২০ পেট্ৰ'লে গাড়ীৰ ইঞ্জিন আৰু ফুৱেল ছিষ্টেমৰ ক্ষতি কৰাৰ লগতে মাইলেজো কমাই দিছে। ইয়াৰ ফলত সাধাৰণ মানুহৰ লগতে গাড়ীচালকসকল বহু সমস্যাৰ সন্মুখীন হৈছে। পুৰণি গাড়ী ব্যৱহাৰ কৰা বহু লোক এই ঘটনাত উদ্বিগ্ন।'

# পাকিস্তানৰ চিকিৎসালয়ত ভয়াৱহ অগ্নিকাণ্ডত মৃত কমেও ১৫ সদ্যোজাত




**নিউজ ব্যুৰ', ইছলামাবাদ, ২৬ আগষ্ট ঃ** ইছলামাবাদৰ এখন চৰকাৰী চিকিৎসালয়ত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত কমেও ১৫ জন সদ্যোজাত শিশুৰ মৃত্যু হ'ল। আজি পুৱা পাকিস্তানৰ চিকিৎসালয়ত এই মৰ্মান্তিক ঘটনা সংঘটিত হৈছিল। সূত্ৰৰ খবৰ অনুসৰি, শীততাপ নিয়ন্ত্ৰণ যন্ত্ৰৰ কম্প্ৰেচাৰ বিস্ফোৰণ হোৱাৰ ফলত চিকিৎসালয়খনৰ নৱজাতক কেন্দ্ৰত বিধ্বংসী অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল। অগ্নিকাণ্ডৰ সময়ত উক্ত কেন্দ্ৰত ১৬ জন সদ্যোজাত আছিল আৰু ইয়াৰে মাত্ৰ এজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰা হয়। মৃত ১৫ শিশুৰ ১৪ জন সম্পূৰ্ণৰূপে দগ্ধ হ'ল। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে এই মৰ্মান্তিক ঘটনাত গভীৰ শোক আৰু আন্তৰিক দুখ প্ৰকাশ কৰি এক বিবৃতি জাৰি কৰিলে।

# বিশ্বজুৰি ভিছা এপইণ্টমেণ্ট স্থগিত ৰাখিছে আমেৰিকাই, ভাৰতীয় আবেদনকাৰীক কৰিছে প্ৰভাৱিত



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৬ আগষ্ট ঃ** আমেৰিকাৰ ভিছাৰ বাবে অপেক্ষা কৰি থকা বিশ্বজুৰি লাখ লাখ ভাৰতীয় আৰু আবেদনকাৰীৰ বাবে ডাঙৰ খবৰ ওলাইছে। ইমিগ্ৰেচনৰ নিয়ম কঠোৰ কৰি ট্ৰাম্প প্ৰশাসনে সমগ্ৰ বিশ্বৰ সকলো আমেৰিকাৰ দূতাবাস আৰু কনছুলেটতে ভিছা নিযুক্তি প্ৰক্ৰিয়া সাময়িকভাৱে স্থগিত ৰাখিছে। এই হঠাৎ লোৱা সিদ্ধান্তই আগন্তুক দিনবোৰৰ বাবে ইতিমধ্যে স্লট বুকিং কৰা সকলৰ মাজত উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। আমেৰিকাৰ বিদেশ মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই দূতাবাসত কৰ্মৰত কনছুলাৰ বিষয়াসকলৰ বাবে এক বিশেষ বিশ্বব্যাপী প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। এই প্ৰশিক্ষণৰ প্ৰধান উদ্দেশ্য হৈছে ভিছা আবেদন পৰীক্ষণ প্ৰক্ৰিয়াক অধিক স্বচ্ছ, কঠোৰ আৰু মানক কৰি তোলা। ভৱিষ্যতে আবেদনকাৰীসকলে যাতে আমেৰিকা চৰকাৰৰ সম্পদ বা সুবিধাৰ ওপৰত নিৰ্ভৰ নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাৰ লক্ষ্য। অৱশ্যে এই নিলম্বন কিমান দিনলৈ প্ৰযোজ্য হ'ব বা কেতিয়া নতুন তাৰিখ প্ৰকাশ কৰা হ'ব সেয়া স্পষ্ট কৰা নাই ষ্টেট ডিপাৰ্টমেণ্টে। পূৰ্বে অভিবাসী ভিছাৰ সাক্ষাৎকাৰৰ সময় নিৰ্ধাৰণ কৰা আবেদনকাৰীসকলে আমেৰিকাৰ দূতাবাসৰ পৰা ইমেইল লাভ কৰিবলৈ আৰম্ভ কৰিছে। এই বাৰ্তাসমূহত উল্লেখ কৰা হৈছে যে তেওঁলোকৰ নিযুক্তিৰ সময়সূচী বৰ্তমান সলনি কৰা হৈছে আৰু তেওঁলোকক অতি সোনকালে নতুন সময়ৰ বিষয়ে অৱগত কৰা হ'ব। এই হঠাৎ পৰিৱৰ্তনে বিশেষকৈ ভাৰতীয় ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, আৰু আমেৰিকাত বাস কৰা পৰিয়ালৰ সদস্য থকাসকলক প্ৰভাৱিত কৰিছে।

# 'ফুল অউৰ কাঁটে'ৰ পৰিচালক কুকু কোহলি প্ৰয়াত, বলিউডত শোক




**নিউজ ব্যুৰ', মুম্বাই, ২৬ আগষ্ট ঃ** বলিউডত শোকৰ ছাঁয়া। প্ৰয়াত জনপ্ৰিয় চলচ্চিত্ৰ পৰিচালক কুকু কোহলি। 'ফুল অউৰ কাঁটে'ৰ দৰে জনপ্ৰিয় ছবি পৰিচালনা কৰিছিল কোহলিয়ে। ৭৭ বছৰ বয়সত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰিলে পৰিচালকজনে। বিনোদন জগতত কোহলিৰ প্ৰথম পৰিচয় অজয় দেৱগনৰ দৰে মহাতাৰকা অভিনেতাৰ প্ৰথম ছবি পৰিচালক হিচাপে আছিল। ১৯৯১ত মুক্তি লাভ কৰা কোহলি পৰিচালিত 'ফুল অউৰ কাঁটে' ছবিখনে বলিউডত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত পৰিচালক হিচাপে কোহলিয়ে 'সুহাগ', 'হকিকত', 'আনাড়ী নং ১', 'কোহৰাম', 'ইয়ে দিল আছিকানা', 'উৰ তেৰা নাম থা'ৰ দৰে ছবিও নিৰ্মাণ কৰিছিল। দুদিন পূৰ্বে কোহলি হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হৈছিল আৰু চিকিৎসালয়তে যোৱা নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে।



# কৰ্কটত প্ৰয়াত পশ্চিমীয়া সংগীতৰ জনপ্ৰিয় কিংবদন্তি শিল্পী ডলী পাৰ্টন

**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ২৬ আগষ্ট ঃ** পশ্চিমীয়া সংগীত জগতৰ কিংবদন্তি শিল্পী ডলী পাৰ্টন প্ৰয়াত। বিশ্বতাৰকা মাৰ্কিন কান্ট্ৰি গায়িকাই দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ পাছত ৮০ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিলে। মাত্ৰ ছয় বছৰ বয়সতে পাৰ্টনে জীৱনৰ প্ৰথম গীত ৰচনা কৰিছিল। পৰৱৰ্তী সময়ত ছয় দশক ধৰি পাৰ্টনে গীতিকাৰ, গায়িকা আৰু অভিনেত্ৰী হিচাপে হলিউডত নিজৰ বিশেষ পৰিচয় গঢ়ি তুলিছিল। ২১ বছৰ বয়সত পাৰ্টনৰ প্ৰথম গীতৰ এলবাম 'হেল', আই এম ডলী' মুকলি হৈছিল আৰু নিশাৰ ভিতৰতে পশ্চিমীয়া সংগীত জগতত তেওঁ তাৰকাত পৰিণত হৈছিল। পাৰ্টনৰ বিখ্যাত গীতৰ অন্যতম হৈছে 'আই উইল অলৱেজ লাভ ইউ', 'ক'ট অৱ মেনি কালাৰ্ছ'। এসময়ত পাৰ্টনৰ এলবামৰ ১০ কোটিৰো অধিক বিক্ৰী হৈছিল। সংগীত শিল্পী হিচাপে পাৰ্টনে ১০ টা গ্ৰেমী পুৰস্কাৰ লাভ কৰাৰ লগতে ৫৫ বাৰ এই বঁটাৰ বাবে মনোনয়ন লাভ কৰিছিল। হলিউডত অভিনেত্ৰী হিচাপে পাৰ্টনে 'দ্য বেষ্ট লিটল হোৰহাউছ ইন টেক্সাছ'সহ আন কে'বাখনো ছবিত অভিনয় কৰিছিল। পাৰ্টনৰ মৃত্যুত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গভীৰ শোক প্ৰকাশ কৰি সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলত লিখিলে, 'অত্যন্ত দুখৰ স'তে জনাও যে সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ কান্ট্ৰি সংগীত শিল্পী, যি শিল্পীয়ে সংগীতৰ সীমা অতিক্ৰম কৰি অতি উচ্চ শিখৰত আৰোহণ কৰিছিল, সেই ডলী পাৰ্টন সদ্যপ্ৰয়াত হ'ল। তেওঁৰ মৃত্যু লক্ষ লক্ষ মানুহৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শনৰে আজি সন্ধিয়াৰ পৰা এসপ্তাহৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত ৰাখিবলৈ নিৰ্দেশ দিলো। শান্তিত নিদ্ৰা গ্ৰহণ কৰক, ডলী। পৃথিৱীয়ে আপোনাক ভাল পায়।'

# আমেৰিকাৰ মন্টানাত গুলীত নিহত পৰিয়ালৰ ৮ জন সদস্য, মৃতকৰ চাৰি শিশু



**নিউজ ব্যুৰ', মন্টানা, ২৬ আগষ্ট ঃ** দেওবাৰে সন্ধিয়া মন্টানা চহৰৰ বিলিংছত এটা পৰিয়ালৰ ৮ জন সদস্যৰ মৃত্যু হয়। পৰিয়ালটোৱে একেলগে ৰাতিৰ আহাৰ গ্ৰহণ কৰি থকাৰ সময়তে সংঘটিত হয় এই ঘটনা। সকলোকে গুলীয়াই হত্যা কৰাৰ পিছত অভিযুক্তই ঘৰটোত জুই লগাই তাৰ পিছত নিজকে গুলীয়াই হত্যা কৰে। অভিযুক্তৰ বাহিৰেও মৃত লোকজন একেটা পৰিয়ালৰ চাৰিটা প্ৰজন্মৰ; ইয়াৰ ভিতৰত চাৰিটা শিশুও আছিল। আৰক্ষীৰ মতে, দেওবাৰে সন্ধিয়া ৬ বজাৰ ওচৰত ঘৰটোত বন্দুকৰ গুলীৰ খবৰ লাভ কৰে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ লগে লগে ঘৰৰ পিছফালৰ পৰা বন্দুকৰ গুলীৰ শব্দ আহি আছিল। বাহিৰত এজন আহত ব্যক্তিক উদ্ধাৰ কৰা হৈছে; তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয়, য'ত তেওঁৰ মৃত্যু হয়। ঘটনাৰ সন্দেহজনক বুলি গণ্য কৰা হৈছে তেওঁক। আৰক্ষীৰ মতে, সন্দেহযুক্ত লোকজনে ভুক্তভোগীক চিনি পাইছিল যদিও হত্যাকাণ্ডৰ আঁৰৰ উদ্দেশ্য এতিয়াও নিশ্চিত হোৱা নাই।

# ইমৰানৰ পুত্ৰৰ দাবী ঃ পাকিস্তানে একনায়কত্ববাদৰ দিশত আগবাঢ়িছে

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৬ আগষ্ট ঃ** পাকিস্তানে একনায়কত্ববাদৰ দিশে আগবাঢ়িছে বুলি দাবী কৰিছে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ পুত্ৰ চুলেমান ইছা খানে। ইয়াৰ উদাহৰণ হিচাপে তেওঁ পিতৃৰ দীৰ্ঘদিনীয়া কাৰাবাসৰ উদাহৰণ দাঙি ধৰে। সংবাদ সংস্থা এ এন আইৰ সৈতে ভাৰ্চুৱেল সংবাদমেলত চুলাইমানে কয় যে তেওঁৰ পিতৃক কেইবাবছৰ ধৰি অমানৱীয় ব্যৱহাৰ কৰা হৈছে আৰু ইয়াত সেনাই উল্লেখযোগ্য ভূমিকা পালন কৰে। সংবাদমেলত খানৰ স্বাস্থ্যৰ অৱস্থা সন্দৰ্ভতো আলোচনা কৰা হয়। চুলাইমানৰ সতে যোগদান কৰে তেওঁৰ ভাতৃ কাছিম খান, আন্তঃৰাষ্ট্ৰীয় অধিবক্তা জেৰেড জেনচাৰ আৰু আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা আৰু সংবাদ মাধ্যমৰ উপদেষ্টা ছায়েদ বুখাৰীয়ে। ইমৰানৰ পুত্ৰই কয় যে তেওঁলোকে কাৰাবন্দী পিতৃক লগ কৰিবলৈ চেষ্টা কৰিছে যদিও বাৰে বাৰে বিফল হৈছে। তেওঁলোকৰ অভিযোগ যে পাকিস্তানী কৰ্তৃপক্ষই তেওঁলোকৰ ভিছাৰ আবেদন পলম বা নাকচ কৰি আহিছে।



কাছিম খানে কয় যে, যদি আমি তেওঁক দেখাৰ কোনো সুযোগ পাওঁ তেন্তে আমি তৎক্ষণাত যাম। আমি পাকিস্তানলৈ আহিব বিচাৰো, কিন্তু পৰিস্থিতি ক্ৰমান্বয়ে অন্ধকাৰময় হৈ পৰিছে। আমাৰ ভিছাৰ আবেদন নাকচ কৰা হৈছে, পলম কৰা হৈছে আৰু বাৰে বাৰে স্থবিৰ হৈ পৰিছে। কাছিমে কয়, মোৰ দেউতাকক অবিৰতভাৱে একাকী কাৰাগাৰত ৰখা হৈছে। তেওঁক দিনটোত ২৩ ঘণ্টা ধৰি ৬- ৮ ফুটৰ কোঠাত আবদ্ধ কৰি ৰখা হৈছে, যত খিৰিকী বা পোহৰ নাই। তেওঁৰ বয়স ৭৩ বছৰ আৰু এটা চকুৰ ৮৫ শতাংশ দৃষ্টিশক্তি হেৰুৱাই পেলাইছে। তেওঁ নিজৰ নীতিত অটল হৈ আছে, কিন্তু তেওঁৰ শৰীৰে এতিয়া ইয়াৰ মূল্য দিছে।

# নিউ য়ৰ্কত ভাগৱতৰ সভাত মেয়ৰ মামদানীৰ আপত্তি ঃ ভাৰতৰ সন্দৰ্ভতো সৰৱ

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৬ আগষ্ট ঃ** অহা ২৯ আগষ্টত আমেৰিকাৰ নিউ য়ৰ্কৰ মেডিচন স্কোৱেৰত এখন সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰএছএছ)ৰ মুৰব্বী মোহন ভাগৱতে অংশ ল'ব। ভাগৱতে এই অনুষ্ঠানত কেন্দ্ৰ কৰি নিউ য়ৰ্কত বিতৰ্কৰ সৃষ্টি হৈছে। একাংশ লোকে ভাগৱতৰ অনুষ্ঠানৰ বিৰোধিতা কৰিছে। এইবাৰ আৰএছএছ মুৰব্বীৰ সভাৰ বিৰোধিতাত সৰৱ হ'ল নিউ য়ৰ্কৰ মেয়ৰ জোহৰান মামদানী। স্পষ্ট ভাষাৰে নিউ য়ৰ্কৰ মেয়ৰে কয় যে এই অনুষ্ঠানত তেওঁ একেবাৰে সমৰ্থন নকৰে। কালি সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত সময়ত ভাগৱতৰ সভা বাতিল প্ৰসংগত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দি মামদানীয়ে কৈছিল, 'মই এই সমাবেশক সমৰ্থন নকৰো। অৱশ্যে কোনো ব্যক্তিগত অনুষ্ঠান বাতিল কৰাৰ ক্ষমতা চহৰৰ মেয়ৰৰ আছে নে নাই মই সঠিকভাৱে নাজানো। মই এই বছৰৰ প্ৰথম ভাৰতীয় বংশোদ্ভূত মেয়ৰ। মোৰ মাৰ পৰিয়াল এতিয়াও ভাৰততে




আছে। আমাৰ পৰিয়ালৰ পৰা ভাৰতৰ যি ছবি মই জানিব পাৰিছো আৰু যি ধাৰণা লৈ ডাঙৰ হৈছো, সেয়া হ'ল, ভাৰত এনে এখন দেশ য'ত বিভিন্ন সম্প্ৰদায়ৰ মানুহে একেলগে সম্প্ৰীতিৰে বসবাস কৰে। ভাৰত এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশ। সেই দেশৰ মানুহে ভাৰতৰ স'তে সম্পৰ্ক থকা সকলোকে সাদৰেৰে গ্ৰহণ কৰে। সেই দেশত অন্য সম্প্ৰদায়ক বৰ্জন কৰি কোনো আন্দোলনৰ উত্থান অত্যন্ত উদ্বেগজনক। এই কাৰণত মই নিউ য়ৰ্কৰ এই অনুষ্ঠানৰ বিৰোধিতা কৰিছো। মোৰ এই বিৰোধিতা কেৱল ভাৰতীয় বংশোদ্ভূত বুলি নহয়, বৰঞ্চ নিউ য়ৰ্কৰ মেয়ৰ হিচাপেও। কাৰণ এই চহৰে প্ৰত্যেককে সাদৰেৰে গ্ৰহণ কৰে। সেই ব্যক্তিৰ বৰ্ণ, ধৰ্ম, বিশ্বাস বা তেওঁ ক'ৰ পৰা আহিছে, সেয়া বিচাৰ কৰা নহয়।' উল্লেখ্য যে শতবৰ্ষ উপলক্ষে আৰএছএছে বিশ্বজুৰি ব্যাপক প্ৰচাৰ অভিযান চলাইছে। এই লক্ষ্যৰে কালি আমেৰিকাত উপস্থিত হৈছিল আৰএছএছৰ মুৰব্বী ভাগৱত। আমেৰিকাৰ পাছত তেওঁ কানাডা আৰু ব্ৰিটেইন ভ্ৰমণ কৰিব। ২৯ আগষ্টত নিউ য়ৰ্কত ইউনিভাৰ্চেল ৰাননেছ চেলিব্ৰেচনছ অনুষ্ঠানত ভাগৱতে অংশ লৈ আমেৰিকাত বসবাস কৰা ভাৰতীয় মূলৰ লোকক উদ্দেশি ভাষণ ৰাখিব। অনুমান কৰা হৈছে যে এই অনুষ্ঠানত পাঁচ সহস্ৰাধিক লোকে অংশ ল'ব। ভাগৱতৰ এই অনুষ্ঠানক লৈ অৱশ্যে নিউ য়ৰ্কত বিতৰ্কৰো সৃষ্টি হৈছে।

# আমেৰিকা-ৰাছিয়াৰ উত্তেজনাৰ মাজতে মস্কোত চিআইএৰ মুৰব্বী




**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৬ আগষ্ট ঃ** মঙলবাৰে আমেৰিকাৰ ওপৰত আকাশত একেলগে দেখা গ'ল কেইবাখনো সামৰিক বিমান, যাক সাধাৰণতে 'ডুমছডে প্লেন' বুলি জনা যায়। এই বিমানসমূহ পাৰমাণৱিক যুদ্ধৰ দৰে চৰম পৰিস্থিতিৰ সময়তো কাৰ্যক্ষম হৈ থাকিবলৈ ডিজাইন কৰা হৈছে। বিমানৰ আবিৰ্ভাৱৰ লগে লগে আমেৰিকাৰ চোৰাংচোৱা বিভাগৰ মুৰব্বী জন ৰেটক্লিফে মস্কো ভ্ৰমণৰ সতে সংগতি ৰাখি এই বিমানসমূহক লৈ জল্পনা-কল্পনা আৰু আলোচনাক আৰু অধিক ইন্ধন যোগাইছিল। ফ্লাইট ট্ৰেকিং পৰ্যবেক্ষকে আমেৰিকাৰ পশ্চিম আৰু মধ্য অঞ্চলৰ ওপৰেৰে উৰি থকা কমেও পাঁচখন বয়িং ই-৬ মাৰ্কিউৰী বিমান দেখা পায়। এই বিমানসমূহৰ উপস্থিতিৰ সতে চিআইএৰ মুৰব্বীগৰাকীৰ মস্কো ভ্ৰমণৰ সম্পৰ্ক আছে। তেওঁৰ ভ্ৰমণৰ সময়ত আমেৰিকাৰ বায়ুসেনাৰ চি-১৭ গ্ল'বমাষ্টাৰ তৃতীয় বিমান এখন মস্কোৰ বিমানবন্দৰত অৱতৰণ কৰে। বৰ্তমান আমেৰিকা-ৰাছিয়াৰ উত্তেজনাৰ মাজতে এই ঘটনাক অস্বাভাৱিক বুলি গণ্য কৰা হৈছিল। অৱশ্যে তেওঁৰ ভ্ৰমণৰ কাৰণ সন্দৰ্ভত কোনো তথ্য প্ৰদান কৰা হোৱা নাই। এক্সিঅ'ছ আৰু চিবিএছ নিউজৰ বাতৰি অনুসৰি এই ভ্ৰমণ ধাৰাবাহিক বৈঠকৰ বাবে আছিল যদিও নিৰ্দিষ্ট উদ্দেশ্য এতিয়াও স্পষ্ট হোৱা নাই।




# চীনৰ বিলিবিলি এপ, ইউটিউবতকৈ অধিক ধন দিয়াৰ দাবী, কিন্তু বৰ্তমানে ভাৰতক অন্তৰ্ভুক্ত কৰা নাই

**নিউজ ব্যুৰ', বেইজিং, ২৬ আগষ্ট ঃ** চীনৰ জনপ্ৰিয় ভিডিঅ' শ্বেয়াৰিং প্লেটফৰ্ম বিলিবিলিয়ে শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰসাৰণৰ পৰিকল্পনা ঘোষণা কৰিছে। কোম্পানীটোৱে দাবী কৰিছে যে ইউটিউবক প্ৰত্যাহ্বান জনাবলৈ বজাৰত প্ৰৱেশ কৰিছে। ইফালে, আৰ টিয়ে তথ্য শ্বেয়াৰ কৰিছে, যিয়ে ব্যৱহাৰকাৰীক প্ৰতি ১০০০ ভিউত প্ৰায় ৬০ টকা দিয়াৰ পৰিকল্পনাৰ ইংগিত দিছে। বিশ্বব্যাপী ডিজিটেল মনোৰঞ্জনৰ দৃষ্টিকোণৰ পৰা এই পৰিৱৰ্তনে কন্টেন্ট সৃষ্টিকৰ্তাসকলৰ বাবে এক লাভজনক সুযোগক প্ৰতিনিধিত্ব কৰে। অৱশ্যে ভাৰতীয় সৃষ্টিকৰ্তাসকলৰ বাবে এইটো এটা বেয়া খবৰ। বিলিবিলিয়ে এটা নতুন আন্তঃৰাষ্ট্ৰীয় এপ মুকলি কৰিছে আৰু ইংৰাজী ভাষাৰ ৱেবছাইটৰ কাম কৰি আছে। ইতিমধ্যে কোম্পানীটোৱে দক্ষিণ-পূব এছিয়াৰ দেশ যেনে ইণ্ডোনেছিয়া, ফিলিপাইনছ, থাইলেণ্ড, ভিয়েটনাম, ছিংগাপুৰ, আৰু মালয়েছিয়াত সেৱা আৰম্ভ কৰিছে; কিন্তু বৰ্তমান ভাৰতক অন্তৰ্ভুক্ত কৰা হোৱা নাই। প্ৰাৰম্ভিক পৰ্যায়ত ভাৰতত মুকলি কৰাৰ সন্দৰ্ভত কোনো ঘোষণা কৰা হোৱা নাই, গতিকে ভাৰতীয় সৃষ্টিকৰ্তাসকলে অপেক্ষা কৰিব লাগিব। যদি ভৱিষ্যতে বিলিবিলিয়ে ভাৰতত প্ৰৱেশ কৰে, তেন্তে ই ভাৰতীয় কন্টেন্ট সৃষ্টিকৰ্তাসকলৰ বাবে এক নতুন মঞ্চ হিচাপে কাম কৰিব পাৰে বিশেষকৈ এনিমেচন, গেমিং, আৰু সম্প্ৰদায়ভিত্তিক ভিডিঅ' কন্টেন্টৰ ওপৰত গুৰুত্ব আৰোপ কৰাসকলৰ বাবে।

দৈনিক অগ্ৰদূত

## স্বাস্থ্য



# ভেজিনিজমাছ ঃ মহিলাৰ এক জটিল সমস্যা

মহিলাৰ স্বাস্থ্যৰ কথা আলোচনা কৰোতে মাহেকীয়া, গৰ্ভধাৰণ, সন্তান জন্ম, স্তন কেন্সাৰ বা হৰম'নৰ সমস্যাৰ দৰে বিষয়বোৰ তুলনামূলকভাৱে বেছি চৰ্চালৈ আহে। কিন্তু মহিলাৰ যৌন আৰু প্ৰজনন স্বাস্থ্যৰ স'তে জড়িত বহু সমস্যা আজিও সমাজত মুকলিকৈ আলোচনা কৰা নহয়।

মহিলাৰ স্বাস্থ্যৰ কথা আলোচনা কৰোতে মাহেকীয়া, গৰ্ভধাৰণ, সন্তান জন্ম, স্তন কেন্সাৰ বা হৰম'নৰ সমস্যাৰ দৰে বিষয়বোৰ তুলনামূলকভাৱে বেছি চৰ্চালৈ আহে। কিন্তু মহিলাৰ যৌন আৰু প্ৰজনন স্বাস্থ্যৰ স'তে জড়িত বহু সমস্যা আজিও সমাজত মুকলিকৈ আলোচনা কৰা নহয়। লাজ, সংকোচ, সামাজিক ধাৰণা আৰু ভুল বুজাবুজিৰ বাবে বহু মহিলাই নিজৰ সমস্যাৰ কথা পৰিয়ালৰ লোক আনকি চিকিৎসকৰ আগতো ক'বলৈ সংকোচ কৰে। তেনে এক নীৰৱ স্বাস্থ্য সমস্যা হৈছে ভেজিনিজমাছ (Vaginis- mus) ¼ ভেজিনিজমাছ হৈছে এনে এক অৱস্থা, য'ত যোনীৰ মুখৰ চাৰিওফালে থকা পেলভিক ফ্ল'ৰ পেশীবোৰ অনিচ্ছাকৃতভাৱে সংকুচিত হৈ পৰে। ফলত যোনিত কোনো বস্তু প্ৰৱেশ কৰোৱা, যৌন সম্পৰ্ক স্থাপন কৰা, টেম্পন ব্যৱহাৰ কৰা বা কেতিয়াবা চিকিৎসাজনিত পৰীক্ষা কৰাও কঠিন, কষ্টদায়ক বা অসম্ভৱ হৈ পৰিব পাৰে। এই সংকোচন মহিলাগৰাকীয়ে ইচ্ছাকৃতভাৱে নকৰে। অৰ্থাৎ, তেওঁ সম্পৰ্ক স্থাপন কৰিব বিচাৰিলেও শৰীৰৰ পেশীয়ে অনিচ্ছাকৃতভাৱে এক প্ৰতিৰোধৰ সৃষ্টি কৰিব পাৰে। ভেজিনিজমাছৰ লক্ষণ সকলো মহিলাৰ ক্ষেত্ৰত একে নহয়। কোনো কোনো মহিলাৰ ক্ষেত্ৰত যোনীত প্ৰৱেশৰ কথা ভাবিলেই পেশী টান হৈ যোৱাৰ অনুভৱ হ'ব পাৰে। আনহাতে কিছুমানৰ ক্ষেত্ৰত প্ৰৱেশৰ চেষ্টা কৰিলেই তীব্ৰ বিষ, জ্বলা-পোৰা বা অস্বস্তি অনুভৱ হয়। কেতিয়াবা যৌন সম্পৰ্ক স্থাপন কৰাটো সম্ভৱ নহয়, আনহাতে কিছুমান মহিলাৰ ক্ষেত্ৰত প্ৰৱেশ সম্ভৱ হ'লেও যথেষ্ট বিষ হয়।

চিকিৎসাজনিত পৰীক্ষাৰ সময়ত অসুবিধা হোৱাটোও ইয়াৰ এটা গুৰুত্বপূৰ্ণ লক্ষণ হ'ব পাৰে। কোনো কোনো মহিলাই গাইনোক'লজিকেল পৰীক্ষাৰ সময়ত অত্যন্ত উদ্বিগ্ন হৈ পৰে আৰু পেশীবোৰ অধিক সংকুচিত হৈ পৰে। ফলত তেওঁলোকে চিকিৎসা গ্ৰহণৰ পৰাও আঁতৰি থাকিব পাৰে।

ভেজিনিজমাছৰ এটা নিৰ্দিষ্ট কাৰণ সকলোৰে ক্ষেত্ৰত নাথাকে। শাৰীৰিক আৰু মানসিক দুয়োটা কাৰকৰ ভূমিকা থাকিব পাৰে। যৌন সম্পৰ্কৰ সময়ত বিষ হোৱাৰ আগৰ অভিজ্ঞতা, যোনী বা পেলভিক অংশৰ কোনো সংক্ৰমণ, অস্ত্ৰোপচাৰ, সন্তান জন্মৰ পিছৰ শাৰীৰিক পৰিৱৰ্তন, হৰম'নৰ পৰিৱৰ্তন বা আন কোনো বিষজনিত সমস্যাৰ পৰা এই অৱস্থা আৰম্ভ হ'ব পাৰে। ইয়াৰ উপৰি যৌন সম্পৰ্কক লৈ ভয়, উদ্বেগ, অতীতৰ কোনো আঘাতজনক অভিজ্ঞতা, যৌন নিৰ্যাতনৰ স্মৃতি বা যৌনতাক লৈ সমাজ আৰু পৰিয়ালৰ পৰা লাভ কৰা নেতিবাচক ধাৰণাইও কেতিয়াবা সমস্যাটো অধিক জটিল কৰি তুলিব পাৰে।
কিন্তু এটা কথা বিশেষভাৱে মনত ৰখা প্ৰয়োজন ভেজিনিজমাছ কেৱল 'মনটোৰ সমস্যা' বুলি উলাই কৰিব নোৱাৰি। ইয়াত শৰীৰৰ পেশীৰ অনিচ্ছাকৃত সংকোচন জড়িত হৈ থাকে। সেয়ে সমস্যাটোৰ শাৰীৰিক আৰু মানসিক দুয়োটা দিশক গুৰুত্ব দি চিকিৎসা কৰা প্ৰয়োজন।

ভেজিনিজমাছৰ প্ৰভাৱ কেৱল শাৰীৰিক নহয় ইয়াৰ ফলত দাম্পত্য জীৱনতো চাপ সৃষ্টি হ'ব পাৰে। যৌন সম্পৰ্ক স্থাপন কৰিব নোৱাৰাৰ বাবে এগৰাকী মহিলাই নিজকে 'অক্ষম' বা 'অস্বাভাৱিক' বুলি ভাবিবলৈ আৰম্ভ কৰিব পাৰে। সংগীৰ স'তে ভুল বুজাবুজি, মানসিক দূৰত্ব সৃষ্টি হ'ব পাৰে। কেতিয়াবা সংগীয়েও সমস্যাটোৰ প্ৰকৃত কাৰণ নুবুজি মহিলাগৰাকীক দোষাৰোপ কৰিব পাৰে। এনে আচৰণে সমস্যাটো আৰু অধিক গভীৰ কৰি তুলিব পাৰে। সেয়ে ভেজিনিজমাছৰ ক্ষেত্ৰত সংগীৰ সহানুভূতি, ধৈৰ্য আৰু বুজাবুজি অতি গুৰুত্বপূৰ্ণ।

যৌন সম্পৰ্ক কোনো ধৰণৰ জোৰ-জবৰদস্তিৰ বিষয় নহয়। বিষ বা ভয় অনুভৱ কৰা এগৰাকী মহিলাক জোৰকৈ সম্পৰ্ক স্থাপন কৰিবলৈ বাধ্য কৰাটো সমস্যাৰ সমাধান নহয়; বৰং ই মানসিক চাপ বৃদ্ধি কৰিব পাৰে।



ভেজিনিজমাছ থকা মানেই এগৰাকী মহিলা মাতৃ হ'ব নোৱাৰে- এয়া ভুল ধাৰণা। কিন্তু যৌন সম্পৰ্ক স্থাপন কৰাত অসুবিধা থাকিলে স্বাভাৱিকভাৱে গৰ্ভধাৰণ কৰাত সমস্যা হ'ব পাৰে। সেয়ে বিবাহ বা সন্তান জন্মৰ পৰিকল্পনাৰ সময়ত সমস্যাটো লুকুৱাই ৰখাতকৈ চিকিৎসকৰ স'তে আলোচনা কৰাটো অধিক উপযোগী। সঠিক মূল্যায়ন আৰু চিকিৎসাৰ জৰিয়তে বহু মহিলাই এই সমস্যাৰ পৰা সকাহ লাভ কৰিব পাৰে।
ভেজিনিজমাছৰ চিকিৎসা সম্ভৱ আৰু বহু ক্ষেত্ৰত যথেষ্ট ভাল ফলাফল পোৱা যায়। অৱশ্যে চিকিৎসা সকলোৰে বাবে একে নহয়। প্ৰথমে স্ত্ৰীৰোগ বিশেষজ্ঞ বা উপযুক্ত স্বাস্থ্য বিশেষজ্ঞৰ পৰামৰ্শ লৈ সমস্যাটোৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰাটো প্ৰয়োজন। চিকিৎসাৰ অংশৰূপে পেলভিক ফ্ল'ৰ ফিজিঅ'থেৰাপি, পেশী শিথিল কৰাৰ ব্যায়াম, শ্বাস-প্ৰশ্বাস আৰু ৰিলাক্সেচন কৌশল, কাউন্সেলিং বা যৌন-স্বাস্থ্য সম্পৰ্কীয় থেৰাপী ব্যৱহাৰ কৰা হ'ব পাৰে। যদি কোনো শাৰীৰিক সমস্যা বা সংক্ৰমণ থাকে, তেন্তে তাৰো উপযুক্ত চিকিৎসা কৰা হয়। কিছুমান ক্ষেত্ৰত চিকিৎসকে নিৰাপদভাৱে যোনীৰ পেশী আৰু প্ৰৱেশৰ প্ৰতি থকা ভয় কমোৱাৰ বাবে বিশেষ পদ্ধতিৰ পৰামৰ্শ দিব পাৰে। এই সকলোবোৰ প্ৰশিক্ষিত চিকিৎসক বা থেৰাপিষ্টৰ নিৰ্দেশনাত কৰাটোৱেই নিৰাপদ।

ভেজিনিজমাছৰ চিকিৎসাত সংগীৰ সহযোগিতা যথেষ্ট গুৰুত্বপূৰ্ণ। 'কিয় নোৱাৰা?', 'আন মহিলাইতো পাৰে' বা 'এইটো তোমাৰ মনৰ কথা' এনে মন্তব্যই সমস্যাটো অধিক জটিল কৰি তুলিব পাৰে। তাৰ পৰিৱৰ্তে সংগীয়ে ধৈৰ্য ধৰিব লাগে, মহিলাগৰাকীৰ অনুভৱক সন্মান কৰিব লাগে আৰু কোনো ধৰণৰ চাপ প্ৰয়োগ কৰিব নালাগে। চিকিৎসা লোৱাৰ সিদ্ধান্ততো তেওঁক মানসিকভাৱে সহায় কৰিব লাগে।

আমাৰ সমাজত যৌন স্বাস্থ্যক লৈ এতিয়াও বহু সংকোচ আছে। বিশেষকৈ মহিলাই নিজৰ যৌন সমস্যাৰ কথা ক'লে তেওঁক লৈ ভুল ধাৰণা সৃষ্টি হোৱাৰ ভয় থাকে। এই সামাজিক মানসিকতাৰ বাবেই বহু মহিলা বছৰ বছৰ ধৰি বিষ আৰু মানসিক কষ্ট সহ্য কৰি থাকে। কিন্তু শৰীৰৰ আন যিকোনো অংগৰ দৰে যৌন আৰু প্ৰজনন অংগৰ সমস্যাও চিকিৎসাৰ বিষয়। ইয়াত লাজ পোৱাৰ কোনো কাৰণ নাই। সমস্যাটো লুকুৱাই ৰখাতকৈ সময়মতে চিকিৎসকৰ স'তে আলোচনা কৰাটোৱেই বুদ্ধিমানৰ কাম। ভেজিনিজমাছ কোনো মহিলাৰ চৰিত্ৰৰ দোষ নহয়, কোনো 'দুৰ্বলতা'ও নহয়। ই এক স্বাস্থ্য সমস্যা, যাক বুজি পোৱা, স্বীকাৰ কৰা আৰু প্ৰয়োজন অনুসৰি চিকিৎসা গ্ৰহণ কৰা উচিত। এগৰাকী মহিলাৰ সুস্থতা কেৱল তেওঁৰ শাৰীৰিক সুস্থতাৰ মাজতে সীমাবদ্ধ নহয়। তেওঁৰ মানসিক শান্তি, আত্মবিশ্বাস, দাম্পত্য সম্পৰ্ক আৰু নিজৰ শৰীৰৰ স'তে থকা স্বাভাৱিক সম্পৰ্কও সমানেই গুৰুত্বপূৰ্ণ। সেয়ে ভেজিনিজমাছৰ দৰে বিষয়ত নীৰৱতা ভংগ কৰাটো প্ৰয়োজন। এগৰাকী মহিলাই নিজৰ শৰীৰৰ কোনো সমস্যাৰ কথা ক'বলৈ সংকোচ নকৰাকৈ চিকিৎসকৰ সহায় বিচাৰিব পাৰিব লাগে-এই পৰিৱেশ সৃষ্টি কৰাটো পৰিয়াল, সংগী আৰু সমাজ সকলোৰে দায়িত্ব।

## স্বাৱলম্বন



# ঘৰতে চকলেট বনাই এগৰাকী মহিলা কেনেকৈ স্বাৱলম্বী হ'ব

স্বাৱলম্বী হ'বলৈ ডাঙৰ ব্যৱসায় বা বহু পৰিমাণৰ মূলধনৰ প্ৰয়োজন নহয়। নিজৰ ৰুচি, সৃষ্টিশীলতা আৰু পৰিশ্ৰমক কামত লগাই সৰু পৰিসৰৰ পৰাই উপাৰ্জনৰ পথ মুকলি কৰিব পাৰি। বিশেষকৈ মহিলাসকলে ঘৰুৱা পৰিৱেশৰ পৰা আৰম্ভ কৰিব পৰা বিভিন্ন ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে নিজৰ পৰিচয় গঢ়ি তুলিব পাৰে। তেনে এক সম্ভাৱনাময় উদ্যোগ হৈছে ঘৰতে চকলেট প্ৰস্তুত কৰি বিক্ৰী কৰা। বৰ্তমান সময়ত চকলেট কেৱল শিশুৰ প্ৰিয় খাদ্য হৈ থকা নাই। জন্মদিন, বিবাহ, বিবাহ-বাৰ্ষিকী, গৃহপ্ৰৱেশ, উৎসৱ-পাৰ্বণ, বিভিন্ন অনুষ্ঠান অথবা বিশেষ দিনত উপহাৰ হিচাপেও চকলেটৰ ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। বজাৰত উপলব্ধ সাধাৰণ চকলেটৰ উপৰি নিজৰ পছন্দ অনুযায়ী প্ৰস্তুত কৰা হাতেৰে বনোৱা চকলেটৰ প্ৰতিও গ্ৰাহকৰ আগ্ৰহ বাঢ়িছে। এই সুযোগক কামত লগাই এগৰাকী মহিলাই নিজৰ ঘৰতে সৰু পৰিসৰত এই ব্যৱসায় আৰম্ভ কৰিব পাৰে।

চকলেট প্ৰস্তুতৰ কাম আৰম্ভ কৰাৰ আগতে ইয়াৰ বিষয়ে ভালদৰে প্ৰশিক্ষণ লোৱাটো অতি প্ৰয়োজনীয়। বিভিন্ন ধৰণৰ চকলেটৰ সঠিক প্ৰস্তুত প্ৰণালী, উপকৰণৰ পৰিমাণ, সংৰক্ষণ পদ্ধতি, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পেকেজিঙৰ বিষয়ে জ্ঞান আহৰণ কৰিব লাগে। প্ৰথমে পৰিয়াল আৰু পৰিচিত লোকৰ বাবে চকলেট প্ৰস্তুত কৰি নিজৰ কামৰ মান উন্নত কৰিব পাৰি।
এই ব্যৱসায়ৰ বিশেষ আকৰ্ষণ হৈছে ইয়াত সৃষ্টিশীলতাৰ যথেষ্ট সুযোগ আছে। বিভিন্ন আকৃতি, আকাৰ আৰু ডিজাইনৰ চকলেট প্ৰস্তুত কৰাৰ লগতে বাদাম, কিচমিচ, নাৰিকল, শুকান ফল আদি ব্যৱহাৰ কৰি ভিন্ন সোৱাদৰ চকলেট তৈয়াৰ কৰিব পাৰি। গ্ৰাহকৰ চাহিদা অনুসৰি নাম, শুভেচ্ছাবাণী বা বিশেষ ডিজাইনেৰে চকলেটৰ পেকেট প্ৰস্তুত কৰিব পাৰিলে সামগ্ৰীৰ আকৰ্ষণ আৰু অধিক বৃদ্ধি পাব। বিশেষ অনুষ্ঠানৰ বাবে অ'ৰ্ডাৰ লোৱাটো এই ব্যৱসায়ৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ব পাৰে। জন্মদিনৰ বাবে শিশুৰ পছন্দৰ ডিজাইন, বিবাহৰ বাবে বিশেষ পেকেজ, অথবা কোনো অনুষ্ঠানৰ অতিথিক উপহাৰ দিবলৈ সৰু সৰু চকলেট বক্স প্ৰস্তুত কৰিব পাৰি। অৰ্থাৎ গ্ৰাহকৰ প্ৰয়োজন অনুযায়ী সামগ্ৰী প্ৰস্তুত কৰাৰ সুযোগ থকাৰ বাবে ব্যৱসায়টো লাহে লাহে নিজৰ এক সুকীয়া বজাৰ সৃষ্টি কৰিব পাৰে। বৰ্তমান সময়ত সামাজিক মাধ্যম ব্যৱহাৰ কৰিও এই ব্যৱসায়ৰ প্ৰচাৰ কৰিব পাৰি। নিজৰ প্ৰস্তুত কৰা চকলেটৰ সুন্দৰ ছবি আৰু ভিডিও' প্ৰকাশ কৰি গ্ৰাহকক আকৰ্ষণ কৰিব পাৰি। প্ৰথমে চিনাকি মানুহৰ মাজত বিক্ৰী আৰম্ভ কৰি ক্ৰমে অ'ৰ্ডাৰৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি। গ্ৰাহকৰ সন্তুষ্টি আৰু ভাল মানৰ সামগ্ৰীয়েই এই ক্ষেত্ৰত ব্যৱসায়ৰ আটাইতকৈ ডাঙৰ বিজ্ঞাপন হৈ পৰে। অৱশ্যে খাদ্য সামগ্ৰীৰ ব্যৱসায় হোৱাৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়টো বিশেষভাৱে গুৰুত্ব দিব লাগিব। ভাল মানৰ কেঁচা সামগ্ৰী ব্যৱহাৰ কৰা, পৰিষ্কাৰ পৰিৱেশত চকলেট প্ৰস্তুত কৰা, উপযুক্তভাৱে পেকেজিং কৰা আৰু সংৰক্ষণৰ ক্ষেত্ৰত সাৱধান হোৱা অত্যন্ত প্ৰয়োজনীয়। লগতে সামগ্ৰীৰ খৰচ, পেকেজিং, যাতায়াত আৰু অন্যান্য ব্যয়ৰ হিচাপ ৰাখি বিক্ৰীৰ মূল্য নিৰ্ধাৰণ কৰিব লাগে।

এগৰাকী মহিলাই আৰম্ভণিতে সৰু পৰিমাণৰ অ'ৰ্ডাৰ লৈ কাম আৰম্ভ কৰিব পাৰে। ব্যৱসায়ৰ পৰা লাভ হ'বলৈ ধৰিলে সেই ধন পুনৰ ব্যৱসায়ত বিনিয়োগ কৰি নতুন ধৰণৰ চকলেট, উন্নত পেকেজিং আৰু অধিক সামগ্ৰী যোগ কৰিব পাৰি। সময়ৰ স'তে নিজৰ এটা ব্ৰেণ্ডৰ নাম সৃষ্টি কৰি ব্যৱসায়টোক অধিক বৃহৎ



ৰূপ দিব পাৰি। সৰ্বাধিক গুৰুত্বপূৰ্ণ কথাটো হ'ল এই কামৰ জৰিয়তে এগৰাকী মহিলাই কেৱল কিছু টকা উপাৰ্জন কৰাই নহয়, নিজৰ দক্ষতা আৰু সৃষ্টিশীলতাৰ এক পৰিচয়ো গঢ়ি তুলিব পাৰে। ঘৰৰ পৰা আৰম্ভ কৰা এটা সৰু চকলেট ব্যৱসায় এদিন এখন সুপৰিচিত ক্ষুদ্ৰ উদ্যোগলৈ পৰিণত হ'ব পাৰে। সেয়ে স্বাৱলম্বী হোৱাৰ সপোন দেখা মহিলাসকলে নিজৰ সামৰ্থক সৰু বুলি নাভাবি নতুন সুযোগ বিচাৰিব লাগে। হয়তো আৰম্ভণিটো হ'ব এটা সৰু চকলেটৰ বাকচৰ পৰা, কিন্তু সেই সৰু আৰম্ভণিয়েই এগৰাকী মহিলাৰ বাবে নিজৰ উপাৰ্জন, আত্মবিশ্বাস আৰু স্বাধীনতাৰ এক ডাঙৰ দুৱাৰ মুকলি কৰিব পাৰে।

## ঘৰুৱা দিহা



# ঘৰৰ সামগ্ৰী নষ্ট হ'লে পেলাই নিদিব, জানি লওক সহজে ঠিক কৰাৰ উপায়

ঘৰত দৈনন্দিন ব্যৱহাৰ কৰা বহু সামগ্ৰী অলপ নষ্ট হ'লেই আমি কেতিয়াবা সেইবোৰ পেলাই দি নতুন সামগ্ৰী কিনি লওঁ। কিন্তু অলপ যত্ন আৰু বুদ্ধি খটুৱালে বহু সামগ্ৰী পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিব পাৰি। ইয়াৰ ফলত ধনো ৰাহি হয় আৰু অপ্ৰয়োজনীয়ভাৱে সামগ্ৰী পেলাই দিয়াৰ পৰিমাণো কমে। ঘৰৰ সৰু-সুৰা সামগ্ৰীৰ যত্ন কেনেকৈ ল'ব পাৰি, তাৰ কেইটামান সহজ উপায় জানো আহক।

ঘৰত দৈনন্দিন ব্যৱহাৰ কৰা বহু সামগ্ৰী অলপ নষ্ট হ'লেই আমি কেতিয়াবা সেইবোৰ পেলাই দি নতুন সামগ্ৰী কিনি লওঁ। কিন্তু অলপ যত্ন আৰু বুদ্ধি খটুৱালে বহু সামগ্ৰী পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিব পাৰি। ইয়াৰ ফলত ধনো ৰাহি হয় আৰু অপ্ৰয়োজনীয়ভাৱে সামগ্ৰী পেলাই দিয়াৰ পৰিমাণো কমে। ঘৰৰ সৰু-সুৰা সামগ্ৰীৰ যত্ন কেনেকৈ ল'ব পাৰি, তাৰ কেইটামান সহজ উপায় জানো আহক।

কাঠৰ আচবাবত আঁচোৰ পৰিলে:--
ঘৰৰ কাঠৰ টেবুল, চকী, আলমাৰী বা আন আচবাবত ব্যৱহাৰৰ ফলত সৰু-সুৰা আঁচোৰ পৰাটো সাধাৰণ কথা। এনে আঁচোৰ পৰিলেই আচবাবটো বেয়া হৈ গ'ল বুলি ভাবি পেলাই দিব নালাগে। প্ৰথমে ধূলি-মাকতি পৰিষ্কাৰ কৰি আঁচোৰটো কিমান গভীৰ চাব লাগে। অতি সৰু আঁচোৰ হ'লে উপযুক্ত কাঠৰ পলিচ বা ফাৰ্নিচাৰ ৰাক্স ব্যৱহাৰ কৰি কিছু পৰিমাণে ঢাকিব পাৰি। আচবাবত পানী বহু সময় পৰি থাকিবলৈ নিদিয়াও ইয়াৰ যত্নৰ এটা গুৰুত্বপূৰ্ণ অংশ।

লোহাৰ সামগ্ৰীত মামৰ লাগিলে কি কৰিব :--
লোহাৰ চকী, ৰেক, ষ্টেণ্ড বা আন সামগ্ৰীত আৰ্দ্ৰতাৰ বাবে মামৰ ধৰিব পাৰে। মামৰ ধৰা ঠাইখিনি প্ৰথমে শুকান কৰি উপযুক্ত ৰাষ্ট ৰিমুভাৰ বা মামৰ আঁতৰোৱাৰ সামগ্ৰীৰ সহায়ত পৰিষ্কাৰ কৰিব পাৰি। তাৰ পাছত সামগ্ৰীটো ভালদৰে শুকুৱাই প্ৰয়োজন অনুসৰি উপযুক্ত পেইণ্ট বা প্ৰটেক্টিভ কোটিং দিলে পুনৰ মামৰ ধৰাৰ সম্ভাৱনা কমে। ভিজা ঠাইত লোহাৰ সামগ্ৰী বহুদিন নৰখাই ভাল।

**ষ্টীলৰ বাচনত দাগ পৰিলে:–**
ষ্টীলৰ বাচন বহুদিন ব্যৱহাৰ কৰিলে কেতিয়াবা পানীৰ দাগ, চাহৰ দাগ বা তেলৰ দাগ পৰে। বাচন পৰিষ্কাৰ কৰাৰ সময়ত কোমল স্ক্ৰাবাৰ আৰু উপযুক্ত ডিছৱাছিং লিকুইড ব্যৱহাৰ কৰিব পাৰি। অতি জোৰে ঘঁহি থাকিলে বাচনত আঁচোৰ পৰিব পাৰে, সেয়ে কোমলভাৱে পৰিষ্কাৰ কৰাটো ভাল। ধোৱাৰ পাছত বাচন শুকান কাপোৰেৰে মচি থ'লে পানীৰ দাগ কম পৰে।

**কাঁচৰ সামগ্ৰী কেনেকৈ যত্ন ল'ব:–**
কাঁচৰ গিলাচ, ফুলদানি বা সজোৱা সামগ্ৰী সাৱধানে ব্যৱহাৰ কৰিব লাগে। কাঁচৰ সামগ্ৰীত সৰু ফাট দেখা দিলে সেইটো আগৰ দৰে শক্তিশালী হৈ নাথাকে। বিশেষকৈ গৰম খাদ্য বা পানীয়ৰ বাবে ফাট থকা কাঁচৰ সামগ্ৰী ব্যৱহাৰ নকৰাই নিৰাপদ। সেয়ে সৰু ফাট দেখা দিলেই জোৰ কৰি ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে সামগ্ৰীটো আঁতৰাই ৰখাই ভাল।

**প্লাষ্টিকৰ বাল্টি ফাটিলে কি কৰিব ;–**
ঘৰত ব্যৱহাৰ কৰা প্লাষ্টিকৰ বাল্টি, ডাব বা পাত্ৰত সৰু ফুটাৰ সৃষ্টি হ'ব পাৰে। এনে সামগ্ৰী খাদ্য বা পানী ৰখাৰ বাবে ব্যৱহাৰ কৰা



নে নহয়, সেইটো সামগ্ৰীৰ ধৰণ আৰু ক্ষতিৰ ওপৰত নিৰ্ভৰ কৰে। পানী ৰখা পাত্ৰৰ সৰু ফুটাৰ ক্ষেত্ৰত উপযুক্ত প্লাষ্টিক-ৰিপেয়াৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি, কিন্তু খাদ্য বা পানীয়ৰ সংস্পৰ্শলৈ অহা সামগ্ৰীৰ ক্ষেত্ৰত সুৰক্ষিত আৰু খাদ্য-উপযোগী সামগ্ৰী নোহোৱাকৈ যিকোনো আঠা ব্যৱহাৰ কৰা উচিত নহয়।


**ছাতি নষ্ট হ'লে কি কৰিব :–**
বৰষুণৰ বতৰত সঘনাই ব্যৱহাৰ কৰাৰ ফলত ছাতিৰ দাণ্ডি বেঁকা হোৱা, কাপোৰ অলপ এৰি যোৱা বা হাতেৰে ঢৰা ডাল ঢিলা হোৱা দেখা যায়। সৰু সমস্যা হ'লে ছাতিটো খুলি ভালদৰে পৰীক্ষা কৰি ঢিলা অংশটো ঠিক কৰিব পাৰি। কিন্তু ডাণ্ডি ভাঙি যোৱা বা কাপোৰ বেছিকৈ ফাটি গ'লে জোৰকৈ ব্যৱহাৰ নকৰাই ভাল। ব্যৱহাৰৰ পাছত ছাতি ভাঁজ কৰাৰ আগতে সম্পূৰ্ণ শুকুৱাই লোৱাটো ইয়াৰ যত্নৰ আটাইতকৈ সহজ উপায়।

**জোতা পুৰণি হ'লে কি কৰিব**
জোতা অলপ পুৰণি হ'লেই পেলাই দিয়াৰ প্ৰয়োজন নাই। জোতাৰ তলৰ অংশ অলপ এৰি গ'লে উপযুক্ত শ্যু-ৰিপেয়াৰ আঠা বা মুচিৰ সহায়ত মেৰামতি কৰিব পাৰি। জোতা ব্যৱহাৰৰ পিছত বতাহত শুকুৱাই ৰখা আৰু নিয়মিতভাৱে পৰিষ্কাৰ কৰাটোও জোতাৰ আয়ুস বঢ়ায়। ভিজা জোতা বন্ধ বাকচত থৈ নিদিয়াই ভাল।

**পৰ্দা বা কুশ্বনৰ কাপোৰ ফাটি গ'লে:-**
পৰ্দা, কুশ্বন কভাৰ বা আন কাপোৰৰ সামগ্ৰী অলপ ফাটি গ'লে সম্পূৰ্ণ সামগ্ৰীটো পেলাই দিয়াৰ প্ৰয়োজন নাই। একে ধৰণৰ কাপোৰৰ সৰু টুকুৰা ব্যৱহাৰ কৰি ভিতৰৰ ফালৰ পৰা সুন্দৰকৈ চিলাই কৰিব পাৰি। কেতিয়াবা ৰঙীন কাপোৰৰ সৰু পেচ লগাই তাকেই ঘৰৰ সজোৱাৰ এটা নতুন ডিজাইন হিচাপে ব্যৱহাৰ কৰিব পাৰি।

**প্লাষ্টিকৰ হেংগাৰ বা সৰু সামগ্ৰী ভাঙিলে:–**
সৰু প্লাষ্টিকৰ সামগ্ৰী ভাঙিলে প্ৰথমে সেইটো কিহৰ বাবে ব্যৱহাৰ কৰা হয় আৰু ভঙা অংশটো কিমান শক্তিশালী হ'ব লাগে সেইটো বিবেচনা কৰিব লাগে। কেৱল সজোৱাৰ সামগ্ৰী হ'লে উপযুক্ত আঠাৰে মেৰামতি কৰিব পাৰি। কিন্তু কাপোৰৰ গধুৰ বোজা বহন কৰিবলগীয়া হেংগাৰ বা কোনো বস্তুৰ ওজন ধৰি ৰখা সামগ্ৰী ভাঙিলে মেৰামতি কৰি পুনৰ ব্যৱহাৰ কৰাতকৈ নতুনটো ব্যৱহাৰ কৰাই ভাল। ঘৰৰ সামগ্ৰীৰ আয়ুস বঢ়াবলৈ হ'লে সামগ্ৰী নষ্ট হোৱাৰ পাছত ঠিক কৰাৰ লগতে আগতীয়াকৈ যত্ন লোৱাটোও অতি প্ৰয়োজনীয়। কাঠৰ সামগ্ৰী পানীৰ পৰা আঁতৰাই ৰাখিব লাগে, লোহাৰ সামগ্ৰী আৰ্দ্ৰতাৰ পৰা বচাব লাগে, কাপোৰৰ সামগ্ৰী নিয়মিত পৰিষ্কাৰ কৰি শুকান ঠাইত ৰাখিব লাগে আৰু যিকোনো সামগ্ৰী ব্যৱহাৰৰ পাছত উপযুক্ত ঠাইত থ'ব লাগে। সামান্য নষ্ট হোৱা প্ৰতিটো বস্তু পেলাই নতুন বস্তু কিনাৰ অভ্যাসৰ সলনি 'মেৰামতি কৰি পুনৰ ব্যৱহাৰ' কৰাৰ অভ্যাস গঢ়ি তুলিলে ঘৰখনো পৰিপাটি হৈ থাকে, খৰচো কমে। অৱশ্যে বৈদ্যুতিক সামগ্ৰী, গেছৰ সঁজুলি বা কোনো বিপজ্জনক বস্তু নষ্ট হ'লে নিজে পৰীক্ষা নকৰি দক্ষ মেকানিক বা বিশেষজ্ঞৰ সহায় লোৱাটোৱেই নিৰাপদ।

## গৃহসজ্জা



# বেতৰ সামগ্ৰীৰে ঘৰখনক দিয়ক নান্দনিক আৰু পৰম্পৰাগত ৰূপ

ঘৰ সজাবলৈ আজিকালি বজাৰত বিভিন্ন ধৰণৰ আধুনিক সামগ্ৰী সহজতে পোৱা যায়। কিন্তু প্ৰাকৃতিক সৌন্দৰ্য, পৰম্পৰাৰ গোন্ধ আৰু ঘৰুৱা উম একেলগে বিচাৰিলে বেতৰ সামগ্ৰীৰ বিকল্প অতি কম। অসমীয়া সমাজ-সংস্কৃতিৰ স'তে বেতৰ এক গভীৰ সম্পৰ্ক আছে। এসময়ত ঘৰৰ দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ পৰা আৰম্ভ কৰি আচবাবলৈকে বেতৰ ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান সময়ত সেই পৰম্পৰাগত বেতৰ সামগ্ৰীয়েই আধুনিক গৃহসজ্জাৰ এক আকৰ্ষণীয় উপাদান হিচাপে নতুন ৰূপত উভতি আহিছে। বেতৰ সামগ্ৰীৰ আটাইতকৈ ডাঙৰ বিশেষত্ব হ'ল ইয়াৰ প্ৰাকৃতিক ৰূপ। বেতৰ সামগ্ৰীয়ে ঘৰত এক শান্ত, উমাল আৰু মাটিৰ স'তে সংযোগ থকা পৰিৱেশ সৃষ্টি কৰে। আধুনিক ফ্লেট হওক বা পৰম্পৰাগত অসমীয়া ঘৰ সঠিকভাৱে বেতৰ সামগ্ৰী ব্যৱহাৰ কৰিলে যিকোনো ঘৰতে এক স্বকীয় সৌন্দৰ্য আনিব পাৰি।

ঘৰৰ বহা কোঠাটোৱেই সাধাৰণতে অতিথিৰ প্ৰথমে চকুত পৰা ঠাই। এই কোঠাত বেতৰ ছোফা, আৰামী চকী চেণ্টাৰ টেবুল অথবা সৰু টুল ব্যৱহাৰ কৰিব পাৰি। বেতৰ ছোফাৰ ওপৰত ৰঙীন কুশ্বন বা হাতেৰে বোৱা কাপোৰৰ কভাৰ ব্যৱহাৰ কৰিলে পৰম্পৰা আৰু আধুনিকতাৰ সুন্দৰ সমন্বয় ঘটে। বেতৰ সৰু টেবুল এখনৰ ওপৰত মাটিৰ ফুলদানি, সেউজীয়া গছ অথবা হাতেৰে বনোৱা সামগ্ৰী ৰাখিব পাৰি। বেৰত বেতৰ ঘূৰণীয়া বা বিভিন্ন আকৃতিৰ ৱাল হেংগিং লগালেও কোঠাটোৰ খালী বেৰৰ সৌন্দৰ্য বৃদ্ধি পায়।

ঘৰৰ বিভিন্ন কোণত সাধাৰণতে খালী ঠাই পৰি থাকে। সেই ঠাইবোৰ বেতৰ বাস্কেট বা ডাঙৰ বেতৰ পাত্ৰৰে সজাব পাৰি। তাত ইনড'ৰ প্লাণ্ট, শুকান ফুল অথবা সৰু সৰু ডেক'ৰেটিভ সামগ্ৰী ৰাখিব পাৰি।

বেতৰ বাস্কেটত কম্বল, আলোচনী, খেলনা বা দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰীও সুন্দৰকৈ ৰাখিব পাৰি। ফলত ঘৰখন দেখাত পৰিপাটি হোৱাৰ লগতে সংৰক্ষণৰ সমস্যাও কিছু পৰিমাণে সমাধান হয়।

শোৱনি কোঠাত অত্যধিক বস্তুৰ পৰিৱৰ্তে চিম্পল অধিক আকৰ্ষণীয়। বেতৰ হেডবৰ্ড, বেডছাইড টেবুল, লেম্পশ্বেড অথবা কাপোৰ থোৱা বাস্কেট ব্যৱহাৰ কৰি কোঠাটোত এক শান্ত আৰু প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰিব পাৰি। বেতৰ লেম্পশ্বেডৰ মাজেৰে ওলাই অহা কোমল পোহৰে ৰাতি কোঠাটোলৈ এক উমাল পৰিৱেশ আনে। ইয়াৰ সৈতে পাতল ৰঙৰ পৰ্দা,



কাঠৰ আচবাব আৰু সেউজীয়া গছ ব্যৱহাৰ কৰিলে শোৱনি কোঠাটো অধিক আৰামদায়ক হৈ উঠে।
গৃহসজ্জাত পোহৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাধাৰণ লাইটৰ পৰিৱৰ্তে বেতৰ লেম্পশ্বেড বা পেণ্ডেণ্ট লাইট ব্যৱহাৰ কৰিলে ঘৰখনলৈ এক বিশেষ নান্দনিকতা আহে। বেতৰ মাজেৰে পোহৰ ওলাই আহি বেৰত সৃষ্টি কৰা ছাঁ-পোহৰৰ আৰ্হিয়ে কোঠাটোক অধিক মনোমোহা কৰি তোলে। ডাইনিং টেবুলৰ ওপৰত এটা ডাঙৰ বেতৰ পেণ্ডেণ্ট লাইট অথবা বহা কোঠাৰ এটা কোণত বেতৰ ফ্ল'ৰ লেম্প ৰাখিব পাৰি।

ডাইনিং এলেকাত বেতৰ চকী, প্লেচমেট, ফল ৰখা বাস্কেট অথবা টেবুলৰ মাজত সজোৱা বেতৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি। কাঠৰ ডাইনিং টেবুলৰ স'তে বেতৰ চকীৰ সংমিশ্ৰণে এক উমাল আৰু প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰে। বেতৰ ফলৰ ব্ৰেড বাস্কেট ব্যৱহাৰ কৰিলেও ডাইনিং টেবুলখন সজাই পৰিপাটি কৰি ৰাখিব পাৰি। ঘৰৰ বাৰাণ্ডা বা বেলকনিখন বেতৰ সামগ্ৰীৰে সজাবলৈ অতি উপযুক্ত স্থান। বেতৰ আৰামী চকী, দোলনা, সৰু টেবুল আৰু বিভিন্ন আকাৰৰ প্লাণ্টাৰ ব্যৱহাৰ কৰি ইয়াক এক সৰু 'গ্ৰীণ কৰ্ণাৰ'লৈ ৰূপান্তৰ কৰিব পাৰি। এখন বেতৰ চকীত বহি পুৱা চাহৰ কাপ হাতত লৈ কিছু সময় কটোৱা অথবা সন্ধিয়াৰ সময়ত আপোনজনৰ সৈতে কথা পতা এনে সৰু সৰু মুহূৰ্তবোৰে ঘৰখনক কেৱল সুন্দৰেই নকৰে, অধিক আপোন কৰি তোলে। বেৰত সদায় ছবি বা ঘড়ী লগোৱাৰ প্ৰয়োজন নাই। বিভিন্ন আকাৰৰ বেতৰ প্লেট, আয়না অথবা হাতেৰে বনোৱা বেতৰ ৱাল ডেকৰ ব্যৱহাৰ কৰি এক আকৰ্ষণীয় 'ফ'কেল ৱাল' সৃষ্টি কৰিব পাৰি। বিশেষকৈ মাটিৰ ৰঙৰ বেৰৰ স'তে প্ৰাকৃতিক বেতৰ ৰঙৰ সংমিশ্ৰণে ঘৰত এক শান্ত আৰু পৰম্পৰাগত পৰিৱেশ সৃষ্টি কৰে। বেতৰ সামগ্ৰীৰ স'তে গছ-গছনিৰ মিল অতি সুন্দৰ। বেতৰ প্লাণ্টাৰ বা বাস্কেটত মানিপ্লাণ্ট, স্নেক প্লাণ্ট, স্পাইডাৰ প্লাণ্ট আদি ৰাখিব পাৰি। প্ৰাকৃতিক বেত আৰু সেউজীয়া পাতৰ সংমিশ্ৰণে ঘৰখনক সতেজ কৰি তোলে। অৱশ্যে গছ ৰাখোতে ঘৰৰ পোহৰ, বায়ু চলাচল আৰু গছৰ যত্নৰ প্ৰয়োজনীয়তাৰ কথাও মনত ৰখা উচিত। বেতৰ সামগ্ৰী বহুদিন সুন্দৰ কৰি ৰাখিবলৈ নিয়মীয়াকৈ ধূলি-মাকতি পৰিষ্কাৰ কৰিব লাগে। অতিমাত্ৰা পানী বা সেমেকা ঠাইত বেতৰ সামগ্ৰী দীঘলীয়া সময় ৰাখিলে ক্ষতি হ'ব পাৰে। সেয়ে শুকান কাপোৰেৰে পৰিষ্কাৰ কৰা আৰু প্ৰয়োজন অনুসৰি ভালদৰে শুকুৱাই ৰখা উচিত। সকলো বস্তু বেতৰ হ'ব লাগিব বুলি কোনো কথা নাই। বেত, কাঠ, মাটি, কপাহ আৰু ধাতুৰ সামগ্ৰীৰ স'তে বেতৰ সঠিক সংমিশ্ৰণ কৰিলেহে গৃহসজ্জা অধিক সুন্দৰ আৰু সুষম হৈ উঠে।

# মিক্সাৰ গ্ৰাইণ্ডাৰৰ যত্ন কেনেকৈ ল'ব



পাকঘৰৰ কামত মিক্সাৰ গ্ৰাইণ্ডাৰ এটা অতি প্ৰয়োজনীয় সামগ্ৰী। কিন্তু সঠিক যত্ন নল'লে ই সোনকালে নষ্ট হ'ব পাৰে। অলপ যত্নেৰে আপুনি ইয়াৰ আয়ুস বঢ়াব পাৰে আৰু কামো সহজ কৰিব পাৰে।
মিক্সাৰ ব্যৱহাৰ কৰাৰ আগতে জাৰটো সম্পূৰ্ণ শুকান নে নহয় চাওক। পানী থাকিলে মটৰ ক্ষতি হ'ব পাৰে। অতি গৰম খাদ্য পোনপটীয়াকৈ জাৰত নিদিব। অলপ ঠাণ্ডা হ'বলৈ দিয়াৰ পাছত ব্যৱহাৰ কৰক, নহ'লে জাৰৰ ঢাকনি আৰু ব্লেড দুয়ো ক্ষতিগ্ৰস্ত হ'ব পাৰে। জাৰত একেবাৰে অধিক বস্তু ভৰাই নিদিব। অলপ অলপকৈ দিলে মটৰৰ ওপৰত চাপ কম পৰে।
ব্যৱহাৰ শেষ হোৱাৰ লগে লগে জাৰটো পানী আৰু অলপ ডিটাৰজেণ্ট দি ধুই ল'ব। শুকান কৰি থ'লে দাগ আৰু গোন্ধ নাথাকে। ব্লেডবোৰ সাৱধানে পৰিষ্কাৰ কৰক। সময়ে সময়ে চাওক যদি কিবা ঢিলা হৈছে নে নহয়। প্ৰয়োজন হ'লে টান কৰি ল'ব। মিক্সাৰটো একেলগে বহুত সময় চলাব নালাগে। মাজে মাজে বন্ধ কৰি অলপ বিশ্ৰাম দিব, যাতে মটৰ গৰম নোহোৱাকৈ থাকে। ইলেকট্ৰিক তাঁৰ আৰু প্লাগ ভাল অৱস্থাত আছে নে নাই সময়ে সময়ে পৰীক্ষা কৰক। এইটো সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ।
মিক্সাৰ গ্ৰাইণ্ডাৰৰ সঠিক যত্ন ল'লে ই দীঘলীয়া সময় ধৰি ভালকৈ কাম কৰে। লগতে আপোনাৰ দৈনন্দিন কামো সহজ হৈ থাকে।





# প্ৰতিবন্ধকতাক অতিক্ৰমি কল্পনাৰ পৃথিৱীত জীৱনৰ সন্ধান

জীৱন কেতিয়াও কাৰো বাবে একেবাৰে মসৃণ নহয়। কেতিয়াবা শাৰীৰিক সীমাবদ্ধতা, কেতিয়াবা সামাজিক বাস্তৱতা আৰু কেতিয়াবা নিজৰ ভিতৰৰ সংঘাতেই মানুহক নতুনকৈ নিজকে আৱিষ্কাৰ কৰিবলৈ শিকায়। তেনে প্ৰত্যাহ্বানক শক্তিলৈ ৰূপান্তৰিত কৰি সাহিত্যৰ পৃথিৱীত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছে ঔপন্যাসিকা **ৰশ্মিৰেখা ভূঞাই**। শাৰীৰিক প্ৰত্যাহ্বানৰ মাজতো কল্পনাৰ এখন নিজস্ব পৃথিৱী গঢ়ি লৈ তেওঁ কবিতাৰ পৰা গল্প আৰু উপন্যাসৰ যাত্ৰাত আগবাঢ়ি পাঠকৰ মনত এক সুকীয়া পৰিচয় গঢ়ি তুলিছে।

জীৱন কেতিয়াও কাৰো বাবে একেবাৰে মসৃণ নহয়। কেতিয়াবা শাৰীৰিক সীমাবদ্ধতা, কেতিয়াবা সামাজিক বাস্তৱতা আৰু কেতিয়াবা নিজৰ ভিতৰৰ সংঘাতেই মানুহক নতুনকৈ নিজকে আৱিষ্কাৰ কৰিবলৈ শিকায়। তেনে প্ৰত্যাহ্বানক শক্তিলৈ ৰূপান্তৰিত কৰি সাহিত্যৰ পৃথিৱীত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছে ঔপন্যাসিকা ৰশ্মিৰেখা ভূঞাই। শাৰীৰিক প্ৰত্যাহ্বানৰ মাজতো কল্পনাৰ এখন নিজস্ব পৃথিৱী গঢ়ি লৈ তেওঁ কবিতাৰ পৰা গল্প আৰু উপন্যাসৰ যাত্ৰাত আগবাঢ়ি পাঠকৰ মনত এক সুকীয়া পৰিচয় গঢ়ি তুলিছে।

'মেঘে ঢকা আকাশৰ জোন'ৰ আত্মজীৱনীমূলক জীৱন সংগ্ৰামৰ পৰা 'জীৱন বীণাৰ সুৰ'ৰ সামাজিক বাস্তৱতা, 'জিগলো'ত পুৰুষ যৌনকৰ্মীৰ জীৱন আৰু মনোজগতৰ অনুসন্ধানৰ পৰা 'মাটি ঈশ্বৰ'ত মৃৎশিল্পীসকলৰ সমস্যা আৰু বানপানীৰ বাস্তৱতালৈ তেওঁৰ সৃষ্টিশীল যাত্ৰাই বিষয়বস্তুৰ বৈচিত্ৰ্যৰ লগতে সমাজ আৰু মানুহক গভীৰ ভাৱে চোৱাৰ এক সংবেদনশীল দৃষ্টিভংগীও প্ৰকাশ কৰে। প্ৰেম, যৌনতা, মাতৃত্ব, সামাজিক নীতি-নিয়ম, একাকিত্ব আৰু জীৱনৰ সংঘাত তেওঁৰ সাহিত্যৰ অন্যতম গুৰুত্বপূৰ্ণ অনুষংগ। সাহিত্যৰ প্ৰতি থকা এই গভীৰ তাগিদা, মাতৃত্ব আৰু শিক্ষকতাৰ দায়িত্বৰ মাজতো সৃষ্টিশীলতাক জীয়াই ৰখাৰ প্ৰয়াস আৰু জীৱনৰ ধুমুহাৰ মাজতো সাহস হেৰাই যাবলৈ নিদিয়া এই সকলোবোৰ কথা জানিবলৈ ঔপন্যাসিকা ৰশ্মিৰেখা ভূঞাৰ স'তে শ্ৰীময়ীৰ এই অন্তৰংগ আলাপ।

১) জিগলোত আপুনি প্ৰেম আৰু যৌনতাক কেৱল ৰোমাণ্টিক অনুভূতি হিচাপে নহয়, সমাজৰ বাস্তৱতা, শৰীৰ, আকাংক্ষা আৰু অস্তিত্বৰ স'তে সংযুক্ত কৰি উপস্থাপন কৰিছে। এগৰাকী মহিলা লেখিকাই এজন পুৰুষ যৌনকৰ্মীৰ অন্তৰ্জগতক লৈ লিখোতে কিবা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল নেকি?

উত্তৰ ঃ প্ৰথমে আপোনাক আৰু অগ্ৰদূত গোষ্ঠীক ধন্যবাদ জ্ঞাপন কৰিছো।

এতিয়া আপোনাৰ প্ৰশ্নটোলৈ আহিছো। হয় জিগলোত মই জিগলো জীৱন আৰু তেওঁলোকৰ জীৱনত প্ৰেম আৰু যৌনতাক নিজৰ দৃষ্টিকোণেৰে লিপিবদ্ধ কৰিবলৈ যত্ন কৰিছো। জিগলো সকলে যদিও টকাৰ কাৰণে নিজক বিক্ৰী কৰে, তেওঁলোকৰো নিজৰ এটা জীৱন থাকে । যিটো জীৱন বাহিৰৰ ৰং-চঙীয়া পৃথিৱীখনৰ পৰা বহু দূৰত। তেওঁলোকৰ বিবেক, অনুভৱবোৰে তেওঁলোকৰ মনোজগতত কেনেদৰে ক্ৰিয়া কৰে সেই কথাখিনি উপন্যাসখনত ফুটাই তুলিবলৈ যাওঁতে মই নিজকে এগৰাকী জিগলোৰ ৰূপত কল্পনা কৰি লৈছিলো। এগৰাকী মহিলা হোৱাৰ পাছতো এজন পুৰুষ যৌনকৰ্মীৰ মনোজগতখন অংকন কৰিবলৈ যাওঁতে মই যাতে কথাবোৰ পুৰুষৰ দৃষ্টিকোণেৰে লিপিবদ্ধ কৰিব পাৰো তাৰ বাবে মই প্ৰতি ক্ষণ নিজকে এজন পুৰুষ হিচাপে কল্পনা কৰিছিলো। উপন্যাসখন লিখিবলৈ মোক দুবছৰ সময় লাগিছিল। সেই দুবছৰত মই নিজৰ মাজত এজন পুৰুষক কঢ়িয়াই ফুৰিছিলো। কষ্ট হৈছিল। এগৰাকী নাৰী হৈ পুৰুষ এজনক অনবৰত মনৰ মাজত কঢ়িয়াই ফুৰাটো ইমান সহজ নাছিল। প্ৰতিটো কথা, প্ৰতি গৰাকী নাৰীক সেই দুবছৰ মই এজন পুৰুষৰ দৃষ্টিৰে লক্ষ্য কৰিছিলো। কাহিনীৰ স্বাৰ্থত মই বহু বাৰ যৌনতাক উপন্যাসখনত স্থান দিব লগা হৈছিল। কিন্তু মোৰ কলমত যৌনতাই যাতে শৈল্পিক ৰূপ লাভ কৰে তাৰ বাবে মই যথেষ্ট সাৱধান হ'ব লগা হৈছিল। কাৰণ শব্দৰ ভুল ব্যৱহাৰে বা শব্দৰ ভুল বাছনিয়ে উপন্যাসখনকেই সলনি কৰি দিব। এই প্ৰত্যাহ্বানটো মোৰ বাবে ইমান সহজ নাছিল। তাতে মই যিহেতু এগৰাকী নাৰী, সেয়ে কথাবোৰ মোৰ কাৰণে অলপ জটিলেই আছিল। বিশেষকৈ যেতিয়া মই জিগলোৰ লগত কথা পাতিছিলো, সেই সময়খিনিত মোৰ মনৰ মাজত সোমাই থকা প্ৰশ্নবোৰ সুধিবলৈ লৈ বাৰে বাৰে থমকি ল'ব লগা হৈছিল। কিন্তু সেই সময়ত মই এটা কথা খুব ভালদৰেই অনুভৱ কৰিছিলো যে পুৰুষ বা নাৰী সকলোৰে অনুভৱবোৰ প্ৰায় একেই হয়।

২) মেঘে ঢকা আকাশৰ জোন, জীৱন বীণাৰ সুৰ, জিগলো আৰু মাটি ঈশ্বৰলৈ- এই ভিন্ন কাহিনী আৰু বিষয়বস্তুৰ মাজেৰে আপুনি নিজৰ লেখকসত্তাৰ কি পৰিৱৰ্তন অনুভৱ কৰিছে ?

উত্তৰ ঃ আচলতে এই পৰিৱৰ্তনটো ভালকৈ পাঠক সকলেহে ক'ব পাৰিলেহেঁতেন ।

সমাজৰ কিছুমান কথা যিবোৰ কথা দেখাত সৰু অথচ সেই সৰু কথাবোৰেই কাৰোবাৰ কাৰণে জীৱন সলনি কৰি দিব পাৰে তেনেধৰণৰ বিষয়বস্তুৱে মোক সদায় আকৰ্ষণ কৰে। মোৰ প্ৰথমখন উপন্যাস 'মেঘে ঢকা আকাশৰ জোন'ৰ বিষয়বস্তু আছিল মোৰ জীৱন সংগ্ৰাম। সেইখন আত্মজীৱনীমূলক উপন্যাস। দ্বিতীয় উপন্যাস 'জীৱন বীণাৰ সুৰ' এখন সামাজিক উপন্যাস। তিনি প্ৰজন্মক সামৰি এই উপন্যাসখন লিখিছিলো। অসমীয়া বিবাহ প্ৰণালীক উপন্যাসখনত প্ৰাধান্য দিয়া হৈছিল। তৃতীয় উপন্যাস 'জিগলো' পুৰুষ যৌনকৰ্মী সকলৰ জীৱনৰ ওপৰত আধাৰিত আৰু চতুৰ্থখন উপন্যাস 'মাটি ঈশ্বৰ' মৃৎ শিল্পীসকলৰ সমস্যাবোৰক লৈ ৰচিত। ইয়াত বানপানীৰ সমস্যাটোৱেও প্ৰাধান্য লাভ কৰিছে। মই ভাবো আত্মজীৱনীমূলক উপন্যাসৰ পৰা সামাজিক উপন্যাসৰ এই যাত্ৰাটোৱেই মোৰ লেখকসত্তাক প্ৰতিনিধিত্ব কৰিছে।

৩) শিক্ষকতা, মাতৃত্ব আৰু সাহিত্যচৰ্চাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো কিমান প্ৰত্যাহ্বানমূলক? এই অভিজ্ঞতাবোৰে আপোনাৰ সাহিত্যক কেনেদৰে প্ৰভাৱিত কৰিছে?

উত্তৰ ঃ শিক্ষকতা, মাতৃত্ব আৰু সাহিত্য চৰ্চাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো প্ৰত্যাহ্বানমূলক বুলি মই নাভাবো। বৰং ছাত্ৰ-ছাত্ৰীসকলৰ লগত পাৰ কৰা সময়খিনিয়ে আমাক সমৃদ্ধহে কৰি তোলে। মাতৃত্বটো আৰু উপভোগৰ সময়। নিজক ভালকৈ চিনি পোৱা, নিজৰ শক্তি-সাহসৰ লগত পৰিচয় হোৱাৰ সুৱৰ্ণ সময়খিনি আমাক মাতৃত্বই প্ৰদান কৰে। মোৰ ছোৱালীৰ বয়স এতিয়া আঢ়ৈ বছৰ। এই আঢ়ৈ বছৰত মই মাত্ৰ দুটা গল্পহে লিখিব পাৰিছো। কাৰণ মই লিখিবলৈ বহী-কলম উলিয়াই ল'লেই মোৰ ছোৱালীয়ে আহি সেই বহীত লিখিবলৈ লাগে। সেই সময়ত মোৰ লিখা কামটো পিছ পৰি যায়। কিন্তু এই যে মোৰ হাতৰ পৰা বহীখন আৰু কলমটো লৈ গৈ তাই আঁক-বাঁক কৰে বা তাই মোৰ কোলাত উঠি মোক সাৱটি ধৰে, মোৰ বুকুৰ মাজত সোমাই থাকে সেই সময়খিনিত মই মমতাৰে সমৃদ্ধ হওঁ। এই সময়খিনিয়ে মোক যি এক অনাবিল আনন্দ প্ৰদান কৰে, মই ভাবো সেই আনন্দই মোক লেখক হিচাপে সমৃদ্ধ কৰিছে ।

৪) SMA ৰ দৰে শাৰীৰিক প্ৰত্যাহ্বানৰ মাজতো আপুনি নিৰন্তৰ সাহিত্যচৰ্চা কৰি আহিছে। এই যাত্ৰাত আপোনাক আটাইতকৈ বেছি কিহে শক্তি দিয়ে ?

উত্তৰ ঃ এই ক্ষেত্ৰত মই মোৰ শাৰীৰিক অক্ষমতাই বান্ধি দিয়া সীমাৰ কথাই ক'ব লাগিব। যি সময়ত মোৰ লগৰ বন্ধু-বান্ধৱীসকলে হৈ-গুডু, লুকাভাকু আদিৰ দৰে খেল খেলিছিল সেই সময়ত মই এখন চকীত বহি বা মজিয়াত বহি শিশু আলোচনী আৰু বাতৰি কাকতৰ শিশু চ'ৰাত ব্যস্ত হৈ আছিলো। সেই আলোচনী, সাধু কিতাপ আৰু বাতৰি কাকতৰ মাজতেই মোৰ কল্পনাবোৰ ঠন ধৰি উঠিছিল। মই সৰুৰে পৰাই খুব কল্পনাবিলাসী। হয়তো আনৰ দৰে বাস্তৱ জীৱনত দৌৰি-ঢাপৰি ফুৰিব নোৱাৰাৰ কাৰণেই মই মোৰ কল্পনাৰ পৃথিৱীখনত দৌৰি ফুৰো। কল্পনাতে মই আন দহজন সক্ষম ল'ৰা-ছোৱালীৰ দৰে জঁপিয়াইছিলো, নাচিছিলো, দৌৰিছিলো। এই কল্পনাৰ



পৃথিৱীখনেই মোৰ জীৱনৰ প্ৰথমটো কবিতা 'জোনাকী পৰুৱা' লিখিবলৈ প্ৰেৰণা দিছিল, তেতিয়া মই চতুৰ্থ শ্ৰেণীত পঢ়ি আছিলো। তাৰ পাছতেই মা-পাপাৰ প্ৰেৰণা আৰু সাহস আছিল অনস্বীকাৰ্য। লেখক জীৱনৰ প্ৰথম সময়খিনিত কবিতাৰ চৰ্চা কৰিছিলো। বিভিন্ন বাতৰি কাকত, মাহেকীয়া আলোচনীত মোৰ বহু কেইটা কবিতা প্ৰকাশ পাইছে। এইখিনিতে উল্লেখ কৰিছোঁ, ২০২৫ৰ মাৰ্চ মাহত সাহিত্য অকাডেমীয়ে দিল্লীত অনুষ্ঠিত কৰা 'ফেষ্টিভেল অৱ্ লেটাৰছ'ত অসমৰ পৰা কবিতাৰ ক্ষেত্ৰত মই নিমন্ত্ৰিত হৈছিলো। কবিতাৰ পৰা গল্পৰ পৃথিৱীখনলৈ প্ৰথম খোজটো দিয়াত যাৰ অৱিহণা উল্লেখযোগ্য। মায়ে দাবী নকৰা হ'লে মই চাগে কবিতাৰ মাজতেই জীয়াই থাকিলোহেঁতেন। কাৰণ কবিতা মোৰ প্ৰথম প্ৰেম। আমাৰ সকলোৰে শ্ৰদ্ধাৰ কথাশিল্পী হোমেন বৰগোহাঞিঃ বৰদেউতাৰ পৰামৰ্শমতে মই মোৰ প্ৰথমখন উপন্যাস 'মেঘে ঢকা আকাশৰ জোন' লিখিছিলো।

কোনো এখন উপন্যাস বা গল্প লিখাৰ সময়ত মনৰ মাজৰ পৰা তাগিদা নাপালে লিখা কামটো মই নিয়াৰিকৈ কৰিব নোৱাৰো আৰু মনৰ মাজত তাগিদা মই মোৰ কল্পনাৰ সৰু পৃথিৱীখনৰ মাজত বিচাৰি পাওঁ।

৫) আপোনাৰ সাহিত্যত প্ৰেম কেৱল দুজন মানুহৰ ব্যক্তিগত অনুভূতি নহয়; তাৰ স'তে শৰীৰ, সমাজ, সামাজিক নীতি-নিয়ম, আকাংক্ষা আৰু মানুহৰ একাকিত্বও জড়িত হৈ থকা দেখা যায়। আজিৰ ডিজিটেল আৰু দ্ৰুত পৰিৱৰ্তনশীল সমাজত প্ৰেম আৰু যৌনতাৰ বিষয়ে মানুহৰ ধাৰণা সলনি হৈ থকাৰ সময়ত এগৰাকী লেখিকা হিচাপে আপুনি ভাবেনে যে সাহিত্যই এই বিষয়বোৰক নৈতিক বিচাৰৰ চকুৰে নাচায় মানৱীয় সংবেদনশীলতাৰ চকুৰে চাব লাগে?

উত্তৰ ঃ হয়। আমাৰ জীৱনৰ আটাইতকৈ সূক্ষ্ম আৰু কোমল অনুভৱটোৱেই হ'ল প্ৰেম। প্ৰেমৰ অবিহনে জীৱন একঘেয়ামী হৈ পৰে। কাৰোবাক ভাল পোৱা আৰু কাৰোবাক ভাল লগাৰ মাজত আকাশ পাতল পাৰ্থক্য থাকে। ভাল লগা আৰু ভালপোৱা সম্পূৰ্ণ বেলেগ। কিন্তু আজিৰ সময়ত ভাল লগাকেই ভালপোৱা ৰূপ দিয়া দেখিবলৈ পোৱা যায়। যাৰ কাৰণে প্ৰেম বাৰে বাৰে কলুষিত হয়। বহু ক্ষেত্ৰত আমি প্ৰেমৰ লগত যৌনতা জড়িত হোৱা দেখো। হয়, এটা সময়ত প্ৰেমৰ লগত যৌনতা জড়িত হয় বা হোৱাতো স্বাভাৱিক। কিন্তু প্ৰেম মানেই যৌনতা নহয়। যিটো আজি-কালি যুৱচামৰ মাজত সততে দেখিবলৈ পোৱা যায়। প্ৰেমে সদায় সৃষ্টি কৰে। নিজৰ জীৱনতেই হওক বা সমাজৰ বাবেই হওঁক, প্ৰেমে দিব জানে। প্ৰেমে জাতি, বৰ্ণ, ধৰ্ম, বৈধ-অবৈধ একো নাজানে।

সাহিত্যত প্ৰেম আৰু যৌনতাক প্ৰায়েই মানৱীয় সংবেদনশীলতাৰ দৃষ্টিকোণেৰেই চোৱা হয়। মই ভাবো, সাহিত্যই অলপ হ'লেও সমাজৰ ওপৰত প্ৰভাৱ পেলাব পাৰে।

৬) আপুনি নিজে জীৱনৰ বহু প্ৰত্যাহ্বান অতিক্ৰম কৰিছে, শেষত জানিব বিচাৰিছো যে আপুনি জীৱন আৰু সাহিত্য চৰ্চাৰ পৰা আটাইতকৈ ডাঙৰ শিক্ষা কি লাভ কৰিলে?

উত্তৰ ঃ প্ৰত্যাহ্বান অবিহনে জীৱনে কেতিয়াও সফলতাৰ মুখ নেদেখে। যেনেদৰে একাঁ-বেকাঁ কঠিন পথেহে সুদক্ষ গাড়ী চালকৰ জন্ম দিব পাৰে তেনেদৰে প্ৰত্যাহ্বানপূৰ্ণ জীৱনেহে জীৱন জীয়াৰ মাদকতা লাভ কৰে। জীৱনটো উপভোগ কৰিব পাৰে। জীৱনৰ শিক্ষা বুলি ক'লে, এটা কথাই মনলৈ আহে হেজাৰ ধুমুহাৰ মাজতো যদি আমি সাহস নেহেৰুৱাই ধৈৰ্যৰে সেই ধুমুহাৰ মুখামুখি হ'ব পাৰো তেনেহ'লে জীৱনে এদিন হাঁহিবই। সাহস, আত্মবিশ্বাস আৰু ধনাত্মক মানসিকতাই আমাক সদায় আগুৱাই যাবলৈ উৎসাহ দিয়ে। জীৱন কঠিন হ'ব পাৰে কিন্তু অসম্ভৱ নহয় ।

নিজৰ জীৱনটোক লৈ মোৰ আটাইতকৈ ভাল লগা অনুভৱ হ'ল 'জীৱন সুন্দৰ'। হেজাৰ ধুমুহাৰ মাজতো বাৰে বাৰে প্ৰেমত পৰিব পৰাকৈ জীৱন সুন্দৰ।



## ফেশ্বন

# পাটিয়ালা চুট কেনেকৈ ষ্টাইল কৰিব

পাটিয়ালা চুট কেৱল পৰম্পৰাগত পোছাক নহয়, ই হৈছে আৰাম, সৌন্দৰ্য আৰু আধুনিক ফেশ্বনৰ এক সুন্দৰ সমন্বয়। বহল আৰু ঢিলা পাটিয়ালা পেণ্টৰ স'তে চুটি বা দীঘল কুৰ্তা, দুপাট্টা আৰু আকৰ্ষণীয় আনুষংগিক সামগ্ৰী মিলাই অতি সহজেই এক আকৰ্ষণীয় সাজ সৃষ্টি কৰিব পাৰি। দৈনন্দিন ব্যৱহাৰৰ পৰা আৰম্ভ কৰি উৎসৱ, অনুষ্ঠান, বিয়া বা বন্ধুৰ স'তে ওলাই যোৱা প্ৰায় প্ৰতিটো পৰিৱেশতে সঠিকভাৱে ষ্টাইল কৰিলে পাটিয়ালা চুটে এক অনন্য ব্যক্তিত্ব প্ৰকাশ কৰে।

পাটিয়ালা চুট কেৱল পৰম্পৰাগত পোছাক নহয়, ই হৈছে আৰাম, সৌন্দৰ্য আৰু আধুনিক ফেশ্বনৰ এক সুন্দৰ সমন্বয়। বহল আৰু ঢিলা পাটিয়ালা পেণ্টৰ স'তে চুটি বা দীঘল কুৰ্তা, দুপাট্টা আৰু আকৰ্ষণীয় আনুষংগিক সামগ্ৰী মিলাই অতি সহজেই এক আকৰ্ষণীয় সাজ সৃষ্টি কৰিব পাৰি। দৈনন্দিন ব্যৱহাৰৰ পৰা আৰম্ভ কৰি উৎসৱ, অনুষ্ঠান, বিয়া বা বন্ধুৰ স'তে ওলাই যোৱা প্ৰায় প্ৰতিটো পৰিৱেশতে সঠিকভাৱে ষ্টাইল কৰিলে পাটিয়ালা চুটে এক অনন্য ব্যক্তিত্ব প্ৰকাশ কৰে।


পাটিয়ালা চুটৰ স'তে কুৰ্তা বাছনি কৰাৰ সময়ত প্ৰথমে নিজৰ শৰীৰৰ গঠন আৰু অনুষ্ঠানটোৰ কথা মনত ৰখা উচিত। পাটিয়ালা পেণ্ট সাধাৰণতে বহল হোৱা বাবে তাৰ স'তে অলপ ফিটিং বা চিম্পল কাটৰ কুৰ্তা পিন্ধিলে সাজটো ভাৰসাম্যপূৰ্ণ দেখায়। চুটি কুৰ্তাই পাটিয়ালা পেণ্টৰ ধুনীয়া ভাঁজ আৰু ডিজাইন অধিক স্পষ্ট কৰি তোলে।

দৈনন্দিন ব্যৱহাৰৰ বাবে কটন বা হেণ্ডলুমৰ পাটিয়ালা চুট অতি সুন্দৰ বিকল্প। পাতল ৰঙৰ কুৰ্তা, সৰু প্ৰিণ্ট বা ফুলৰ ডিজাইনৰ স'তে সাধাৰণ পাটিয়ালা পেণ্টে এক সতেজ আৰু স্বাভাৱিক লুক দিয়ে। আনহাতে, কোনো অনুষ্ঠানৰ বাবে ৰেছম, জৰী, এম্ব্ৰয়ডাৰী বা মিৰৰ-ৱৰ্ক থকা কুৰ্তা বাছি ল'ব পাৰি।

পাটিয়ালা চুটৰ বিশেষত্ব হৈছে ইয়াত ৰঙৰ স'তে সহজে পৰীক্ষা-নিৰীক্ষা কৰিব পাৰি। একে ৰঙৰ কুৰ্তা আৰু পাটিয়ালা পেণ্টৰ স'তে দুপাট্টাত উজ্জ্বল ৰং ব্যৱহাৰ কৰিলে সাজটো অধিক আকৰ্ষণীয় হৈ উঠে। যেনে-পেষ্টেল গোলাপী কুৰ্তাৰ স'তে বগা পাটিয়ালা পেণ্ট আৰু পাতল সেউজীয়া দুপাট্টা বা নীলা কুৰ্তাৰ স'তে বগা পাটিয়ালা। উৎসৱৰ সময়ত মেজেণ্টা, ৰয়েল ব্লু, গাঢ় সেউজীয়া, মেৰুণ, কমলা বা হালধীয়া ৰঙৰ সংমিশ্ৰণেও যথেষ্ট আকৰ্ষণীয় ৰূপ দিব পাৰে।

পাটিয়ালা চুটৰ স'তে দুপাট্টা কেৱল শৰীৰ ঢকাৰ বাবে নহয়, ই সাজটোৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ। সাধাৰণ কুৰ্তা-পেণ্টৰ স'তে এটা ধুনীয়া ফুলকাৰী, চান্দেৰি, কটন বা ছপা দুপাট্টা ব্যৱহাৰ কৰিলে সম্পূৰ্ণ সাজটো একেবাৰে নতুন যেন লাগে। দৈনন্দিন লুকৰ বাবে দুপাট্টাখন এফালে মেলি থোৱাৰ পৰিৱৰ্তে ডিঙিত সাধাৰণভাৱে মেৰিয়াই ল'ব পাৰি। অনুষ্ঠানৰ বাবে দুপাট্টাখন এফালে পেলাই বা দুয়োফালে সমানে মেলি লৈ ষ্টাইল কৰিব পাৰি। দুপাট্টাৰ ৰং যদি কুৰ্তাৰ পৰা অলপ পৃথক হয়, তেন্তে সাজটো অধিক জীৱন্ত হৈ উঠে।

পাটিয়ালা চুটৰ স'তে জোতা বাছনি কৰাৰ ক্ষেত্ৰতো কে'বাটাও বিকল্প আছে। পৰম্পৰাগত লুকৰ বাবে পাঞ্জাৰী জুতি, মোকাছিন বা এম্ব্ৰয়ডাৰী কৰা ফ্লেট অতি সুন্দৰ। সাধাৰণতে দিনত কুৰ্তা-পাটিয়ালাৰ সৈতে আৰামদায়ক ক'লহাপুৰী চেণ্ডেল বা সাধাৰণ ফ্লেট চেণ্ডেলেও সুন্দৰ মানায়।
যদি অলপ আধুনিক লুক বিচাৰে, তেন্তে মিনিমেল চেণ্ডেল বা ব্লক হিল ব্যৱহাৰ কৰিব পাৰে। অৱশ্যে পাটিয়ালা পেণ্ট নিজেই যথেষ্ট ভলিউমযুক্ত হোৱা বাবে অত্যধিক গধুৰ জোতা এৰাই চলিলে সাজটো অধিক পৰিপাটি দেখা যায়।
পাটিয়ালা চুটৰ স'তে গহনা পিন্ধাৰ ক্ষেত্ৰত কম পিন্ধিলে সাজটো অধিক মাৰ্জিত হয়। সাধাৰণ কুৰ্তাৰ স'তে অকণমান ডাঙৰ ঝুমকা, অকণমান কাণফুলি, কাঁচৰ খাৰু বা এটা সুন্দৰ ঘড়ী যথেষ্ট। উৎসৱৰ সাজৰ ক্ষেত্ৰত অকণমান গধুৰ অক্সিডাইজড ঝুমকা বা পৰম্পৰাগত গহনা পিন্ধিব পাৰি। কিন্তু কুৰ্তাত যদি ইতিমধ্যে বেছি কাম থাকে, তেন্তে গহনাত অধিক নকৰি এটা বা দুটাতেই সীমাবদ্ধ থাকিলে সৌন্দৰ্য বেছি ফুটে। পাটিয়ালা চুটৰ স'তে চুলিৰ ষ্টাইলো সাজটোৰ অংশ। দৈনন্দিন লুকৰ বাবে খোলা চুলি, সাধাৰণ পনিটেইল বা নিম্ন বান অতি সহজ আৰু সুন্দৰ। উৎসৱ বা অনুষ্ঠানৰ বাবে অলপ ঢৌ খেলোৱা চুলি, বেণী বা গজৰা লগোৱা বানেও পৰম্পৰাগত সৌন্দৰ্য বৃদ্ধি কৰে। যদি কাণত ডাঙৰ ঝুমকা পিন্ধে, তেন্তে চুলি অলপ পাছলৈ বান্ধি ল'লে গহন আৰু মুখৰ সৌন্দৰ্য দুয়োটাই অধিক স্পষ্ট হয়।
অফিচ বা দৈনন্দিন কামৰ বাবে কটনৰ সাধাৰণ পাটিয়ালা চুট, সৰু প্ৰিণ্টৰ কুৰ্তা, পাতল দুপাট্টা আৰু ফ্লেট জোতা এই সংমিশ্ৰণটো অতি আৰামদায়ক। বন্ধুৰ স'তে ওলাই যোৱাৰ বাবে অলপ উজ্জ্বল ৰঙৰ কুৰ্তা, দুপাট্টা, ঝুমকা আৰু জুতিৰে এটা ফ্ৰেছ লুক সৃষ্টি কৰিব পাৰি। আকৌ বিয়া বা উৎসৱৰ বাবে এম্ব্ৰয়ডাৰী কৰা পাটিয়ালা চুট, গধুৰ দুপাট্টা, পৰম্পৰাগত গহনা আৰু জুতিৰে সাজটো অধিক ৰাজকীয় কৰি তুলিব পাৰি। কাপোৰৰ মান আৰু কাম যিমানেই ভাল হ'ব, আনুষংগিক সামগ্ৰী সিমানেই পৰিমিত ৰখা ভাল। ফেশ্বনৰ লগতে আৰামো বৰ্তমান সময়ৰ সাজ-পোছাকৰ এক গুৰুত্বপূৰ্ণ অংশ। পাটিয়ালা পেণ্টৰ বহল ডিজাইনৰ বাবে খোজ কঢ়া, বহা বা দৈনন্দিন কাম কৰাৰ সময়ত যথেষ্ট আৰাম পোৱা যায়। সেয়েহে গৰমৰ দিনত কটন বা লিনেনৰ পাটিয়ালা চুট বিশেষ উপযোগী। পাটিয়ালা চুট কেনেকৈ ষ্টাইল কৰিব পাটিয়ালা চুট কেৱল পৰম্পৰাগত পোছাক নহয়, ই হৈছে আৰাম, সৌন্দৰ্য আৰু আধুনিক ফেশ্বনৰ এক সুন্দৰ সমন্বয়। বহল আৰু ঢিলা পাটিয়ালা পেণ্টৰ স'তে চুটি বা দীঘল কুৰ্তা, দুপাট্টা আৰু আকৰ্ষণীয় আনুষংগিক সামগ্ৰী মিলাই অতি সহজেই এক আকৰ্ষণীয় সাজ সৃষ্টি কৰিব পাৰি। দৈনন্দিন ব্যৱহাৰৰ পৰা আৰম্ভ কৰি উৎসৱ, অনুষ্ঠান, বিয়া বা বন্ধুৰ স'তে ওলাই যোৱা-



প্ৰায় প্ৰতিটো পৰিৱেশতে সঠিকভাৱে ষ্টাইল কৰিলে পাটিয়ালা চুটে এক অনন্য ব্যক্তিত্ব প্ৰকাশ কৰে।

কুৰ্তাৰ নিৰ্বাচনতেই আছে মূল সৌন্দৰ্য পাটিয়ালা চুটৰ স'তে কুৰ্তা বাছনি কৰাৰ সময়ত প্ৰথমে নিজৰ শৰীৰৰ গঠন আৰু অনুষ্ঠানটোৰ কথা মনত ৰখা উচিত। পাটিয়ালা পেণ্ট সাধাৰণতে বহল হোৱা বাবে তাৰ স'তে অলপ ফিটিং বা সৰল কাটৰ কুৰ্তা পিন্ধিলে সাজটো ভাৰসাম্যপূৰ্ণ দেখায়। চুটি কুৰ্তাই পাটিয়ালা পেণ্টৰ ধুনীয়া ভাঁজ আৰু ডিজাইন অধিক স্পষ্ট কৰি তোলে।

দৈনন্দিন ব্যৱহাৰৰ বাবে কটন বা হেণ্ডলুমৰ পাটিয়ালা চুট অতি সুন্দৰ বিকল্প। পাতল ৰঙৰ কুৰ্তা, সৰু প্ৰিণ্ট বা ফুলৰ ডিজাইনৰ স'তে সাধাৰণ পাটিয়ালা পেণ্টে এক সতেজ আৰু স্বাভাৱিক লুক দিয়ে। আনহাতে, কোনো অনুষ্ঠানৰ বাবে ৰেছম, জৰী, এম্ব্ৰয়ডাৰী বা মিৰৰ-ৱৰ্ক থকা কুৰ্তা বাছি ল'ব পাৰি।

**ৰঙৰ ক্ষেত্ৰত অলপ পৰীক্ষা কৰক**

পাটিয়ালা চুটৰ বিশেষত্ব হৈছে ইয়াত ৰঙৰ স'তে সহজে পৰীক্ষা-নিৰীক্ষা কৰিব পাৰি। একে ৰঙৰ কুৰ্তা আৰু পাটিয়ালা পেণ্টৰ স'তে দুপাট্টাত বিপৰীত বা উজ্জ্বল ৰং ব্যৱহাৰ কৰিলে সাজটো অধিক আকৰ্ষণীয় হৈ উঠে।
যেনে-পেষ্টেল গোলাপী কুৰ্তাৰ স'তে বগা পাটিয়ালা পেণ্ট আৰু পাতল সেউজীয়া দুপাট্টা, বা নীলা কুৰ্তাৰ স'তে বগা পাটিয়ালা আৰু ছপা দুপাট্টা। উৎসৱৰ সময়ত মেজেণ্টা, ৰয়েল ব্লু, গাঢ় সেউজীয়া, মেৰুণ, কমলা বা হালধীয়া ৰঙৰ সংমিশ্ৰণেও যথেষ্ট আকৰ্ষণীয় ৰূপ দিব পাৰে।
দুপাট্টাই সলনি কৰিব পাৰে সম্পূৰ্ণ । পাটিয়ালা চুটৰ স'তে দুপাট্টা কেৱল শৰীৰ ঢকাৰ বাবে নহয়, ই সাজটোৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ। সাধাৰণ কুৰ্তা-পেণ্টৰ স'তে এটা ধুনীয়া ফুলকাৰী, চান্দেৰি, কটন বা ছপা দুপাট্টা ব্যৱহাৰ কৰিলে সম্পূৰ্ণ সাজটো একেবাৰে নতুন যেন লাগে।

দৈনন্দিন লুকৰ বাবে দুপাট্টাখন এফালে মেলি থোৱাৰ পৰিৱৰ্তে ডিঙিত সাধাৰণভাৱে মেৰিয়াই ল'ব পাৰি। অনুষ্ঠানৰ বাবে দুপাট্টাখন এফালে পেলাই বা দুয়োফালে সমানে মেলি লৈ ষ্টাইল কৰিব পাৰি।

দুপাট্টাৰ ৰং যদি কুৰ্তাৰ পৰা অলপ পৃথক হয়, তেন্তে সাজটো অধিক জীৱন্ত হৈ উঠে।

**জোতাতো থাকক ষ্টাইল**

পাটিয়ালা চুটৰ স'তে জোতা বাছনি কৰাৰ ক্ষেত্ৰতো কে'বাটাও বিকল্প আছে। পৰম্পৰাগত লুকৰ বাবে পাঞ্জাবী জুতি, মোকাছিন বা এম্ব্ৰয়ডাৰী কৰা ফ্লেট অতি সুন্দৰ। সাধাৰণ দিনত কুৰ্তা-পাটিয়ালাৰ স'তে আৰামদায়ক ক'লহাপুৰী ছেণ্ডেল বা সাধাৰণ ফ্লেট ছেণ্ডেলেও সুন্দৰ মানায়। যদি অলপ আধুনিক লুক বিচাৰে, তেন্তে মিনিমেল ছেণ্ডেল বা ব্লক হিল ব্যৱহাৰ কৰিব পাৰে। অৱশ্যে পাটিয়ালা পেণ্ট নিজেই যথেষ্ট ভলিউমযুক্ত হোৱা বাবে অত্যধিক গধুৰ জোতা এৰাই চলিলে সাজটো অধিক পৰিপাটি দেখা যায়।

**গহনা হওক পৰিমিত**

পাটিয়ালা চুটৰ স'তে গহনা পিন্ধাৰ ক্ষেত্ৰত "কমেই বেছি" নীতি মানি চলিলে সাজটো অধিক মাৰ্জিত হয়। সাধাৰণ কুৰ্তাৰ স'তে অকণমান ডাঙৰ ঝুমকা, অকণমান কাণফুলি, কাঁচৰ খাৰু বা এখন সুন্দৰ ঘড়ী যথেষ্ট। উৎসৱৰ সাজৰ ক্ষেত্ৰত অকণমান গধুৰ অক্সিডাইজড ঝুমকা বা পৰম্পৰাগত গহনা পিন্ধিব পাৰি। কিন্তু কুৰ্তাত যদি ইতিমধ্যে বেছি কাম থাকে, তেন্তে গহনাত অধিক নকৰি এটা বা দুটা statement accessory-তেই সীমাবদ্ধ থাকিলে সৌন্দৰ্য বেছি ফুটে।

**চুলিৰ ষ্টাইল কেনেকুৱা হ'ব?**

পাটিয়ালা চুটৰ স'তে চুলিৰ ষ্টাইলো সাজটোৰ অংশ। দৈনন্দিন লুকৰ বাবে খোলা চুলি, সাধাৰণ পনিটেইল বা নিম্ন বান অতি সহজ আৰু সুন্দৰ। উৎসৱ বা অনুষ্ঠানৰ বাবে অলপ ঢৌ খেলোৱা চুলি, বেণী বা গজৰা লগোৱা বানেও পৰম্পৰাগত সৌন্দৰ্য বৃদ্ধি কৰে। যদি কাণত ডাঙৰ ঝুমকা পিন্ধে, তেন্তে চুলি অলপ পিছলৈ বান্ধি লক্সলে গহনাখন আৰু মুখৰ সৌন্দৰ্য দুয়োটাই অধিক স্পষ্ট হয়।

**অনুষ্ঠান অনুযায়ী সলনি কৰক ষ্টাইল**

অফিচ বা দৈনন্দিন কামৰ বাবে কটনৰ সাধাৰণ পাটিয়ালা চুট, সৰু প্ৰিণ্টৰ কুৰ্তা, পাতল দুপাট্টা আৰু ফ্লেট জোতা-এই সংমিশ্ৰণটো অতি আৰামদায়ক। বন্ধুৰ স'তে ওলাই যোৱাৰ বাবে অলপ উজ্জ্বল ৰঙৰ কুৰ্তা, ছপা দুপাট্টা, ঝুমকা আৰু জুতিৰে এটা ফ্ৰেশ লুক সৃষ্টি কৰিব পাৰি।
আকৌ বিয়া বা উৎসৱৰ বাবে এম্ব্ৰয়ডাৰী কৰা পাটিয়ালা চুট, গধুৰ দুপাট্টা, পৰম্পৰাগত গহনা আৰু জুতিৰে সাজটো অধিক ৰাজকীয় কৰি তুলিব পাৰি। কাপোৰৰ মান আৰু কাম যিমানেই ভাল হ'ব, আনুষংগিক সামগ্ৰী সিমানেই পৰিমিত ৰখা ভাল।

**পাটিয়ালা চুটৰ আটাইতকৈ ডাঙৰ সুবিধা-আৰাম**

ফেশ্বনৰ লগতে আৰামো বৰ্তমান সময়ৰ সাজ-পোছাকৰ এক গুৰুত্বপূৰ্ণ অংশ। পাটিয়ালা পেণ্টৰ বহল ডিজাইনৰ বাবে খোজ কঢ়া, বহা বা দৈনন্দিন কাম কৰাৰ সময়ত যথেষ্ট আৰাম পোৱা যায়। সেয়েহে গৰমৰ দিনত কটন বা লিনেনৰ পাটিয়ালা চুট বিশেষ উপযোগী। নিজৰ ব্যক্তিত্ব আৰু আৰামক গুৰুত্ব দি ষ্টাইল কৰাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ। আনৰ ফেশ্বন হুবহু অনুকৰণ কৰাৰ প্ৰয়োজন নাই। নিজৰ পছন্দৰ ৰং, কাপোৰ, গহনা আৰু জোতাৰ সৈতে অলপ পৰীক্ষা কৰি নিজৰ বাবে এটা নিজস্ব পাটিয়ালা লুক সৃষ্টি কৰিব পাৰি। সঠিক ৰঙৰ সমন্বয়, পৰিমিত গহনা, উপযুক্ত দুপাট্টা আৰু আৰামদায়ক জোতাৰ স'তে পাটিয়ালা চুটে এগৰাকী মহিলাৰ সাজত একেলগে আনে পৰম্পৰা আৰু আধুনিকতাৰ সৌন্দৰ্য। সেয়ে আলমাৰীত থকা পাটিয়ালা চুটটো কেৱল বিশেষ দিনৰ বাবে সাঁচি নথৈ, অলপ নতুন ধৰণে ষ্টাইল কৰি দৈনন্দিন ফেশ্বনৰ অংশ কৰি তুলিব পাৰি।নিজৰ ব্যক্তিত্ব আৰু আৰামক গুৰুত্ব দি ষ্টাইল কৰাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ। আনৰ ফেশ্বন হুবহু অনুকৰণ কৰাৰ প্ৰয়োজন নাই। নিজৰ পছন্দৰ ৰং, কাপোৰ, গহনা আৰু জোতাৰ স'তে অলপ পৰীক্ষা কৰি নিজৰ বাবে এটা নিজস্ব পাটিয়ালা লুক সৃষ্টি কৰিব পাৰি। সঠিক ৰঙৰ সমন্বয়, পৰিমিত গহনা, উপযুক্ত দুপাট্টা আৰু আৰামদায়ক জোতাৰ স'তে পাটিয়ালা চুটে এগৰাকী মহিলাৰ সাজত একেলগে আনে পৰম্পৰা আৰু আধুনিকতাৰ সৌন্দৰ্য। সেয়ে আলমাৰীত থকা পাটিয়ালা চুটটো কেৱল বিশেষ দিনৰ বাবে সাঁচি নথৈ, অলপ নতুন ধৰণে ষ্টাইল কৰি দৈনন্দিন ফেশ্বনৰ অংশ কৰি তুলিব পাৰি।

## জীৱনশৈলী

ব্যস্ত জীৱনত নিজকে হেৰুৱাই নেপেলাব! আজিৰ পৃথিৱীত সকলোৱেই বহু বেছি ব্যস্ত। পুৱা চকু মেলাৰ পৰা নিশা শোৱালৈকে কাম, দায়িত্ব, পৰিয়াল, চাকৰি, সামাজিক সম্পৰ্ক এই সকলোবোৰ সামৰোতে নিজৰ বাবে অলপ সময় উলিওৱাটোও কঠিন হৈ পৰিছে। আমি আনৰ যত্ন লওঁ, আনৰ প্ৰয়োজন পূৰণ কৰো, সকলো দায়িত্ব সময়মতে পালন কৰিবলৈ চেষ্টা কৰো; কিন্তু এই ব্যস্ততাৰ মাজতে বহু সময়ত নিজৰ যত্ন ল'বলৈ পাহৰি যাওঁ। অথচ সুস্থ আৰু সুখী জীৱনৰ বাবে নিজৰ যত্ন ল'বলৈ পাহৰি যোৱাৰ দৰেই হয়। কিন্তু ই আমাৰ বাবে প্ৰয়োজন।

জীৱনশৈলী মানে কেৱল আমি কেনেকৈ খাওঁ, কেনেকৈ পিন্ধো বা কেনেকৈ ঘৰটো সজাওঁ সেয়াই নহয়। জীৱনশৈলী হৈছে আমি কেনেকৈ জীৱনটো পৰিচালনা কৰো, কেনেকৈ সময় ব্যৱহাৰ কৰো, কেনেকৈ নিজৰ শৰীৰ আৰু মনক সুস্থ কৰি ৰাখো আৰু জীৱনৰ সৰু সৰু মুহূৰ্তবোৰ কেনেকৈ উপভোগ কৰো তাৰ এক সামগ্ৰিক প্ৰতিফলন।


**নিজৰ বাবে অলপ সময় ৰাখক**

দিনটোত মাত্ৰ কেইমিনিটমান সময়ো যদি নিজৰ বাবে ৰাখিব পাৰি, তেন্তে তাৰ প্ৰভাৱ যথেষ্ট গভীৰ হ'ব পাৰে। পুৱা অলপ সোনকালে উঠি শান্তভাৱে চাহ একাপ খোৱা, অলপ খোজ কঢ়া, প্ৰিয় গান শুনা, কিতাপৰ কেইটামান পৃষ্ঠা পঢ়া অথবা একান্তভাৱে কিছু সময় বহি থকা এই সৰু অভ্যাসবোৰে মনটোক সতেজ কৰি তোলে।

সদায় কামৰ মাজত ডুবি থাকিলেই জীৱনটো সফল হয় বুলি ভবা ধাৰণাটো ভুল। কেতিয়াবা অলপ ৰৈ উশাহ লোৱাটোও জীৱনৰ অংশ।

**খাদ্যাভ্যাসত সজাগ হওক**

সুস্থ জীৱনশৈলীৰ অন্যতম মূল



আধাৰ হৈছে খাদ্যাভ্যাস। ব্যস্ততাৰ অজুহাতত প্ৰায়ে আমি সময়মতে খাদ্য গ্ৰহণ নকৰো বা সহজতে পোৱা অধিক তেল-মছলাযুক্ত খাদ্যৰ ওপৰত নিৰ্ভৰ কৰো। কিন্তু শৰীৰে আমাৰ পৰা যি যত্ন বিচাৰে, সেয়া সময়মতে দিব লাগিব। ঘৰুৱা আৰু পুষ্টিকৰ খাদ্য, পৰ্যাপ্ত পানী, ঋতু অনুসৰি ফল-মূল আৰু শাক-পাচলি খাদ্য তালিকাত ৰখাৰ অভ্যাস কৰাটো উপকাৰী। খাদ্যৰ ক্ষেত্ৰত 'বেছি'তকৈ 'সঠিক' কথাটোৱেই অধিক গুৰুত্বপূৰ্ণ।

**শৰীৰৰ লগতে মনৰ যত্ন লওক**

শাৰীৰিক স্বাস্থ্যৰ কথা আমি যথেষ্ট কওঁ, কিন্তু মানসিক সুস্থতাৰ কথাটো বহু সময়ত অৱহেলিত হয়। মন ভাগৰি পৰিলে তাকো বিশ্ৰামৰ প্ৰয়োজন হয়। সকলো সময়তে শক্তিশালী হৈ থকাৰ অভিনয় কৰিব নালাগে। কেতিয়াবা মন বেয়া লাগিব পাৰে, কেতিয়াবা কোনো কথাই কষ্ট দিব পাৰে, কেতিয়াবা একো কৰিবলৈ মন নাযাব পাৰে। এই অনুভূতিবোৰক অস্বীকাৰ নকৰি নিজৰ স'তে অলপ কোমল হোৱা উচিত। প্ৰয়োজন হ'লে আপোনজনৰ স'তে কথা পাতিব লাগে, নিজৰ অনুভৱ প্ৰকাশ কৰিব লাগে। মনটোকো আমাৰ শৰীৰৰ দৰেই যত্নৰ যোগ্য।

**না ক'বলৈ শিকক**

সকলোকে সন্তুষ্ট কৰি ৰখাটো সম্ভৱ নহয়। তথাপি বহুতে আনক অসন্তুষ্ট কৰাৰ ভয়ত নিজৰ ইচ্ছা, সময় আৰু সুবিধাক সদায় পিছলৈ ঠেলি দিয়ে। ফলত এসময়ত নিজৰ ওপৰতে খং আৰু হতাশা জন্মে।

সেয়ে য'ত প্ৰয়োজন, তাত



মৰমেৰে 'না' ক'বলৈ শিকিব লাগে। নিজৰ সময়ৰ মূল্য বুজিব লাগে। আনৰ প্ৰতি দায়িত্বশীল হোৱাৰ লগতে নিজৰ প্ৰতিও দায়িত্বশীল হোৱাটো সমানেই গুৰুত্বপূৰ্ণ।

**প্ৰযুক্তিৰ পৰা অলপ বিৰতি লওক**

ম'বাইল ফোন আৰু সামাজিক মাধ্যম আমাৰ জীৱনৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। কিন্তু সকলো সময়তে পৰ্দাৰ স'তে সংযুক্ত হৈ থকাটোৱে আমাৰ মনক অস্থিৰ কৰি তুলিব পাৰে। সেয়ে দিনটোৰ কিছু সময় 'স্ক্ৰীন-ফ্ৰী' কৰি ৰখা ভাল।

সেই সময়খিনি পৰিয়ালৰ স'তে কথা পাতিব পাৰি, গছ-গছনিৰ যত্ন ল'ব পাৰি, কিতাপ পঢ়িব পাৰি অথবা কেৱল নিজৰ স'তে কিছু সময় কটাব পাৰি। বাস্তৱ জীৱনৰ সম্পৰ্ক আৰু মুহূৰ্তবোৰকো সমান গুৰুত্ব দিয়াটো প্ৰয়োজন।

**সৰু সৰু সুখবোৰ উপভোগ কৰক**

সুখ মানে ডাঙৰ কোনো সফলতা বা ব্যয়বহুল আয়োজন নহয়। পুৱাৰ কোমল ৰ'দ, বৰষুণৰ শব্দ, প্ৰিয় মানুহৰ স'তে একাপ চাহ, বহুদিনৰ পিছত পঢ়া এখন ভাল কিতাপ, নিজৰ হাতেৰে সজোৱা ঘৰখন এই সৰু সৰু কথাবোৰতো জীৱনৰ বহু আনন্দ লুকাই থাকে।

আমি বহু সময়ত ভৱিষ্যতৰ ডাঙৰ সুখৰ অপেক্ষাত বৰ্তমানৰ সৰু সুখবোৰ উপভোগ কৰিবলৈ পাহৰি যাওঁ। অথচ জীৱনটো আচলতে এই সৰু সৰু মুহূৰ্তৰেই সমষ্টি। জীৱনশৈলী সলনি কৰিবলৈ সদায় ডাঙৰ পৰিৱৰ্তনৰ প্ৰয়োজন নহয়। প্ৰতিদিনে এটা সৰু ভাল অভ্যাস গঢ়ি তোলাই যথেষ্ট। সময়মতে খোৱা, পৰ্যাপ্ত বিশ্ৰাম লোৱা, অলপ ব্যায়াম কৰা, মনটো ভালে ৰখা, প্ৰিয়জনৰ স'তে কথা পতা আৰু সকলোতকৈ ডাঙৰ কথা নিজকো গুৰুত্ব দিয়া।

জীৱনটো কেৱল দায়িত্ব পালন কৰাৰ নাম নহয়; জীৱনটো উপভোগ কৰাৰো নাম। ব্যস্ততাৰ মাজতো নিজৰ বাবে অলপ সময় ৰাখক। কাৰণ সুস্থ শৰীৰ, শান্ত মন আৰু সন্তুষ্ট হৃদয়ৰ মানুহজনেই জীৱনটো সঁচা অৰ্থত সুন্দৰকৈ জীয়াই থাকিব পাৰে।

# অসম দাপোণ



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ আগষ্ট, বৃহস্পতিবাৰ ২০২৬ পৃষ্ঠা ১০


## নেঘেৰীবিলত অসমৰ ভূমি কাঢ়ি লোৱাৰ অপচেষ্টা ঃ উত্তপ্ত পৰিস্থিতি

*এক পৃষ্ঠাৰ পৰা* অসমৰ ভূমিতে গছপুলি ৰোপণ কৰিবলৈ আহি বনৰক্ষীৰ স'তে হতাহতিত লিপ্ত হয় একাংশ নগা লোক। নিশা তিনিখন ট্ৰাকত গছপুলি লৈ একাংশ নগা লোকে নেঘেৰীবিল গাঁৱত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাত পহৰাৰত বনৰক্ষীয়ে নগাৰ দলটোক বাধা দিয়ে। এই খবৰ বিয়পি পৰাত নেঘেৰীবিলৰ নিকটৱৰ্তী নগা গাঁৱৰ বহু লোক ঘটনাস্থলীত উপস্থিত হৈ গছপুলিভৰ্তি গাড়ীকেইখন মুকলি কৰি দিবলৈ দাবী জনাই প্ৰথমে বন বিভাগৰ লোকৰ স'তে তৰ্কাতৰ্কিত লিপ্ত হয়। তেতিয়াও বন বিভাগে ট্ৰাক তিনিখন এৰি দিবলৈ অমান্তি হোৱাত বনৰক্ষীক ঠেলা-হেঁচা কৰে নগা লোকসকলে। তেনে অৱস্থাতে ঘটনাস্থলীত অসমৰ স্থানীয় লোক উপস্থিত হৈ নগাৰ দলটোক খেদি পঠিয়াবলৈ চেষ্টা কৰোতে নগাই স্থানীয় এজন লোকক প্ৰহাৰ কৰাত পৰিস্থিতি উত্তপ্ত হৈ পৰে। তাৰ পাছতহে ঘটনাস্থলীত উচ্চপদস্থ প্ৰশাসনিক বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। বনৰক্ষীয়ে আৱদ্ধ কৰি ৰখাৰ নগাৰ গছপুলিভৰ্তি ট্ৰাক তিনিখন প্ৰশাসনিক বিষয়াই যাবলৈ দিয়ে। আনহাতে, নগাৰ এই তাণ্ডৱৰ বিৰুদ্ধে আজি পুৱা স্থানীয় ৰাইজে নেঘেৰীবিলত প্ৰতিবাদ সাব্যস্ত কৰে। অঞ্চলটোক নগা লোকৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে কিছু সময়ৰ বাবে পথো অৱৰোধ কৰি ৰাখে। আনহাতে, এই প্ৰতিবাদ চলি থকাৰ সময়ত নগা আৰু অসমৰ লোকৰ মাজত বাক-বিতণ্ডা হোৱাত পৰিস্থিতি উত্তেজনাপূৰ্ণ হয়। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ মেৰাপানী সীমান্তত চেপা উত্তেজনা বিৰাজ কৰি আছে। উল্লেখ্য যে অসমৰ মানচিত্ৰৰ অন্তৰ্ভুক্ত দুই নম্বৰ নেঘেৰীবিলত নগালেণ্ডৰ আৰক্ষীৰো নিয়মীয়া তালাচী চলি আছে। ইয়াকে লৈ সীমান্তৱাসী অসমৰ ৰাইজ ক্ষুব্ধ হৈ আছে। যোৱা নিশা অসমৰ উচ্ছেদিত ভূমিত নগা লোকে গছপুলি ৰোপণৰ ষড়যন্ত্ৰ চলোৱা বুলিও স্থানীয় ৰাইজে অভিযোগ কৰিছে। তদুপৰি সীমান্তত নিৰপেক্ষ বাহিনীৰূপে নিয়োজিত চিআৰপিএফে পক্ষপাতিত্বমূলক আচৰণ কৰি অহা বুলিও স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে জনোৱা মতে, যোৱা বছৰ আগষ্টত নেঘেৰীবিলত অসমৰ বন বিভাগে বেদখলকাৰীক উচ্ছেদ কৰাৰ পাছৰে পৰা নগাই অঞ্চলটো দখলৰ অপচেষ্টা অব্যাহত ৰাখিছে।

## ই-ৰিক্সাৰ 'চাৰ্জ' দিওঁতে বিদ্যুৎস্পৃষ্ট হৈ

*এক পৃষ্ঠাৰ পৰা* কাটনিবাৰীৰ নিবাসী সত্যজিৎ প্ৰজা (২৬)ই। ঘটনা সন্দৰ্ভত সত্যজিতৰ ভ্ৰাতৃয়ে জানিবলৈ দিয়া মতে, আনদিনাৰ দৰে যোৱা নিশাও আটছা নেতাজনে নিজৰ ই-ৰিক্সাৰ বেটাৰী বৈদ্যুতিক চাৰ্জ দিবলৈ লওঁতেই দুৰ্ভাগ্যবশতঃ বিদ্যুৎস্পৃষ্ট হয়। ইয়াৰ বহু সময়ৰ পাছতহে পৰিয়ালৰ লোকে ঘটনাৰ বিষয়ে জানিব পাৰি তেওঁক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁ মৃত বুলি ঘোষণা কৰে। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। সত্যজিতৰ ভ্ৰাতৃয়ে লগতে জানিবলৈ দিয়া মতে, যোৱা নিশা তেওঁ ই-ৰিক্সাখনৰ সম্পূৰ্ণ চাৰ্জ দি থৈছিল। ই বিষয়ে অৱগত নোহোৱাত সত্যজিৎ নিশা ঘৰলৈ আহি ই-ৰিক্সাখন পুনৰ চাৰ্জ দিবলৈ চেষ্টা কৰোতে বিদ্যুৎস্পৃষ্ট হৈ অকাল মৃত্যুক সাৱটি লয়। উল্লেখ্য যে সত্যজিৎ সুদক্ষ ফুটবলাৰো আছিল। কাটনিবাৰী এফচি দলৰ অধিনায়কৰূপে বিভিন্ন ঠাইত খেলি তেওঁ প্ৰতিভাৰ পৰিচয় দিছিল। অসমীয়া, ছাদ্ৰী ভাষাৰ লগতে হিন্দীতো দখল থকা সত্যজিতে ইউটিউবাৰ ৰূপেও জনপ্ৰিয়তা অৰ্জন কৰিছিল। মৃত্যুৰ সময়লৈ তেওঁ আটছাৰ কাটনিবাৰী গোটৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। মানৱদৰদী সত্যজিতে শেহতীয়াকৈ পূব অসমৰ বানপীড়িত লোকৰ সাহায্য সামগ্ৰীও বিলাইছিল। আনকি ঘটনাৰ আগদিনাও তেওঁ আন কে'বাজনো ইউটিবাৰৰ স'তে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰিছিল। সৰুতে পিতৃ-মাতৃক হেৰুওৱা সত্যজিতে ভ্ৰাতৃ আৰু দুই ভগ্নীৰো তত্ত্বাৱধান লৈছিল। এছপি ভাই নামেৰে জনপ্ৰিয় সত্যজিতৰ অকাল বিয়োগত চৌদিশে শোকৰ ছাঁ পৰিছে। মৰিয়নিৰ অগ্ৰণী শিক্ষানুষ্ঠান মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সত্যজিতে অধ্যয়ন কৰিছিল। তেওঁৰ অকাল বিয়োগত মৰিয়নি ক্ৰীড়া সন্থা, মৰিয়নি এথলেটিক প্ৰশিক্ষণ কেন্দ্ৰ, ক্ৰীড়া সন্থাৰ ফুটবল বিভাগ, মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলন, কাটনিবাৰী ফুটবল দল আদিয়ে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছে। আনহাতে, মৰণোত্তৰ পৰীক্ষাৰ পাছত আজি বিয়লি নশ্বৰদেহ ঘৰলৈ অনা হয়। তাৰ পাছতে নশ্বৰদেহ আটছাৰ স্থানীয় কাৰ্যালয়লৈ নি তাত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। পাছত বহু লোকৰ উপস্থিতিত শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## নেপালৰ সংহাৰী বানত সন্ধানহীন ১৪২

*এক পৃষ্ঠাৰ পৰা* চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। কলকাতাৰ লোককেইজনে যোৱা ২১ আগষ্টত নেপাল অভিমুখে যাত্ৰা কৰিছিল। পিছদিনা তেওঁলোক নেপালত উপস্থিত হয়। কালি তেওঁলোকৰ কাঠমাণ্ডুত আছিল। আজি পুৱা আঠ বজাত ২২ জনীয়া দলটো প্ৰব্ৰজন কাৰ্যালয়ত উপস্থিত হৈছিল। তাৰ পাছৰে পৰা তেওঁলোকৰ স'তে কোনেও যোগাযোগ স্থাপন কৰিব পৰা নাই। এই সন্ধানহীন ভাৰতীয়সকলৰ মাজত অনেক অসমৰ লোকো থকাৰ সন্দেহ কৰা হৈছে। কাৰণ মানস সৰোবৰ যাত্ৰাত অসমৰ ভক্তয়ো অংশ লৈ আহিছে। নেপাল চৰকাৰে প্ৰকাশ কৰা অনুসৰি, বানত সন্ধানহীন হোৱা মুঠ ৩৮৪ জন দেশী-বিদেশী পৰ্যটক সন্ধানহীন হৈ আছে। এইসকলৰ ১৪২ জন ভাৰতীয় হোৱাৰ বিপৰীতে ১৭ জন মালয়েছিয়াৰ, ১২ জন ব্ৰিটেইনৰ, চাৰিজন দক্ষিণ আফ্ৰিকাৰ, তিনিজন আমেৰিকা যুক্তৰাষ্ট্ৰ, এজনকৈ অষ্ট্ৰেলিয়া আৰু নেদাৰলেণ্ডৰ আছে। অৰ্থাৎ নিৰুদ্দেশ হোৱাসকলৰ ২০৭জনৰ পৰিচয় উদ্ধাৰ হৈছে। বাকী ১১১ জন কোন দেশৰ নাগৰিক সেয়া নিশ্চিত হোৱা নাই। ভাৰতীয় তথা বিদেশী পৰ্যটকসকলে কৈলাশ মানস সৰোবৰ যাত্ৰাত অংশ লোৱাৰ উদ্দেশ্যে আজি নেপালৰ সীমান্তৱৰ্তী অঞ্চলত উপস্থিত হৈছিল। এই সম্পৰ্কত কাঠমাণ্ডুস্থিত এটা পৰ্যটন সংস্থাৰ কৰ্তৃপক্ষই জনোৱা মতে, আজি ৪৩ জন নেপালী নাগৰিকসহ চাৰিশজন মানস সৰোবৰ যাত্ৰাকাৰী ভক্তসকলক নেপাল সীমান্ত পাৰ কৰোৱাৰ কথা আছিল। সেই মৰ্মে ইয়াৰ প্ৰস্তুতি চলাই থকাৰ সময়তে এই ভয়ানক প্ৰাকৃতিক দুৰ্যোগে দেশখনৰ এক বৃহত্তৰ অঞ্চল ধ্বংসস্তূপত পৰিণত কৰে। সন্ধানহীন বিদেশী পৰ্যটকসকলৰ স'তে আজি নিশা পৰ্যন্ত যোগাযোগ স্থাপন কৰিব পৰা হোৱা নাই বুলি প্ৰকাশ কৰিছে নেপালৰ পৰ্বতাৰোহণ সংস্থাসমূহৰ সভাপতি সাগৰ পাণ্ডেই। পাণ্ডেই জনোৱা মতে, সন্ধানহীনসকলৰ স'তে যোগাযোগ স্থাপনৰ চেষ্টা অব্যাহত ৰখা হৈছে। একেদৰে নেপাল পৰ্যটন ব'ৰ্ডে প্ৰকাশ কৰা অনুসৰি, মানস সৰোবৰ যাত্ৰাকাৰীসকলে বিভিন্ন ভ্ৰমণ সংস্থাৰ জৰিয়তে মানস সৰোবৰলৈ যাত্ৰা কৰাৰ সময়তে ঢাঁহি-মুহি নিয়া প্ৰচণ্ড বানৰ কবলত পৰে। সন্ধানহীনসকলক হেলিকপ্টাৰৰ জৰিয়তে উদ্ধাৰৰ চেষ্টা অব্যাহত ৰাখিছে নেপাল সেনাই। আনহাতে, সন্ধানহীন ভাৰতীয়সকলৰ পৰিয়াল তথা আত্মীয়-স্বজনৰ সুবিধাৰ্থে কাঠমাণ্ডুস্থিত ভাৰতীয় দূতাবাসে দুটা সহায় সেৱা ফোন নম্বৰ মুকলি কৰিছে। নম্বৰ দুটা হ'ল ৯৭৭-৯৮৫ ১৩১ ৬৮০৭ আৰু ৯৭৭ ৯৭০ ৯১০ ৭৫০০।

## শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ পলাতক সদস্যক

*এক পৃষ্ঠাৰ পৰা* স'তে জড়িত থকাৰ অভিযোগত আজি এজন যুৱকক গ্ৰেপ্তাৰ কৰে। পলাতক অৱস্থাত থকা সময়তে আজি পুৱতি নিশা জিলাখনৰ বামনগাঁওপুৰ থানাৰ অধীনৰ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা এই যুৱকজনক ফজল ইছলাম বৰভূঞা (২১) বুলি চিনাক্ত কৰা হৈছে। এছটিএফে যুৱকজনৰ পৰা আপত্তিজনক নথি-পত্ৰও জব্দ কৰে। উল্লেখ্য যে এছটিএফে ইয়াৰ পূৰ্বে যোৱা ২৪ জুলাইত ধুবুৰী, চিৰাং আৰু বৰপেটা জিলাত অভিযান চলাই পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনটোৰ লগত জড়িত থকাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছিল। এই সন্দৰ্ভত এছটিএফৰ থানাত ৬/২০২৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। সেই গোচৰটোৰ অধীনতে আজি চতুৰ্থজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ পূৰ্বে ধুবুৰীৰ পৰা আক্ৰামুল ইছলাম (২৬), চিৰাঙৰ পৰা আমিনুৰ ৰহমান (২২) আৰু বৰপেটাৰ পৰা আব্দুল হুছেইন (৫৪) নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰা হৈছিল। এছটিএফৰ তথ্য অনুসৰি এছটিএফে সম্পৰ্ক কৰে এটা পাকিস্তান ভিত্তিক সংগঠন। এই সংগঠনটোৱে অনলাইনৰ মাধ্যমেৰে সদস্য ভৰ্তিৰ পৰা আৰম্ভ কৰি সাংগঠনিক আৰু আন সন্ত্ৰাসবাদী কাৰ্যকলাপ ৰূপায়ণ কৰি আহিছে। এছটিএফে সদৰী কৰা অনুসৰি এই ব্যক্তিসকলে সংগঠনটোৰ অসমৰ বিভিন্ন অঞ্চলৰ লোকক সংযোগ গঢ়ি উঠিছে। তাৰে কিছুসংখ্যকে সংগঠনটোৰ নীতি-আদৰ্শ প্ৰচাৰত জড়িত হোৱাই নহয়, সদস্য ভৰ্তি কৰিবলৈও সক্ষম হৈছে। আন এক উদ্বেগজনক তথ্য অনুসৰি এছটিএফে আজি গ্ৰেপ্তাৰ কৰা যুৱকজনে প্ৰথমবাৰৰ বাবে অসমৰ পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ লগত প্ৰত্যক্ষ সম্পৰ্ক গঢ়ি উঠাৰ তথ্য পোহৰলৈ আহিছে।

## বড়োলেণ্ড পৰিষদৰ উপাধ্যক্ষ বিজিৎ

*এক পৃষ্ঠাৰ পৰা* তথ্য প্ৰকাশ কৰা নাই। ইতিমধ্যে ঘটনাস্থলীত তামুলপুৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, তদন্তৰ পাছতহে নাৰ্জাৰীৰ আত্মহত্যাৰ প্ৰকৃত কাৰণ জানিব পৰা হ'ব। অৱশ্যে এক বিশেষ সূত্ৰই জনোৱা মতে, বিগত কিছুদিন ধৰি নাৰ্জাৰী শাৰীৰিক অসুস্থতাত ভুগি থকাৰ লগতে তীব্ৰ মানসিক চাপতো আক্ৰান্ত আছিল।

উল্লেখ্য যে বিটিচিৰ ৰাজনৈতিক ক্ষেত্ৰৰ এক অত্যন্ত প্ৰভাৱশালী তথা জনপ্ৰিয় মুখ আছিল নাৰ্জাৰী। ২০১০ৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বিপিএফৰ হৈ তেওঁ নিৰ্বাচিত হৈছিল। পাছত একেৰাহে তিনিবাৰ তেওঁ বিপিএফৰ প্ৰাৰ্থীৰূপে জয়লাভ কৰিছিল। অৱশ্যে বিগত ২০২৫ৰ বিটিচি পৰিষদীয় নিৰ্বাচনত তেওঁ বিজেপিৰ পৰা নিৰ্বাচিত হৈছিল। সেই সূত্ৰে তেওঁ বিটিচিৰ উপাধ্যক্ষৰ দায়িত্ব লাভ কৰিছিল।

আনহাতে, নাৰ্জাৰীৰ আত্মহননৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ কুমাৰীকাটাৰ বাসগৃহত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিধায়ক মনেশ্বৰ ব্ৰহ্ম, বিজেপি নেতা-কৰ্মী আদি উপস্থিত হৈ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত নাৰ্জাৰীয়ে পত্নী আৰু এগৰাকী কন্যাসহ বহু আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ মৃত্যুত বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰীসহ বিভিন্নজনে শোক প্ৰকাশ কৰিছে। একেদৰে বিজেপিৰ অসম ৰাজ্যিক সমিতিয়েও নাৰ্জাৰীৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে।

## মেঘালয়ৰ একাংশ লোকে অসমৰ

*এক পৃষ্ঠাৰ পৰা* পৰিৱেশ সংবেদনশীল অঞ্চলক লৈ যিবোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হৈছে সেইবোৰ অৰ্থহীন। একো নজনাকৈয়ে একাংশই প্ৰতিবাদ-আন্দোলন কৰিছে। মিছা কথাৰে মানুহক উত্তেজিত কৰিছে। এই ক্ষেত্ৰত কংগ্ৰেছৰ নাম উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'কংগ্ৰেছেতো কাজিৰঙাখন শেষ কৰি আনিছিল। গঁড় মাৰি শেষ কৰি আনিছিল। বিজেপি চৰকাৰেহে কিবাকৈ ৰক্ষা কৰিলে। গৌৰৱ গগৈয়ে ভবা উচিত যে তেওঁৰ পিতৃ আৰু পাঁচ বছৰ মুখ্যমন্ত্ৰী থকাহেঁতেন কাজিৰঙাত এটাও গঁড় নাথাকিলহেঁতেন। তেতিয়া ই এছ জেদৰো প্ৰয়োজন নহ'লহেঁতেন। কাজিৰঙাত যদি গঁড়েই নাথাকে, তাত আৰু ইএছজেদৰ কি প্ৰয়োজন। মোৰ কথা নুবুজাকৈয়ে প্ৰতিবাদবোৰ কৰা হৈছে। মই বোকাখাতলৈ এক কিলোমিটাৰ গৈ ছিলো। কাৰণ তাত নগৰ হৈছে। আনহাতে, কাৰ্বি আংলঙৰ ফালে হাতী ১০ কিলোমিটাৰলৈকে যায়। গতিকে সীমাবোৰ ভিনি ভিন হ'ব পাৰে। কাজিৰঙাত আজিলৈকে ইএছজেদ নায়েই। কেন্দ্ৰীয় চৰকাৰে কোৱাত আমি কৰিব বিচাৰিছো।'

আনহাতে, অসম-মেঘালয়ৰ চালকৰ সংঘাতৰ বিষয়টোত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে সমস্যাটোৰ ইতিমধ্যে সমাধান হৈছে। কিন্তু মেঘালয়ৰ একাংশ লোক আছে যিয়ে অসমৰ পৰ্যটক যোৱাটো ভাল নাপায়। আনটো অংশই অসমৰ মানুহক ভাল পায়। মুখ্যমন্ত্ৰীয়ে কয়, 'পেট্ৰিছিয়া মুখিমৰ দৰে একাংশ বুদ্ধিজীৱীয়ে ভাল নাপায়। তেওঁলোকে এই বিষয়ে লিখালিখিও কৰে। অৱশ্যে তেওঁকেই আমাৰ একাংশক আদৰি সাদৰি থাকে। অসমক লৈ মেঘালয়ত দুটা পক্ষ আছে। আমি তেনেকৈ নাভাবো। এসময়ত শ্বিলং অসমৰো ৰাজধানী আছিল। অসমৰ মানুহে শ্বিলঙলৈ গৈ ভাল পায়। আমি এতিয়া ভাবিছো, আমাৰ অসমতে ডিফু, হাফলং, ওমৰাংছ'ৰ দৰে ধুনীয়া ঠাই আছে। সেইবোৰক আগবঢ়াই নিব লাগিব। পৰ্যটন খণ্ডৰ লগত জড়িতসকলেও অসমৰ এই স্থানবোৰক আগবঢ়াই নিব লাগে। এই প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে তেওঁৰ কাৰ্যকালতে ওমৰাংছ' আৰু মাজুলী বিমানকোঠ হ'ব বুলিও সদৰী কৰে।'

ইপিনে, দিল্লীত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ উপৰি কে'বাজনো কেন্দ্ৰীয় মন্ত্ৰীক ইতিমধ্যে সাক্ষাৎ কৰা বুলি উল্লেখ কৰি সেইসকলৰ পৰা লাভ কৰা আশ্বাসৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি সদৰী কৰে। সেই অনুসৰি ড° শৰ্মাই কয় যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে তেওঁক জনোৱা মতে অসমে প্ৰধানমন্ত্ৰী আৱাসৰ চাৰি লাখ নতুন ঘৰ লাভ কৰিব। তদুপৰি চাহ বাগিচাৰ শ্ৰমিকৰ বাবে অতিৰিক্ত দুই লাখ ঘৰো অসমে পাব। অৱশ্যে যি চাৰি লাখ ঘৰ অসমে পাব তাৰ লগত পূব অসমৰ চাৰিখন জিলাত ঘৰ ধ্বংস হোৱাৰ সম্পৰ্ক নাই। বানৰ ক্ষতিৰ বিষয়টো গৃহ বিভাগৰ লগত জড়িত। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বানৰ ক্ষতি পূৰণৰ বাবে যিমান পুঁজিৰ প্ৰয়োজন হ'ব সিমান পুঁজি অসমক দিব বুলি তেওঁক গৃহমন্ত্ৰী অমিত শ্বাহে জনাইছে। মুখ্যমন্ত্ৰীয়ে লগতে এই কথাও উল্লেখ কৰে যে বানত হোৱা ক্ষতিৰ বৰ্তমান প্ৰথম পৰ্যায়ৰ জৰীপ চলি আছে আৰু এতিয়ালৈকে প্ৰায় ৪৮ পৰিয়ালৰ জৰীপ সম্পূৰ্ণ হৈছে। ক্ষয়ক্ষতিৰ সম্পূৰ্ণ তালিকা আগন্তুক দুৰ্গা পূজাৰ সময়ত সম্পূৰ্ণ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে সম্ভাৱনা ব্যক্ত কৰে। আনহাতে, সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে বানৰ সন্দৰ্ভতে উল্লেখ কৰে যে একাংশই পূব অসমত হোৱা অভাৱনীয় বানৰ তদন্ত চলোৱাৰ যি দাবী কৰি আছে সেয়া অমূলক। বানৰ আৰু কি তদন্ত হ'ব পাৰে বুলি প্ৰশ্ন কৰি তেও কয় যে পণ্ডিত সমাজে বানৰ কাৰণৰ বিশ্লেষণ কৰিবহে পাৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে এইবাৰৰ অভাৱনীয় বানৰ কাৰণ ম্যানমাৰ, নগালেণ্ড আৰু অসমত একেসময়তে হোৱা অত্যধিক বৰষুণ বুলি তাৎক্ষণিকভাৱে বিশেষজ্ঞসকলে কাৰণ দৰ্শাইছে। সেই সময়ত পাঁচশ শতাংশতকৈও অধিক বৰষুণ হৈছিল বুলি তেওঁ কয়।

আনহাতে, আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে এটা ৰাজনৈতিক দল হিচাপে বিজেপিয়ে এই নিৰ্বাচনত অৱতীৰ্ণ হ'ব। কিন্তু সমষ্টিটোৰ জনগাঁথনি বিজেপিৰ পক্ষত নহয়। বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ এজন নেতাৰ ৰহস্যজনক মৃত্যুৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে যদি ঘটনাটো এটা হত্যাকাণ্ড হয় তেন্তে স্বাভাৱিকভাৱে ইয়াৰ ব্যৱস্থা হ'ব।

## চীনে আগতীয়া সতৰ্কবাণী

*এক পৃষ্ঠাৰ পৰা* সন্ধানহীন বান দুৰ্গতসকলক উদ্ধাৰ কৰিবলৈ চীনা সামৰিক বাহিনীলৈ নিৰ্দেশ জাৰি কৰে। তদুপৰি আহতসকলক সময় মতে চিকিৎসা সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈও জিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষলৈ নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে নেপালৰ এই প্ৰলয়ংকৰী বানৰ বাবে চীনক দোষাৰোপ কৰিছে দেশখনৰ এজন সাংবাদিকে। চীনৰ নাম নোলোৱাকৈ নেপালী সাংবাদিক পৰশুৰাম কাফলেই কয়, 'আমাৰ উত্তৰ সীমাৰ প্ৰতিবেশীয়ে আমাক দুৰ্বল কৰি পেলাইছে। এক ভয়ংকৰ দুৰ্যোগৰ আগতীয়া সকীয়নি নিদিয়াত আমাৰ অনেক লোকৰ প্ৰাণহানি হ'ল। আমি তেওঁলোকৰ ভূখণ্ডত উৎপত্তি হোৱা সংকটৰ ধাৰাবাহিকভাৱে সন্মুখীন হৈ আহিছো।' আনহাতে, চীনা সংবাদ মাধ্যমে এই প্ৰলয়ংকৰী বান নেপালৰ ভূখণ্ডত উৎপত্তি হোৱা বুলি দাবী কৰিছে। লক্ষ্যণীয় যে শেহতীয়া কিছু বছৰত নেপালে চীনৰ স'তেও সম্পৰ্ক অধিক মধুৰ কৰিছে।

## উদ্বেগ অমূলক নহয় বুলি মন্তব্য

*এক পৃষ্ঠাৰ পৰা* ৰাজহুৱা স্বাৰ্থজড়িত আবেদন ( পিআইএল)ৰ আজি উচ্চ ন্যায়ালয়খনৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰৰ আদালতে শুনানি গ্ৰহণ কৰে আৰু এই নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে হঠাৎ যোৱা ১৯ জুলাইত সৃষ্টি হোৱা এই বানত জিলাকেইখনৰ শতাধিকে প্ৰাণ হেৰুৱায়। তদুপৰি হেজাৰ হেজাৰ লোক অভাৱনীয়ভাৱে ক্ষতিগ্ৰস্ত হয়। ৰাজ্য চৰকাৰ এনে বান প্ৰতিৰোধত চূড়ান্ত ব্যৰ্থ হোৱাৰ অভিযোগ তুলি শইকীয়াই এই ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখন দাখিল কৰে। এই বান শইকীয়াই মানৱসৃষ্ট বুলিও আশংকা প্ৰকাশ কৰে। তদুপৰি তৎকালে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে এনে ঘটনাৰ পুনৰাবৃত্তি হোৱাৰো আশংকা কৰে শইকীয়াই। লক্ষ্যণীয়ভাৱে শইকীয়াৰ এই আশংকা অমূলক নহয় বুলি আদালতে মন্তব্য কৰে।

শইকীয়াই উচ্চ ন্যায়ালয়ত দাখিল কৰা পিআইএলখনত কে'বাটাও দাবী উত্থাপন কৰিছে। এই দাবীকেইটা হ'ল - দিখৌ আৰু ইয়াৰ উপনৈসমূহত অবৈধ খনন তৎকালীনভাৱে লগতে স্থায়ীভাৱে বন্ধ কৰা, ২০১৯ আৰু ২০২২ৰ আদালতৰ নিৰ্দেশ মৰ্মে 'মাইনিং টাস্ক ফৰ্চ বেটেলিয়ন' গঠন কৰা, বানৰ কাৰণ নিৰূপণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত উচ্চক্ষমতাসম্পন্ন তদন্ত সমিতি গঠন কৰা, নদীবান্ধৰ পানী এৰি দিয়াৰ সন্দৰ্ভত এক স্পষ্ট বৈজ্ঞানিক নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা, নামমাত্ৰ সাহায্যৰ পৰিৱৰ্তে হিমাচল প্ৰদেশৰ আৰ্হিত প্ৰতিটো সৰ্বস্বান্ত পৰিয়ালক ন্যূনতম ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা আৰু এই দুৰ্যোগৰ বাবে দায়ী চৰকাৰী বিষয়া তথা দোষী ব্যক্তিৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰা।

## বিহাৰসহ তিনি ৰাজ্যত সতৰ্কতা

*এক পৃষ্ঠাৰ পৰা* নেপাল এই প্ৰলয়ংকৰী বানৰ কবলত পৰাৰ পাছতে প্ৰধানমন্ত্ৰী শ্বাহলৈ ফোন কৰাৰ কথা সদৰী কৰি মোদীয়ে পাছত সামাজিক মাধ্যমত কয়, 'নেপালৰ প্ৰধানমন্ত্ৰীৰ পৰা ফোনত পৰিস্থিতিৰ বুজ ল'লো। এই আকস্মিক বানত মৃতসকলৰ আত্মীয়-স্বজনলৈ সমবেদনা জনালো। এই কঠিন সময়ত নেপালৰ ভাই-ভনীসকলৰ স'তে ভাৰত আছে। নেপাললৈ সম্ভাব্য সকলো মানৱীয় সাহায্য প্ৰদান কৰিবলৈ আমি প্ৰস্তুত আছো। উদ্ধাৰ কাৰ্যত আমাৰ বাহিনীয়ে সহায় কৰিছে।' আনহাতে, সূত্ৰই জনোৱা মতে নেপালৰ দুৰ্গতসকলক উদ্ধাৰ কাৰ্য পৰিচালনাৰ বাবে ভাৰতীয় বায়ুসেনায়ো বিমান সাজু কৰি ৰাখিছে। চি-১৭, চি-১৩০ জে আৰু চি-২১৫ শ্ৰেণীৰ বিমান ভাৰতীয় বায়ুসেনাই উদ্ধাৰ কাৰ্যৰ বাবে সাজু অৱস্থাত ৰখা হৈছে বুলি সূত্ৰই জনাইছে।

### বিহাৰ-উত্তৰ প্ৰদেশ-উত্তৰাখণ্ডত সতৰ্কতা

নেপালৰ জলপ্ৰলয়ৰ প্ৰতি লক্ষ্য ৰাখি সম্ভাব্য পৰিস্থিতি মোকাবিলাৰ উদ্দেশ্যে দেশখনৰ গাতে লাগি থকা বিহাৰ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডত সতৰ্কতা জাৰি কৰা হৈছে। এই সম্ভাব্য প্ৰাকৃতিক দুৰ্যোগৰ ক্ষয়ক্ষতি হ্ৰাসৰ উদ্দেশ্যে ভাৰত-নেপাল সীমান্তত সশস্ত্ৰ সীমাবল (এছএছবি) নিয়োগ কৰিছে ভাৰত চৰকাৰে। তদুপৰি বিহাৰত সন্তৰ্ক কৰি তোলা হৈছে ৰাষ্ট্ৰীয় দুৰ্যোগ উপশম বাহিনী (এনডিআৰএফ)ক। উল্লেখ্য যে নেপাল পৰা বহু নদী ওলাই ভাৰত সীমান্তৱৰ্তী ৰাজ্যসমূহত পৰিছে। গংগাটো ধৰি এই নৈসমূহৰ পৰা বিপৰ্যয় সৃষ্টিৰ আশংকা সজাগ হৈছে বিহাৰ চৰকাৰ। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সম্ৰাত চৌধুৰীয়ে সকলো জিলা প্ৰশাসনক সাজু হৈ থাকিবলৈ নিৰ্দেশ জাৰি কৰিছে। ইতিমধ্যে তেওঁ এখন উচ্চ পৰ্যায়ৰ বৈঠকো অনুষ্ঠিত কৰিছে। ইতিমধ্যে ৰাজ্যখনৰ পশ্চিম চম্পাৰণ, পূব চম্পাৰণ, গোপালগঞ্জ, ছাৰণ, মুজাফফৰপুৰ আদি জিলাত বানৰ সম্ভাৱনা ওপৰত দৃষ্টি ৰখা কাৰ্য অব্যাহত আছে।

## মানসজ্যোতিৰ ৰহস্যজনক মৃত্যুৰ

*এক পৃষ্ঠাৰ পৰা* হ'ল। আজি ঘটনাস্থলীত ফৰেনচিক বিশেষজ্ঞৰ এটা দলো উপস্থিত হৈ তদন্ত কৰে। উল্লেখ্য যে যোৱা ২৩ আগষ্টৰ নিশা ৯-৩০ বজাত নাজিৰাৰ বিহুবৰৰ পথৰ ওপৰত মুমূৰ্ষু অৱস্থাত স্থানীয় একাংশ লোকে মানসক উদ্ধাৰ কৰে। লগে লগে তেওঁক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। দুৰ্ভাগ্যবশতঃ কালি পুৱা চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। মানসৰ মুখমণ্ডল আৰু হাতত গুৰুতৰ আঘাতৰ চিন আছিল। গতিকে তেওঁৰ মৃত্যুক বহুতে সহজভাৱে লোৱা নাই। বীৰ লাচিত সেনায়ো ঘটনাটোৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে। তদুপৰি পৰিয়াল, স্থানীয় লোক আৰু বীৰ লাচিত সেনাৰ মতে, ঘটনাটো সাধাৰণ পথ দুৰ্ঘটনা নহয়, পূৰ্বপৰিকল্পিত আক্ৰমণ হ'ব পাৰে। এনে অৱস্থাত বিহুবৰৰ নিৱাসী আটাউৰ ৰহমানৰ মাটি-ভেটিক কেন্দ্ৰ কৰি পূৰ্বে সৃষ্টি হোৱা এক বিবাদৰ কথাও চৰ্চালৈ আহিছে। অভিযোগ অনুসৰি যোৱা ১৯ জুলাইৰ বানত ৰহমানৰ ঘৰ উটি যোৱাৰ সুযোগ লৈ একাংশ লোকে তেওঁক পুনৰ ভেটিত ঘৰ সজাত বাধা দিছিল। আনহাতে, ৰহমানৰ হৈ মানসজ্যোতিয়ে থিয় দিছিল বুলি সূত্ৰই জনায়। পৰৱৰ্তী সময়ত কে'বাটাও দল-সংঠনৰ সহযোগত আটাউৰ ৰহমানক নিজৰ ভেটিতে ঘৰ সাজি দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি মানসজ্যোতি চেতিয়াৰ স'তে একাংশ লোকৰ তৰ্ক-বিতৰ্ক হোৱা বুলিও অভিযোগ উঠিছে।

আনহাতে, মানসৰ মৃত্যুৰ স'তে জড়িত বুলি সন্দেহ কৰা এক ঘটনাই ৰহস্য অধিক গভীৰ কৰি তুলিছে। শনিবাৰে নিশা শুই থকা অৱস্থাত আটাউৰ ৰহমানক কোনো দুৰ্বৃত্তই প্ৰহাৰ কৰাৰ সন্দেহ কৰা হৈছে। পুৱা পৰিয়ালৰ লোকে তেওঁক মুখেৰে তেজ ওলাই থকা অৱস্থাত উদ্ধাৰ কৰে। তেওঁৰ মুখমণ্ডল আৰু হাততো আঘাতৰ চিন আছিল বুলি পৰিয়ালৰ সূত্ৰই জানিবলৈ দিছে।

অভিযোগ অনুসৰি, যোৱা ২৩ আগষ্টৰ নিশা ৰহমানৰ খবৰ ল'বলৈ কোনোবাই ফোন কৰি মানসজ্যোতি চেতিয়াক মাতি নিছিল। ৰহমানৰ ঘৰলৈ আহি থকাৰ সময়তে পথৰ ওপৰত তেওঁক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰা হয়।

## তিব্বতত পুৱা ৪.৪ প্ৰাবল্যৰ

*এক পৃষ্ঠাৰ পৰা* গৱেষকসকলে তথ্য উদ্ধাৰ কৰিছিল যে ১৯৭৫ৰ পৰা ২০০০ লৈ যি হাৰত হিমালয়ৰ হিমবাহসমূহত বৰফ গলিছিল তাৰ দুগুণ বৰফ গলিবলৈ ধৰে ২০০০ৰ পাছৰ পৰা। এই গৱেষণাপত্ৰ প্ৰস্তুতৰ প্ৰধান গৱেষক আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ জোশুয়া মৰাৰে কয় যে বিগত চাৰি দশকত হিমালয়ৰ হিমবাহসমূহৰ চাৰি ভাগৰ এভাগ বৰফ গলিছে। উন্নয়নৰ নামত হিমালয় অঞ্চলত ব্যাপক হাৰত বনভূমি ধ্বংস অপৰিকল্পিত নিৰ্মাণ কাৰ্য, সুৰংগ নিৰ্মাণ আদিও নেপালৰ এই জলপ্ৰলয়ৰ কাৰণৰূপে গণ্য কৰিব পাৰি বুলি গৱেষকসকলে মন্তব্য কৰিছে।

অৱশ্যে হিমালয়ৰ পাদদেশৰ ক্ষুদ্ৰ দেশখনৰ এই আকস্মিক জলপ্ৰলয়ৰ নিশ্চিত কাৰণ বৰ্তমানলৈ স্থিৰ হোৱা নাই। কাৰণ উদ্ধাৰৰ বাবে অনুসন্ধান অব্যাহত আছে। সম্প্ৰতি প্ৰাৰম্ভিক অনুসন্ধান মতে, তিব্বতত এটা হিমবাহ ফাটি বৃহৎ পৰিমাণৰ পানী ভোটেকোশী নদীত আকস্মিকভাৱে পৰাৰ ফলত এই ভয়াৱহ বানৰ সৃষ্টি হয়। এই সম্পৰ্কত মাৰ্কিন ভূতাত্ত্বিক জৰীপে প্ৰকাশ কৰা অনুসৰি, এই জলপ্ৰলয় উদ্ভৱ হোৱাৰ সময়ত অৰ্থাৎ আজি পুৱা ৮-৩৭ বজাত তিব্বতত ৪.৪ প্ৰাবল্যৰ এটা ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়। নেপালৰ ৰসুয়া জিলাৰ গোসাঁইকুণ্ডৰ পৰা ৪৭ কিলোমিটাৰ উত্তৰত সৃষ্টি হোৱা এই ভূমিকম্পৰ আঘাতত নেপাল-চীন সীমান্তৰ ওচৰৰ এটা হিমবাহৰ হ্ৰদ ফাটি পৰে। ইয়াৰ ফলত আকস্মিকভাৱে ভোটেকোশী নৈৰে প্ৰবল জলস্ৰোত নামে। এই সম্পৰ্কত একাংশ ভূতত্ত্ববিদে ধাৰণা কৰা অনুসৰি, শিল আৰু বৰফৰ স্তূপে ভোটেকোশী নদীৰ গতিপথ অৱৰোধ কৰি ৰাখিছিল। হিমবাহৰ হ্ৰদ ফাটি পানীৰে নৈখন উপচি পৰাত এই অৱৰোধ ভাঙি নামনিত অৱস্থিত নেপালৰ লগতে তিব্বতৰো একাংশত প্ৰবল বানৰ সৃষ্টি কৰে। আনহাতে, কাঠমাণ্ডু বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ অধ্যাপক বিজন ভক্ত কায়স্তৰ মতে নদীত থকা অৱৰোধৰ ফলত অধিক পানী জমা হৈ এই অৱৰোধ ভাঙি শতাধিকৰ প্ৰাণহানি কৰা জলপ্ৰলয়টোৰ সৃষ্টি কৰে। এই অৱৰোধ চীনৰ দ্বাৰা নিৰ্মিত নদী বান্ধ আছিল নেকি সেয়া স্পষ্ট হোৱা নাই।

## শ্বিলঙৰ হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে এছআইটি

*এক পৃষ্ঠাৰ পৰা* আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰিছে। ইতিমধ্যে ছাত্ৰ সন্থাটোৰ চাৰিজন শীৰ্ষ নেতাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আক্ৰমণত প্ৰত্যক্ষভাৱে জড়িত পাঁচজন লোকক চিনাক্ত কৰা হৈছে। সেই কেইজনৰ বিৰুদ্ধেও আৰক্ষীৰ অভিযান অব্যাহত আছে। প্ৰতিবাদী সমদলৰ নামত সংঘটিত কৰা হিংসাত্মক কাৰ্যৰ তদন্ত ক্ষিপ্ৰতাৰে আগবঢ়াই যথাসম্ভৱ সোনকালে আদালতত অভিযোগনামা দাখিলৰ সিদ্ধান্ত মেঘালয় চৰকাৰৰ গৃহ বিভাগে গ্ৰহণ কৰিছে। ইয়াৰ বাবে ৰাজ্যৰ আৰক্ষী বিভাগক প্ৰয়োজনীয় নিৰ্দেশনা দিয়া হৈছে। তদন্তৰ দিশটো পৰ্যবেক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছে মেঘালয় আৰক্ষীৰ আইন শৃংখলা শাখাৰ আৰক্ষী মহা পৰিদৰ্শকক। আনহাতে, তদন্ত ক্ষিপ্ৰতৰ কৰা আৰু অভিযোগানামা দাখিলৰ বাবে কালি বিশেষ তদন্তকাৰী গোট গঠন কৰা হয়। ইপিনে, যোৱা ১৯ আগষ্টত সংঘটিত হিংসাত্মক ঘটনাক লৈ অস্থিৰ হৈ পৰা শ্বিলঙৰ পৰিস্থিতি বৰ্তমান স্বাভাৱিক। তথাপিও চহৰখনৰ আইন শৃংখলাৰ দিশটোৰ ওপৰত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে অহৰহ দৃষ্টি ৰাখিছে। আনহাতে পৰিস্থিতি স্বাভাৱিক হ'লেও শ্বিলংসহ মেঘালয়ৰ পৰ্যটন খণ্ডলৈ অদ্যাপি পূৰ্বৰ প্ৰাণচঞ্চলতা ঘূৰি অহা নাই। অতি সীমিত সংখ্যক পৰ্যটকহে ৰাজ্যখনত নতুনকৈ উপস্থিত হৈছে। ইয়াৰ ফলত পৰ্যটনৰ ভৰপক বতৰতো পৰ্যটকৰ অভাৱত ভুগিছে পাহাৰীয়া ৰাজ্যখনৰ অৰ্থনীতিৰ মেৰুদণ্ড খণ্ডটোৱে।

## অসমত ফাইলৰ নথিতে আৱদ্ধ হৈ ৰ'ল

*এক পৃষ্ঠাৰ পৰা* আন্তঃৰাজ্যিক সীমান্তত অসম আৰক্ষীৰ বৰ্তমান ১০৩ টা বিঅ'পি আছে। আৰক্ষীৰ তথ্যতে প্ৰকাশ যে ইয়াৰে সাতটাৰ কোনো অস্তিত্বই নাই। কাহানিবাই ভাঙি-ছিঙি চূৰমাৰ হৈছে। তথ্যত প্ৰকাশ যে অস্তিত্ব থকাবোৰৰো বেছিভাগেই অতি দুৰ্বল ব্যৱস্থাৰ মাজেৰে চলিছে। ফলত দুৰ্বৃত্তই দৌৰাত্ম্য চলোৱাৰ পথ সহজ হয়। উল্লেখ্য যে অৰুণাচল প্ৰদেশ, নগালেণ্ড, মেঘালয় আৰু মিজোৰামৰ লিত অসমৰ সীম বিবাদ চলি আহিছে। ৰাজ্য চাৰিখনে মিলি অসমৰ ৮৩,৭৫১.৮৬১৮ হেক্টৰ ভূমি বেদখল কৰি আছে। এই ভূমি বিবাদৰ বাবেই এই প্ৰতিবেদন যুগুতোৱাৰ সময়তো অসম-নগালেণ্ড সীমান্তৰ মৰিয়নিত সংঘাত চলি আছে। শেহতীয়াকৈ অৰুণাচলৰ দুৰ্বৃত্তই ধেমাজিত অসমৰ কে'বাজনো লোকক গুলীয়ায়। উদ্বেগৰ বিষয়টো হ'ল যে বিঅ'পিৰ ক্ষেত্ৰত অসম চৰকাৰে সদায় পশ্চাৎমুখী আচৰণ প্ৰদৰ্শন কৰাৰ অভিযোগ আছে। সেইকাৰণে সীমান্ত অঞ্চল উন্নয়নৰ পৰা আৰম্ভ কৰি সুৰক্ষাৰ দিশটোলৈকে অৱহেলিত হৈ আছে। অসম আৰক্ষীৰ তথ্য অনুসৰি বিঅ'পিবোৰৰ ভিতৰত অসম-নগালেণ্ড সীমান্তত ৭০ টা, অসম-অৰুণাচল সীমান্তত ১৪ টা, অসম-মেঘালয় সীমান্তত ১০ টা আৰু অসম- মিজোৰাম সীমান্তত নটা অৱস্থিত। এই কেইটাৰে সীমান্তৰ ৰাইজৰ সুৰক্ষা নিশ্চিত কৰিব নোৱাৰি। ইয়াৰ বৰৈত অধিক সংখ্যক বিঅ'পি স্থাপনৰ দাবী সীমান্তৰ ৰাইজৰ লগতে বহু দল- সংগঠনেও সুদীৰ্ঘ দিনৰ পৰা কৰি আহিছে। কিন্তু পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ পথকে অনুসৰণ কৰি এনডিএ চৰকাৰেও বিষয়টো কেৱল উপেক্ষা কৰি থাকে। অৱশেষত সীমান্ত অঞ্চলৰ জটিলতা বৃদ্ধি হোৱাত অসমৰ যোৱা চৰকাৰৰ দিনত অতিৰিক্ত ৫০ টা বিঅ'পি নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি সিদ্ধান্ত লোৱা হয় যে ২০২২-২৩ত ২০ টা, ২০২৩-২৪ ত ২০ টা আৰু ২০২৪-২৫ ত এটা বিঅ'পি নিৰ্মাণ কৰা হ'ব। কিন্তু লক্ষ্য নিৰ্ধাৰিত এই সিদ্ধান্ত আজিও সিদ্ধান্ত হৈয়েই আছে। উল্লেখ্য যে আন্তঃৰাজ্যিক সীমান্ত স্পৰ্শ কৰি থকা অসমৰ ১৯ খন জিলাত এই বিঅ'পিবোৰ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল। এই জিলাকেইখন হ'ল-কাৰ্বি আংলং, দক্ষিণ শালমাৰা-মানকাচৰ, তিনিচুকীয়া, ওদালগুৰি, যোৰহাট, শিৱসাগৰ, ধেমাজি, পশ্চিম কাৰ্বি আংলং, ডিব্ৰুগড়, গোৱালপাৰা, কামৰূপ, ডিমা হাছাও, মৰিগাঁও, লখিমপুৰ, শোণিতপুৰ, ধুবুৰী, কামৰূপ মহানগৰ, তেতিয়াৰ কৰিমগঞ্জ তথা বৰ্তমানৰ শ্ৰীভূমি আৰু কাচাৰ। এই ৫০ টা বিঅ'পি স্থাপন হ'লে নগালেণ্ড সীমান্তত আঠটা, অৰুণাচল সীমান্তত ১৮ টা, মেঘালয় সীমান্তত ১১ টা আৰু মিজোৰাম সীমান্তত ১১ টা নতুন বিঅ'পি গঢ়ি উঠিব। তদুপৰি দুটা বিঅ'পি পশ্চিমবংগ সীমান্ততো স্থাপনৰ সিদ্ধান্ত লোৱা হয়। কিন্তু বাজেটত গৃহীত সেই প্ৰস্তাৱে আজিলৈকে বাস্তৱ ৰূপ নাপালে। ইপিনে, বৰ্তমান থকা বিঅ'পিবোৰৰো আধা অংশ অতি দুৰ্বল অৱস্থাত চলিছে। চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগে ২০২২-২৩ ৰ পৰা বিঅ'পিসমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু ব্যৱস্থাপনাৰ বাবে পৰ্যায়ক্ৰমে বছৰি পাঁচ লাখ টকাকৈ অনুদান দিয়াৰ ব্যৱস্থাহে গ্ৰহণ কৰিছে।

## নেপালত জলপ্ৰলয়, সহস্ৰাধিকৰ মৃত্যুৰ

*এক পৃষ্ঠাৰ পৰা* জিলাখনৰ কে'বা হেজাৰ লোকক উটুৱাই নিয়ে। ৰাসুয়া জিলাক এনেদৰে ধ্বংসস্তূপত পৰিণত কৰা বানৰ পানীয়ে দাঁতিকাষৰীয়া তিনি জিলা ক্ৰমে ধাদিং, নুৱাকট আৰু চিতাৱানতো ধ্বংসলীলা চলায়। আজি নিশালৈ এই প্ৰলয়ংকৰী বানত কিমান লোকৰ প্ৰাণহানি হ'ল সেই তথ্য পোহৰলৈ অহা নাই। কাৰণ দেশী-বিদেশী পাঁচ শতাধিক পৰ্যটকসহ কে'বা হেজাৰ লোক সন্ধানহীন হৈ আছে। এনে অৱস্থাতে নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে প্ৰকাশ কৰা অনুসৰি এই জলপ্ৰলয়ত ৯৮ জনৰ মৃত্যু নিশ্চিত কৰা হৈছে। একেদৰে বাগমতী প্ৰদেশৰ আৰক্ষী কাৰ্যালয়ৰ মুখপাত্ৰ ৰাজেন্দ্ৰ প্ৰসাদ ধমলাই সদৰী কৰা অনুসৰি মৃতসকলৰ মাজত ৪৬ জনৰ মৃতদেহ ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। এইসকলৰ ১৮ জন চিতাৱান জিলাৰ, ১৬ জন ধাদিং জিলাৰ ১১ জন নুৱাকত আৰু এজন ৰাসুয়া জিলাৰ। তদুপৰি বানে উটুৱাই নিয়া অৱস্থাৰ পৰা কমেও ৯৩ জনক উদ্ধাৰ কৰা হয় বুলি আৰক্ষী মুখপাত্ৰজনে জনায়। ইয়াৰে ৩০ জন সম্প্ৰতি কাঠমাণ্ডুৰ ত্ৰিভুৱন ইউনিভাৰচিটি টীচিং হাস্পতালত চিকিৎসাধীন হৈ আছে। আনহাতে, পাহাৰৰ পৰা প্ৰচণ্ড বেগেৰে নামি অহা নৈখনৰ পানীয়ে বৃহৎ পৰিমাণৰ বোকা কঢ়িয়াই আনে। এই বোকাই বানধ্বিস্ত অঞ্চলসমূহ পুতি পেলাইছে। চৰকাৰী উচ্চস্তৰীয় সূত্ৰৰ মতে, এই বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত হয় চীন সীমান্তৱৰ্তী টিমুৰে আৰু ছাব্ৰুবেছি অঞ্চল। এই সংহাৰী বানত তিব্বতৰ গাইৰন প্ৰদেশৰো বিস্তৰ ক্ষতিসাধন হয়। চীনা সংবাদ মাধ্যমৰ মতে গাইৰনতো অনেক লোক মৃত্যুমুখত পৰাৰ আশংকা আছে। একেদৰে ৰাসুয়া জিলাৰ উপায়ুক্ত নগেন্দ্ৰ পেৰিয়াৰে কয়, 'বহু গ্ৰামাঞ্চল পানীত ওপঙি উঠে। এই দুৰ্যোগত সা-সম্পত্তিৰ প্ৰচুৰ ক্ষয়-ক্ষতি আৰু অনেক লোকৰ মৃত্যুৰ আশংকা আছে। আমি এতিয়ালৈ কোনো নিশ্চিত তথ্য উদ্ধাৰ কৰিব পৰা নাই।' জিলা আয়ুক্তই লগতে জনোৱা মতে, যোৱা নিশা অথবা আজি জিলাখনত কোনো বৰষুণ হোৱা নাছিল। গতিকে প্ৰশাসন বান দুৰ্যোগৰ বাবে মুঠেই সন্তম নাছিল। সেই অনুসৰি সতৰ্কতাও জাৰি কৰা হোৱা নাছিল। ফলত ক্ষয়-ক্ষতিৰ পৰিমাণ বৃদ্ধি পায়। আনহাতে, এই বানত ক্ষতিগ্ৰস্তসকলক উদ্ধাৰত প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে তাৎক্ষণিকভাৱে সেনা আৰু আৰক্ষী নিয়োগ কৰিবলৈ নিৰ্দেশ জাৰি কৰে। তদুপৰি বানত উটি গৈ আহত হোৱাসকলৰ চিকিৎসাৰ বাবে এটা চিকিৎসকৰ দল আৰু এম্বুলেন্স ক্ষতিগ্ৰস্ত অঞ্চলসমূহলৈ প্ৰেৰণ কৰে। এই বানে ধ্বংসলীলা চলোৱাৰ পাছতে পৰিস্থিতি মোকাবিলাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে এক জৰুৰী বৈঠকৰ আয়োজন কৰে।

### ছয় মিটাৰ উচ্চতালৈ পানী উঠিছিল ঃ হেলিকপ্টাৰৰ বৈমানিকে জনালে

আজিৰ নেপালৰ বান দৰাচলতে জলপ্ৰলয় আছিল। এই বান আকাশৰ পৰা প্ৰত্যক্ষ কৰা আমান বুদাথাউকি নামৰ এজন হেলিকপ্টাৰ বৈমানিকে জনোৱা মতে, বানৰ পানী অন্তত ছয় মিটাৰ উচ্চতালৈ উঠিছিল। এই জলপ্ৰলয় সম্পৰ্কত তেওঁ আৰু কয়, 'প্ৰথমতে মই ঘটনাটো ভূস্খলন বুলি ভাবিছিলো। সেনাই পথ নিৰ্মাণৰ বাবে শিল বিস্ফোৰণ ঘটোৱা বুলিও ভাবিছিলো। কিন্তু কেইমুহূৰ্তমানৰ পাছতে পাঁচৰ পৰা ছয় মিটাৰ পৰ্যন্ত উচ্চতাৰ পানীৰ ঢৌ আমি দেখিবলৈ পালো। তলৰ গাঁওসমূহৰ বহু ঘৰ-দুৱাৰ, গাড়ী-মটৰ আৰু গছ-গছনি বানে উটুৱাই নিয়াও দেখিলো। এই পৰিস্থিতি অত্যন্ত ভয়াৱহ আছিল। ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে আমি আকাশৰে পানীৰ সোঁতৰ পিছ লৈছিলো। জীৱনত কেতিয়াও প্ৰকৃতিৰ এনে ভয় লগা ৰূপ দেখা নাছিলো।'

উল্লেখ্য যে এই জলপ্ৰলয় সৃষ্টি ভোটেকোশী নৈৰ ত্ৰিশুলি নৈত মিলিছে। ৰাসুয়াৰ উপৰি নদীখনে গতিপথত পোৱা নুয়াকোট, ধাদিং আৰু চিতাৱন জিলাক একপ্ৰকাৰ মোহাৰি পেলায়। ঢাঁহি-মুহি অহা বানৰ পানীৰ সোঁতে এফালৰ পৰা ধ্বংসলীলা সাধন কৰে।

### ২০১৫ৰ ভূমিকম্পৰ পাছত সৰ্ববৃহৎ প্ৰাকৃতিক দুৰ্যোগ

প্ৰায় এক দশকৰ পাছত নেপালত প্ৰকৃতিয়ে চলোৱা এই তাণ্ডৱে বহুতকে দেশখনক এক প্ৰকাৰ ধ্বংসস্তূপত পৰিণত কৰা ২০১৫ৰ ভয়াৱহ ভূমিকম্পটোৰ কথা মনত পেলাই দিছে। উল্লেখ্য যে ১১ বছৰ পূৰ্বে দেশখনক জোঁকাৰি যোৱা এই ভূমিকম্পত কমেও ন হেজাৰ লোকৰ প্ৰাণহানি ঘটাৰ লগতে সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হৈছিল। আজিৰ বানৰ ধ্বংসলীলা প্ৰত্যক্ষ কৰি বহুতে ক্ষয়-ক্ষতি এনে বৃহৎ হোৱাৰ আশংকা কৰিছে।

বোকা মিশ্ৰিত পানীৰ প্ৰবল সোঁতে উটুৱাই নিলে পকী ঘৰ-দুৱাৰো, ৰুদ্ধশ্বাসে পলায়নৰ চেষ্টা চলায়ো ব্যৰ্থ বহুজন

শিশুৰ পৰা বয়স্ক ব্যক্তিলৈকে প্ৰাণটাকি দৌৰিছে বহুতে! পাছে পাছে বৈছে কে'বা মিটাৰ উচ্চতাৰ প্ৰবল পানীৰ সোঁত। বোকা মিশ্ৰিত এই পানীয়ে এফালৰ পৰা খহাই আনিছে ঘৰ-দুৱাৰ, গছ-গছনি, উটুৱাই নিছে বাট-পথ, দলং, গাড়ী-মটৰ আদি। পানীৰ স'তে বৈ অহা বোকাই এফালৰ পৰা পুতি পেলাইছে সকলো। এয়া কোনো ভয় লগা ছবিৰ দৃশ্য নহয়। এয়া হৈছে আজি নেপালত ভেটোকোশী নৈৰ আকস্মিক বানে সৃষ্টি কৰা পৰিৱেশ। নেপাল আৰক্ষীয়ে ৰাজহুৱা কৰা এটা ভিডিঅ'ত এই ভয়াৱহ দৃশ্য দেখা গৈছে। এই বানে চাৰিখনকৈ জিলাৰ বজাৰ, সমাৰ, দোকান, পোহাৰ আদিৰো চিনচাব নোহোৱা কৰে। একেদৰে মুহূৰ্ততে একোটা সুউচ্চ অট্টালিকাও ভাঙি চূৰমাৰ কৰে। উটুৱাই নিয়ে অসংখ্য যানবাহন আৰু মানুহ তথা আন জীৱ-জন্তু।

## অসমীয়া কোন?

*এক পৃষ্ঠাৰ পৰা* সুদীৰ্ঘ এছোৱা কালতো অসম চৰকাৰে 'অসমীয়া কোন?' এই প্ৰশ্নটোৰ উত্তৰ কিয় উলিয়াব নোৱাৰিলে। অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ উপৰি ভাৰতৰ অন্যান্য ঠাইৰ পৰা অহা বহুতো লোকে অসমত স্থায়ীভাৱে বাস কৰি অসমৰ ভাষা-কৃষ্টি গ্ৰহণ কৰিছে। এই লোকসকল নিঃসন্দেহে অসমীয়া। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অহা লোকৰ উপৰি অসমত অবৈধভাৱে প্ৰৱেশ কৰা পূব পাকিস্তান (এতিয়া বাংলাদেশ)ৰ বৃহৎ সংখ্যক লোকেও অসমত স্থায়ীভাৱে বসতি স্থাপন কৰিছে। অনুপ্ৰৱেশ আজিও বন্ধ হোৱা নাই। এই অনুপ্ৰৱেশকাৰীসকলৰ মাজত মুছলমান আৰু হিন্দু উভয় সম্প্ৰদায়ৰ লোক আছে। হেজাৰ হেজাৰ বাংলাদেশীৰ অবৈধ অনুপ্ৰৱেশে অসমীয়াৰ অস্তিত্বত ভাবুকি সৃষ্টি কৰা নাইনে? ঐতিহাসিক অসম চুক্তি অনুসৰি ১৯৭১ৰ পাছত অসমত প্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ কথা আছিল। অসম চুক্তিৰ ছয় নম্বৰ দফাত এই কথা লিপিবদ্ধ কৰা হৈছিল। এই দফাটো আছিল চুক্তিখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দফা। দুৰ্ভাগ্যজনক কথা যে চুক্তি স্বাক্ষৰিত হোৱাৰ চাৰিটা দশকৰ পাছতো ছয় নম্বৰ দফাটো কাৰ্যকৰী নহ'ল। 'অসমীয়া কোন?' এই প্ৰশ্নৰ উত্তৰ ৰাজ্য চৰকাৰৰ পৰা নোপোৱা বাবেই হেনো কেন্দ্ৰীয় চৰকাৰে এই দফাটো কাৰ্যকৰী কৰিব পৰা নাই। ৰাজ্য চৰকাৰে এই প্ৰশ্নৰ উত্তৰ কেন্দ্ৰীয় চৰকাৰক দিব নোৱাৰাৰ কাৰণ হিচাপে অসমৰ জাতীয়তাবাদী দল-সংগঠনসমূহক জগৰীয়া কৰিছে। জাতীয়তাবাদী দল-সংগঠনসমূহে বিষয়টোক লৈ ভিন্ন ভিন্ন মত পোষণ কৰিছে। দল-সংগঠনসমূহে এটা সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিলে। এই দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিলে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে। অসমৰ জনসাধাৰণৰ প্ৰবল প্ৰতিবাদলৈ ভ্ৰূক্ষেপ নকৰি নাগৰিকত্ব আইন সংশোধন (কা)ৰ জৰিয়তে ১৯৭১ৰ পাছত অবৈধভাৱে অসমত প্ৰৱেশ কৰা হিন্দু বাংলাদেশীসকলক নাগৰিকত্ব দিয়াৰ ব্যৱস্থা কৰিলে। ইয়াৰ ফলত লাখ লাখ হিন্দু বাংলাদেশী অসমৰ নাগৰিক হৈ পৰিল। অৰ্থাৎ এই লোকসকলে ভোটাধিকাৰ লাভ কৰিলে। চৰকাৰৰ লক্ষ্য হিন্দু বাংলাদেশীক ৰক্ষণাবেক্ষণ দিয়া। কাৰণ বিজেপিৰ ক্ষমতা লাভত হিন্দু বাংলাদেশীয়ে যে বিশেষ ধৰণে সহায় কৰে সেই কথা দলৰ চৰকাৰে ভালদৰে জানে। আমাৰ প্ৰশ্ন হ'ল, নাগৰিকত্ব লাভ কৰি অসমৰ স্থায়ী বাসিন্দা হৈ পৰা এই লোকসকলে চলি থকা লোকপিয়লত অসমীয়া বুলি পৰিচয় দিবনে? নিদিয়ে বুলি নিশ্চিতভাৱে ক'ব পাৰি। আনকি অসমীয়া ভাষাক তেওঁলোকে সংযোগী ভাষাৰ মৰ্যাদা দিয়ে নে নিদিয়ে সেইটোতো আমাৰ সন্দেহ আছে। দলীয় স্বাৰ্থ সিদ্ধিৰ বাবেই ১৯৭১ৰ পাছত প্ৰৱেশ কৰা বাংলাদেশীসকলক সম্প্ৰদায়ৰ ভিত্তিত দুটা ভাগত বিভক্ত কৰি লোৱা হ'ল— হিন্দু আৰু মুছলমান। হিন্দুসকলে নাগৰিকত্ব লাভ কৰিলে, মুছলমানসকল বঞ্চিত হ'ল। নাগৰিকত্ব লাভ নকৰা এই মুছলমান সম্প্ৰদায়ৰ লোকসকলক বিচাৰি উলিয়াই বহিষ্কাৰ কৰা সম্ভৱ হ'বনে? আমাৰ ধাৰণা, বিদেশীৰূপে গণ্য কৰা এজনকো ওভতাই পঠোৱা চৰকাৰৰ পক্ষে সম্ভৱ নহ'ব। তাৰ প্ৰমাণ ইতিপূৰ্বে পোৱা গৈছে। নতুনকৈ নাগৰিকত্ব লাভ কৰা বাংলাদেশীসকলৰ কথা বাদেই, ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আহি অসমত স্থায়ীভাৱে বাস কৰি দুই-তিনিটা প্ৰজন্ম পাৰ কৰা লোকসকলেও লোকপিয়লত অসমীয়া বুলি পৰিচয় দিব বুলি নিঃসন্দেহে ক'ব নোৱাৰি। ভাৰতৰ আন ৰাজ্যসমূহত এই সমস্যা নাই। বিহাৰ, পঞ্জাৱ আদি ৰাজ্যৰ লোকসকলে জাতি-ধৰ্ম নিৰ্বিশেষে আটাইবোৰ জনগোষ্ঠীয়ে নিজকে বিহাৰী, পাঞ্জাবী আদি ধৰণেই পৰিচয় দিয়ে। অসমৰ ক্ষেত্ৰতহে ইয়াৰ ব্যতিক্ৰম ঘটা দেখা গৈছে।


অসমীয়াভাষী লোকৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিছে। জনা কথা, বৰাক উপত্যকাৰ লোকসকলে কেতিয়াও অসমীয়া বুলি পৰিচয় নিদিয়ে। এতিয়া অসমৰ থলুৱা জনগোষ্ঠীসমূহেও অন্য এক স্থিতি গ্ৰহণ কৰিছে। আগন্তুক লোকপিয়লত ৰাভা, ৰাজবংশী আদিৰ নিচিনা অসমৰ থলুৱা জনগোষ্ঠীসমূহে নিজ নিজ জনগোষ্ঠীৰ নামৰেহে পৰিচয় দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাষাৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। অসমৰ থলুৱা জনগোষ্ঠীসমূহে যদি অসমীয়া বুলি পৰিচয় নিদিয়ে, তেতিয়াহ'লে অসমীয়া ভাষী লোকসকল সংখ্যালঘুত পৰিণত হোৱাৰ আৰু অসমীয়া ভাষাই ৰাজ্য ভাষাৰ মৰ্যাদা হেৰুওৱাৰ আংশকা ঘনীভূত হ'ব। গতিকে অসমৰ অৱস্থা চুবুৰীয়া ৰাজ্য ত্ৰিপুৰাৰ দৰে নহ'ব বুলি কোনেও ক'ব নোৱাৰে। ত্ৰিপুৰাত বাংলাভাষী লোকৰ সংখ্যাধিক্যই ত্ৰিপুৰীসকলক পটভূমিলৈ ঠেলি দিলে আৰু ত্ৰিপুৰী ভাষাৰ স্থান ল'লে বাংলা ভাষাই। অসমতো অসমীয়া ভাষাৰ স্থান আন কোনো ভাষাই ল'ব নোৱাৰে বুলি আত্মসন্তুষ্টি লাভ কৰি থাকিলেই নহ'ব। ভূপেন হাজৰিকাই শুনাই থৈ যোৱা সকীয়নি আমি পাহৰিব নালাগিব। তাৰ কাৰণে অসমীয়াসকলেও ৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰিব লাগিব। অসমত স্থায়ীভাৱে বাস কৰি অসমৰ ভাষা-কৃষ্টি গ্ৰহণ কৰি লোৱাসকলক অসমীয়া হিচাপে আদৰি ল'ব লাগিব।

*ফোন ঃ ৯৭০৬২৩১৫৪৬*

# চোৰৰ লক্ষ্য ধিঙৰ ঐতিহ্যমণ্ডিত লহকৰ প্ৰাথমিক বিদ্যালয়

## তিনিটা দিনতে দুবাৰকৈ চুৰি কাণ্ড ঃ দিনত আহিল পুলিচ-নিশা চলালে চোৰে তাণ্ডৱ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২৬ আগষ্ট ঃ** নগাঁও জিলাৰ উত্তৰ পশ্চিম ধিঙৰ এখন প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হ'ল লহকৰ প্ৰাথমিক বিদ্যালয়। দেশ স্বাধীন হোৱাৰ আগতেই ১৯৪৭ৰ প্ৰথম ভাগত প্ৰতিষ্ঠা হোৱা এই বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ স'তে জড়িত আছিল বিশিষ্ট স্বাধীনতা সংগ্ৰামী, সমাজসেৱক জয়ৰাম দাস প্ৰমুখ্যে কৰি দুই নম্বৰ লহকৰ, পুৰণি লহকৰ, আঠগাঁও চাপৰিৰ কে'বাজনো সমাজকৰ্মী। বিদ্যালয়খনৰ প্ৰধান শিক্ষক পদুম দাসৰ অশেষ চেষ্টাৰ ফলত এই প্ৰাথমিক বিদ্যালয়খন জিলাখনৰ ভিতৰতে এখন সকলো সুবিধা সমৃদ্ধ আৰু জাকত জিলিকা বিদ্যালয়ত পৰিণত হয়। আনকি বিদ্যায়তনিক দিশতো জিলিকি উঠা এই প্ৰাথমিক বিদ্যালয়খনে শিক্ষা বিভাগৰ গুণোৎসৱত ধাৰাবাহিকভাৱে তিনিবাৰকৈ এ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। চাৰে তিনিশগৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা এই প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত প্ৰাথমিক বিদ্যালয়খন বিগত কিছুদিনৰ পৰা চোৰ আৰু সমাজবিৰোধী চক্ৰৰ লক্ষ্য হৈ পৰিছে। চোৰৰ দলে সঘনাই এই প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত প্ৰাথমিক বিদ্যালয়খনত লুটপাট চলাই তাৰ পৰা ইটোৰ পাছত সিটো সামগ্ৰী লুট কৰি নিয়াত উদ্বিগ্ন হৈ পৰিছে অঞ্চলবাসী। বিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে, যোৱা ২৩ আগষ্টৰ নিশা চোৰৰ দলে বিদ্যালয়খনৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি কম্পিউটাৰৰ চাৰিটা মনিটৰ চুৰি কৰি লৈ যায়। এই সন্দৰ্ভত কালি বিদ্যালয়খনৰ প্ৰধান শিক্ষক পদুম দাসে ধিং আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰাত আৰক্ষীৰ এটা দল আহি তদন্ত কৰি যায়। আৰক্ষীয়ে দিনত তদন্ত কৰি যোৱাৰ মাত্ৰ কেইঘণ্টামানৰ পাছতে আৰক্ষীক অংগুষ্ঠ প্ৰদৰ্শন কৰি কালি নিশা পুনৰ চোৰে তাণ্ডৱ চলায় বিদ্যালয়খনত। চোৰৰ দলে বিদ্যালয়খনৰ দুৱাৰৰ প্ৰকাণ্ড তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি কম্পিউটাৰৰ তিনিটা চিপিঅ', চাৰিখন কীব'ৰ্ড আৰু চাৰিটা মাউচ চুৰি কৰি লৈ যায়। আজি পুৱা প্ৰধান শিক্ষকজনৰ বিদ্যালয়খনত উপস্থিত হৈ দুৱাৰৰ এলড্ৰপ -তলা ভঙা আৰু দুৱাৰ খোলা থকা দেখা পায়। তেওঁ কোঠাটোৰ ভিতৰত প্ৰৱেশ কৰি দেখে যে কম্পিউটাৰৰ সকলো সামগ্ৰী চোৰে লুটি নিছে। লগে লগে তেওঁ এই বিষয়ে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিক অৱগত কৰি আজি পুৱা ধিং আৰক্ষী থানাত চুৰি কাণ্ডৰ সন্দৰ্ভত পুনৰ এখন এজাহাৰ দাখিল কৰে। স্মৰ্তব্য যে এই প্ৰাচীন ঐতিহ্যমণ্ডিত প্ৰাথমিক বিদ্যালয়খনত ইয়াৰ পূৰ্বেও তিনিবাৰ চুৰি কাণ্ড সংঘটিত হৈছে। ইয়াৰ পূৰ্বে চোৰে বিদ্যালয়খনৰ চিলিং ফেন, পানীৰ মটৰ আৰু অন্যান্য মূল্যৱান সামগ্ৰী চুৰি কৰি নিছিল। প্ৰতিবাৰেই প্ৰধান শিক্ষক দাসে ধিং আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীয়ে এবাৰো দুৰ্বৃত্তক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। আৰক্ষীৰ নেতিবাচক ভুমিকাৰ বাবেই চোৰে এবাৰ-দুবাৰকৈ মুঠ পাঁচবাৰ বিদ্যালয়খনত লুটপাট চলায় বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। বিদ্যালয় কৰ্তৃপক্ষ, স্থানীয় ৰাইজ আনকি ধিং সমষ্টিৰ বিধায়ক মেহবুব মোক্তাৰেও লহকৰ প্ৰাথমিক বিদ্যালয়ত সংঘটিত চুৰি কাণ্ডৰ লগত জড়িত চোৰৰ দলটোক অতিশীঘ্ৰে কৰায়ত্ত কৰিবলৈ দাবী জনাইছে।

# জাগীৰোডত এহেজাৰো অধিক 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'ৰ হিতাধিকাৰীৰ স'তে মত বিনিময়

## আঁচনিৰ ধন কেৱল ব্যৱসায়ৰ বাবে ব্যৱহাৰ কৰিবলৈ আহ্বান ঃ মন্ত্ৰী পীযুষ

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ২৬ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'ৰ অধীনত প্ৰতিষ্ঠা কৰা উদ্যোগসমূহ পৰ্যালোচনা কৰাৰ লক্ষ্যৰে আজি জাগীৰোড সমষ্টিৰ প্ৰায় এহেজাৰতকৈ অধিক হিতাধিকাৰীৰ স'তে মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে ৰাজ্যৰ কৃষি তথা জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই। বিভিন্ন ব্যৱসায়িক উদ্যোগৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীজনে পৰম্পৰাগত ব্যৱসায়-বাণিজ্যৰ উপৰি কুকুৰা পালন, গাহৰি পালন, মীন পালন, উদ্যান শস্য আৰু বহু ফচল উৎপাদনৰ দৰে উৎপাদনমুখী খণ্ডত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। অসমক খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ স্থানীয় উৎপাদন বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি কৃষি আৰু উৎপাদন খণ্ডত আত্মনিয়োগ কৰা হিতাধিকাৰীসকলক অগ্ৰাধিকাৰ দিবলৈ তেওঁ উদ্যোগ বিভাগক অনুৰোধ জনায়। জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানত যুৱপ্ৰজন্মৰ মাজত স্বাৱলম্বিতা আৰু বহনক্ষম উদ্যোগশীলতা গঢ়ি তোলাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰা 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'ক এক যুগান্তকাৰী পদক্ষেপ বুলি অভিহিত কৰে মন্ত্ৰী হাজৰিকাই। অৱশ্যে প্ৰথম কিস্তিৰ ধন সঠিকভাৱে ব্যৱহাৰ নকৰা হিতাধিকাৰীসকলক পৰৱৰ্তী কিস্তিৰ ধন প্ৰদান কৰা নহ'ব বুলি তেওঁ দৃঢ়ভাৱে সকীয়াই দিয়ে। ৰাজহুৱা ধন কেৱল অৰ্থনৈতিক সবলীকৰণৰ প্ৰকৃত উদ্দেশ্যতহে ব্যৱহাৰ হ'ব লাগিব বুলি তেওঁ পুনৰাই স্পষ্ট কৰি দিয়ে। কৃষিক্ষেত্ৰসমূহ পেলাই নাৰাখি সঠিক ব্যৱহাৰ কৰিবলৈ যুৱচামক উৎসাহিত কৰি মন্ত্ৰীজনে ঘোষণা কৰে যে অহা বছৰৰ পৰা কৃষি বিভাগে নাৰিকল, তামোল, বিলাতী বগৰী, লিচু আদি বাণিজ্যিক ফল-মূলৰ পুলি ব্যাপকভাৱে বিতৰণ কৰিব। তদুপৰি মাখনা খেতিৰ জৰিয়তে দুগুণ উপাৰ্জনৰ সুবিধা থকাৰ কথা উল্লেখ কৰি তেওঁ আগ্ৰহী কৃষকসকলক কৃষি বিভাগৰ তৰফৰ পৰা সকলো প্ৰকাৰৰ সহযোগ আগবঢ়োৱা হ'ব বুলি আশ্বাস দিয়ে। আনহাতে, কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ঋণ গ্ৰহণ কৰি কৃষি-ভিত্তিক ব্যৱসায় প্ৰতিষ্ঠা কৰাৰ বাবে নতুন উদ্যমীসকলক উৎসাহিত কৰিবলৈ মৰিগাঁও জিলা কৃষি বিষয়াক সমগ্ৰ জিলাখনতে ব্যাপক সচেতনতামূলক শিবিৰ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে।

### জিলা সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি ৰমেশ চন্দ্ৰ শৰ্মাক স্মৰণ

# 'শ্ৰীকৃষ্ণ কথামৃতঃ অৱতাৰ, লীলা আৰু ভক্তি' শীৰ্ষক গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৬ আগষ্ট ঃ** নলবাৰী সাহিত্য সমাজৰ উদ্যোগত আৰু পৰিয়ালবৰ্গৰ সহযোগত বিশিষ্ট শিক্ষাব্ৰতী, নলবাৰী সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি ৰমেশ চন্দ্ৰ শৰ্মাৰ নৱম মৃত্যু বাৰ্ষিকী উপলক্ষে আজি স্মাৰক বক্তৃতানুষ্ঠান আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। নলবাৰী চহৰৰ বিদ্যাপুৰৰ ৰত্নেশ্বৰ গোস্বামী সাংস্কৃতিক কেন্দ্ৰ সভাগৃহত বিয়লি অনুষ্ঠিত সভাৰ প্ৰাৰম্ভতে প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত শৰ্মাৰ সহধৰ্মিণী বিমলা দেৱীয়ে। মাল্যাৰ্পণ কৰে নলবাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° দীনমণি ভাগৱতীয়ে। ড° ভাগৱতীয়ে ভাষণ প্ৰসংগত কয়, সম্প্ৰতি সামাজিক দায়বদ্ধতাত ক'ৰবাত যেন বিজুতি ঘটিছে। আমি সকলোকে একত্ৰিত কৰি ৰাখিব পৰা নাই। কিন্তু প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাই পৰিয়ালটোক একত্ৰিত কৰি ৰখাত সফল হৈছে। কিয়নো পৰিয়ালটোৱে এক ইতিবাচক চিন্তাৰে আগবাঢ়ি গৈ সমাজত নিদৰ্শন দাঙি ধৰিছে। অনুষ্ঠানত পৰিয়ালবৰ্গৰ দ্বাৰা এটি প্ৰশস্তি গীত পৰিৱেশন কৰা হয়। নলবাৰী সাহিত্য সমাজৰ সভাপতি কল্পনা মিশ্ৰৰ সভাপতিত্বত আৰু সম্পাদিকা মৃদুস্মিতা মেধিয়ে আঁত ধৰা সভাত 'সাম্প্ৰতিক সমাজ আৰু মানৱীয় প্ৰমূল্য' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি শংকৰদেৱ একাডেমীৰ অধ্যক্ষ ড° বিনয় কুমাৰ মজুমদাৰে ভাষণ প্ৰসংগত কয়, মানৱ সমাজ পৰিৱৰ্তনশীল। সমাজ অতি দ্ৰুতগতিত আগবাঢ়িছে; কিন্তু মূল্যবোধ তেনেকৈ আগবঢ়া নাই। সমাজত চিন্তাৰ সলনি হৈছে, সমাজৰ চিন্তাচৰ্চা যুগে যুগে পৰিৱৰ্তন হয়। সামাজিক মাধ্যম এতিয়া দ্ৰুতগতিত আগবঢ়িছে। ইপিনে, প্ৰয়াত শৰ্মাৰ সহধৰ্মিণী বিমলা দেৱী ৰচিত 'শ্ৰীকৃষ্ণ কথামৃতঃ অৱতাৰ,লীলা আৰু ভক্তি' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে বৰভাগ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° সুশান্ত কুমাৰ কাশ্যপে। ড° কাশ্যপে ভাষণ প্ৰসংগত কয়- শ্ৰীকৃষ্ণ ভাৰতীয় সংস্কৃতি, ভাৰতীয় পৰম্পৰা। শ্ৰীকৃষ্ণৰ স'তে পৌৰাণিক কামৰূপ অৰ্থাৎ আজিৰ অসমৰ সম্পৰ্ক সৰ্বজন বিদিত। তদুপৰি মধ্যযুগৰ সাহিত্য, সংস্কৃতিৰ মূল আছিল শ্ৰীকৃষ্ণ বন্দনা। নামঘৰ, সত্ৰ, বৰগীত, অংকীয়া নাট, ভাওনা আদিত শ্ৰীকৃষ্ণ ভক্তি বিৰাজমান। বিমলা দেৱীৰ শ্ৰীকৃষ্ণৰ বিভিন্ন দিশ সামৰি ৰচনা কৰা এই গ্ৰন্থখনে পুনৰ আমাক শ্ৰীকৃষ্ণ বিষয়ক চিন্তাৰ খোৰাক জগাব। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি নলবাৰী সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি হীৰেন্দ্ৰ কুমাৰ শৰ্মাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ বিপিন চন্দ্ৰ কলিতা আৰু নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই ভাষণ প্ৰদান কৰে। সভাত গীতা স্তোত্ৰ পাঠ কৰে মনাস্বিনী শৰ্মাই, কবিতা আবৃত্তি কৰে বৰ্ণালী শৰ্মাই, গীত পৰিৱেশন কৰে ৰঞ্জিত কুমাৰ শৰ্মা, জ্যোতিৰাদিত্য শৰ্মা, কৃষ্ণাক্ষী শৰ্মাই। সভাত কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে দুই শতাধিক লোক উপস্থিত থাকে।

# তেজপুৰৰ চৰকাৰী স্বাস্থ্যখণ্ডত উন্নত ৰক্ত পৃথকীকৰণ ইউনিটৰ আৰম্ভণি


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৬ আগষ্ট ঃ** তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ ৰক্তভঁৰালত ৰক্ত পৃথকীকৰণৰ সুবিধা উপলব্ধ আছিল যদিও এগৰাকী ব্যক্তিৰ ৰক্তৰ পৰা আন তিনিগৰাকী ব্যক্তি উপকৃত হৈছিল। কিন্তু এই সুবিধা উন্নত কৰি এতিয়াৰে পৰা চাৰি গৰাকী ব্যক্তি উপকৃত হোৱাৰ ব্যৱস্থাপনা গঢ়ি তোলা হৈছে। উল্লেখ্য যে শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে ফিটাকাটি আনুষ্ঠানিকভাৱে 'ৰক্ত পৃথকীকৰণ ইউনিউ'ৰ মুকলি কৰে। এই উদ্দেশ্যেৰে তেজপুৰস্থিত আইএমএ'ৰ সভাকক্ষত এক বিশেষ সভাৰ আয়োজন কৰা হয়। ৰক্ত ভঁৰালৰ হৈ ডেইজী শইকীয়া আৰু লোহিত বৰদলৈয়ে আঁত ধৰা সভাত জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অচ্যুত হাজৰিকা, কনকলতা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ অতুল কলিতা প্ৰমুখ্যে জিলা ঔষধ পৰিদৰ্শক নেহা আগৰৱালাৰ লগতে ডাঃ শ্যামা শইকীয়া, ডাঃ অতুল শইকীয়া, ডাঃ সোণালী চাহু, ডাঃ জ্যোতিমণি দেউৰী প্ৰমুখ্যে কে'বাগৰাকী চিকিৎসকে অংশগ্ৰহণ কৰে। চিকিৎসাকৰ্মী, নাৰ্ছৰ উপস্থিতিৰে আয়োজিত সভাত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে প্ৰদান কৰা বক্তব্যত প্ৰসংগক্ৰমে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ উন্নতিকৰণৰ উদ্দেশ্যে নতুন বিল্ডিং নিৰ্মাণকে ধৰি আন্তঃগাঁথনি উন্নয়নৰ পৰিকল্পনা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে।

# চামগুৰিত সাংবাদিকৰ ঘৰত দিন-দুপৰতে চুৰিকাণ্ড

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৬ আগষ্ট ঃ নগাঁও** জিলাৰ চামগুৰিত দিন-দুপৰতে সাংবাদিকৰ ঘৰত সংঘটিত হৈছে চুৰিকাণ্ড। চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ তেলিয়া গাঁৱৰ নিবাসী এগৰাকী ইলেক্ট্ৰনিক সংবাদ মাধ্যমৰ সাংবাদিকৰ বাসগৃহত দুৱাৰ ভাঙি প্ৰৱেশ কৰি চোৰে লুটপাট চলোৱাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, ঘৰত কোনো লোক নথকাৰ সুযোগ লৈ চোৰে দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে। চোৰে ঘৰৰ পৰা পাঁচ লক্ষাধিক টকা মূল্যৰ সোণৰ অলংকাৰৰ লগতে নগদ ধন লৈ উধাও হয়। দুপৰীয়া সময়ত ঘটনাটো পোহৰলৈ অহাৰ পাছতে অঞ্চলটোত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। চুৰি হোৱাৰ খবৰ লাভ কৰি চামগুৰি আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু চুৰিকাণ্ডৰ তদন্ত আৰম্ভ কৰে। দিন দুপৰতে সংঘটিত চাঞ্চল্যকৰ এই ঘটনাৰ লগত জড়িত চোৰক চিনাক্ত কৰাৰ লগতে চুৰি হোৱা সামগ্ৰী উদ্ধাৰৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। দিনৰ ভাগতে সংঘটিত এই চুৰিকাণ্ডক লৈ অঞ্চলবাসীৰ মাজতো দেখা দিছে উদ্বেগ।

# অনলাইন ডেলিভাৰী কৰ্মচাৰীক ভাবুকি ঃ প্ৰহাৰৰ অভিযোগ ডিপিএছৰ প্ৰশাসকৰ বিৰুদ্ধে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২৬ আগষ্ট ঃ** নগাঁও চহৰৰ মাজ মজিয়াত যোৱা নিশা অনলাইন ডেলিভাৰী কৰ্মচাৰীৰ লগত নগাঁৰৰ বৰঘাট বাইপাছৰ সমীপত থকা দিল্লী পাব্লিক স্কুলৰ (ডিপিএছ) এগৰাকী প্ৰশাসকৰ সংঘাতৰ ফলত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নগাঁও চহৰৰ ষ্টেডিয়ামৰ ওচৰত এগৰাকী



ডেলিভাৰী কৰ্মচাৰীৰ লগত সামান্য কথাতে শিক্ষা প্ৰতিষ্ঠানখনৰ প্ৰশাসনিক বিষয়া আনোৱাৰ পাৰভেজৰ সংঘাত সৃষ্টি হয়। অভিযোগ অনুসৰি, ডেলিভাৰী কৰ্মচাৰীজনক প্ৰহাৰ কৰাৰ লগতে আঁঠু কাঢ়িবলৈ বাধ্য কৰায়। লগতে তেওঁ ডেলিভাৰী কৰ্মচাৰীজনক বিভিন্ন গালি গালাজ পাৰি অপদস্থ কৰাৰ উপৰি ভাবুকি প্ৰদান কৰে। এই লৈ নগাঁৱত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কালি নিশাই ভুক্তভোগী ডেলিভাৰী কৰ্মচাৰী ধীৰাজ বৰাই নগাঁও সদৰ আৰক্ষী থানাত অভিযুক্ত আনোৱাৰ পাৰভেজৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। ইপিনে, কালি পুৱাৰ ভাগত একাংশ ডেলিভাৰী কৰ্মচাৰী নগাঁও সদৰ আৰক্ষী থানাত উপস্থিত হৈ অভিযুক্তৰ বিৰুদ্ধে সৰৱ হৈ পৰাৰ লগতে অভিযুক্তক ক্ষমা খুজিবলৈ দাবী জনায়। পাছত নগাঁও সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হয় আৰু আনোৱাৰ পাৰভোজে ডেলিভাৰী কৰ্মচাৰীৰ ওচৰত ক্ষমা খুজি নিজৰ ভুল স্বীকাৰ কৰে।


# বৰপেটা প্ৰেছ ক্লাবত চৰ-চাপৰিৰ অসমীয়া মুছলমানৰ সজাগতা সভা

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৬ আগষ্ট ঃ** লোকপিয়লত চৰ-চাপৰিবাসীয়ে মাতৃভাষা হিচাপে যাতে 'অসমীয়া' লিপিবদ্ধ কৰে, সেই সন্দৰ্ভত জনসজাগতা সৃষ্টিৰ লক্ষ্যৰে কালি সন্ধিয়া বৰপেটা প্ৰেছ ক্লাবত এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। মাতৃভূমি সেৱা মঞ্চ (পালহাজী) আৰু সমন্বয় সাহিত্য গোষ্ঠী (কয়াকুছি)ৰ উদ্যোগত আয়োজিত 'চৰ-চাপৰি অসমীয়া মুছলমানৰ দায়িত্ব আৰু কৰ্তব্য' শীৰ্ষক এই আলোচনাচক্ৰ আৰু সভাত মুখ্য আলোচক হিচাপে অংশ লয় চৰ-চাপৰি




সাহিত্য পৰিষদৰ সভাপতি ড° হাফিজ আহমেদে আৰু সঞ্চালনা কৰে উচ্চ শিক্ষা বিভাগৰ প্ৰাক্তন উপ-সঞ্চালক চাদুল্লা খানে। সভাত অংশগ্ৰহণকাৰী সকলে স্পষ্ট কৰি দিয়ে যে চৰ-চাপৰি অঞ্চলৰ লোকসকলে দীৰ্ঘ ১৫০ বছৰ ধৰি লোকপিয়লত নিজৰ মাতৃভাষা অসমীয়া হিচাপেই লিপিবদ্ধ কৰি আহিছে আৰু ভৱিষ্যতেও একেই ধাৰা অব্যাহত থাকিব। একাংশ কুচক্ৰান্তকাৰী তথা তথাকথিত বাংলা সম্প্ৰসাৰণবাদীয়ে ৰাজনৈতিক স্বাৰ্থত সমাজত বিভ্ৰান্তি সৃষ্টি কৰি মাতৃভাষা 'বাংলা' বুলি লিখাবলৈ অপচেষ্টা চলাইছে যদিও সচেতন ৰাইজে তাক কোনোকালেই গ্ৰহণ নকৰে। বক্তাসকলে অতীতৰ ঐতিহ্য সুঁৱৰি উল্লেখ কৰে যে ১৯৩১ৰ পৰাই পূৰ্বপুৰুষসকলে অসমীয়া ভাষাৰ প্ৰতি অটল আস্থা প্ৰকাশ কৰি আহিছে। কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় কিম্বা অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠান গঠনত এই সমাজৰ পূৰ্বপুৰুষসকলৰ বিশেষ অৱদান আছিল। আমছু, নেমছু, জমিয়ত উলেমা-ই-হিন্দ আৰু সংখ্যালঘু সংগ্ৰাম পৰিষদকে ধৰি চৰ-চাপৰিৰ প্ৰতিটো সামাজিক সংগঠনে বিভ্ৰান্তিত ভৰি নিদি সকলো চৰ-চাপৰিবাসী মুছলমানক লোকপিয়লত ১০০ শতাংশই মাতৃভাষা 'অসমীয়া' হিচাপে লিপিবদ্ধ কৰিবলৈ ঐক্যবদ্ধ আহ্বান জনোৱা হয়। উল্লেখ্য যে মাতৃভূমি সেৱা মঞ্চ পালহাজী আৰু সমন্বয় সাহিত্য গোষ্ঠী কয়াকুছিৰ উদ্যোগত ইতিমধ্যে বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত এনে ১২ খন সজাগতা সভা অনুষ্ঠিত হোৱা বুলি জানিব পৰা গৈছে। সকলোবোৰ সভাতে ৰাইজে লোকপিয়লত মাতৃভাষা অসমীয়া লিখাৰ সিদ্ধান্ত লোৱা বুলি সভাত সদৰী কৰে ।

# জনপ্ৰিয় পুৰোহিত পৰেশ চন্দ্ৰ শৰ্মাৰ মৃত্যু ঃ বিভিন্নজনৰ শোক



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৬ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত চমাৰকুছি গাঁও নিৱাসী তথা অঞ্চলৰ জনপ্ৰিয় পুৰোহিত পৰেশ চন্দ্ৰ শৰ্মা (৫৯)ৰ মঙলবাৰে দিনৰ ভাগত মৃত্যু হোৱা বাতৰিয়ে অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে অইনদিনাৰ দৰে মঙলবাৰেও নিত্য কৰ্ম কৰি থকা অৱস্থাতে হঠাতে অজ্ঞান হৈ পৰি যায়। শৰ্মাৰ এনেকুৱা অৱস্থা দেখি পৰিয়ালৰ লগতে একাংশ শুভাকাংক্ষী লোকে ততাতৈয়াকৈ নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়ে যদিও তাতে চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পুৰোহিতজনৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে অজস্ৰ গুণমুগ্ধই তেওঁৰ বাসভৱনত ভিৰ কৰাৰ উপৰি শতাধিক লোকে শেষ শ্ৰদ্ধা জনায়। তেওঁৰ মৃত্যুত সানেকুছি ওজাতোলা গোপাল গোসাঁইঘৰ পৰিচালনা সমিতি, আঠঘৰীয়া বিষহৰি মন্দিৰ পৰিচালনা সমিতি, চমাৰকুছি গাঁও উন্নয়ন সমিতি, চমাৰকুছি গোপাল মন্দিৰ পৰিচালনা সমিতি, বটাঁকুছি উন্নয়ন সমিতি, লৰমাবটাঁকুছি চমাৰকুছি যুৱ মঞ্চ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাই শোক প্ৰকাশ কৰে।

# ৰক্তিমা কলিতাক যোগেশ কলিতা শৈক্ষিক বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৬ আগষ্ট ঃ** কএঞাঁ ৰাজহচক্ৰৰ অধীনস্থ পশ্চিম বড়িগোগ আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল প্ৰাংগণত আজি অনুষ্ঠিত পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানত এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সন্থাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শংকৰদেৱ শিশু নিকেতন, বাৰাংহাটীৰ ছাত্ৰী ৰক্তিমা কলিতাক পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত যোগেশ কলিতা স্মাৰক শৈক্ষিক বঁটা প্ৰদান কৰাৰ লগতে উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা ৩৫ গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চিন্ময় কলিতাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠান উদ্বোধন কৰি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তৌফিক ৰহমানে ৰাজ্যখনৰ মেধা শিক্ষাৰ্থীসকলক বিশেষকৈ ধনৰ অভাৱত ৰাজ্যৰ বাহিৰলৈ যাব নোৱাৰা এনে শিক্ষাৰ্থীসকলে ৰাজ্যৰ ভিতৰতে আগ্ৰহী বিষয়ত অধ্যয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনায়। পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে সমাজ বিমুখী শিক্ষা ব্যৱস্থাই এগৰাকী শিক্ষাৰ্থীক প্ৰকৃত মানুহ কৰিব নোৱাৰে বুলি মন্তব্য কৰি জীৱিকা সন্ধানী শিক্ষাৰ সমান্তৰালভাৱে জীৱন গঢ়াৰ শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰক দাবী জনায়। সীমান্ত কলিতাই আঁত ধৰা অনুষ্ঠানত প্ৰাক্তন ছাত্ৰনেতা শৰৎ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, উপ-সভাপতি বুবুল দাস, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি শিশুৰাম শইকীয়া, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, শিক্ষক ভবেশ বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষক বসন্ত কুমাৰ পাটোৱাৰী, বিমল শৰ্মা, জ্যেষ্ঠ নাগৰিক গগন কলিতা, খগেন শইকীয়া, সমাজকৰ্মী ডাঃ হৃষীকেশ লহকৰ, হৰমোহন কলিতা, ছাত্ৰ সন্থাৰ কৰ্মী অভিজিত দাস, কমল কলিতা, সাংবাদিক প্ৰাঞ্জল কলিতা, বিশ্ব দাস আৰু বিশ্বজিৎ ডেকাই অংশগ্ৰহণ কৰে। পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন পাঠদানত অংশ গ্ৰহণ কৰা শিক্ষাগুৰুসকলক উক্ত অনুষ্ঠানতে সম্বৰ্ধনা জনোৱাৰ লগতে সেই সময়ত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ স্থান প্ৰাপ্তসকলক পুৰস্কৃত কৰা হয়। সন্ধিয়া সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়।

# ধেমাজি অসামৰিক চিকিৎসালয়ৰ সংলগ্ন ফাৰ্মাচী ২৪ ঘন্টাই খোলা ৰখাৰ দাবীত স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৬ আগষ্ট ঃ** ধেমাজি অসামৰিক চিকিৎসালয়ৰ সংলগ্ন ফাৰ্মাচী ২৪ ঘন্টাই খোলা ৰখাৰ দাবীত কালি ধেমাজি জিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াই। স্মাৰকপত্ৰত সংগঠনটোৱে কয় যে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ নিৰ্দেশ অনুসৰি জিলা অসামৰিক চিকিৎসালয়ৰ সংলগ্ন ফাৰ্মাচী ২৪ ঘন্টাই খোলা থাকিব লাগে। কিন্তু যোৱা কালি ৰাতি ন বজাত এজন ৰোগী আৰু ৰোগী পৰিয়ালে দিয়া অভিযোগৰ ভিত্তিত সংগঠনটোৰ সভাপতিজনৰ লগতে নেতা-কৰ্মী ধেমাজি অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ ৰোগী আৰু পৰিয়ালে দিয়া অভিযোগ এশ শতাংশ শুদ্ধ বুলি প্ৰমাণিত কৰি চিকিৎসালয় ফাৰ্মাচী বন্ধ, অপৰিষ্কাৰ পৰিৱেশ আৰু ৰোগীৰ বিভিন্ন অভিযোগসমূহৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰাৰ কথা উল্লেখ কৰে। ধেমাজি অসামৰিক চিকিৎসালয়ৰ ফাৰ্মাচী নিশাৰ ভাগত বন্ধ থকাৰ ফলত জৰুৰীকালীন ৰোগীয়ে বাহিৰৰ পৰা অধিক দামত ঔষধ কিনিব লগা হৈছে বুলি উল্লেখ কৰি ধেমাজি অসামৰিক চিকিৎসালয়ৰ সংলগ্ন ফাৰ্মাচী ২৪ ঘন্টাই খোলা ৰখাৰ ব্যৱস্থা কৰা, তিনিটা শ্বিফ্টত ফাৰ্মাচিষ্ট নিয়োগ কৰি উক্ত সুবিধা প্ৰদান কৰা আৰু দায়ী কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

# ডন বস্ক' স্কুল, পাণবজাৰত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন



**গুৱাহাটী, ২৬ আগষ্ট ঃ** আজি 'ডন বস্ক' স্কুল, পাণবজাৰত' 'ৰ'টেৰী ক্লাব অৱ গুৱাহাটী ছাউথ' আৰু স্বাগত ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ সহযোগত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰটো বিশেষকৈ 'ডন বস্ক' ইভিনিং স্কুল আৰু এনআইঅ'এছ কেন্দ্ৰ, পাণবজাৰৰ প্ৰায় দুশজন দুখীয়া ছাত্ৰ-ছাত্ৰীৰ উপকাৰৰ বাবে আয়োজন কৰা হৈছিল। শিবিৰটো 'ডন বস্ক' স্কুল, পাণবজাৰৰ অধ্যক্ষ ফাদাৰ এলেক্স মেথিউৰ' উদ্যোগত আয়োজন কৰা হৈছিল।

এই অনুষ্ঠানত উপস্থিত থাকে- 'ফাদাৰ থমাছ লাক্ৰা', পেৰিছ পুৰোহিত, ছেইণ্ট যোচেফ কো-কেথেড্ৰেল, পাণবজাৰ, 'ফাদাৰ চি. টি. লুকোচ', প্ৰতিষ্ঠাপক সঞ্চালক, স্নেহালয়, 'ফাদাৰ ব্ৰমিঅক্স চি. মাৰাক', উপাধ্যক্ষ, ডন বস্ক' স্কুল, 'ভগ্নী মাৰিয়াম কিন্দো', কাৰ্যসূচী প্ৰবন্ধক, মল্লিকা শৰ্মা, একাডেমিক সমন্বয়ক, ড° গৌতম শৰ্মা, হাইস্কুল শাখাৰ সমন্বয়ক, ছেখ মহঃ চাবাহ আল-আহমেদ, জ্যেষ্ঠ শিক্ষক আৰু আছাম ট্ৰিবিউনৰ স্তম্ভ লেখক, মাৰ্গাৰেট বসুমতাৰী, ভাৰপ্ৰাপ্ত কেন্দ্ৰ, এনআইঅ'এছ আৰু সান্ধ্য বিদ্যালয়ৰ সমন্বয়ক আৰু প্ৰাক্তন ছাত্ৰ সন্থাৰ সম্পাদক মুকেশ আচনতানি। ড° সুভাষ খান্না, ড° স্বাগতা ভূএঞা খান্না আৰু স্বাগত গোটৰ মেডিকেল অধীক্ষকৰ নেতৃত্বত স্বাগত ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ সাতজনীয়া চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দল এটাই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, পৰামৰ্শ আৰু ঔষধ প্ৰদান কৰে। ৰ'টেৰী ক্লাব অৱ গুৱাহাটী ছাউথৰ পৰা উপস্থিত থকা সদস্যসকল হ'ল—ৰ'টেৰিয়ান মঞ্জুশ্ৰী বৰুৱা, দেৱজ্যোতি হাজৰিকা, দীপক ভাগৱতী, ৰঞ্জন ভূএঞা, জ্যোতি দাস, অনুৰেখা বৰকটকী, সতীন্দ্ৰ আনন্দ, স্বপ্নজ্যোতি শৰ্মা, প্ৰিয়মা গোস্বামী, বিশান ৰাই, বিমলেন্দু বৰুৱা, প্ৰভাত কেদিয়া, পিডিজি, জিলা ৩২৪০, গায়ত্ৰী গোস্বামী, জয়ন্ত বৰ্মন, অঞ্জন চক্ৰৱৰ্তী আৰু ৰাজীৱ কলিতা। এই উপলক্ষে ৰ'টেৰী ক্লাবৰ সদস্যসকলে 'নিজৰ স্বাৰ্থৰ উৰ্ধ্বত সেৱা' এই মূলমন্ত্ৰৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা দোহাৰে আৰু ভৱিষ্যতেও এনে সমাজ সেৱামূলক কাম অব্যাহত ৰখাৰ আশ্বাস দিয়ে।

### নতুন পৰিচালনা সমিতি গঠনৰ নিৰ্দেশ বিদ্যালয় পৰিদৰ্শকৰ

# কুৰুৱাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰৰ মাজত মাৰপিট, উত্তেজিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ২৬ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত কুৰুৱাবাহী সত্ৰত অৱস্থিত কুৰুৱাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মঙলবাৰে ছাত্ৰৰ মাজত সংঘটিত মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিদ্যালয়ত জিৰণিৰ সময়ত দুদল ছাত্ৰৰ মাজত হোৱা মাৰপিটত তিনিজন ছাত্ৰ আহত হয়। আহতসকলক ক্ৰমে নৱম শ্ৰেণীৰ ৰাজীৱ মৰাং, দশম শ্ৰেণীৰ পংকজ মূড়া আৰু দশম শ্ৰেণীৰ দিপাংকৰ পেগু বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এগৰাকী ছাত্ৰই আন এজন ছাত্ৰক অশ্লীল কথা কোৱাৰ অভিযোগক কেন্দ্ৰ কৰি প্ৰথমে কাজিয়াৰ সূত্ৰপাত হয় আৰু পাছত ই দলীয় মাৰপিটৰ ৰূপ লয়। আহত তিনিওগৰাকী ছাত্ৰকে চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ খবৰ পোৱাৰ পাছতে বিদ্যালয়খনত বহু অভিভাৱক আৰু স্থানীয় ৰাইজ সমবেত হৈ ক্ষোভ প্ৰকাশ কৰে। পৰিস্থিতি উত্তপ্ত হৈ পৰাত বোকাখাত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰাগজ্যোতি বুঢ়াগোহাঁই আৰক্ষীৰ দলসহ বিদ্যালয়খনত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে। গোলাঘাটৰ পৰা বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগু, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বিজুমণি নেওগ আৰু খণ্ড সমল ব্যক্তি প্ৰদীপ শৰ্মাৰ লগতে শিক্ষা বিভাগৰ কেইবাগৰাকী বিষয়া-কৰ্মচাৰীয়েও বিদ্যালয়খনত উপস্থিত হয়। ইফালে, ছাত্ৰসকলৰ মাজত মাৰপিট চলি থকাৰ সময়ত শিক্ষকসকলে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে একাংশ অভিভাৱক তথা স্থানীয় ৰাইজে। বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ দুৰ্বলতা আৰু শৈক্ষিক তথা প্ৰশাসনিক ব্যৱস্থাক লৈও ৰাইজে ক্ষোভ প্ৰকাশ কৰে। ঘটনাৰ পাছত স্থানীয় যুৱক দীপক বৰা আৰু মন্তু বৰাৰ উদ্যোগত এখন স্মাৰকপত্ৰ প্ৰস্তুত কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগুক প্ৰদান কৰা হয়। স্মাৰকপত্ৰখনত বিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশ শক্তিশালী কৰা, অধ্যক্ষক বদলি কৰা, আহত ছাত্ৰসকলৰ চিকিৎসাৰ ব্যয় বহন কৰা আৰু বৰ্তমানৰ পৰিচালনা সমিতি ভংগ কৰি নতুন পৰিচালনা সমিতি গঠন কৰাকে ধৰি কে'বাটাও দাবী উত্থাপন কৰা হয়। ৰাইজৰ অভিযোগৰ প্ৰতি সঁহাৰি জনাই বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগুৱে বৰ্তমানৰ পৰিচালনা সমিতি ভংগ কৰি এসপ্তাহৰ ভিতৰত নতুন পৰিচালনা সমিতি গঠনৰ নিৰ্দেশ দিয়ে। অভিভাৱক আৰু স্থানীয় ৰাইজক যথাযথভাৱে ৰাজহুৱা সভালৈ আমন্ত্ৰণ কৰি নতুন সমিতি গঠনৰ ব্যৱস্থা কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। অধ্যক্ষ বদলিৰ বিষয়টোও গুৰুত্বসহকাৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে। আনহাতে, বিদ্যালয় চৌহদৰ আশে-পাশে গুটখা আদি নিচাজাতীয় দ্ৰব্যৰ প্ৰচলনে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগো উত্থাপন হয়। এই সন্দৰ্ভত বোকাখাত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰাগজ্যোতি বুঢ়াগোহাঁয়ে বিদ্যালয়ৰ চৌহদৰ পৰা ৫০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত গুটখা জাতীয় দ্ৰব্য বিক্ৰী নিষিদ্ধ কৰাৰ কথা ঘোষণা কৰে। দীৰ্ঘদিন ধৰি বিদ্যালয়খনৰ আন্তঃগাঁথনি, শৈক্ষিক পৰিৱেশ আৰু প্ৰশাসনিক ব্যৱস্থাক লৈ অভিযোগ উত্থাপন হৈ অহাৰ পৰিপ্ৰেক্ষিতত সামগ্ৰিক ব্যৱস্থা উন্নত কৰাৰ দাবী জনাইছে অভিভাৱক আৰু স্থানীয় ৰাইজে। যদিও বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে, তথাপি অঞ্চলটোত চেপা উত্তেজনা অব্যাহত আছে।

# শিক্ষক-সমাজকৰ্মী জিতেন তাজুলীৰ মৃত্যুত বিভিন্ন সংগঠনৰ শোক



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৬ আগষ্ট ঃ** ধেমাজি নগৰৰ দুই নম্বৰ ৱাৰ্ড তথা এৰাঢলৰ বাসিন্দা, সমাজকৰ্মী আ শিক্ষক জিতেন তামুলীৰ দেওবাৰে আকস্মিকভাৱে নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫০ বছৰ। ১৯৭৬ত ধেমাজিৰ বিষ্ণুপুৰ পাঁচ আলিৰ ডুবিয়া গাঁৱত জন্মগ্ৰহণ কৰা জিতেন তামুলীয়ে ১৯৯২ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত, ১৯৯৪ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত, ১৯৯৭ ত স্নাতক ডিগ্ৰী, ২০০৪ত স্নাতকোত্তৰ ডিগ্ৰী আৰু ২০০৯ত সুখ্যাতিৰে এম ফিল ডিগ্ৰী লাভ কৰে। অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা তথা অতি মেধাৱী ছাত্ৰ তামুলীয়ে অধ্যয়ন কৰি থকাৰ সামান্তৰালভাৱে ধেমাজিৰ সমাজ জীৱনৰ বিভিন্ন কাম-কাজ কৰি আহিছিল। তামুলীয়ে স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছতেই ধেমাজিৰ সৰ্বশিক্ষা অভিযান মিছন, জ্ঞান-বিজ্ঞান সমিতি আদিত অতি নিষ্ঠাৰে বিভিন্ন দায়িত্ব পালন কৰিছিল। তামুলীয়ে ২০০৯ত অপ্ৰাদেশীকৃত বৰদলনি কেন্দ্ৰীয় মহাবিদ্যালয়ত সহকাৰী অধ্যাপকৰূপে যোগদান কৰি ২০১৩ লৈকে অতি নিষ্ঠাৰে শিক্ষকতা কৰিছিল। পৰৱৰ্তীকালত সেয়া ত্যাগ কৰি ২০১৪ত ধেমাজিৰ সৰ্বশিক্ষাত যোগদান কৰি দুবছৰ নিষ্ঠাৰে কাম কৰি পুনৰ সেই চাকৰিও ২০১৬ত ত্যাগ কৰে। পুনৰ ২০১৭ তামুলীয়ে টে'ট পৰীক্ষাত উত্তীৰ্ণ হৈ লগুৱাপাৰা মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক পদত যোগদান কৰে। তাতো তিনি বছৰ সেৱা আগবঢ়াই পুনৰ ২০২০ ত বিষ্ণুপুৰ মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি মৃত্যু পৰ্যন্ত উক্ত বিদ্যালয়ত শিক্ষকতা কৰি আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী লাৱণ্য তামুলী, দুইপুত্ৰ ক্ৰমে মনোৰঞ্জন তামুলী আৰু বিষ্ণু ৰঞ্জন তামুলীসহ ভালেসংখ্যক গুণমুগ্ধ আৰু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।



**ৰেষ্টুৰেণ্টত প্ৰৱেশ কৰাৰ লগে লগে চাৰিওফালে ভালদৰে চাওক। টেবুল-চকীবোৰ পৰিষ্কাৰ নে নহয়, মজিয়াত খাদ্যৰ টুকুৰা আছে নেকি পৰ্যবেক্ষণ কৰক। যদি সন্মুখৰ ঠাইখিনি অপৰিষ্কাৰ হয় তেন্তে পাকঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰতো প্ৰশ্ন উত্থাপন হয়**

# ৰেষ্টুৰেণ্টৰ খাদ্য খোৱাৰ আগতে সাৱধান হওক

## খাদ্যখিনি প্ৰকৃততে নিৰাপদ নে বিবেচনা কৰক

বাহিৰত খাদ্য গ্ৰহণ কৰাৰ সময়ত আমি প্ৰায়ে ৰুচি, দাম বা পৰিৱেশৰ ওপৰত গুৰুত্ব দিওঁ। কিন্তু খাদ্যখিনি প্ৰকৃততে নিৰাপদ নেকি সেইটো বিবেচনা কৰাটো অতি গুৰুত্বপূৰ্ণ। অস্বাস্থ্যকৰ পৰিৱেশ, কম ৰন্ধা খাদ্য বা অনুচিতভাৱে সংৰক্ষণ কৰা উপাদানৰ ফলত পেটৰ সমস্যা, বমি, ডায়েৰিয়া বা খাদ্য বিষক্ৰিয়া হ'ব পাৰে। কেইটামান সহজ সবিশেষৰ প্ৰতি মনোযোগ দিলে এই বিপদসমূহ বহু পৰিমাণে হ্ৰাস পাব পাৰে।

**চৌপাশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰীক্ষা কৰক:**

ৰেষ্টুৰেণ্টত প্ৰৱেশ কৰাৰ লগে লগে চাৰিওফালে ভালদৰে চাওক। টেবুল-চকীবোৰ পৰিষ্কাৰ নে নহয়, মজিয়াত খাদ্যৰ টুকুৰা আছে নেকি, বা আৱৰ্জনা পেলোৱা ঠাইবোৰ ওফন্দি উঠিছে নে নাই পৰ্যবেক্ষণ কৰক। যদি সন্মুখৰ ঠাইখিনি অপৰিষ্কাৰ হয় তেন্তে পাকঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰতো প্ৰশ্ন উত্থাপন হয়।

**কৰ্মচাৰীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা পালন কৰক:**

খাদ্য প্ৰস্তুত আৰু সেৱাৰ লগত জড়িত কৰ্মচাৰীসকলে পৰিষ্কাৰ ইউনিফৰ্ম পৰিধান কৰিব লাগে। পৰিবেশন কৰাৰ সময়ত হাত দুখন পৰিষ্কাৰ কৰি ৰাখে নেকি আৰু খাদ্যখিনি অপ্ৰয়োজনীয়ভাৱে স্পৰ্শ কৰাৰ পৰা বিৰত থাকে নে সেয়া মন কৰিবলগীয়া। পাকঘৰ বা খাদ্য প্ৰস্তুত কৰা ঠাইত কৰ্মচাৰীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা খাদ্য সুৰক্ষাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত।

**অস্বাভাৱিক গোন্ধ আছে নে নাই পৰীক্ষা কৰক:**

খোৱাৰ আগতে খাদ্যৰ গোন্ধ লওক। যদি আপুনি কোনো ধৰণৰ বাসি, টেঙা বা পচি যোৱা দুৰ্গন্ধ ধৰা পেলায় তেন্তে



ইয়াৰ পৰা আঁতৰি থকাটোৱেই উত্তম। বিশেষকৈ মাছ, মাংস, কণী, দুগ্ধজাত সামগ্ৰীৰ দৰে বস্তুৰ বাবে এইটো গুৰুত্বপূৰ্ণ।

**খাদ্য ভালদৰে সিজোৱা হৈছে নে নাই পৰীক্ষা কৰক:**

কমকৈ সিজোৱা মাংস, মাছ, কণী, বা কুকুৰা খালে সংক্ৰমণৰ আশংকা থাকে। যদি খাদ্যৰ ভিতৰভাগ কেঁচা বা অস্বাভাৱিকভাৱে গোলাপী দেখা যায় তেন্তে সাৱধান হওক। খাদ্য সঠিক উষ্ণতাত সিজোৱা হোৱাটো নিশ্চিত কৰক।

**খাদ্য কিমান দিন বাহিৰত আছে সেইটো বিবেচনা কৰক:**

বিশেষকৈ বুফে বা পূৰ্বতে প্ৰস্তুত কৰা খাদ্যৰ বাবে এইটো গুৰুত্বপূৰ্ণ। ৰন্ধা খাদ্য কোঠাৰ উষ্ণতাত দীৰ্ঘ সময় ধৰি ৰাখিলে বেক্টেৰিয়াৰ বৃদ্ধি হ'ব পাৰে। গৰম খাদ্য গৰম কৰি ৰাখিব লাগে আৰু ঠাণ্ডা খাদ্য উপযুক্ত কম উষ্ণতাত ৰাখিব লাগে।

**টেবুলৰ বস্তু আৰু পৰিবেশনৰ পদ্ধতি পৰীক্ষা কৰক:**

প্লেট, গিলাচ, চামুচ, আৰু কাঁটাচামুচত মলি, গ্ৰীজ বা খাদ্যৰ দাগ আছে নেকি পৰীক্ষা কৰক। লগতে তিতা বা অপৰিষ্কাৰ বাচন-বৰ্তন ব্যৱহাৰ কৰা হৈছে নে নাই পৰ্যবেক্ষণ কৰক। খাদ্য ঢাকি থোৱা আছে নে নাই আৰু ওচৰতে মাখি বা আন পোক-পৰুৱা উৰি আছে নেকি সেই বিষয়ে মন কৰক; এইবোৰ গুৰুত্বপূৰ্ণ সতৰ্কবাণী চিন।

**সন্দেহ থাকিলে খাদ্য নাখাব:**

যদি খাদ্যৰ গোন্ধ, ৰং, সোৱাদ, চেহেৰাৰ ওপৰত কোনো সন্দেহ থাকে, তেন্তে ইতিমধ্যে মূল্য দি দিয়াৰ বাবেই খাদ্য গ্ৰহণ কৰাৰ প্ৰয়োজন নাই। বিশেষকৈ পেটৰ সমস্যাৰ সন্মুখীন হোৱা ব্যক্তি, শিশু, বৃদ্ধ আৰু গৰ্ভৱতী মহিলাৰ বাবে খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত অতিৰিক্ত সাৱধানতা অৱলম্বন কৰিব লাগে।

# বাৰিষা আচাৰৰ যত্ন নিৰাপদ উপায় কি জানি লওক



বাৰিষা অহাৰ লগে লগে ঘৰত ৰখা খাদ্য-পানীয়ত আদ্ৰতা আৰু ভেঁকুৰ পোৱা যায়। বিশেষকৈ দীৰ্ঘদিনীয়া আচাৰ বৰষুণৰ বতৰত সোনকালে নষ্ট হ'ব পাৰে। কেতিয়াবা আচাৰৰ উপৰিভাগত বগা, সেউজীয়া বা ক'লা ছাই দেখা দিয়ে। এনে ক্ষেত্ৰত বহুতে ভাবে যে বাকী থকা আচাৰখিনি ওপৰৰ ছাঁচটো আঁতৰাই খাব পাৰি, কিন্তু এইটো কৰাটো সদায় নিৰাপদ বুলি গণ্য কৰা নহয়।

আচাৰ দীৰ্ঘদিন ধৰি সুৰক্ষিত ৰাখিবলৈ আদ্ৰতা, লেতেৰা বা তিতা চামুচ আৰু আৰম্ভণিৰে পৰাই অনুচিতভাৱে ৰখাৰ পৰা বিৰত থাকক। আচাৰ আঁতৰোৱাৰ সময়ত সদায় পৰিষ্কাৰ আৰু সম্পূৰ্ণ শুকান চামুচ ব্যৱহাৰ কৰিব লাগে। লগতে জাৰটো সঘনাই খুলি পানী বা আদ্ৰতাৰ সংস্পৰ্শলৈ অহাৰ পৰা বিৰত থাকিব লাগে।

যদি আচাৰত ছাই দেখা যায়, তেন্তে ইয়াৰ যত্ন লোৱাটো আটাইতকৈ গুৰুত্বপূৰ্ণ। বিশেষকৈ যদি ছাঁচটো বেছিকৈ বিয়পি পৰিছে, আচাৰৰ গোন্ধটো অস্বাভাৱিক হৈ পৰিছে বা তাৰ ৰং আৰু টেক্সচাৰ সলনি হৈছে, তেন্তে ইয়াক খোৱাতকৈ পেলাই দিয়াই ভাল। অলপ সাৱধানে বাৰিষা বতৰত ঘৰুৱা আচাৰ বেছি দিন সুৰক্ষিত ৰখাত সহায় কৰিব পাৰে।

**ছাইৰ দৰে দেখা গ'লে আচাৰৰ সোৱাদ নাপাব**

আচাৰৰ ওপৰত ছাই ওলালে সোৱাদ নাপাব। ছাই ওলালে খাদ্য সুৰক্ষাক অগ্ৰাধিকাৰ দিব লাগে।



**অতিৰিক্ত ছাইময় আচাৰ পেলাই দিব**

যদিও ছাঁচটো পৃষ্ঠত আবদ্ধ হৈ থকা যেন লাগে, তথাপিও কেৱল ওপৰৰ স্তৰটো আঁতৰাই গোটেই আচাৰটো নিৰাপদ বুলি বিবেচনা কৰাটো শুদ্ধ নহয়। কোমল বা তিতা খাদ্যৰ ভিতৰত ছাই বিয়পিব পাৰে। অত্যধিক ছাই, গোন্ধ বা অস্বাভাৱিক পৰিৱৰ্তন হ'লে গোটেই আচাৰখিনি পেলাই দিব।

**আচাৰত পানী সোমাবলৈ নিদিব**

বৰষুণৰ বতৰত আচাৰৰ টেমাত আৰঞ্জদ্ৰতা ছাইৰ কাৰণ হৈ পৰিব পাৰে। আচাৰখিনি উলিয়াই আনিবলৈ সদায় নিখুঁত শুকান চামুচ ব্যৱহাৰ কৰক। জাৰটোত তিতা চামুচ বা তিতা আঙুলি ভৰাই থ'ব নালাগে।

**জাৰটো পৰিষ্কাৰ আৰু শুকান ঠাইত ৰাখিব**

আচাৰৰ জাৰ ভিজা ঠাইত, চিঙ্কৰ ওচৰত বা ভাপযুক্ত ঠাইত ৰখাৰ পৰা বিৰত থাকক। পৰিষ্কাৰ, শুকান আৰু তুলনামূলকভাৱে শীতল ঠাইখনেই উত্তম পছন্দ। প্ৰতিবাৰ ব্যৱহাৰৰ পিছত জাৰটো টানকৈ বন্ধ কৰক।


**সঠিক পৰিমাণৰ তেল আৰু নিমখ অতি প্ৰয়োজনীয়**

পৰম্পৰাগত আচাৰত সংৰক্ষণত তেল আৰু নিমখৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে যদিও ৰেচিপি অনুসৰি ইয়াৰ পৰিমাণ সঠিক হ'ব লাগে। পূৰ্বতে নষ্ট হোৱা আচাৰ কেৱল অধিক তেল যোগ কৰিলেই নিৰাপদ কৰিব নোৱাৰি।

**জাৰ আৰু চামুচ পৰিষ্কাৰ কৰাৰ যত্ন লওক**

ব্যৱহাৰৰ আগতে আচাৰৰ জাৰটো ভালদৰে পৰিষ্কাৰ কৰি শুকুৱাই লওক। চামুচখনো পৰিষ্কাৰ আৰু শুকান হ'ব লাগে। জাৰটোত যিকোনো ধৰণৰ পানীৰ টোপাল পৰিহাৰ কৰিব লাগে।

# ব্ৰাইটনিং ছিৰাম লগোৱাৰ পিছতো ছাল নিস্তেজ দেখা যায়?



বাৰিষা আহিলে মুখখন শেঁতা হৈ পৰে। ছালৰ উজ্জলতা যেন হেৰাই যায়। ব্ৰাইটেনিং ছিৰাম প্ৰয়োগ কৰিলে সহায় নহয়নে? তেতিয়া কি কৰিব? বাৰিষাৰ সময়ত ছালৰ উজ্জলতা কেনেকৈ ঘূৰাই আনিব পাৰি?

**বাৰিষাৰ সময়ত ছালখন কিয় নিস্তেজ দেখা যায়?**

অত্যধিক আদ্ৰতাৰ বাবে ছালৰ প্ৰাকৃতিক এক্সফোলিয়েচন লেহেমীয়া হয়। অৰ্থাৎ মৃত ছালৰ কোষবোৰে নিজকে ঢালি দিব নোৱাৰে। ছালত জমা হয়। ইয়াৰ বাবে ছালখন শেঁতা দেখা যায়। অত্যধিক ঘাম ওলোৱাৰ ভয়ত বহুতে বাৰিষাৰ সময়ত মইশ্চ'ৰাইজাৰ প্ৰয়োগ নকৰে। আকৌ গৰমৰ বাবে শীততাপ নিয়ন্ত্ৰিত কোঠাত বহু সময় থাকে যদিও পৰ্যাপ্ত পৰিমাণৰ পানী নাখায়। সেয়ে ছালখন পানীহীন হৈ উজ্জলতা হেৰুৱাই পেলায়।

বৰষুণৰ পানীয়েও ছালৰ সমস্যা বৃদ্ধি কৰে। বৰষুণৰ পানীত বিভিন্ন ধৰণৰ প্ৰদূষক পদাৰ্থ থাকে। বৰষুণত তিতি যোৱাৰ পিছত ছালখন ভালদৰে চাফা নকৰিলে মুখখন নিস্তেজ দেখা যাব। ডাৱৰীয়া আকাশ এখন দেখি আপুনি ছানস্ক্ৰীণ লগাই ৰ'দত ওলাই যায়। UV ৰশ্মিয়েও ছালৰ ক্ষতি কৰে আৰু ছালৰ প্ৰাকৃতিক জিলিকনি আঁতৰাই পেলায়।

**বাৰিষাৰ সময়ত ছালৰ জিলিকনি ঘূৰাই পাবলৈ কি কৰিব?**

নিয়মিতভাৱে ছালখন এক্সফোলিয়েট কৰক: সপ্তাহত ২১ পৰা ৩ দিন মৃদু এক্সফোলিয়েণ্ট বা ক্লিনজাৰ ব্যৱহাৰ কৰক। লেক্টিক এচিডৰ দৰে সক্ৰিয় উপাদানও ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ ফলত মৃত কোষবোৰ আঁতৰি যাব।

ব্ৰাইটনিং ছিৰাম ব্যৱহাৰ কৰক: মইশ্চ'ৰাইজাৰ ব্যৱহাৰ কৰাৰ আগতে ভিটামিন চি বা গ্লুটাথিয়নযুক্ত ছিৰাম প্ৰয়োগ কৰক। ই পোনে পোনে ছালৰ গভীৰতালৈ গৈ গ্লো বৃদ্ধি কৰে। এক্সফোলিয়েটিং নকৰাকৈ ছিৰাম প্ৰয়োগ কৰিলে লাভ নহ'ব।

লঘু মইশ্চ'ৰাইজাৰ প্ৰয়োগ কৰক: গধুৰ ক্ৰীমৰ সলনি লঘু মইশ্চ'ৰাইজাৰ ব্যৱহাৰ কৰক। ই ছালখন তেলীয়া নহ'ব যদিও হাইড্ৰেটেড কৰি ৰাখিব।

ছানস্ক্ৰীণ পাহৰি নাযাব: আকাশ ডাৱৰীয়া হ'লেও ছানস্ক্ৰীণ লগাব লাগে। ই ছালখনক UV ৰশ্মিৰ পৰা ৰক্ষা কৰে।

ভিতৰৰ পৰা ছালৰ যত্ন লওক: প্ৰচুৰ পৰিমাণে পানী খাব লাগে আৰু স্বাস্থ্যকৰ খাদ্য খাব লাগে। লগতে যথেষ্ট টোপনিৰ প্ৰয়োজন। ইয়াৰ ফলত ছালৰ প্ৰাকৃতিক পুনৰুপাদন প্ৰক্ৰিয়া ত্বৰান্বিত হয়, যাৰ বাবে ছালৰ প্ৰাকৃতিক জিলিকনি অক্ষত থাকে।

ছালৰ উজ্জলতা বৃদ্ধি কৰিবলৈ কি কি উপাদান প্ৰয়োগ কৰিব পাৰি?

ভিটামিন চি: ই ছালখন উজ্জ্বল কৰি তোলে আৰু ৰ'দ আৰু প্ৰদূষণৰ ফলত হোৱা ছালৰ ক্ষতি মেৰামতি কৰে।

গ্লুটাথিয়ন: ই ভিটামিন চিৰ সতে মিলি ছালৰ ৰং উজ্জল কৰি নিস্তেজ ছালখন পুনৰ সজীৱ কৰি তোলে।

নিয়াচিনামাইড: ই ছালৰ সুৰক্ষামূলক স্তৰক সুৰক্ষা প্ৰদান কৰে আৰু অতিৰিক্ত তেলৰ নিঃসৰণ নিয়ন্ত্ৰণ কৰে।

লেক্টিক এচিড: ই ছালত জমা হোৱা মৃত কোষবোৰ আঁতৰাই ছালৰ প্ৰাকৃতিক জিলিকনি ঘূৰাই আনে।

# গোটেই দিনটো লেপটপত কাম কৰে নেকি?

## আপুনি নজনাকৈয়ে মেৰুদণ্ডৰ কি ক্ষতি হৈছে

বৰ্তমানে বেছিভাগ মানুহেই দিনটোত ৮-১০ ঘন্টা এটা ঠাইত বহি লেপটপত কাম কৰিব লগা হয়। চকু আৰু মূৰ তললৈ নমাই কাম কৰিবলগীয়া হয়, আৰু কান্ধ দুটা প্ৰায় জঠৰ হৈ পৰে। আৰু ফলত অজানিতে ডিঙিত চাপ দিয়া হয়। ডিঙি আৰু ডিঙিৰ আকৃতি সলনি হৈ আছে।

ফোন হওক বা লেপটপ হওক, কেৱল ছ'চিয়েল মিডিয়া ব্ৰাউজিঙৰ বাবেই হওক বা অবিৰতভাৱে কাম কৰাৰ বাবেই বহুতে ডিঙি আৰু কঁকালৰ বিষত ভুগিছে। কিন্তু ইয়াৰ পৰা মুক্তি পাবলৈ কি উপায়? বিশেষজ্ঞসকলৰ মতে লেপটপ ব্যৱহাৰ কৰাটো সমস্যা নহয়, ইয়াক কেনেকৈ ব্যৱহাৰ কৰা হৈছে তাতেই সমস্যাটো লুকাই আছে। আপুনি যি ভংগীমা বা ভংগীমাত বহি লেপটপ ব্যৱহাৰ কৰি আছে সেইটোৱেই সমস্যাৰ কাৰণ। বেছিভাগ মানুহেই লেপটপ এনেদৰে ব্যৱহাৰ কৰে যে ডিঙি তললৈ নমাই বহুদিন কাম কৰে। ইয়াৰ ফলত ডিঙি আৰু কঁকালৰ বিষ হয়, যাক tech neck বুলি কোৱা হয়।

এই টেক ডিঙিৰ সমস্যাত কি হয়? পিঠিৰ ওপৰৰ অংশত বিষ বাঢ়ি যায়। ডিঙিত বিষ হয়। এই সমস্যা মূলতঃ পেশীৰ চাপৰ বাবেই হয়। ফলত ডিঙি জঠৰ হৈ মূৰৰ বিষ হব পাৰে।

**এই সমস্যাৰ পৰা মুক্তি পাবলৈ আপুনি কি কৰিব পাৰে?**

স্ক্ৰীণখন এনেদৰে ৰাখক যাতে ই চকুৰ সমতলত থাকে। যাতে বেছি সময় ডিঙি বেঁকা কৰিব নালাগে। এবাৰতে বেছি সময় কাম নকৰিব। প্ৰতি ৩০-৪০ মিনিটৰ মূৰে মূৰে অলপ বিৰতি লওক। উঠি অলপ ঘূৰি ফুৰিব, ডিঙিৰ ব্যায়াম কৰক। ইয়াৰ ফলত পেশীবোৰ শিথিল হ'ব, মানসিক চাপ কমি যাব আৰু বিষ কম হ'ব।

**কেতিয়া ডাক্তৰৰ ওচৰলৈ যাব লাগে?**

যেতিয়া আপুনি দেখিব যে ডিঙিৰ বিষ কমি নাযায়, কিন্তু ইয়াৰ বিপৰীতে হাতৰ লগতে ডিঙিত বিষ হয়, তেতিয়া চিকিৎসকৰ পৰামৰ্শ লওক।



# চুলিৰ ভালদৰে যত্ন ল'লেও নিৰ্দিষ্ট দৈৰ্ঘ্য পোৱাৰ পিছত বৃদ্ধি কিয় বন্ধ হৈ যায়?

বহুতে কঁকাললৈকে ডাঠ, চিকচিকিয়া চুলিৰ কামনা কৰে। কিন্তু নিয়মিতভাৱে তেল, চুলিৰ মাস্ক, কণ্ডিচনাৰ ব্যৱহাৰ কৰাৰ পিছতো, আনকি ফাটি যোৱা মূৰবোৰো ট্ৰিমিং কৰাৰ পিছতো চুলি প্ৰায়ে নিৰ্দিষ্ট দৈৰ্ঘ্যৰ বাহিৰত বৃদ্ধি হোৱা বন্ধ হৈ যায়। বহুতে ধৰি লৈছে যে চুলিৰ বৃদ্ধি সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে, কিন্তু সেয়া নহয়। শিপাৰ পৰা নতুন চুলিৰ উৎপাদন বন্ধ নহয়; বৰঞ্চ সম্ভাব্য দৈৰ্ঘ্য বিভিন্ন জৈৱিক কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। এইবোৰ কি কি কাৰক?

**জিনীয় বিজ্ঞানে মুখ্য ভূমিকা পালন কৰে**

চুলিৰ সৰ্বোচ্চ দৈৰ্ঘ্য নিৰ্ণয় কৰাত জিনীয়



বৈশিষ্ট্যই আটাইতকৈ উল্লেখযোগ্য কাৰক। প্ৰতিটো চুলিৰ গুৰিৰ এটা নিৰ্দিষ্ট 'এনাজেন' বা বৃদ্ধিৰ পৰ্যায় থাকে। এই পৰ্যায় যিমানেই বেছি দিন চলিব সিমানেই চুলিবোৰ বেছি দিন গজি থাকিব পাৰে। কিছুমানৰ বাবে এই সময়ছোৱা কেইবছৰমানৰ হ'ব পাৰে, আনহাতে কিছুমানৰ বাবে ইয়াতকৈও বেছি হ'ব পাৰে। ফলস্বৰূপে দুজন মানুহে চুলিৰ যত্নৰ ৰুটিন হুবহু একে হ'লেও তেওঁলোকৰ চুলিৰ সৰ্বোচ্চ দৈৰ্ঘ্য একে নহ'বও পাৰে।

**চুলিৰ নিজস্ব বৃদ্ধিৰ চক্ৰ থাকে**

চুলি মূলতঃ তিনিটা পৰ্যায়ৰ মাজেৰে পাৰ হয়: এনাজেন বৃদ্ধিৰ পৰ্যায়, কেটাজেন পৰিৱৰ্তন পৰ্যায়, আৰু টেলজেন বিশ্ৰামৰ পৰ্যায়। মূৰৰ ছালৰ চুলিৰ বাবে এনাজেন পৰ্যায় সাধাৰণতে কেইবাবছৰলৈকে থাকিব পাৰে। এই পৰ্যায় শেষ হ'লে চুলিৰ বৃদ্ধি বন্ধ হৈ যায়; তাৰ পিছত পুৰণি চুলিবোৰ ছিগি যায় আৰু নতুন চুলি গজাৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

**হৰম'ন আৰু পুষ্টিও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে**

জিনীয় বিজ্ঞানৰ সমান্তৰালকৈ হৰম'নৰ ভাৰসাম্যই চুলিৰ বৃদ্ধিত প্ৰভাৱ পেলাব পাৰে। থাইৰয়ডৰ সমস্যা, পিচিঅ'এছ, গৰ্ভাৱস্থা আৰু প্ৰসৱৰ পিছৰ পৰিৱৰ্তন, ৰজোনিবৃত্তি, বা অত্যধিক মানসিক চাপে চুলিৰ বৃদ্ধি আৰু ক্ষয়ৰ প্ৰাকৃতিক চক্ৰত প্ৰভাৱ পেলাব পাৰে। ইয়াৰ উপৰিও আইৰণ, জিংক, ভিটামিন ডি, ভিটামিন বি ১২, বায়টিন বা প্ৰটিনৰ অভাৱে চুলিৰ স্বাস্থ্যৰ লগত আপোচ কৰিব পাৰে।

চুলিৰ সৰ্বোচ্চ সম্ভাব্য দৈৰ্ঘ্য কেনেকৈ পাব পাৰি? আপোনাৰ জিনীয় সীমা সলনি কৰাটো সম্ভৱ নহয়। কিন্তু চুলিখিনি সম্পূৰ্ণ সম্ভাব্য দৈৰ্ঘ্য পোৱাৰ আগতে চুটি হ'ব পৰা ভাঙি যোৱাৰ পৰা ৰক্ষা কৰিবলৈ যত্ন লোৱাটো অতি প্ৰয়োজনীয়। পৰ্যাপ্ত পৰিমাণৰ প্ৰটিন আৰু পুষ্টিকৰ খাদ্য গ্ৰহণ কৰা, অত্যধিক হিট ষ্টাইলিং আৰু ক্ষতিকাৰক ৰাসায়নিক চিকিৎসা এৰাই চলা, মূৰৰ ছালৰ সমস্যাসমূহ তৎকালীনভাৱে সমাধান কৰা, আৰু



নিয়মিতভাৱে কণ্ডিচনাৰ ব্যৱহাৰ কৰা আদি সকলোবোৰেই উপকাৰী হ'ব পাৰে। বিভক্ত মূৰবোৰো নিয়মিতভাৱে ট্ৰিম কৰিব লাগে। যদি আপুনি অনুভৱ কৰে যে আপোনাৰ চুলি বৃদ্ধি হোৱা নাই, তেন্তে যাদুকৰী তেল বা চেম্পুৰ ওপৰত নিৰ্ভৰ নকৰি, তেন্তে প্ৰাকৃতিক চুলিৰ বৃদ্ধিৰ চক্ৰ, জিনীয় সীমাবদ্ধতা, পুষ্টি, আৰু মূৰৰ ছালৰ স্বাস্থ্যৰ ওপৰত গুৰুত্ব দিয়াটো বহুত বেছি গুৰুত্বপূৰ্ণ।

# কলম্বোত ভাৰতৰ জয় সময়ৰ অপেক্ষা

## শ্ৰীলংকাৰ বাবে আশা সজীৱ কৰি ৰাখিছে প্ৰথম ইনিংছৰ শতৰাণকাৰী ছোনালে



**নিউজ ব্যুৰ'**
**কলম্বো, ২৬ আগষ্ট ঃ** শ্ৰীলংকাৰ দুই তৰুণ বেটাৰ ছোনাল ডিনুছা আৰু পাছিন্দু সূৰ্যবন্দৰৰ সংগ্ৰামী বেটিং সত্ত্বেও দ্বিতীয় টেষ্টত বিজয় প্ৰায় নিশ্চিত কৰিছে ভাৰতে। কাইলৈ বৰষুণে বাধাৰ সৃষ্টি নকৰিলে ভাৰতে জয়লাভ কৰাটো একপ্ৰকাৰ নিশ্চিত। কিয়নো হাতত মাত্ৰ চাৰিটা উইকেট বাকী থকা অৱস্থাত শ্ৰীলংকাই ১৬ ৰাণতহে আগবাঢ়ি আছে। প্ৰথম ইনিংছৰ শতৰাণকাৰী ছোনাল এতিয়াও অপৰাজিত হৈ আছে যদিও দলৰ বলাৰসকলক লৈ তেওঁ কিমান সময়লৈ বেহু ৰক্ষা কৰিব পাৰিব, সেয়া সন্দেহৰ বিষয়।

আজি শ্ৰীলংকাৰ প্ৰথম ইনিংছ ২৯০ ৰাণত সমাপ্ত হয়। ফলত মাত্ৰ ১৩ ৰাণৰ বাবে দলটোৱে ফল'অন কৰিবলৈ বাধ্য হয়। ছোনালে আঠটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত ১০৩ ৰাণ কৰে। সূৰ্যবন্দৰে ৮০ ৰাণৰ বৰঙণি যোগায়। ভাৰতৰ প্ৰসিদ্ধ কৃষ্ণ আৰু মানৱ সুথাৰে তিনিটাকৈ তথা অভিষেককাৰী সাৰাংশ জৈনে দুটা উইকেট দখল কৰে। ফল'অন কৰা ঘৰুৱা দলটোৱে অৱশ্যে দ্বিতীয় ইনিংছত কিছু প্ৰতিৰোধ গঢ়িবলৈ সক্ষম হয়। লাহিৰু উদাৰা (৩) মহম্মদ ছিৰাজৰ বলত সোনকালে আউট হ'লেও সূৰ্যবন্দৰে আনজন অপেনাৰ কামিল মিছাৰা (৩২), কামিন্দু মেণ্ডিজ (৫৫) আৰু অধিনায়ক ধনঞ্জয় ডি ছিলভা (২৩)ৰ স'তে তিনিটা মূল্যবান যুটি গঢ়ে। অৱশ্যে শতৰাণৰ পৰা বঞ্চিত হৈ তেওঁ ৮২ ৰাণত বিদায় লয়। দিনান্তলৈ ছোনালে সাত ৰাণত খেলি আছে।



ভাৰতৰ বিপক্ষে দ্বিতীয় টেষ্টৰ প্ৰথম ইনিংছত শতৰাণ কৰি দৰ্শকৰ অভিনন্দন গ্ৰহণ কৰিছে শ্ৰীলংকাৰ ছোনাল ডিনুছাই, বুধবাৰে।

# ডিব্ৰুগড়ত আজিৰে পৰা ৭৪ সংখ্যক সদৌ অসম আন্তঃজিলা বেডমিণ্টন

**বিশেষ সংবাদ দাতা**
**ডিব্ৰুগড়, ২৬ আগষ্ট ঃ** অসমৰ ক্ৰীড়া জগতৰ বাবে আন এক উল্লেখযোগ্য সংযোজন হিচাপে ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব ৭৪ সংখ্যক সদৌ অসম আন্তঃজিলা বেডমিণ্টন চেম্পিয়নশ্বিপ, ২০২৬। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম বেডমিণ্টন সন্থাৰ তত্ত্বাৱধানত অহা ২৭ আগষ্টৰ পৰা দুই ছেপ্টেম্বৰলৈকে অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। বুধবাৰে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই অনুষ্ঠিত কৰা সংবাদ মেলত সভাপতি নিৰঞ্জন শইকীয়া আৰু সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াই জানিবলৈ দিয়ে যে এইবাৰৰ চেম্পিয়নশ্বিপত অসমৰ মুঠ ১৭খন জিলাৰ দলে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰী জিলাসমূহ হৈছে-নাজিৰা, বঙাইগাঁও, নাহৰকটীয়া, ডিব্ৰুগড়, গুৱাহাটী, লখিমপুৰ, তিনিচুকীয়া, তেজপুৰ, কাৰ্বি আংলং, ধেমাজি, গোলাঘাট, শিৱসাগৰ, যোৰহাট, নলবাৰী, কামৰূপ, ৰঙিয়া আৰু নগাঁও। চেম্পিয়নশ্বিপখনৰ বাবে ইতিমধ্যে ১,০০০ ৰ অধিক খেলুৱৈয়ে নাম পঞ্জীয়ন কৰিছে।

ইয়াৰ সমান্তৰালভাৱে চেম্পিয়নশ্বিপৰ স'তে সংযুক্তভাৱে অনুষ্ঠিত হ'বলগীয়া ৰেফাৰী পৰীক্ষাত ৫০গৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হ'ব। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াই জানিবলৈ দিয়ে যে প্ৰথমবাৰৰ বাবে সন্থাৰ নিজা ইনড'ৰ ষ্টেডিয়ামত আন্তঃজিলা বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। চেম্পিয়নশ্বিপখন সফলভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন প্ৰতিষ্ঠানেও সহযোগিতা আগবঢ়াইছে। পৃষ্ঠপোষক হিচাপে ভাইজাগ বন্দৰে দুই লাখ টকা, দীনদয়াল বন্দৰে ২.৯৪ লাখ টকা আৰু মেংগালোৰ বন্দৰে চাৰি লাখ টকাৰ সহায় আগবঢ়োৱাৰ লগতে JNPA-য়েও সহযোগিতা আগবঢ়াইছে। উদ্বোধনী অনুষ্ঠান ২৭ আগষ্টৰ সন্ধিয়া অনুষ্ঠিত হ'ব। জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াই জানিবলৈ দিয়া অনুসৰি, উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই চেম্পিয়নশ্বিপখন সফল কৰি তোলাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা সকলো পৃষ্ঠপোষক, অংশগ্ৰহণকাৰী জিলা, খেলুৱৈ, ক্ৰীড়া বিষয়া, ৰেফাৰী, স্বেচ্ছাসেৱক আৰু শুভাকাংক্ষীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। সংবাদ মেলত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি মানস জ্যোতি দত্ত আৰু বেডমিণ্টন বিভাগৰ সম্পাদক সুনীল গগৈও উপস্থিত থাকে।

# উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থা ফাইনেলত

**অগ্ৰদূত ক্ৰীড়া বাৰ্তা**
**যোৰহাট, ২৬ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা 'বি' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন ছেমি ফাইনেলত উত্তৰ যোৰহাট উপ ক্ৰীড়া সন্থাই যোৰহাট ক্লাবক ৩-১ গ'লত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে ভৰপূৰ খেলখনৰ প্ৰথমাৰ্ধৰ ২২ মিনিটত যোৰহাট ক্লাবৰ জয়দ্বীপ চামাছীয়ে গ'ল দিয়ে যদিও ২৬ মিনিটত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাৰ ৰক্ষণ বিভাগৰ খেলুৱৈ ৰিতুপন বড়াই গ'ল দি সমতা স্থাপন কৰে। অৱশ্যে দ্বিতীয়াৰ্ধৰ ৭১ মিনিটত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাৰ বিশাল হাজৰিকাই মিডফিল্ডৰ পৰা উলিয়াই দিয়া বল দিংকু দত্তই আয়ত্ত কৰি গ'ল দি ২-১লৈ ব্যৱধান বৃদ্ধি কৰে। ইয়াৰ পাছত পুনৰ ৭৮ মিনিটত প্ৰাচুৰ্য দত্তই সুন্দৰভাৱে উলিয়াই দিয়া বল দিংকু দত্তৰ ব্যক্তিগত দ্বিতীয়টো গ'লৰ সহায়ত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থা জয়ী হয়।

# বিশ্ব নদী দিৱস উপলক্ষে 'ছেভ ভৰলু' নাওখেল প্ৰতিযোগিতাৰ আয়োজন

**গুৱাহাটী, ২৬ আগষ্ট ঃ** 'বিশ্ব নদী দিৱস' উপলক্ষে জোনালীৰ পৰা ভৰলুমুখলৈ চাইকেল ৰেলীৰে ভৰলু পুনৰুজ্জীৱিতকৰণৰ অভিযান আৰম্ভ কৰা 'ছেভ ভৰলু অভিযান'-এ অহা ২৭ ছেপ্টেম্বৰত একেৰাহে ষষ্ঠ বাৰৰ বাবে 'বিশ্ব নদী দিৱস' দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰিবলৈ আগবাঢ়িছে। এই সন্দৰ্ভত অভিযানৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে ডাঃ ৰবীন মজুমদাৰ আৰু সত্যৰঞ্জন বৰুৱা স্বাক্ষৰিত এক প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ যে সেইদিনা পুৱা আঠ বজাত মৰাভৰলুত এচিএ ক্ৰিকেট ষ্টেডিয়ামৰ পৰা মানপাৰালৈকে এক পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোৱা বছৰৰ পাঁচ অক্টোবৰত জুবিন গাৰ্গৰ সোঁৱৰণত জোনালীৰ পৰা ৰাজগড়লৈকে অনুষ্ঠিত নাওখেল অতি জনপ্ৰিয় হোৱাৰ লগতে ইমান দিনে গুৱাহাটীয়া ৰাইজে নলা বুলি অৱজ্ঞাকৰা ভৰলুক যে পুনৰুজ্জীৱিত কৰি গুৱাহাটীৰ সম্পদলৈ ৰূপান্তৰ কৰিব পাৰি সেয়া বুজাবলৈ সক্ষম হৈছিল। এইবাৰ দ্বিতীয় বাৰৰ বাবে এই খেল অনুষ্ঠিত কৰি 'মৰাভৰলু'ৰ অতি পুতৌজনক মুমূৰ্ষু অৱস্থালৈ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আন নহ'লেও 'দীপৰবিল'ক বচাবলৈ মৰা ভৰলুক যে পুনৰুজ্জীৱিত আৰু প্ৰদূষণমুক্ত কৰা অত্যন্ত জৰুৰী এই বাৰ্তা দিয়াৰ উদ্দেশ্যে এই নাওখেল বুলি টোকাত প্ৰকাশ কৰিছে। সেইদিনা আবেলি তিনি বজাত স্থানীয় 'বিষ্ণুনিৰ্মলা ভৱন'ত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় কাৰ্যসূচীৰ নাগৰিক সভাত প্ৰথম 'ছেভ ভৰলু' বক্তৃতাপ্ৰদান আৰু ৰচনা প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ বিতৰণ কৰা হ'ব। ইংৰাজী আৰু অসমীয়া মাধ্যমত হ'বলগীয়া ৰচনাৰ বিষয় 'ক' শাখাৰ বাবে- 'গুৱাহাটীৰ বানপানী আৰু ভৰলু নৈ' তথা 'খ' শাখাৰ বিষয় 'গুৱাহাটীৰ বান নিয়ন্ত্ৰণত ভৰলু নৈৰ ভূমিকা'। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ (ক শাখ) আৰু স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণী (খ শাখা)ৰ আগ্ৰহী শিক্ষাৰ্থীয়ে ১৫০০-২০০০ শব্দৰ ভিতৰত তিনি কপিকৈ ৰচনা ই-মেহলযোগে (rabin_mazumder@yahoo.co.in) বা তলৰ ঠিকনাত অহা ২২ ছেপ্টেম্বৰৰ আগতে পোৱাকৈ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ স্বাক্ষৰসহ পঠিয়াবলৈ আহ্বান জনাইছে। প্ৰথম তিনিটা স্থানৰ বঁটাত নগদ ধনৰ লগতে এখনকৈ মানপত্ৰ আৰু স্মাৰক থাকিব। ৰচনা পঠিওৱাৰ ঠিকনা — সত্যৰঞ্জন বৰুৱা, ছেভ ভৰলুঅভিযান, গৃহ নম্বৰ ১৪, নিজৰাপথ, জনকপুৰ, ডাক- কাহিলিপাৰা, গুৱাহাটী-১৯ আৰু সবিশেষ জানিবলৈ ৯৮৬৩০-৮৬৯৭৮ আৰু ৯৮৬৪০-১০২১৫ নম্বৰত যোগাযোগ কৰিব পাৰে।

# দুবছৰৰ পাছত এক নম্বৰ স্থান হেৰাল বুমৰাহৰ

**নিউজ ব্যুৰ'**
**ডুবাই, ২৬ আগষ্ট ঃ** প্ৰায় দুবছৰ ধৰি টেষ্টত এক নম্বৰ বলাৰৰ আসনখন ধৰি ৰাখিছিল যশপ্ৰীত বুমৰাহে। অৱশেষত তেওঁক সিংহাসনচ্যুত কৰিলে অষ্ট্ৰেলিয়াৰ ফাষ্ট বলাৰ মিচেল ষ্টাৰ্কে। বাংলাদেশৰ বিপক্ষে সদ্যসমাপ্ত টেষ্ট শৃংখলাত দুৰ্দান্ত বলিং কৰা ষ্টাৰ্কে কেৰিয়াৰত প্ৰথমবাৰলৈ আইচিচি ৰেংকিঙত শীৰ্ষস্থান অধিকাৰ কৰিছে। ২০২৪ত প্ৰথমবাৰলৈ বুমৰাহে এক নম্বৰ আসনখন দখল কৰিছিল। তেতিয়াৰে পৰা তেওঁ সেই স্থানতে আছে। যদিও শ্ৰীলংকাৰ বিপক্ষে চলিত শৃংখলাত আঘাতৰ বাবে খেলিব নোৱৰাৰ বাবেই তেওঁং ৰেংকিঙত অৱনমিত হ'ল। বিপৰীতে বাংলাদেশৰ বিপক্ষে দ্বিতীয় টেষ্টত বুমৰাহে ১০টা উইকেট দখল কৰিছিল। বুমৰাহ দুই নম্বৰলৈ নামিল। তিনি নম্বৰ স্থানত আছে নিউ জিলেণ্ডৰ পেচ বলাৰ মেট হেনৰি। টেষ্টৰ বেটিং ৰেংকিঙৰ প্ৰথম তিনিটা স্থানত আছে হেৰী ব্ৰুক, জো ৰুট আৰু ষ্টিভ স্মিথ।



শ্ৰীলংকাৰ দ্বিতীয় ইনিংছত পাছিন্দু সূৰ্যবন্দৰক ষ্টাম্পিং কৰিলে ঋষভ পণ্টে।

# ৰাষ্ট্ৰীয় ছিনিয়ৰ-মাষ্টাৰ্ছ কিকবক্সিঙলৈ অসম দলত লেন্সনায়ক সোণেশ্বৰ বড়া



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৫ আগষ্ট ঃ** অহা আঠৰ পৰা ১২ ছেপ্টেম্বৰলৈ মধ্যপ্ৰদেশৰ ইণ্ডোৰত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ছিনিয়ৰ এণ্ড মাষ্টাৰ্ছ কিকবক্সিং চেম্পিয়নশ্বিপত অসম দলত স্থান লাভ কৰিছে অসম আৰক্ষীৰ লেন্সনায়ক সোণেশ্বৰ বড়াই। ভাৰতৰ প্ৰায় ৩০খন ৰাজ্যৰ প্ৰায় ৭০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ ৯৪ কেজি শাখাত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিব। যোৱা বৰ্ষৰ জুলাইত চত্তিছগড়ৰ ৰায়পুৰত অনুষ্ঠিত ছিনিয়ৰ ৰাষ্ট্ৰীয় কিকবক্সিং চেম্পিয়নশ্বিপত ৯৪ কেজি শাখাত ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হৈছিল বড়াই। ইয়াৰ পূৰ্বে ২০১৮ত থাইলেণ্ডৰ বেংককত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কিকবক্সিং চেম্পিয়নশ্বিপত ৰূপৰ পদক অৰ্জন কৰা বড়াই কিকবক্সিং খেলত এতিয়ালৈকে ভাৰতক তিনিবাৰকৈ প্ৰতিনিধিত্ব কৰিছে। ২০০৭ত নেপালত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কিকবক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক, ২০০৯ত শ্ৰীলংকাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কিকবক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছিল। এতিয়ালৈকে মুঠ ১৫ বাৰ ৰাজ্যিক পৰ্যায়ৰ কিকবক্সিং খেলত পদক আৰু আঠবাৰ ৰাষ্ট্ৰীয় পদক পাবলৈ সক্ষম হৈছে তেওঁ।

নিজৰ কৰ্মদক্ষতা আৰু সাহসিকতাৰ বাবে ২০১৮ত তেওঁ আৰক্ষী সঞ্চালক প্ৰধানৰ প্ৰশংসা পদক আৰু ২০১৬ত আন্তৰিক সুৰক্ষা সেৱা পদক লাভ কৰিছিল। খেলৰ সমান্তৰালকৈ সংগীতৰ স'তেও জড়িত বড়াৰ আৰক্ষীৰ গীতৰ ভিডিঅ'সমূহ ক্ৰমে 'যুঁজাৰু দ্য বেটেলিয়ন', 'চকু', 'ৰণুৱা দ্য ৱাৰিয়ৰ' আদিয়ে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় বক্সাৰ তথা এছিয়ান গেমছত সোণৰ পদকৰ লগতে শ্ৰেষ্ঠ বক্সাৰৰ সন্মান লাভ কৰা অসম-কন্যা কল্পনা চৌধুৰীৰ বক্সিং জীৱনক লৈ কৰা গানৰ ভিডিঅ' হৈছে 'বক্সাৰ'।

# আজি প্ৰধানমন্ত্ৰীৰে ভাৰ্চুৱেলী কথা পাতিব নকছাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৬ আগষ্ট ঃ** ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ অংশৰূপে সমগ্ৰ দেশৰ লগতে যোৰহাট জিলাৰ নকছাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলী বাৰ্তালাপ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰণালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি ২৭ আগষ্টৰ পুৱা ১০ বজাৰ পৰা এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। 'খেলো ইণ্ডিয়া সংবাদ ২০২৬ ঃ খেলৰ কথা প্ৰধানমন্ত্ৰী মোদীৰ স'তে' শীৰ্ষক এই কাৰ্যসূচী নকছাৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এনএছএছ) গোটে 'মাই ভাৰত', যোৰহাটৰ সহযোগত নকছাৰি মহাবিদ্যালয়ত আয়োজন কৰা হৈছে। উল্লেখ্য যে দেশজুৰি উদ্যাপন কৰা ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ এক অংশৰূপে ভাৰতবৰ্ষৰ প্ৰতিখন জিলাৰ দুখন মহাবিদ্যালয়ত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে । যোৰহাট জিলাৰ দুখন মহাবিদ্যালয়ৰ ভিতৰত নকছাৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটক এই অনুষ্ঠানটো আয়োজন কৰিবৰ বাবে নিৰ্বাচিত কৰিছে।

# ভাৰতত খেলিব পানামাই


**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ আগষ্ট ঃ** ব্ৰাজিলৰ পূৰ্বে ভাৰতলৈ খেলিবলৈ আহিব দক্ষিণ আমেৰিকাৰ আন এটা দল পানামাই। ইতিমধ্যে ভাৰত আৰু পানামা ফুটবল সংস্থাৰ মাজত চুক্তি সম্পন্ন হৈছে। অহা তিনি অক্টোবৰত ব্ৰাজিলে ভাৰতৰ বিপক্ষে কলকাতাত প্ৰীতি আন্তৰ্জাতিক মেচ খেলিব। সেই মেচৰ পূৰ্বেই পানামাই কলকাতাত ভাৰতৰ বিপক্ষে খেলিব। উক্ত খেলখন ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব বুলি ভাৰতীয় ফুটবল ফেডাৰেছনে জনাইছে। উল্লেখ্য যে পূৰ্বে কেপ ভাৰ্ডিয়ে ভাৰতলৈ আহিব বুলি চৰ্চা চলিছিল।

# আইটিএফ ৱৰ্ল্ড মাষ্টাৰ্ছ এমটি ২০০ টেনিছ

**গুৱাহাটী, ২৬ আগষ্ট ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচলস্থিত সন্থাৰ কমপ্লেক্সত চলি থকা আইটিএফ ৱ'ৰ্ল্ড টেনিছ মাষ্টাৰ্ছ এমটি ২০০ প্ৰতিযোগিতাৰ তিনিটা বয়স শাখা ক্ৰমে ৪৫, ৫৫ আৰু ৬৫ বছৰ ঊৰ্দ্ধৰ সকলো ছেমি ফাইনেল মেচ আজি সমাপ্ত হৈছে। আনহাতে, ৩৫ বছৰ ঊৰ্দ্ধৰ চাৰি ছেমি ফাইনেলিষ্ট খেলুৱৈও নিশ্চিত হৈছে। তদুপৰি, প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলৰ খেলো আজিয়ে সমাপ্ত হ'ল। কাইলৈ ছেমি ফাইনেল হোৱাৰ লগতে অহা ২৮ আগষ্টত অন্তিম দিনা সকলো শাখাৰে ফাইনেল অনুষ্ঠিত হ'ব।

আজি হোৱা ৪৫ বছৰ ঊৰ্দ্ধৰ প্ৰথমখন ছেমি ফাইনেলত চৰণদ্বীপ সিং ধোডীয়ে ৬-১, ৬-৩ ৰ ব্যৱধানত কৃষ্ণ কুমাৰ দেৱবাৰ্মাক পৰাস্ত কৰাৰ বিপৰীতে আন এখন ছেমি ফাইনেলত ৰোহিত লালাই দ্বিতীয় বাছনিৰ নিতেশ ৰুংটাক ৪-৬, ৬-৩, ১০-৬ ত পৰাস্ত কৰে। ইফালে, ৫৫ বছৰ ঊৰ্দ্ধৰ ছেমি ফাইনেলৰ প্ৰথমখন খেলত হাকিম আলীক ১-৬, ২-৬ ৰ ব্যৱধানত পৰাস্ত কৰি কৃষণ ভাটিয়াই ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে দ্বিতীয়খন ছেমি ফাইনেলত ৰোছন কান্ত ঘিছিঙে দ্বিতীয় বাছনিৰ তুলেশ্বৰ সিং থংবামক ৬-৩, ২-৬, ১০-৪ত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছে। ৬৫ বছৰ ঊৰ্দ্ধৰ প্ৰথমখন ছেমি ফাইনেলত দিলীপ সিং নংমাইথেমে ভাৰত ফুকনক ৬-১, ৪-১ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে লেইচেমছানা মীতেই চিংগনবামে মৃদুল মৃদুলাল বৰকাকতিক ৬-২, ৬-০ ত পৰাস্ত কৰে।

ইফালে, ৩৫ বছৰ ঊৰ্দ্ধৰ কোৱাৰ্টাৰ ফাইনেলত ভূটানৰ পমা ন'ৰ্বুৱে অভিজিত ঘ'ৰুইক, আসীম জ্যোতি দত্তই সম্বীত প্ৰধান, ইন্দ্ৰকুমাৰ খাংগেম্বম সিঙে সম্ৰাট মহন্তক আৰু এন প্ৰেমজিৎ সিঙে সুভাশিষ দেববাৰ্মাক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছন (আইটিএফ)ৰ স্বীকৃত বিশ্ব ৰেংকিঙৰ ছিনিয়ৰ প্ৰতিযোগিতাখনত মহিলাৰ ৩৫ বছৰ ঊৰ্দ্ধত ছেইলী ত্ৰিৱেদী তথা ৪৫ বছৰ ঊৰ্দ্ধত নাজনীন ৰহমানে এককত অগ্ৰগতি লাভ কৰাৰ বিপৰীতে ৩৫ বছৰ ঊৰ্দ্ধৰ ডাবলছ শাখাত ৰাণী কৌড় আৰু নাজনিনে পৰবৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। পুৰুষৰ ডাবলছৰ ৩৫ বছৰ ঊৰ্দ্ধৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰীতম দাস শৰ্মা আৰু পেমা নৰ্বু যুটি, পাৰ্থ প্ৰতিম গগৈ আৰু অলকেশ শইকীয়া যুটি তথা আসীম জ্যোতি দত্ত আৰু পাৰ্থ প্ৰতিম দত্ত যুটিয়ে জয়লাভ কৰাৰ বিপৰীতে ৬৫ বছৰৰ ডাবলছত শিবু মেথিউ আৰু ভাৰত ফুকন যুটিয়ে জয় অৰ্জন কৰিছে।



# কলকাতাৰ টাইকোৱান-ডোত ড্ৰিমলেণ্ড একাডেমীৰ ছয় খেলুৱৈৰ পদক অৰ্জন

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৬ আগষ্ট ঃ** কলকাতাৰ হাওৰাত ২১ৰ পৰা ২৩ আগষ্টলৈ অনুষ্ঠিত ষষ্ঠ ইণ্ডিয়া প্ৰগ্ৰেছিভ কাপ নেচনেল অপেন টাইকোৱান-ডো চেম্পিয়নশ্বিপ ২০২৬ত বৰপেটা জিলাৰ সৰভোগস্থিত 'ড্ৰিমলেণ্ড টাইকোৱান-ডো একাডেমী'য়ে বিশেষ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাখনত একাডেমীটোক প্ৰতিনিধিত্ব কৰি ছয় গৰাকী খেলুৱৈয়ে উন্নত প্ৰদৰ্শন দাঙি ধৰি কে'বাটাও গুৰুত্বপূৰ্ণ পদক নিজৰ দখললৈ আনে। একাডেমীৰ এই কৃতী খেলুৱৈসকলৰ উল্লেখনীয় সাফল্যৰ বিৱৰণ অনুসৰি, জ্যেষ্ঠ পুমছে শাখাৰ অনূৰ্ধ্ব ৩০ত শিল্পা দেয়ে স্বৰ্ণ পদক লাভ কৰাৰ লগতে কিউৰুগী শাখাৰ ছাব-জুনিয়ৰ ছোৱালীৰ অনূৰ্ধ্ব ৩২ কেজি ওজন শ্ৰেণীত গায়ত্ৰী ৰায় আৰু ছাব-জুনিয়ৰ ল'ৰাৰ অনূৰ্ধ্ব ৩২ কেজি ওজন শ্ৰেণীত বৰ্ণিল দাসে স্বৰ্ণপদক অৰ্জন কৰে। ইফালে, অনূৰ্ধ্ব ২৫ কেজি ওজন শ্ৰেণীত আয়ুষ দাসে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে অনূৰ্ধ্ব ২১ কেজি ওজন শ্ৰেণীত ভাৰ্গৱ জ্যোতি গৌড় আৰু অনূৰ্ধ্ব ২৫ কেজি ওজন শ্ৰেণীত প্ৰত্যুষ দাসে ব্ৰঞ্জৰ পদক লাভ কৰি অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে।



পদক অৰ্জনকাৰী খেলুৱৈসকলৰ ভিতৰত ব্ৰঞ্জৰ পদক বিজয়ী ভাৰ্গৱজ্যোতি গোড়ৰ ঘৰ বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ মথনগুৰী সমষ্টিৰ গোৱৰ্ধনা ভিচিডিচিৰ অন্তৰ্গত খাগ্ৰাবাৰী গাঁৱত। তেওঁ গোৱৰ্ধনা আদৰ্শ বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাত অসমৰ সন্তানসকলে সাব্যস্ত কৰা এই প্ৰদৰ্শনে সৰভোগ তথা সমগ্ৰ বৰপেটা জিলালৈ এক গৌৰৱোজ্জ্বল অধ্যায় কঢ়িয়াই আনিছে। দলটোৰ এই অভূতপূৰ্ব সফলতাৰ পাছত প্ৰশিক্ষক মংগল ৰয়ৰ বলিষ্ঠ প্ৰশিক্ষণ আৰু পথদৰ্শনৰ বিশেষ ভূমিকা আছে বুলি সংশ্লিষ্ট মহলে ভূয়সী প্ৰশংসা কৰিছে। খেলুৱৈসকলৰ এই অনন্য কৃতিত্বত সমগ্ৰ অঞ্চলটোতে আনন্দৰ জোৱাৰ উঠিছে।


# দলগাঁৱত আন্তঃক্লাব ফুটবল লীগত চেম্পিয়ন বৰগড়া



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৬ আগষ্ট ঃ** দৰঙৰ দলগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত দলগাঁও টাউন খেলপথাৰত অনুষ্ঠিত মাছুদ হুছেইন সোঁৱৰণী সম-জিলা আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাত বৰগড়া বাগিচাই চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেলত বৰগড়া চাহ বাগিচাই কৌপাটী চাহ বাগিচাক ২-০ গ'লত পৰাজিত কৰে। গ'ল দুটা দিয়ে বিৰছা মুণ্ডা আৰু সুশীল আইণ্ডে। খেলখন পৰিচালনা কৰে তিলক শইকীয়া আৰু লাইনত সহায় ডিম্বেশ্বৰ বড়ো আৰু নেকিবুৰ জামানে। চতুৰ্থ ৰেফাৰী ইছফাকউদ্দিন আহমেদ। খেলখন উদ্বোধন কৰে পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষী প্ৰসাদ হাজৰিকাই। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হয় কৌপাটী চাহ বাগিচাৰ শিৱ ভূমিজ। সৰ্বাধিক গ'লদাতা বৰগড়া চাহ বাগিচাৰ সূৰয কিষাণ, শ্ৰেষ্ঠ গ'লৰক্ষক কৌপাটী চাহ বাগিচাৰ বিবেক ওৰাং। ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় বৰগড়া চাহ বাগিচাৰ বিকি মুণ্ডা। খেলৰ অন্তত মোবাৰক হুছেইনে আঁত ধৰা পুৰস্কাৰ বিতৰণী সভাত বঁটাসমূহ প্ৰদান কৰে ট্ৰফী দাতা ৰাজেকুল ইছলাম, নুৰনেহাৰ বেগম, সন্থাৰ সভাপতি কুশল চহৰীয়া, বিশিষ্ট নাগৰিক ভূৱনেশ্বৰ চহৰীয়া, জমিৰুদ্দিন আহমেদ আৰু সাধন মজুমদাৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2024-2026
গুৱাহাটী, ২৭ আগষ্ট, ২০২৬ বৃহস্পতিবাৰ পৃষ্ঠা ১৪





# ৫২ বছৰ জোৰা অপেক্ষাৰ অন্ত পৰিল ঃ ইন্দোৰৰ এটা পৰিয়ালে অৱশেষত লাভ কৰিলে কন্যা সন্তান

বহু পৰিয়ালে বিশেষকৈ মধ্য আৰু উত্তৰ ভাৰতত কন্যা সন্তানতকৈ ল'ৰা সন্তানক অধিক গুৰুত্ব দিয়াৰ ঘটনা সংঘটিত হৈ আহিছে। এনে অৱস্থাতে মধ্য প্ৰদেশৰ ইন্দোৰত এটা পৰিয়ালে নৱজাত কন্যা সন্তানক লৈ ৰাজহুৱাকৈ আনন্দ-উৎসৱ কৰিছে।

## পৰিয়ালৰ সদস্যবৰ্গৰ মুকলি আনন্দোচ্ছ্বাসে লিংগ সমতাৰ প্ৰতিও দিলে বাৰ্তা

**নিউজ ব্যুৰ'**
**ইন্দোৰ, ২৬ আগষ্ট ঃ** বহু পৰিয়ালে বিশেষকৈ মধ্য আৰু উত্তৰ ভাৰতত কন্যা সন্তানতকৈ ল'ৰা সন্তানক অধিক গুৰুত্ব দিয়াৰ ঘটনা সংঘটিত হৈ আহিছে। এনে অৱস্থাতে মধ্য প্ৰদেশৰ ইন্দোৰত এটা পৰিয়ালে নৱজাত কন্যা সন্তানক লৈ ৰাজহুৱাকৈ আনন্দ-উৎসৱ কৰিছে। ইন্দোৰৰ এই পৰিয়ালে সুদীৰ্ঘ ৫২ বছৰ কাল কন্যা সন্তানৰ মুখ দেখা নাছিল। ফলত বিগত পাঁচ দশক সময়ত ককাক-আইতাকসকলেও কেৱল নাতিকহে কোলাত লোৱাৰ সুযোগ পাইছিল। সেয়েহে পৰিয়ালটোৱে কন্যা সন্তানৰ বাবে অপেক্ষা কৰিবলৈ লয়। অৱশেষত এই সুদীৰ্ঘ অপেক্ষাৰ অন্ত পৰে। অলপতে ইন্দোৰৰ এখন চিকিৎসালয়ত পৰিয়ালটোৰ এগৰাকী বোৱাৰীয়ে এটি কন্যা সন্তান জন্ম দিয়ে। এই খবৰ পাই চিকিৎসালয়ত উপস্থিত থকা পৰিয়ালটোৰ সদস্যসকল আনন্দত অধীৰ হৈ পৰে। ইজনে সিজনক সাবটি ধৰি মুকলিকৈ আনন্দ প্ৰকাশ কৰে। ডাঃ বেলা শ্বাহ জৈনৰ তত্ত্বাৱধানত কন্যাটিয়ে জন্মলাভ কৰে। পাছত চিকিৎসকগৰাকীয়ে সামাজিক মাধ্যমত এই কথা সদৰী কৰি কেনেদৰে পৰিয়ালটোৰ সদস্যবৰ্গ চিকিৎসালয়ত আনন্দত অধীৰ হৈ পৰে সেই কথা ব্যাখ্যা কৰে। দীৰ্ঘ কালৰ মূৰত অহা এই সুখৰ খবৰ পাই পৰিয়ালটোৰ সদস্যসকলৰ দুচকুৰে আনন্দৰ অশ্ৰু বাগৰি আহে। আনন্দৰ আতিশয্যত থিৰেৰে থাকিব নোৱাৰি একাংশই চিকিৎসক জৈনৰ ওচৰত বৈ তেওঁলৈ ধন্যবাদ জনায়। পৰিয়ালটোৰ সদস্যসকলে কেনেদৰে আনন্দ প্ৰকাশ কৰিছিল তাৰ দৃশ্য সম্বলিত ভিডিঅ' চিকিৎসকগৰাকীয়ে সামাজিক মাধ্যমত শ্বেয়াৰো কৰিছে। এই ভিডিঅ'ৰ তলত বিভিন্নজনে বিভিন্ন মন্তব্য কৰিছে। ভিডিঅ'টোত ডাঃ জৈনে কেপচন লিখিছে, 'কেতিয়াবা মিৰাকল আহোতে কে'বাটাও প্ৰজন্মৰ প্ৰয়োজন হয়। ৫২ বছৰ ধৰি কেৱল ল'ৰা সন্তানক আদৰি থকা পৰিয়ালটো অৱশেষত এটি কন্যা সন্তানৰে ধন্য হ'ল। এই দিনটো চিৰকালৰ বাবে মনত থাকি যাব।' লক্ষ্যণীয় যে দেশত আজিও কন্যা সন্তানৰ আগমনত আনন্দ-উৎসৱ কৰাটো বিৰল ঘটনা আখ্যা দিব পাৰি। আনকি ল'ৰা-ছোৱালী সমান বুলি কোৱা বহুতেও নিজৰ ক্ষেত্ৰত পুত্ৰ সন্তানহে অধিক কামনা কৰে বুলিও চৰ্চা হয়। এনে অৱস্থাতে ইন্দোৰৰ এই পৰিয়ালে এক আদৰ্শ প্ৰতিষ্ঠাৰ দৰে কাম কৰিলে বুলিও চৰ্চা হৈছে। কোৱা বাহুল্য যে ভাৰতত কন্যা সন্তানতকৈ ল'ৰা সন্তানক অধিক গুৰুত্ব দিয়াটো যুগ যুগ ধৰি চলি আহিছে। আনকি আধুনিক শিক্ষাৰ বহুল বিস্তাৰৰ পাছতো বহুতৰে মানসিকতা সলনি হোৱা নাই বুলিও ক'ব পাৰি। গতিকে ইন্দোৰৰ এই ঘটনাই ব্যাপক চৰ্চা অৰ্জন কৰিছে। আন একাংশৰ মতে কন্যা সন্তানৰ প্ৰতি অনীহাই ভ্ৰূণ হত্যাৰ দৰে ঘটনাৰ প্ৰতিও অৰিহণা যোগাই আহিছে। গতিকে এই ক্ষেত্ৰত ব্যাপক সজাগতাৰো পোষকতা কৰি আহিছে বহুতে। অৰ্থাৎ লিংগ সমতা বাস্তৱত প্ৰতিষ্ঠা হোৱাটো কামনা কৰি আহিছে এইসকলে।

# তিনিচুকীয়াত ভয়ংকৰ ৰূপত বৃদ্ধি পাইছে এইছআইভি পজিটিভৰ সংখ্যা

## ড্ৰাগছৰ অবাধ প্ৰচলনেই মূল কাৰণ, প্ৰজন্ম নিঃশেষ হোৱাৰ আশংকা

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৬ আগষ্ট:** তিনিচুকীয়া জিলাত শেহতীয়াকৈ আশ্চৰ্যজনকভাৱে বৃদ্ধি পাইছে এইছআইভি পজিটিভৰ সংখ্যা। এই ভয়াৱহ তথ্যই জিলাখনৰ সচেতন মহলক গভীৰভাৱে চিন্তিত কৰি তুলিছে। প্ৰাপ্ত তথ্য অনুসৰি, বৰ্তমানলৈকে জিলাখনত প্ৰায় তিনি হেজাৰতকৈও অধিক লোকৰ দেহত এইছআইভি পজিটিভ ধৰা পৰিছে। এইটো এক অতি ভয়ংকৰ পৰিসংখ্যা। ইয়াৰ ভিতৰত আটাইতকৈ উদ্বেগজনক বিষয়টো হ'ল, তাৰে প্ৰায় আঢ়ৈশ লোকে আজি পৰ্যন্ত কোনো ধৰণৰ চিকিৎসা বা ঔষধ গ্ৰহণ কৰা নাই। যাৰ ফলত তেওঁলোকৰ জৰিয়তে এই মাৰাত্মক ভাইৰাছ আনৰ দেহলৈ বিয়পাৰ আশংকা অধিক বৃদ্ধি পাইছে। এই সংক্ৰমণ বৃদ্ধিৰ আঁৰৰ মূল কাৰণৰূপে চিহ্নিত হৈছে জিলাখনত চলি থকা ড্ৰাগছৰ অবাধ প্ৰচলন। এক সমীক্ষা অনুসৰি, তিনিচুকীয়া জিলাত মৰাত্মক ড্ৰাগছত আসক্ত লোকৰ সংখ্যা প্ৰায় ৪০ৰ পৰা ৫০ হেজাৰ পৰ্যন্ত হ'ব বুলি অনুমান কৰা হৈছে। বেছিভাগ যুৱকেই বেজীৰ জৰিয়তে ড্ৰাগছ সেৱন কৰাৰ ফলত এটা বেজীকে একাধিকজনে ব্যৱহাৰ কৰে। ইয়াৰ ফলতেই এজনৰ পৰা আন এজনলৈ অতি সহজে এইছআইভি সংক্ৰমণ বিয়পি আছে আৰু প্ৰতিদিনে এই সংখ্যা বৃদ্ধি পাই গৈ আছে। পৰিস্থিতি অধিক ভয়াৱহ হৈ উঠিছে আন এক কাৰণত। ড্ৰাগছত আসক্ত বহু যুৱকে নিজৰ শাৰীৰিক অৱস্থা গোপন ৰাখি বিবাহপাশত আবদ্ধ হৈছে। বিবাহৰ পাছত এই ৰোগ পত্নীৰ দেহলৈ




সংক্ৰমিত হৈছে আৰু তাৰ পাছত জন্ম হোৱা শিশুটিৰ দেহলৈও এই ভাইৰাছ বিয়পিছে। এনেদৰে এটা পৰিয়ালৰ পৰা আন এটা পৰিয়াললৈ এই ৰোগে মহামাৰী ৰূপ ধাৰণ কৰিছে। ইয়াৰ উপৰি ড্ৰাগছৰ অবাধ সেৱনৰ ফলত পূৰ্বতকৈ বহু বেছি অসুস্থ আৰু শাৰীৰিকভাৱে বিকলাংগ শিশু জন্ম হোৱাৰ খবৰো পোহৰলৈ আহিছে, যিটো অতি ভয়ংকৰ ইংগিত। এই ধাৰা যদি অব্যাহত থাকে, তেন্তে অচিৰেই প্ৰজন্মৰ পাছত প্ৰজন্ম নিঃশেষ হৈ যোৱাৰ আশংকা কৰিছে সচেতন সমাজে। তিনিচুকীয়াৰ দৰে এখন ঔদ্যোগিক আৰু সীমান্তৱৰ্তী জিলাত এনে পৰিস্থিতিয়ে সমগ্ৰ সমাজ ব্যৱস্থাকে ভাঙি পেলাব পাৰে। এই সন্দৰ্ভত সচেতন মহলে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক অধিক কঠোৰ আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। কেৱল সজাগতা সভাৰে এই সমস্যা সমাধান নহয়। ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান, সীমান্ত অঞ্চলত তীব্ৰ তালাচী, এইছআইভি পজিটিভ লোকসকলক চিনাক্ত কৰি বিনামূলীয়া চিকিৎসা আৰু কাউন্সেলিঙৰ ব্যৱস্থা কৰা আৰু যুৱ সমাজক ড্ৰাগছৰ বিৰুদ্ধে সজাগ কৰিবলৈ বিদ্যালয়-মহাবিদ্যালয়ত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাটো এতিয়া সময়ৰ আহ্বান। সময় থাকোতেই যদি এই মৰাত্মক ড্ৰাগছ আৰু এইছআইভিৰ বিৰুদ্ধে যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে অদূৰ ভৱিষ্যতে তিনিচুকীয়া জিলা এখন ভয়ংকৰ অন্ধকাৰৰ ফালে গতি কৰিব। গতিকে এই ক্ষেত্ৰত জিলা প্ৰশাসনেই সৰ্বাধিক গুৰুত্ব দি বিশেষ পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

# এটা শিক্ষা বৰ্ষতে ১০ কোটি টকা পৰ্যন্ত হয় মাচুল ঃ আছে বিশ্বৰে সবাতোকৈ খৰচী ১৫ খন ব্যক্তিগত ব'ৰ্ডিং স্কুল

সময়ৰ পৰিৱৰ্তন ঘটাৰ লগে লগে প্ৰায় সকলোৱে সন্তানৰ শিক্ষা-দীক্ষাৰ প্ৰতি মনোনিৱেশ কৰিবলৈ লৈছে। সেই অনুসৰি সন্তানক নামী শিক্ষানুষ্ঠানত ভৰ্তি কৰোৱাৰ সপোন পুহি ৰাখে প্ৰায় সকলো অভিভাৱক-অভিভাৱিকাই। গতিকে বিভিন্ন ব্যক্তিগত স্কুলসমূহৰ মাচুলো বৃহৎ হাৰত বৃদ্ধি পোৱাৰ কথা শুনিবলৈ পোৱা যায়।



## ছুইজাৰলেণ্ডৰ স্কুলত শিক্ষা গ্ৰহণৰ বাবে ঢাপলি মেলে সমগ্ৰ বিশ্বৰ ৰাজ পৰিয়াল-অৰ্বুদপতিসকলৰ সন্তানে

**নিউজ ব্যুৰ'**
**জেনেভা, ২৬ আগষ্ট ঃ** সময়ৰ পৰিৱৰ্তন ঘটাৰ লগে লগে প্ৰায় সকলোৱে সন্তানৰ শিক্ষা-দীক্ষাৰ প্ৰতি মনোনিৱেশ কৰিবলৈ লৈছে। সেই অনুসৰি সন্তানক নামী শিক্ষানুষ্ঠানত ভৰ্তি কৰোৱাৰ সপোন পুহি ৰাখে প্ৰায় সকলো অভিভাৱক-অভিভাৱিকাই। গতিকে বিভিন্ন ব্যক্তিগত স্কুলসমূহৰ মাচুলো বৃহৎ হাৰত বৃদ্ধি পোৱাৰ কথা শুনিবলৈ পোৱা যায়। তৎসত্ত্বেও আপুনি বিশ্বাস কৰিবলৈ সম্ভৱতঃ টান পাব যে মাথোঁ এটা শিক্ষা বৰ্ষত ১০ কোটি টকা পৰ্যন্ত শিক্ষণৰ মাচুল লোৱা স্কুলো এই পৃথিৱীত আছে। এনে স্কুল আছে ছুইজাৰলেণ্ডত। এই স্কুলসমূহত অধ্যয়ন কৰে বিশ্বৰ এক শতাংশ লোকৰ সন্তানে। এই লোকসকল হৈছে বিশ্বৰ বিভিন্ন দেশৰ ৰাজপৰিয়াল আৰু লাখ লাখ কোটি টকাৰ মালিক। মূলতঃ এনে ধনাঢ্যসকলৰ সন্তানৰে এই স্কুলসমূহ ভৰি থাকে। ছুইজাৰলেণ্ডত মনোৰম প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত এনে ১৫ খন ব্যক্তিগত ব'ৰ্ডিং স্কুল আছে। এইসমূহৰে অন্যতম হ'ল লা ৰ'জী। অবিশ্বাস্য হ'লেও সত্য যে এই স্কুলৰ ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ শিক্ষণ মাচুল হৈছে ভাৰতীয় হিচাপত ১০ কোটি টকা। এই বিপুল ৰাশিৰ ধনৰ মাচুল আদায় দিয়া ছাত্ৰ-ছাত্ৰীৰো অভাৱ নাই। কাৰণ বিশ্বৰ এক শতাংশ ধনাঢ্য লোকৰ সন্তানে এই স্কুলত পঢ়ে। উল্লেখ্য যে ছুইজাৰলেণ্ডৰ এই নামী-দামী ব'ৰ্ডিং স্কুলসমূহে যুগ যুগ ধৰি সমগ্ৰ বিশ্বৰ ধনী আৰু ৰাজপৰিয়ালসমূহক আকৰ্ষণ কৰি আহিছে। কাৰণ এনে ব'ৰ্ডিং স্কুলৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মাজত আছে ইৰানৰ অন্তিমজন শ্বাহ, বেলজিয়ামৰ ৰজা দ্বিতীয় এলবাৰ্ট আদি। ১৮৮০ত প্ৰতিষ্ঠা হোৱা লা ৰ'জীত এইসকলে অধ্যয়ন কৰিছিল। তদুপৰি ছুইজাৰলেণ্ডৰ এনে ব'ৰ্ডিং স্কুলত ইজিপ্ত, গ্ৰীচ, যুগোশ্লাভিয়া, ইটালী, ব্ৰিটেইন আদি ৰাজপৰিয়ালৰ সন্তানসকলেও অধ্যয়ন কৰি আহিছে। একেদৰে ৰথছাইল্ডছ, ৰকফেলাৰৰ দৰে আমেৰিকান বিখ্যাত পৰিয়ালসমূহৰ সন্তানেও ছুইজাৰলেণ্ডৰ নামী-দামী ব'ৰ্ডিং স্কুলত অধ্যয়ন কৰে। দেশখনৰ এই ব'ৰ্ডিং স্কুলসমূহ কেৱল ইউনিফৰ্ম বা সুদৃশ্য চৌহদৰ বাবেই বিখ্যাত নহয়, এই স্কুলসমূহত আৰম্ভণিৰ পৰাই ছাত্ৰ-ছাত্ৰীক আন্তৰ্জাতিক মানৰ শিক্ষাদান কৰা হয়। লক্ষ্যণীয়ভাৱে এই স্কুলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাংশ তথা ৭০ শতাংশ হৈছে বিদেশী ছাত্ৰ-ছাত্ৰী। এই স্কুলসমূহত পাঠ্যক্ৰম বহিৰ্ভূত কাম-কাজো প্ৰচুৰ। স্কুলসমূহত সৰুৰে পৰা ব্যক্তিত্ব বিকাশৰ সুযোগ বা শিক্ষা প্ৰদান কৰা হয়। এই স্কুলসমূহত শিক্ষাদান কৰা ৮০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত ব্ৰিটেইন বা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়সমূহত উচ্চ শিক্ষা গ্ৰহণ কৰে। ইয়াৰে একাংশ স্কুলত ফৰাচী আৰু ইংৰাজী দুয়োটা মাধ্যমতে শিক্ষাদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক ঘোঁৰা দৌৰ, টেনিছ, নৃত্য আদিৰ শিক্ষাদানো কৰা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰী আহে বাবে এই স্কুলসমূহত ব্যক্তিত্ব বিকাশো সহজ হয়। স্বাভাৱিকতে এই স্কুলসমূহৰ বিদ্যায়তনিক পৰিৱেশ অত্যন্ত উন্নত। এই স্কুলসমূহত অধ্যয়ন কৰিলে পোৱা এটা সুযোগ হৈছে এখন মহাদেশৰ পৰা গৈ আন এখন মহাদেশৰ ছাত্ৰ-ছাত্ৰীৰ স'তে বন্ধুত্ব স্থাপনৰ সুবিধা। এই স্কুলসমূহে দক্ষতা উন্নয়নতো প্ৰচুৰ গুৰুত্ব আৰোপ কৰি আহিছে বুলি অভিজ্ঞসকলে কয়। মনোৰম প্ৰাকৃতিক পৰিৱেশেও ছাত্ৰ-ছাত্ৰীসকলৰ মন-প্ৰাণ উজ্জীৱিত কৰি ৰাখে। গতিকে তেওঁলোকৰ পিতৃ-মাতৃসকলে খৰচৰ দিশটো আওকাণ কৰি চলে। আনহাতে, স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত এনেদৰে ছুইজাৰলেণ্ড সমগ্ৰ বিশ্বৰ আকৰ্ষণত পৰিণত হৈছে।

# কলিয়াবৰত শিক্ষকবিহীন শ্ৰেণীকোঠাত 'একৰ এক গ'ল থাকিল শূন্য...'




## অদৃশ্য শিক্ষকৰ ছাত্ৰ-ছাত্ৰীক ধমক- 'ভালকৈ পঢ়, পঢ়া মনত থাকিব লাগিব বুজিলি'

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৬ আগষ্ট ঃ** 'একৰ এক গ'ল থাকিল শূন্য, ক মনে কলম, খ মানে খৰম...' কলিয়াবৰৰ শিক্ষকবিহীন শ্ৰেণীকোঠাত এতিয়া এনেদৰেই এদল শিক্ষাৰ্থীৰ সন্মুখত প্ৰতিধ্বনিত হৈছে এইসমূহ পাঠদান। শ্ৰেণীয়ে শ্ৰেণীয়ে সোমাই গ'লে কোনো লোকৰে চকুত নপৰিব শিক্ষকৰ উপস্থিতি। কিন্তু শৃংখলাবদ্ধভাৱেই ছাত্ৰ-ছাত্ৰীৰ মাজত চলি থাকিব পাঠদান, লিখন, পঠন সকলো। নগাঁও জিলাৰ কলিয়াবৰ শিক্ষা খণ্ডৰ অন্তৰ্গত শ্ৰেণীত শিক্ষক বিহীন এখন আজৰ বিদ্যালয় এতিয়া সকলোৰে চৰ্চাৰ বিষয় হৈ পৰিছে। বিদ্যালয়খনত এটা 'চাউণ্ড বক্স'ৰ জৰিয়তে চলিছে একে সময়তে দুটাকৈ শ্ৰেণীৰ পাঠদান। 'চাউণ্ড বক্স'টোত যি কৈছে ছাত্ৰ-ছাত্ৰীয়ে সেয়াকে এফালৰ পৰা আওৰাই গৈছে। মাজে মাজে বক্সৰ পৰা ধমক আহিছে 'বদমাছি কৰিলে আঁঠু কঢ়াই থ'ম।' এনেদৰেই দিনৰ পিছত দিন চলিছে পাঠদান। ছাত্ৰ-ছাত্ৰীসকলেও কৰিছে পাঠ গ্ৰহণ। প্ৰকৃততে এয়া কোনো আচৰিত ঘটনা নহয়। কলিয়াবৰ শিক্ষাখণ্ডৰ অধীনৰ ১৯৮৭ তে স্থাপন হোৱা শালবাৰী ৰাজীৱ গান্ধী প্ৰাথমিক বিদ্যালয়ৰ দৈনন্দিন দৃশ্য এয়া। চৰকাৰী বিদ্যালয়খনত এজন শিক্ষক, ৫৬ জন ছাত্ৰ-ছাত্ৰী আৰু প্ৰথমৰ পৰা পঞ্চমলৈ পাঁচটাকৈ শ্ৰেণী। ইয়াকে লৈ উপায়ান্তৰ হৈ পৰিছে শিক্ষানুষ্ঠানখনৰ একমাত্ৰ শিক্ষকজন। উপায়ান্তৰ শিক্ষকজনৰ বুদ্ধি মতেই এতিয়া এগৰাকী শিক্ষকেই পাঁচোটাকৈ শ্ৰেণীত একে সময়তে এনেদৰে 'চাউণ্ড বক্স'ৰ জৰিয়তে কৰি আহিছে পাঠদান। এদিন বজাৰৰ পৰা কিনি অনা এটা 'চাউণ্ড বক্সে'ই এতিয়া শিক্ষকগৰাকী উপস্থিত থকা শ্ৰেণীটো বাদ দি আনসমূহ শ্ৰেণীৰ শিক্ষক। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত পাঠদান কৰি থকাৰ সময়তে নিজৰ মাতটোকে ম'বাইলত কৰি ৰেকৰ্ডিং ম'বাইলৰ লগত বক্সটো সংযোগ কৰি বক্সৰ জৰিয়তে দৈনিক বিদ্যালয়খনত চলিছে পাঠদান। অ আ, ক খ ৰ পৰা এক দুই তিনি চাৰি, যোগ বিয়োগৰ নেওতালৈ সকলো এতিয়া সময় মতে বাজি উঠে চাউণ্ড বক্সত। মাজে মাজে শিক্ষকৰ ধমক 'ভালকৈ পঢ়, পঢ়া মনত থাকিব লাগিব বুজিলি'। প্ৰকৃতাৰ্থত আজিৰ সময়ত এয়াই চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ এখন পয়ালগা ছবি। ১৯৮৭ তে স্থাপন হোৱা বিদ্যালয়খন ২০২১ ত চৰকাৰীকৰণ হ'ল যদিও একমাত্ৰ শিক্ষকজনো টিউটৰ হৈয়ে থাকিল। এজন শিক্ষকে পাঁচটাকৈ শ্ৰেণীৰ পাঠদান কৰোতে নানান অসুবিধাৰ সন্মুখীন হৈছে যদিও চৰকাৰৰ ফালৰ পৰা আজিও নাপালে শিক্ষকৰ মৰ্যাদা। এতিয়া টিউটৰ শিক্ষকজনে এটাই অনুৰোধ কৰিছে আৰু এজন শিক্ষকক নিযুক্তি দিবলৈ। অন্যথা অদৃশ্য শিক্ষকৰেই চলি থাকিব পাঠদান -একৰ এক গ'ল থাকিল শূন্য...

# পাঁচ হেজাৰ বানপীড়িত শিক্ষাৰ্থীক শিক্ষা সামগ্ৰী প্ৰদান পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ

**নাজিৰা, ২৬ আগষ্ট ঃ** নাজিৰাৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ মাজত আজি বিনামূলীয়া শিক্ষা সামগ্ৰী বিতৰণ কৰা হয় পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ তৰফৰ পৰা। ৰাইজৰ দান- বৰঙণিৰে সংগৃহীত এই শিক্ষা সামগ্ৰীসমূহৰ ভিতৰত আছে বহী, কলম, পেঞ্চিল, ৰবৰ, ক্লিপবৰ্'ড, স্কুল বেগ, কিতাপৰ



লগতে বিদ্যালয়লৈ অহা-যোৱা কৰিব পৰা ছেণ্ডেল আৰু ছাতি। তদুপৰি বিদ্যালয়ৰ পুথিভঁৰালৰ বাবেও কিতাপ বিতৰণ কৰা হয়। এই সামগ্ৰীসমূহ প্ৰদান কৰিছে ফেডাৰেছন অৱ পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ, নতুন দিল্লী, পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, কলকতা, ফেডাৰেছন অৱ এডুকেছন অৱ ইণ্ডিয়া, অসম তথা উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিভিন্ন প্ৰকাশক আৰু বিক্ৰেতা, এমবিডি গ্ৰুপ অৱ পাব্লিকেছন, ড° ভৱেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ন্যাস 'আৰোহণ', তথা নতুন দিল্লী, কলকতা, বাংগালুৰু, জলন্ধৰ, পাটনা, মিৰাট, মুম্বাইৰ বিভিন্ন পুথি প্ৰকাশক-বিক্ৰেতা আৰু ব্যক্তি বিশেষে। নাজিৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, চকীমুখ উচ্চ মাধ্যমিক বিদ্যালয় আৰু বাউলি মৈদাম হাইস্কুলত উপস্থিত হৈ গিল্ডৰ আঠজনীয়া এটি দলে এই সামগ্ৰীসমূহ বিতৰণ কৰে। সাহায্য বিতৰণকাৰী দলটোত আছে সম্পাদক ধীৰাজ গোস্বামীৰ লগতে নাৰায়ণ কেজৰিয়াল, বাহাৰুল ইছলাম চৌধুৰী, দেৱেন কলিতা, নীলাঞ্জন ভট্টাচাৰ্য, গৌতম বৰ্মন পংকজ ভাগৱতী আৰু প্ৰবোধ দাস। তেওঁলোকক সাহায্য বিতৰণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়ায় লেখিকা-সমাজসেৱীকা অসমী গগৈ আৰু বিশিষ্ট ব্যৱসায়ী প্ৰশান্ত বৰঠাকুৰে। ইয়াত আজি পাঁচ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই সামগ্ৰীসমূহ বিতৰণ কৰে গিল্ডে। উল্লেখ্য যে পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ বিষয়ববীয়াসকলে সাক্ষাৎ কৰে বিশিষ্ট ইউটিউবাৰ, সমাজসেৱক সময় গগৈৰ সহযোগী যজাতি গগৈক। শিৱসাগৰ আৰু চৰাইদেউৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গিল্ডে আগবঢ়োৱা সামগ্ৰীসমূহ যথোচিত বিতৰণৰ বাবে যজাতি গগৈৰ হাতত অৰ্পণ কৰা হয়। গিল্ডৰ সম্পাদক, বিশিষ্ট প্ৰকাশক, অসম বুক হাইভৰ স্বত্বাধিকাৰী ধীৰাজ গোস্বামীয়ে এক বিবৃতিত কয়, 'বান প্ৰলয়ে যি ভয়াৱহ ধ্বংসলীলা চলালে সেয়া দেখি বৰকৈ মনোকষ্ট পাইছো। আমাৰ এই সাহায্য সামান্য মাত্ৰ। বহু দল-সংগঠন আৰু ব্যক্তি বিশেষে বানাক্ৰান্ত ৰাইজলৈ সহায়ৰ হাত আগবঢ়াইছে। আমি আশা কৰিম বনাপীড়িত অঞ্চলৰ শিক্ষা ব্যৱস্থাৰ পৰিকাঠামো চৰকাৰে পুনৰ গঢ়ি তুলিব। ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বৰ বিদ্যায়তনিক পৰিৱেশ ঘূৰাই পাওক, এয়ে আমাৰ প্ৰাৰ্থনা। ইয়াৰ বাবে অনাগত সময়তো আমি সাধ্যানুসাৰে সহযোগিতা আগবঢ়াই যাম।'

# বোকাখাতত কৰ্মৰত অৱস্থাতে বিদ্যুৎস্পৃষ্ট হৈ কৰ্মচাৰীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা,**
**খুমটাই/ বোকাখাত, ২৬ আগষ্ট ঃ** বোকাখাতত সংঘটিত হৈছে এক শোকাৱহ ঘটনা। বিদ্যুৎ সংযোগৰ কাম কৰি থকা অৱস্থাত বিদ্যুৎস্পৃষ্ট হৈ বোকাখাত বিদ্যুৎ সংমণ্ডলৰ এগৰাকী ফিক্সড পে' অস্থায়ী কৰ্মচাৰীৰ মৃত্যু হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । মৃত কৰ্মচাৰী গৰাকী বোকাখাত এক নম্বৰ টীমৰ আটিৰ গাঁৱৰ হেমেধৰ বড়ি বুলি চিনাক্ত কৰা হৈছে । উল্লেখ্য যে বোকাখাতৰ এক নম্বৰ টীমৰ আটিৰ গাঁৱৰ ট্ৰেন্সফ'ৰ্মাৰ কাম বাবে বোকাখাত বিদ্যুৎ সংমণ্ডল কাৰ্যালয় অধীনস্থ বিদ্যুৎ বিভাগৰ কন্ট্ৰ'ল ৰূমত টেলিফোন যোগে জনাই যদিও বিদ্যুৎ বিভাগৰ কন্ট্ৰ'ল ৰূমৰ পৰা বিদ্যুত কৰ্তন কৰা পাছত কৰ্মচাৰী গৰাকী ট্ৰেন্সফৰ্মাৰৰ কামৰ বাবে বিদ্যুতৰ খুঁটাত উঠি কাম কৰি থকা অৱস্থাতে হঠাৎ বিদ্যুৎ সংযোগ হোৱাত তেওঁ খুঁটাৰ ওপৰৰ পৰা তলত পৰি যায়। ইফালে কৰ্মচাৰীজনৰ বিদ্যুৎস্পৃষ্ট হোৱাৰ পিছতেই তেওঁৰ সহযোগী আৰু স্থানীয় লোকে ততাতৈয়াকৈ বোকাখাত মহকুমা অসামৰিক চিকিৎসালয়লৈ লৈ যায়। কিন্তু চিকিৎসকে কৰ্মচাৰীজনৰ স্বাস্থ্য পৰীক্ষা কৰি লোকজনক মৃত ঘোষণা কৰে। ঘটনাটোক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত শোক আৰু ক্ষোভৰ সৃষ্টি হৈছে। বিদ্যুৎ বিভাগৰ হেমাহিৰ বাবেই এই অঘটন সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকৰ লগতে পৰিয়ালৰ লোকে। ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে উচিত তদন্তৰ দাবী জনোৱাৰ লগতে মৃত কৰ্মচাৰীজনৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদান কৰিবলৈও দাবী জনাইছে স্থানীয় ৰাইজে। ইফালে ঘটনাটোৰ সন্দৰ্ভত বিদ্যুৎ বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ ভুলৰ বাবে সংঘটিত হোৱাত বোকাখাত সচেতন ৰাইজে বিভাগটোৰ চূড়ান্ত হেমাহিক গৰিহণা দিয়াৰ লগতে উক্ত সময়ত কাৰ্যালয়ত কৰ্মৰত কৰ্মচাৰীৰ বিৰুদ্ধে তদন্ত কৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিদ্যুৎ বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াক আহ্বান জনাইছে ।

# দুৰ্ঘটনাত এখন হাত-ভৰি হেৰুৱাইও হতাশ নহয় ঝাৰখণ্ডৰ ছাজুল টুডু

## হতাশাত ভোগাজনক উৎসাহিত কৰিবলৈ দেশজুৰি চাইকেল যাত্ৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৬ আগষ্ট ঃ** ইতিবাচক চিন্তা আৰু মানসিক শক্তিৰ সহায়ত ঝাৰখণ্ডৰ এজন যুৱকে হতাশাগ্ৰস্ত বহুজনক প্ৰেৰণা যোগোৱাৰ তথা এনেসকলৰ মনত আশাৰ সঞ্চাৰ কৰাৰ উদ্দেশ্যে অব্যাহত ৰাখিছে চাইকেলেৰে দেশ ভ্ৰমণ কাৰ্যসূচী। দিব্যাংগ হ'লেও মানুহ যদি মানসিকভাৱে শক্তিশালী হয়, তেনেহ'লে তেওঁ যিকোনো কঠিন প্ৰত্যাহ্বান নেওচি সফলতা অৰ্জন কৰিব পাৰে। ইয়াৰে এক সুন্দৰ তথা জ্বলন্ত উদাহৰণ ছাজুল টুডু নামৰ ঝাৰখণ্ডৰ যুৱকজন। এক দুৰ্ঘটনাত এখন হাত আৰু এখন ভৰি হেৰুৱাই পাছত সেই ভৰিখন কৃত্ৰিমভাৱে লগাই তেওঁ মনৰ অদম্য সাহস আৰু ইচ্ছা শক্তিৰে চাইকেল চলাই সমগ্ৰ দেশ ভ্ৰমণ কৰিবলৈ অকলেই ওলাই অহা এই যুৱকজন কালি উপস্থিত হয়হি



শোণিতপুৰৰ বালিপৰাত। ঝাৰখণ্ডৰ হাজাৰিবাগৰ পৰা এখন চাইকেলেৰে বিগত ডেৰ বছৰ ধৰি ভাৰত ভ্ৰমণ অব্যাহত ৰখাৰ বিষয়ে সদৰী কৰি টুডুৱে ইতিমধ্যে দেশৰ ২০খন ৰাজ্য ভ্ৰমণ কৰা বুলি উল্লেখ কৰি লগতে কয় যে ইয়াৰ পাছতে আজি পুৱা তেওঁ অসমলৈ আহে আৰু বালিপৰা হৈ তেওঁ অৰুণাচললৈ বুলি ৰাওনা হয়। উল্লেখ্য যে ২০১৪ৰ ২৪ ডিচেম্বৰত তেওঁ এক মটৰচাইকেল দুৰ্ঘটনাত পতিত হৈ এখন হাত আৰু এখন ভৰি হেৰুৱাব লগীয়া হৈছিল। কিন্তু সেই শোকাৱহ ঘটনাটোত শৰীৰৰ দুই প্ৰধান অংগ হেৰুৱাই হতাশাত ভোগাৰ সলনি তেওঁ জীৱনটোক ইতিবাচক দৃষ্টিভংগীৰে লৈ যুৱকজনে শাৰীৰিক সক্ষমতা যে কেতিয়াও জীৱনৰ অগ্ৰগতিৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে সেই সম্পৰ্কে ৰাইজক সজাগ কৰাৰ সংকল্প গ্ৰহণ কৰে বুলি মন্তব্য কৰে সাংবাদিকৰ আগত। এই উদ্দেশ্যৰেই তেওঁ ২০২৫ ৰ ১৮ মাৰ্চত এখন চাইকেল লৈ তেওঁৰ দীঘলীয়া যাত্ৰা আৰম্ভ কৰে। দিনটো চাইকেল চলাই মাজে মাজে জিৰণি লৈ তথা য'তেই যিদৰে সুবিধা হয় তেনেদৰে নিশাটো অতিবাহিত কৰি ইতিমধ্যে ২০খন ৰাজ্য ভ্ৰমণ কৰে তেওঁ। অসমত প্ৰৱেশ কৰি তেওঁৰ ভ্ৰমণৰ ২১ সংখ্যক ৰাজ্যৰ তালিকা সম্পূৰ্ণ কৰি ২২ সংখ্যক ৰাজ্য হিচাপে তেওঁ যাত্ৰা কৰে অৰুণাচল প্ৰদেশলৈ। এখন হাতেৰেই চাইকেল চলোৱা ছাজুল টুডুৱে ইতিমধ্যে দুৰ্ঘটনাত হেৰুওৱা ভৰিখনৰ সলনি সংস্থাপন কৰিছে এখন কৃত্ৰিম ভৰি। এইদৰেই তেওঁ এতিয়া দেশৰ মানুহক দিব্যাংগ তথা শৰীৰৰ অংগ হেৰুৱালেই যে জীৱনটো শেষ নহয় সেইকথা উদাহৰণসহ বুজাবলৈ তথা এইক্ষেত্ৰত ৰাইজক সজাগ কৰিবলৈকে অব্যাহত ৰাখিছে তেওঁৰ এই দেশজোৰা দীঘলীয়া যাত্ৰা।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com